হোমেন বৰগোহাঞিৰ জীৱন আৰু সাহিত্য

হোমেন বৰগোহাঞিৰ জীৱন আৰু সাহিত্য

সম্পাদনা ঃ

অমিয় কুমাৰ সন্দিকৈ

প্ৰকাশক ঃ

জ্যোতি প্ৰকাশন

পাণবজাৰ, গুৱাহাটী - ১

HOMEN BORGOHAYEE JIVON SAHITYA : A collection of articles on the literature and the journalism of Homen Borgohayee, edited by Omiyo Kumar Handique on behalf of Ganatantrik Sahitya Mancha, Dhakuakhana and published by Sri Nagen Sarma, on behalf of M/S. Jyoti Prakashan, Panbazar, Guwahati - 781 001
First edition : 31 December, 2000 Price Rs. Sixty only.

হোমেন বৰগোহাঞিৰ জীৱন আৰু সাহিত্য
সম্পাদনা : অমিয় কুমাৰ সন্দিকৈ

প্ৰথম প্ৰকাশ : ৩১ ডিচেম্বৰ, ২০০০

গ্ৰন্থস্বত্ব : গণতান্ত্ৰিক সাহিত্য মঞ্চ, ঢকুৱাখনা
জিলা ঃ লক্ষীমপুৰ, অসম

প্ৰকাশক : শ্ৰীনগেন শৰ্মা
জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী - ১

মূল্য : ৬০.০০ টকা ।

বেটুপাত : পদ্ম সিংহ, গুৱাহাটী

অক্ষৰ বিন্যাস : ইউনিভাৰ্চেল প্ৰিণ্ট টেক
পাণবজাৰ, গুৱাহাটী - ১

মুদ্ৰণ : ত্ৰিণয়ন গ্ৰাফিক অফচেট
ৰিহাবাৰী, গুৱাহাটী

সূচীপত্র

প্ৰথম খণ্ড

দ্বিতীয় খণ্ড

গণতান্ত্ৰিক সাহিত্য মঞ্চ, ঢকুৱাখনাৰ

সদস্যসকল ঃ

সভাপতি : শিৱপ্ৰসাদ গগৈ, উপ সভাপতি : অনিমা দত্ত, জগদীশ গগৈ, ডঃ জিতৰাম কলিতা, সাধাৰণ সম্পাদক : অমিয় কুমাৰ সন্দিকৈ, যুটীয়া সম্পাদক : অমল দত্ত, প্ৰদীপ ৰাজকোঁৱৰ, সদস্য : আনন্দ চন্দ্ৰ বৰুৱা, ডঃ গিৰীশ গগৈ, ইন্দিবৰ বুঢ়াগোহাঁই, ৰেৱত হাজৰিকা, পূৰ্ণানন্দ গগৈ, যামিনী কুমাৰ শইকীয়া, সুকুমাৰ ফুকন, অমিয় কুমাৰ গগৈ, দেৱেশ্বৰ দত্ত, দেৱেশ্বৰ পেগু, ৰাজেন্দ্ৰ কুমাৰ বৰুৱা, কমল দাস, সত্য নাৰায়ণ বৰুৱা, নৰেন্দ্ৰ নাথ দত্ত, সেৱক চুটীয়া, মণিকা চক্ৰবৰ্ত্তী, যুক্তিৰঞ্জন শইকীয়া, চিত্ৰকুমাৰ কোঁচ, পূৰ্ণানন্দ মজিন্দাৰ।

সম্পাদকৰ মেজৰ পৰা

কুৰি শতিকাৰ শেষৰফালে সমগ্ৰ বিশ্বৰ জনগণে বহু পৰিবৰ্তন, উচ্চাশা, বিকাশৰ লগতে উশৃংখলা, হতাশা আৰু অকল্পনীয় মানৱতাৰ স্খলনো প্ৰত্যক্ষ কৰিলে । এফালেদি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই যেনেকৈ বিশ্বৰ সকলো দেশৰে চুকে কোণে চমকলগোৱা পৰিবৰ্তনৰ জোৱাৰ আনিলে, তেনেকৈয়ে ই অকল্পনীয় শ্ৰেণীবৈষম্য আৰু হতাশা বিভিষিকাৰো সৃষ্টি কৰিলে । সকলোৰে উপভোগ কৰিব পৰাকৈ, তথা সকলোৰে হিতৰ বাবে নব নব সৃষ্টিৰে বিজ্ঞান, প্ৰযুক্তিবিদ্যা ভাৰাক্ৰান্ত হলেও এক নিতান্ত অনিবাৰ্য্য বুলি ভবা কাৰণতে চমকপ্ৰদ সৃষ্টিবোৰ ব্যৱসায়িক পণ্য হিচাপে হৈ পৰিল উচ্চ বিত্তৰ বাবেহে সহজলভ্য । উদাহৰণ স্বৰূপে সকলোৰে বাবে আটাইতকৈ প্ৰযোজনীয় চিকিৎসা বিজ্ঞানৰ কথাটোকে চোৱা যাওক । চিকিৎসা বিজ্ঞানৰ অগ্ৰগতি তৃতীয় বিশ্বৰ দেশসমূহৰ বাবে এক প্ৰহসনত পৰিণত হৈছে । যিমানেই বিপদজনক বেমাৰ আজাৰৰ আৰোগ্য পদ্ধতি, ঔষধ, প্ৰতিষেধক আদিৰে চিকিৎসা বিজ্ঞান আগনবাঢ়ক কিয়, এইবোৰ মানৱ সেৱাৰ নামত যি পবিত্ৰ শপত লৈ এই শিক্ষা লোৱাত ব্ৰতী হয়, এওঁলোকো যান্ত্ৰিক প্ৰক্ৰিয়াৰ সৰ্বগ্ৰাসী ব্যৱস্থাৰ নিকিনা গোলাম হৈ পৰে । কাৰিকৰী দিশত উন্নত দেশবোৰত উৎপাদিত চকুত চমক লগোৱা, লাহ বিলাহ, মনোৰঞ্জনৰ সামগ্ৰীসমূহৰ অবাধ বজাৰখনে তৃতীয় বিশ্বৰ দেশসমূহত আগ্ৰাসী ৰূপ ধাৰণ কৰিলে আৰু তাৰ ফলস্বৰূপে উৎপাদনক্ষম জনশক্তিৰ শ্ৰম-সংস্কৃতিত কুঠাৰ ঘাত পৰিছে । সহজলভ্য, অনায়াস ধনপ্ৰাপ্তিৰ অনেক কলাকৌশলৰ অবাধ আগমনে সাধাৰণ মানুহৰ জীৱন-যাপন প্ৰক্ৰিয়াটোকে ভীতিগ্ৰস্ত কৰি তুলিছে । দুৰ্নীতি, ভ্ৰষ্টাচাৰ, শোষণ নিষ্পেষণ, শ্ৰেণীবৈষম্যই ভাৰতৰ দৰে আপাততঃ পিছপৰা দেশৰ বিভিন্ন প্ৰদেশত এনে চূড়ান্ত ৰূপ পাইছেগৈ যে সৰ্বত্ৰ বিৰাজ কৰা বিভীষিকাময়, আশাহীন, জয়াল পৰিস্থিতিত সৰ্বসাধাৰণ নাগৰিকৰ নৰক বাস হোৱাৰ অৱস্থা হৈছে । ডান্টেই নৰকৰ সংজ্ঞা দি কোৱাৰ নিচিনাকৈ "Abandon ye all hopes who enter here" আমিও যেন জীৱনৰ সমস্ত আশা ভৰষা পৰিত্যাগ কৰি ৰুদ্ধশ্বাস এক নিৰ্দিষ্ট সময় নিতান্ত বাধ্য-বাধকতাত পাৰ কৰিবলগীয়া হৈছে । ৰাজনৈতিক দৃশ্যপটৰ সালসলনিয়েও জনগণক কোনোফালে পোহৰৰ বেঙুনি দিব পৰা নাই পুঁজিবাদৰ আগ্ৰাসী জয়যাত্ৰাই সাম্য, মুক্তি, ঐক্যৰ পথত হেঙাৰ সৃষ্টি কৰিছে । আগৰ দায়িত্বশীল, সৎ, জ্ঞানী, জনকল্যাণৰ কামত আন্তৰিকতাৰে আত্মোৎসৰ্গ কৰা, জনগণৰ সুখ দুখ আবেগ-অনুভূতিৰ প্ৰতি গভীৰ মমত্ববোধ থকা জন প্ৰতিনিধিৰ ঠাইত বৰ্তমান কেৱল ফোঁপোলা মগজুৰ, ধন আৰু ক্ষমতাৰ পুতলা নেতাই ৰাজনীতিৰ পথাৰখনকে কাব চাপিব নোৱাৰাকৈ

গেলাই পেলালে। এনে এক পৰিস্থিতিত পৰিৱৰ্তনৰ পথ বিচাৰি এচাম খণ্ডাল ডেকাল'ৰাই সহজলভ্য মৰাণাস্ত্ৰৰ সহায়ত প্ৰথমে জনগণ মুক্তিৰ অঙ্গীকাৰ লৈ আগবাঢ়ি গৈ, মাজবাটতে আদৰ্শ আৰু পথচ্যুত হৈ জনগণৰে মূল শত্ৰু হিচাপে থিয় দিছেগৈ। একেধৰণে উগ্ৰবাদ আহিছে সময়ৰ গতিত আপোন পৰিচয় সংকটাপন্ন হোৱাৰ আশংকাত বহু খিলঞ্জীয়া গোটৰ যুৱসংগঠনৰ যোগেদি।

মানৱতাৰ এনে এক বিপন্ন সময়ত আমাৰ শিল্পী-সাহিত্যিক, ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী তথা সততাৰ পক্ষত থকা সচেতন নাগৰিকৰ দায়িত্ব হৈছে সামগ্ৰীক এই বঞ্চনা, হতাশাৰ বিপৰীতে সুস্থ আদৰ্শৰ শ্লোগানেৰে আশাৰ পথৰ দিক নিৰ্ণয় কৰি দিয়া। নহলে মানৱ জাতিৰ বিপৰ্যয়ৰ সীমা নাথাকিব। অৱশ্যে এই কথা ঠিক যে, শিল্পী, সাহিত্যিক, বুদ্ধিজীৱীৰো বিশেষ সুকীয়া সুকীয়া লবী থাকে আৰু থাকে নিজস্ব স্বাধীন মতাদৰ্শ, হলেও মানৱতাৰ খাতিৰত এই সকল একে মঞ্চত থিয় হোৱাৰ প্ৰয়োজন আহি পৰিছে। জনগণক কেৱল নিজৰ মুনাফা আদায়ৰ বাবে নিজস্ব খেয়াল খুচিমতে পুতলাৰ দৰে নচুৱাই থাকিব খুজিলে এদিন তেওঁলোকে এইসকলৰ ভৰিৰ তলৰ মাটিখিনি খহাই দিবলৈ বাধ্য হব আৰু তেনে কৰাৰ আগে আগে সমগ্ৰ সমাজ জীৱনতে অপ্ৰতিৰোধ্য ধ্বংসৰ দামামা বাজি উঠিব।

এনে ক্ষেত্ৰত আজি প্ৰয়োজন হৈছে নতুন প্ৰজন্মক মানৱতাবাদী চিন্তা চৰ্চাৰে প্ৰোজ্জ্বল কৰি তোলা, ঐক্য আৰু ভ্ৰাতৃত্বৰ আদৰ্শৰে একত্ৰিত এক সংগ্ৰামী মঞ্চৰ বাবে প্ৰস্তুত কৰি তোলা। গভীৰ হা-হতাশাত নিমৰ্জ্জিত আজিৰ যুৱশক্তি অধ্যয়ন বিমুখ, শ্ৰমবিমুখ তথা আদৰ্শ বিমুখ - যিটো মানৱজাতিৰ ভৱিষ্যতৰ বাবেই অতিকৈ উদ্বিগ্নতাৰ বিষয়। এনে এক বহু জটিল সমস্যাৰ ধামখুমীয়াত শান্তি, প্ৰগতি তথা মানৱতাৰ পক্ষত থকা অগ্ৰজ শিল্পী-সাহিত্যিক তথা সাংস্কৃতিক কৰ্মীৰ কৰ্মৰাজিৰ অধ্যয়ন, অনুধাৱণ আৰু অনুশীলনৰ প্ৰয়োজনীয়তা আহি পৰিছে।

এনে এক প্ৰয়োজনৰ তাগিদাতে নতুন সাহিত্য পৰিষদৰ ঢকুৱাখনা শাখাই সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, সাহিত্যামোদী ৰাইজক একত্ৰিত কৰিবৰ বাবে এক মঞ্চ প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰে। ঢকুৱাখনাৰ সাহিত্য সংস্কৃতিপ্ৰেমী সচেতন বহু জনৰ মাজত সঘনে এটি কথা আলোচিত হৈছিল — ঢকুৱাখনা তথা লক্ষীমপুৰ জিলাৰ সাহিত্য সংস্কৃতিৰ লগত জড়িত পূৰ্বৰ তথা বৰ্তমানৰ সাধকসকলৰ বিষয়ে আমাৰ মাজতে কিছু আলোচনা কৰিব নোৱাৰিনে ? ভৌগোলিকভাৱে ঢকুৱাখনা মহকুমাৰ পৰিসৰ অতি সাম্প্ৰতিকে সীমিত হলেও, সাংস্কৃতিক ঢকুৱাখনাৰ পূৰ্বৰ পৰিসৰ অতিকৈ বিশাল আছিল। এই বৃহত্তৰ ঢকুৱাখনা তথা লক্ষীমপুৰ জিলাৰ বহুতো সাহিত্য সংস্কৃতি সেৱীয়ে অসমীয়া সাহিত্যৰ ভঁৰালত অনেক মণি-মুকুতাৰ অৰিহণা আগবঢ়াই গৈছে। এইসকল বৰেণ্য ব্যক্তি যদিও সমগ্ৰ অসমৰে উমৈহতীয়া, আপুৰুগীয়া সম্পদ, তথাপি নিচেই কাষৰ

আদৰ্শ পুৰুষ হিচাপে সেইসকলৰ জীৱন-জোৰা সাধনা, সৃষ্টি-প্ৰতিভাৰ বিষয়ে আমাৰ নিজৰ মাজতে আলোচনা-বিলোচনা কৰিলে নিশ্চয় আমাৰ উত্তৰ পুৰুষ তথা আমি নিজেও উপকৃত হ'ম । এনে এক মাজে সময়ে চিন্তিত কৰি তোলা আবেগ-জড়িত, অথচ যুক্তিপূৰ্ণ প্ৰশ্নৰ সদুত্তৰ পাবলৈকে যোৱা ১৯৯৯ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখে নতুন সাহিত্য পৰিষদৰ ঢকুৱাখনা শাখাৰ উদ্যোগত এখনি সাধাৰণ সভা আহ্বান কৰা হয় । সাম্প্ৰতিক অসমীয়া সাহিত্যৰ প্ৰগতিশীল ধাৰাটোৰ অন্যতম পুৰোধা ব্যক্তি, নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক সন্মিলন, অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি নাট্যকাৰ, গল্পকাৰ, সমালোচক, কবি, ঔপন্যাসিক তথা সমাজ-কৰ্মী তোষেশ্বৰ চেতিয়াদেৱৰ সদুপদেশ শিৰোধাৰ্য কৰি সঘন সাহিত্য আলোচনাৰ এখনি বহল মঞ্চ প্ৰস্তুত কৰাই আছিল উক্ত সভাৰ উদ্দেশ্য । প্ৰথিতযশা কবি, নাট্যকাৰ,শিক্ষাবিদ ঢকুৱাখনা মহাবিদ্যালয়ৰ অধ্যক্ষ শিৱপ্ৰসাদ গগৈদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সেই সভাতে সাহিত্য আলোচনাৰ বহল মঞ্চ "গণতান্ত্ৰিক সাহিত্য মঞ্চঃ ঢকুৱাখনা"ৰ জন্ম হয় । মঞ্চৰ জন্মলগ্নৰ দিনাই ঢকুৱাখনাৰ সুপুত্ৰ কবি, গল্পকাৰ, ঔপন্যাসিক, প্ৰাবন্ধিক, সাংবাদিক, সমালোচক, নিজৰ নামেই যাৰ পৰিচয়, এজন ব্যক্তি হৈয়ো এক বিশাল সাহিত্য অনুষ্ঠান হোমেন বৰগোহাঞিৰ সৃষ্টিশীল ৰচনাৰাজিৰ ওপৰত আলোচনা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয় । এই আলোচনা সভাৰ প্ৰথম পদক্ষেপত তেখেতৰ কবিতা, গল্প আৰু উপন্যাসৰ ওপৰত আলোচনা কৰিবৰ বাবে যথাক্ৰমে ইছমাইল হোছেইন, পূৰ্ণানন্দ গগৈ, হৃদয়ানন্দ গগৈ আৰু তোষেশ্বৰ চেতিয়াক আলোচক হিচাপে দায়িত্ব দিয়া হয় । অনিবাৰ্য কাৰণবশতঃ হৃদযানন্দ গগৈয়ে আলোচনা চক্ৰত উপস্থিত থাকিব নোৱাৰিলে যদিও তেওঁৰ লিখিত প্ৰবন্ধটি কিছুদিন পিচত আমালৈ পঠাই দিযে । মাত্ৰ দুমাহ পাছতে অৰ্থাৎ ০৩-০৪-৯৯ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে প্ৰথমখন আলোচনা সভা অনুষ্ঠিত হয় । সভাখনি উদ্বোধন কৰে মঞ্চৰ সভাপতি শিৱ প্ৰসাদ গগৈদেৱে আৰু পৰিচালনা কৰে কবি, গীতিকাৰ জিতেন চুতীয়াই । বৰগোহাঞিৰ প্ৰবন্ধ, সাংবাদিকতাৰ ওপৰত দ্বিতীয়খন আলোচনা সভা ২০০০ চনৰ আৰম্ভণিতে অনুষ্ঠিত কৰাৰ কথা আছিল যদিও নানা অসুবিধাৰ বাবে ৩ জুন তাৰিখেহে অনুষ্ঠিত কৰিব পৰা হ'ল । সাংবাদিকতাৰ ওপৰত প্ৰবীণ সাংবাদিক উমেশ চেতিয়া, প্ৰবন্ধৰাজিৰ ওপৰত ড' কেশৱ হাজৰিকাই আৰু হোমেন বৰগোহাঞিৰ সাংবাদিকতা আৰু প্ৰবন্ধ-সাহিত্যৰ ওপৰত ইছমাইল হোছেইনে সামগ্ৰিকভাৱে আলোচনা আগবঢ়াই । দ্বিতীয়খনি আলোচনা সভাৰ উদ্বোধন কৰে জিতেন চুতীয়াই, পৰিচালনা কৰে শিৱপ্ৰসাদ গগৈয়ে আৰু সঞ্চালনা কৰে তোষেশ্বৰ চেতিয়াই ।

হোমেন বৰগোহাঞি ঢকুৱাখনা তথা অসমৰ সু-সন্তান আৰু সেই অৰ্থতেই তেখেতক লৈ আমি সকলো গৌৰৱান্বিত । আমি আগতেই উনুকিয়াই আহিছোঁ যে

তেখেত এতিয়া এজন ব্যক্তিয়েই নহয়, ব্যক্তি হৈয়ো এক অনুষ্ঠান, আধুনিক চিন্তা নায়কসকলৰ অন্যতম । তেখেতৰ সৃষ্টিশীল ৰচনাৰাজিৰ জৰিয়তে কেৱল পঞ্চাছৰ দশকৰ পৰা আজিৰ লোকসকলেই যে উপকৃত হব তেনে নহয়, ভাবীকালৰ বাবে সেইখিনি হব অমূল্য পথ নিৰ্দেশক ৰত্ন । গণতান্ত্ৰিক প্ৰমূল্য, মানৱতাবোধৰ জয়গান বৰগোহাঞিৰ লেখনিৰ অন্যতম বৈশিষ্ট আৰু সিয়েই সকলোৰে বাবে আদৰণীয় দিশ ।

ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ত পঢ়ি থকা সময়তে বৰগোহাঞিৰ সৃষ্টিশীল প্ৰতিভাৰ উন্মেষ ঘটিছিল । স্কুলীয়া ছাত্ৰসকল সেইসময়ত আছিল বহু বেছি দায়িত্বশীল আৰু অধ্যয়নানুৰাগী । পৰিৱৰ্তিত দিনবোৰে কঢ়িয়াই অনা নতুনৰ বাৰ্তাই এওঁলোকৰ চকুত সানি দিছিল ৰৌদ্ৰোজ্বল দিনৰ মহিমামণ্ডিত আবিৰ । গতিকে পিচপৰা, আওহতীয়া হলেও নিজে বাস কৰা সমাজখনৰ বৌদ্ধিক, মৌলিক অভাৱখিনি এই সকলে হৃদয়ঙ্গম কৰিছিল আৰু যৎপৰোনাস্তি কিবা এটা কৰাৰ চেষ্টা কৰিছিল । সেই সময়তে সীমিত পৰিসৰৰ ভিতৰতে এওঁলোকে এখন হাতে লিখা আলোচনী উলিয়াইছিল আৰু তাৰ জৰিয়তে এক অধ্যয়ন স্পৃহাৰ মঞ্চ গঢ়ি উঠিছিল । যদিওবা ঢকুৱাখনা এখন আওহতীয়া ঠাই, তথাপি অধ্যয়ন স্পৃহা থকা ব্যক্তি, ছাত্ৰসকলে প্ৰয়োজনীয় কিতাপ, আলোচনী আদি অনেক কষ্টকৈ যোগাৰ কৰি, পঢ়ি, টোকা কৰি পুনৰ ঘূৰাই দিয়াৰ অনেক চিত্তাকৰ্ষক কাহিনী আমাৰ দেউতা, ককাদেউতাৰ মুখৰ পৰা শুনিছিলোঁ । ঢকুৱাখনা শাখা সাহিত্য সভাইও সাহিত্য চৰ্চাৰ স্পৃহা বঢ়োৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু মূল সাহিত্য সভা কাৰ্যালয়লৈ কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল । পঞ্চাছৰ দশকত ঢকুৱাখনাত পঢ়ি থকা সময়ছোৱাত জ্ঞানান্বেষণৰ এক সুস্থ পৰিৱেশ ঠাইখনত যে বিৰাজ কৰিছিল, এই কথা বৰগোহাঞিয়ে কেইবাটাও লেখাত প্ৰকাশ কৰিছে । স্কুলীয়া ছাত্ৰসকলে দুষ্প্ৰাপ্য, চিন্তাগধুৰ কিতাপ অধ্যয়ন কৰাই নহয়, জীৱন সম্পৰ্কীয় অতি গভীৰ দাৰ্শনিক আলাপ আলোচনাও কৰিছিল চাৰিকড়ীয়া নদীৰ পাৰত ।

মজলীয়া স্কুলৰ পৰা উত্তীৰ্ণ হৈ বৰগোহাঞিয়ে ডিব্ৰুগড় চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ যায় আৰু পিচত কটন কলেজৰ পৰা বি এ পাছ কৰি এম এ পঢ়াৰ ইচ্ছা বাদ দি অসম প্ৰশাসনিক সেৱা বিভাগৰ পৰীক্ষা দি প্ৰশাসনিক বিষয়াৰ চাকৰিত যোগদান কৰে । চৰকাৰী চাকৰিয়াল হিচাপেই হৈ থকা হলে আমি তেখেতৰ পৰা কিমান কি পালোহেঁতেন এইটো নাজানোঁ, কিন্তু এই কথা সত্য যে, 'বিভিন্ন নৰক'কে ধৰি পিচৰ কেইবাখনো উপন্যাস, গল্প আদিৰ সমল আৰু অভিজ্ঞতা এই চুটি সময়ছোৱাতে সঞ্চিত হৈছিল । চৰকাৰী চাকৰি ত্যাগ কৰাৰ পাছত ১৯৬৮ চনত "নীলাচল" কাকতৰ সম্পাদক হিচাপে সাংবাদিকতাত আত্মনিয়োগ কৰাৰ পৰা "আমাৰ অসম"লৈকে এই অতিকে ফলপ্ৰসু সুদীৰ্ঘ সময়ছোৱাত ঔপন্যাসিক, গল্পকাৰ, সমালোচক, সাংবাদিক হিচাপে হোমেন বৰগোহাঞি মানুহজন সকলোৰে বাবে চিনাকী ।

আমিনো ৰবগোহাঞিক কিয় আমাৰ আলোচনাৰ প্ৰথমজন ব্যক্তি হিচাপে বাছি ললোঁ ? আমি আগতেই কৈ আহিছোঁ - ৰবগোহাঞি বৰ্তমান অসমৰ বৌদ্ধিক জগতখনৰ এক ভোটাতৰা স্বৰূপ। গভীৰ মানবতাবোধ, চেকুলাৰ দৃষ্টিভঙ্গী, সুস্থ সবল ভৱিষ্যতৰ স্পষ্ট ইঙ্গিত নাথাকিলেও এক আশাবাদী পৰিবৰ্তনত বিশ্বাসী, ব্যাপক অধ্যয়নপুষ্ট মনৰ অধিকাৰী, সৱল গদ্যৰ নিৰন্তৰ অনুশীলনকাৰী, প্ৰজ্ঞাৰ সাধক লেখকজন নিঃসন্দেহে সকলোৰে বাবে, বিশেষকৈ উত্তৰ পুৰুষৰ বাবে আদৰ্শ প্ৰগতিশীল ব্যক্তি । সংকীৰ্ণ অৰ্থতেই হওক, বহল অৰ্থতেই হওক, তেখেত ঢকুৱাখনাৰ । তদুপৰি ঢকুৱাখনাৰ অন্ততঃ এম ভি., এম. ই পাছ এনে লোক নোলাব যি হোমেন ৰবগোহাঞিৰ কোনোবা এখন কিতাপ পঢ়া নাই বা পঢ়ি আলোচনা কৰা নাই । ঢকুৱাখনা ঠাইখনৰ, ম'হঘুলি চাপৰিটোৰ, ৰূপালী চাৰিকভীয়া নদীখনৰ, সহজ সৰল মানুহবোৰৰ, উত্তৰণৰ লগত পৰম্পৰা, সংকীৰ্ণতাৰ সংঘাত উদ্ভুত ঘটনাবোৰৰ গভীৰ অন্তৰ্দৃষ্টি আৰু আন্তৰিকতাৰে দিয়া শৈল্পিক ৰূপদানত তেখেতৰ সমবয়সৰ বহুলোক আত্মবিস্মৃত হয়, কেতিয়াবা অম্ল-তিক্ত প্ৰতিক্ৰিয়াতো নুভোগা নহয় ।এনে প্ৰতিক্ৰিয়া এইবাবেই হয় যে -- একোটা ঘটনা বা স্মৃতিপটৰ একোখন চিত্ৰ একেবাৰে হুবহু বা বাস্তৱ হব নোৱাৰে । লেখক, শিল্পীসকলে তাক মনোজগতত বহবাই নতুনকৈ গঢ়ি পিটি তাৰ এক বাস্তৱ অথচ শৈল্পিক ৰূপ দিয়ে । বাস্তৱ কোনো পৰিঘটনাৰ লগত জড়িত কোনো ব্যক্তিয়ে শিল্পী বা লেখকজনক নিৰ্মোহভাৱে জড়িত হোৱাটো বিচাৰিলে হতাশ হোৱাই স্বাভাৱিক, যিহেতু শিল্পী বা লেখক মূলতঃ detached সৃষ্টিকৰহে ।

দুই এজনে আমাক প্ৰশ্ন কৰিছিল হোমেন বৰগোহাঞিৰ ওপৰত আলোচনাৰ কাৰ্যসূচী আমি কিয় ললোঁ ? প্ৰশ্নটো কৰোঁতে অলপ কৌতূহলী দৃষ্টিৰে আমালৈ চাইছিল। তাৰ অৰ্থ এনে ধৰণৰ "মানুহজনৰ লেখা মেলা জানো শেষ হ'ল ? মানুহজনটো জীয়াই আছে । "ইত্যাদি ।আমাৰ সমাজত এইটো প্ৰচলিত ধাৰণা যে [illegible] মানুহক তেওঁৰ মৃত্যুৰ পাছতহে ভাল পোৱা, শ্ৰদ্ধা শুদ্ধ বিচাৰ কৰাৰ প্ৰয়োজন আছে, জীৱিত কালত সেইটো কৰিলে যেন মানুহজনৰ ওপৰত [illegible] কৰা হয় । তেখেতসকলৰ প্ৰতি আমি গণতান্ত্ৰিক সাহিত্য মঞ্চৰ তৰফৰ পৰা পুনৰখন আলোচনা সভাত চমুকৈ ব্যাখ্যা আগবঢ়াব লগা হৈছিল আৰু গোটখাইছে 'বন্ধু কথা কোৱা হৈছিল আচলতে এজন প্ৰতিভাধৰ ব্যক্তিৰ মৃত্যুৰ পিছত পৰম ভক্তি অথবা বিস্ময়েৰে তেওঁৰ অতীত ৰোমন্থন অথবা তেওঁৰ সৃষ্টিৰ মূল্যায়ন কৰাটো যিমান প্ৰয়োজন একে সমানেই প্ৰয়োজন এজন ব্যক্তিৰ জীৱিতকালতে তেওঁৰ সৃষ্টিৰাজিৰ মূল্যায়ন কৰা বা আলোচনা কৰাতো । তাৰ দ্বাৰা দুটা লাভ হয় 'প্ৰথমতে নতুন অনুগামীসকলে ব্যক্তিজনৰ পৰা বিস্ময়বিহীনভাৱেও একানুভূতিৰে প্ৰেৰণা লাভ কৰিব পাৰে আৰু প্ৰয়োজন সাপেক্ষে অনুসন্ধিৎসু সকলে বিশেষ উৎকৰ্ষৰ বা কোনো হেলা-ফেলাৰ ক্ষেত্ৰত

পোনপটীয়াকৈ যোগাযোগ কৰিব পাৰে। দ্বিতীয়তে জীৱিতকালতে কৰা বিশেষ ব্যক্তিৰ আলোচনাই ব্যক্তিজনৰ সৃষ্টিশীলতাকো কিছু পৰিমাণে সহায় কৰিব পাৰে আৰু সিয়েই পুনৰ পুটুৱৈ, সমালোচনকৰ বিস্তৰ উপকাৰ কৰিব পাৰে।

হোমেন বৰগোহাঞিৰ অধ্যয়নপ্ৰিয়তা, জনজীৱনৰ সূক্ষ্মতম আবেগ অনুভূতি, আনন্দ যন্ত্ৰণাৰ গভীৰ আন্তৰিক পৰ্যবেক্ষণ, মননশীলতা, সাহসী দৃষ্টিভঙ্গী, প্ৰকাশভঙ্গীৰ সাৱলীলতা আদি অসমৰ উঠি অহা চাম লেখকৰ বাবে পাথেয়। গদ্যৰ সাধনাৰ ক্ষেত্ৰত তেখেতৰ যি নিৰলস সাধনা আৰু গদ্যশৈলীৰ ক্ষেত্ৰত যথাৰ্থ তৃপ্তিদানৰ যি সফলতা তেখেতে অৰ্জন কৰিছে, দ্বিধাহীনভাৱেই আধুনিক অসমীয়া সাহিত্যত হোমেন বৰগোহাঞিক শ্ৰেষ্ঠ গদ্যশিল্পীৰ স্থান দিব পাৰি।

বৰগোহাঞিৰ সৃষ্টিশীল ৰচনাৰাজি সম্পৰ্কত আমাৰ যি দুখন আলোচনা সভা অনুষ্ঠিত হৈ গ'ল তাতেই যে আমি তেখেতৰ সৃষ্টিৰ সকলো দিশৰ আলোচনা সামৰিব পাৰিছোঁ তেনে দাবী কৰাটো সত্যৰ অপলাপ কৰা হব। এই দুটি আলোচনাত তেখেতৰ কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ আৰু সাংবাদিকতাৰ দিশতহে কিছু আলোচনা কৰা হ'ল। আমি আগতেই উল্লেখ কৰিছোঁ — ঢকুৱাখনা এখন আওহতীয়া ঠাই। অসমৰ পূব মূৰৰ বানাক্ৰান্ত, যোগাযোগৰ ক্ষেত্ৰত অতিকৈ অসুচল ঠাই। আমি যোগাযোগ কৰা আলোচকমণ্ডলিক নিতান্তই হীনমন্যতাৰে যাতায়াতী ব্যৱস্থাৰ অনিশ্চয়তাৰ কথাও জনাব লগাত পৰিছিলোঁ। অৱশ্যে, আলোচকৰ ক্ষেত্ৰত প্ৰথমে দুৰণিৰে হাত মেলি, পুনৰ কাৰ্যকৰী সভাত নতুন প্ৰস্তাৱ লৈ চমু চাপি আহিব লগা হ'ল। আমাৰে সৌভাগ্য যে ব্যক্তি হৈও অনুষ্ঠানত পৰিণত হোৱা, ঢকুৱাখনাৰ হৈও সমগ্ৰ দেশৰ অমৰ সন্তান হোৱা আমাৰ সকলোৰে শ্ৰদ্ধাৰ, তাতোধিক আদৰৰ ব্যক্তিজনৰ সম্পৰ্কত আলোচনা কৰিবলৈ হাতে পোৱাতে আগ্ৰহী আলোচক পালোঁ। আমাৰ কেউজন আলোচকেই যে খুব পৈণত আৰু তেখেতসকলৰ আলোচনাও যে প্ৰশ্নাতীত সম্পূৰ্ণ হৈছে তেনে দাবী আমি কৰিব খোজা নাই, তথাপি আমি ভাবোঁ এইসকল আলোচকৰ আলোচনায়ো সমালোচক, পাঠক, সুধীসমাজৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিব। এইখনিতে উল্লেখ কৰা ভাল হ'ব যে, আমাৰ দুয়োখন আলোচনা চক্ৰত সামৰি নোলোৱা অথচ গ্ৰন্থখনৰ বাবে গুৰুত্বপূৰ্ণ বুলি ভবা কেইবাটাও লেখাৰ বাবে আমি বিশিষ্ট ইতিহাসবিদ ডঃ অমলেন্দু গুহ, কবি সমালোচক নলিনীধৰ ভট্টাচাৰ্য, হীৰেন্দ্ৰ নাথ দত্ত, শিৱপ্ৰসাদ গগৈ, ঔপন্যাসিকা মামণি ৰয়চম গোস্বামী, তৰুণ লেখক আখ্‌তাৰুল ইছলাম আদিক অনুৰোধ কৰিছিলোঁ আৰু সেই অনুৰোধ মৰ্মেই তেখেতসকলে লেখাবোৰ যুগুতাই দিছে।

দুয়োখন আলোচনা সভা সফল কৰি তোলাত গণতান্ত্ৰিক সাহিত্য মঞ্চৰ সকলো সদস্যই কৰা সহায়-সহযোগৰ প্ৰতি আমি কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। আলোচকসকল, পৰিচালক, উদ্বোধকৰ লগতে আলোচনাৰ অন্তত যি সকল শ্ৰোতাই প্ৰশ্নৰ অৱতাৰণা

কৰি আলোচনা সভা দুখনি জীৱন্ত কৰি তুলিছিল, সেই সকলে আমাৰ অনুৰোধ ৰক্ষা কৰি যিসকলৰ লেখকে লেখাৰে অৰিহণা যোগাইছে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । আমাৰ অতিকে মৰমৰ ভ্ৰাতৃপ্ৰতীম, যোৱা দুটিবছৰত ঢকুৱাখনাৰ বহু সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা কবি, সমালোচক ইছমাইল হোছেইনলৈ তেওঁ আগবঢোৱা আন্তৰিক দিহা পৰামৰ্শ, সহায়ৰ বাবে আৰু জ্যোতি প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীযুত নগেন শৰ্মাদেৱৰ বদান্যতাৰ বাবে আমি চিৰকৃতজ্ঞ হৈ ৰ'লোঁ ।

অমিয় কুমাৰ সন্দিকৈ
সম্পাদক, গণতান্ত্ৰিক সাহিত্য মঞ্চ
ঢকুৱাখনা, জিলা : লক্ষীমপুৰ, অসম
১ ডিচেম্বৰ ২০০০ চন ।

প্রথম খণ্ড

মোৰ দৃষ্টিত হোমেন বৰগোহাঞি

ডঃ অমলেন্দু গুহ

হোমেন বৰগোহাঞিৰ নামটোৰ লগত প্ৰথম পৰিচিত হৈছিলোঁ 'ৰামধেনু' আৰু মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা'ৰ সংকলনত প্ৰকাশিত তেওঁৰ কবিতাৰ যোগেদি। সেয়া বহুবছৰ আগৰ কথা । তেওঁৰ কবিতাবোৰ আছিল কম বয়সত লিখা । কিন্তু এইবোৰতে মই তেওঁৰ প্ৰতিভাৰ স্বাক্ষৰ বিচাৰি পাইছিলোঁ ।

হোমেন বৰগোহাঞিৰ লগত প্ৰথম মুখামুখি সাক্ষাৎ হৈছিল যোৰহাটত অনুষ্ঠিত এক শাৰদীয় সাহিত্য সমাৰোহত । সিয়ো বহুবছৰ আগৰ কথা । নৱকান্ত বৰুৱা, হোমেন বৰগোহাঞি সমন্বিতে কেইবাজনো লেখক তালৈ নিমন্ত্ৰিত হৈ আহিছিল , চৈয়দ আব্দুল মালিকতো আছিলেই । সমাৰোহক উপলক্ষ কৰি এই আটাইকেইজনৰ মাজত এটা সৌহাৰ্দপূৰ্ণ আড্ডাৰ পৰিৱেশো গঢ়ি উঠিছিল সেই দুই তিনিদিনৰ ভিতৰতে। মালিক চাহাবে দেৰগাঁৱৰ ওচৰৰ তেওঁৰ গাঁৱখনলৈ গুচি যোৱাৰ পিচত, তেওঁক আগতীয়া জাননী নিদিয়াকৈয়ে অকস্মাৎ তেওঁৰ গাঁৱৰ ঘৰত আমি এটা আবেলিত উপস্থিত হৈছিলোঁগৈ । তেতিয়াও মালিক চাহাবে বিয়া কৰোৱা নাছিল , তৎসত্বেও আমাক নুখুৱাই নেৰে । যিমানদূৰ মনত পৰে, ভাত খোৱালৈকে ৰাতি বাৰটামান বাজিছিল , কাৰণ আয়োজনো আছিল ভাত নহয়, পোলাও-মাংসৰ । সেযা যি কি নহওক, নাহৰণিতেই এক গ্ৰাম্য প্ৰাকৃতিক পৰিৱেশৰ মাজত হোমেন বৰগোহাঞিৰ লগত অন্তৰঙ্গতা গঢ়ি উঠিছিল , নিৰলসভাৱে আমি দুয়ো অজস্ৰ কথা পাতি সময় পাৰ কৰিছিলোঁ ।

১৯৬০ চনৰ পিচৰ পৰা মই বৰকৈ গুৱাহাটীত নাথাকোঁৱেই । তৎসত্বেও বছৰত এবাৰকৈ হ'লেও গুৱাহাটীলৈ আহিছিলোঁ । সুদীৰ্ঘ কাল ধৰি এনেধৰণে আহি থকা সময়ত হোমেনক বাৰে বাৰে লগ পাইছোঁ । তেওঁ যেতিয়া 'নাগৰিক'ৰ সম্পাদক তেতিয়া লগ পাওঁতে অসম আন্দোলন সম্পৰ্কে কি ভাবিছে তাৰ উমান পাইছিলোঁ। অসম আন্দোলনক সমালোচনা কৰা মোৰ এটি প্ৰবন্ধ তেৰেঁই আগ্ৰহ কৰি প্ৰকাশ কৰিলে ।

আমি বহুত আলোচনা আৰু বিশ্লেষণৰ অন্তত এই সিদ্ধান্তলৈ আহিছিলোঁ যে হিংসাত্মক অসম আন্দোলনে অসমৰ উপকাৰ কৰাৰ সলনি অপকাৰহে কৰিব । এই সন্দৰ্ভত হোমেনে 'নাগৰিক' আৰু অন্যান্য কাকতৰ পাতত কেইবাখনি প্ৰবন্ধ আৰু সম্পাদকীয়ও লিখিছিল । অসম আন্দোলনৰ গৰ্ভত যে বিচ্ছিন্নতাবাদ আৰু সন্ত্ৰাসবাদৰ বীজ অংকুৰিত হৈছিল সেই সম্পৰ্কে হোমেনে দুটামান লেখাত এনেদৰে লিখিছিল ঃ

(১) "... ...আন্দোলনৰ একমাত্ৰ ঘোষিত লক্ষ্য হ'ল বিদেশী বিতাৰণ । কিন্তু অলপ মন কৰিলেই দেখা যাব যে আন্দোলনকাৰীসকলে আৰম্ভণিৰে পৰাই বিদেশী বিতাৰণৰ উদ্দেশ্যে যিমান প্ৰবলভাৱে জনমত গঢ়ি তুলিবলৈ চেষ্টা কৰিছে, তাতোকৈ বহুত বেছি প্ৰবলভাৱে জনমত গঢ়ি তুলিবলৈ চেষ্টা কৰিছে ভাৰতৰ লগত অসমৰ সকলো সম্পৰ্ক ছিন্ন কৰাৰ উদ্দেশ্যে । আন কথাত ক'বলৈ গ'লে অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰি এখন পৃথক স্বাধীন ৰাষ্ট্ৰ গঢ়ি তোলাই তেওঁলোকৰ চূড়ান্ত উদ্দেশ্য । কিন্তু আইনৰ ভয়ত তেওঁলোকে সেই কথা এতিয়াই পোনপটীয়াকৈ প্ৰকাশ নকৰি নিজৰ গা [illegible] একা-বেঁকা বাটেৰে আগবাঢ়িবলৈ চেষ্টা কৰিছে ।"

(ছদ্মবেশী বিচ্ছিন্নতাবাদ – ১৩ নৱেম্বৰ, ১৯৮০ নাগৰিক)

(২) . এনেকুৱা এটা অস্থিৰ পৰিস্থিতিত বিভিন্ন মহলে বিভিন্ন উদ্দেশ্য [illegible] অসম [illegible] কৰিব ধৰিছে । অলপ ঠাণ্ডা মগজুৰে ভাবি চালেই বুজা যাব যে এটা দীৰ্ঘস্থায়ী আন্দোলনৰ পৰিণতিত এই সকলে কুমতলবী লোকক তেওঁলোকৰ উদ্দেশ্য পূৰণৰ কাৰণে সুযোগ কৰি দিব আৰু তাৰ ফলত চিৰকালৰ শান্তিময় আৰু সাম্প্ৰদায়িকতাৰ কলুষ মুক্ত অসমলৈ নতুনকৈ হিংসা দ্বেষ আৰু সাম্প্ৰদায়িকতাৰ আমদানি হ'ব । আজি জাতি ধৰ্ম [illegible] নিৰ্বিশেষে প্ৰত্যেকজন অসমবাসীৰে পৱিত্ৰ কৰ্ত্তব্য হ'ল নিজৰ জীৱনৰ বিনিময়তো এইবোৰ অশুভ শক্তিক এতিয়াই প্ৰতিহত কৰা , আৰু তেওঁলোকৰ ঘৃণ্য ষড়যন্ত্ৰ কলিতে নিৰ্মূল কৰা ।"

(সমস্যাটো বুজি লওঁ আহক [illegible] নৱেম্বৰ, ১৯৭৯ নাগৰিক)

তথাকথিত বিদেশী খেদা আন্দোলনৰ আঁৰত এক অশুভ শক্তি- এক ভয়ঙ্কৰ অশুভ শক্তি যে [illegible] কৰি থকাটো হোমেনে যেনেদৰে স্পষ্টকৈ অনুভৱ কৰিছিল, আন বহু বুদ্ধিজীৱীয়ে [illegible] তেনেদৰে অনুভৱ কৰিব পৰা নাছিল । সাংবাদিক হিচাপে হোমেনৰ এই সমাজ সচেতন দূৰদৃষ্টি যে সঠিক আছিল, সেই কথা এতিয়াহে ভালদৰে বুজা গৈছে নানা ভাবুকি সত্বেও আজিলৈকে এই বিষয়ে তেওঁ স্থিতিৰ পৰা আঁতৰি অহা নাই

সামাজিক দায়বদ্ধতাৰ পৰিচয় তেওঁ অকল সাংবাদিকতাৰ ক্ষেত্ৰতেই দিয়া নাই; তেওঁৰ দৃষ্টিশীল সাহিত্যতো তাৰ প্ৰতিফলন দেখা পাওঁ । অসমত মানৱতাবাদী

চিন্তাধাৰাৰ প্ৰসাৰৰ ক্ষেত্ৰত হোমেনৰ অৱদান নিঃসন্দেহে লেখত ল'বলগীয়া। অনুজ প্ৰতীম হোমেনক এজন খাটি বুদ্ধিজীৱী বুলিহে মই গণ্য কৰোঁ। সুদীৰ্ঘ দিন ধৰি তেওঁ যিদৰে অবিৰতভাবে লিখি আছে তেনেদৰে ভৱিষ্যতেও যাতে লিখি থাকিব পাৰে সেইটোকে মই কামনা কৰোঁ। তেওঁৰ দৰে ময়ো ভৱিষ্যৎ সম্পৰ্কে আশাবাদী। অসমখন চিৰকাল মানৱতাৰ বধ্যভূমি স্বৰূপ নৰক হৈ নাথাকিব ; আমাৰ সকলোৰে মিলিত চেষ্টাত এদিন শান্তিময় পৰিবেশ গঢ়ি উঠিবই। □□

১৯ ডিচেম্বৰ, ২০০০ অমলেন্দু গুহ

সুবালা আৰু নানা অভিজ্ঞতা

ডঃ মামণি ৰয়ছম গোস্বামী

'সুবালা' পঢ়া বহুবছৰ হ'ল । কিন্তু সুবালাক মই পাহৰিব পৰা নাছিলোঁ । দেহোপজীৱিনীৰ জীৱনক লৈ লিখা এইখনেই মই পঢ়া প্ৰথম উপন্যাস আছিল । পাছলৈ অৱশ্যে দেহোপজীৱিনীসকলৰ জীৱনক লৈ লিখা কেইবাখনো উপন্যাস আৰু অজস্ৰ চুটিগল্প পঢ়িছিলোঁ । উৰ্দু লেখক ছাদাত হুছেইন মান্টুৰ হাতত দেহোপজীৱিনীসকল জীৱন্ত হৈ পৰা দেখিছিলোঁ । তেওঁ মোৰ অতি প্ৰিয় লেখক আছিল । ১৯৭৬ চনৰ টকিঅ' চহৰত কিছুদিন থকাৰ সময়ত কাৱাবাটাৰ দ্বাৰা চিত্ৰিত দেহোপজীৱিনীসকলৰ বিষয়ে পঢ়িছিলোঁ । ইলেক্‌ট্ৰিক কম্বলৰ তলত নিদ্ৰাৰ বড়ি খুৱাই শুৱাই থোৱা এইসকল নাৰীক পুৰুষে পশুৰ দৰে উপভোগ কৰা দৃশ্য পঢ়ি মই তবধ মানিছিলোঁ । যৌন শোষণৰ এই বৰ্বৰূপৰ কাহিনী মই পাহৰিব পৰা নাছিলোঁ ।

সুবালাৰ কিছুমান উক্তি মনৰ মাজত ৰৈ গৈছিল—"বেশ্যা জীৱনৰ সুদীৰ্ঘ পাঁচটা বছৰ কিমান পুৰুষৰ লগত মই শয্যা গ্ৰহণ কৰিবলগা হৈছে তাৰ সীমা সংখ্যা নাই কিন্তু কোনোদিনেই মই নিজে বিন্দুমাত্ৰ দৈহিক আকাংক্ষা অনুভৱ কৰা নাই । অত্যাচাৰৰ আতংকত দেহদান কৰাৰ প্ৰথম মুহূৰ্ততেই হয়তো মোৰ সেই প্ৰবৃত্তি চিৰদিনৰ কাৰণে বিলুপ্ত হৈ গৈছিল । তাৰ পিছৰপৰাই মই সকলো মানুহকে মৃত-দেহৰ দৰে মোৰ দেহটো আগবঢ়াই আহিছোঁ । মানুহে যেতিয়া মোৰ দেহটো লৈ মিলনৰ উন্মাদনাত মত্ত হৈ উঠে, সেই মুহূৰ্ততো মই নিজৰ দেহটো বা মানুহটোৰ অস্তিত্বৰ কথা পাহৰি নিজৰ অন্যান্য চিন্তাত বিভোৰ হৈ থাকিব পাৰোঁ । *(সুবালা পৃষ্ঠা ১৩৬)*

সুবালাৰ পাছত যিখন উপন্যাসে মোক বৰ অভিভূত কৰিছিল সেইখন আছিল মিৰ্জা মহম্মদ ৰোসভাৰ (১৮৫৮-১৯৩১) অবিস্মৰণীয় উপন্যাস 'উমৰাও জান আদা' (১৮৯৯) । উমৰাও জান আছিল চিপাহী বিদ্ৰোহৰ সময়ৰ লক্ষ্ণৌ চহৰৰ এগৰাকী দেহোপজীৱিনী । মিৰ্জা চাহাবৰ এই উপন্যাসে ভাৰতৰ সাহিত্য জগতত চমক লগাইছিল । উৰ্দু ভাষাত লিখা এই উপন্যাসে ভাৰতীয় সাহিত্য জগতত এখন শ্ৰেষ্ঠ উপন্যাসৰূপে

পৰিগণিত হৈছিল । শ্ৰীবৰগোহাঞিদেৱৰ "সুবালা" পঢ়াৰ পাছত মোৰ মনত এটা প্ৰশ্ন উঠিছিল ঃ ব্যক্তিগতভাৱে কোনো দেহোপজীৱিনীক নজনাকৈ এনে এখন জীৱন্ত উপন্যাস লেখা সম্ভৱনে ? 'উমৰাও জান আদা' পঢ়াৰ পাছত ঔপন্যাসিক মিৰ্জা মহম্মদ ৰোসভাৰ বিষয়েও এই একেই প্ৰশ্ন মনত উদয় হৈছিল । পিছলৈ মই পঢ়িছিলোঁ ৰোসভাৰ সৈতে উমৰাও জানৰ এক গভীৰ অন্তৰঙ্গতা আছিল । এই অন্তৰঙ্গতাত আছিল গভীৰ শ্ৰদ্ধা আৰু সহানুভূতি । তেওঁ নিজৰ উপন্যাসৰ বিষয়ে কৈছিল । – "মোৰ এই উপন্যাসক মোৰ সময়ৰ ঐতিহাসিক দলিল বুলিয়েই যেন ভবা হয় ।"

পৰিবাৰৰ শত্ৰুয়ে কেনেদৰে শৈশৱতে উমৰাও জানক লক্ষ্ণৌৰ গলিত বিক্ৰী কৰিছিল এই কাহিনী এক মৰ্মস্পৰ্শী দস্তাবেজ আছিল । হৃদয়ৰ গোপন কক্ষত নিজৰ মাতৃ আৰু ভাই-ভনীৰ ছবি উমাৰাৱে সজীৱ কৰি ৰাখিছিল । বৰগোহাঞিৰ সুবালাইও নিজৰ মাতৃৰ ছবি কোনোদিনেই পাহৰা নাছিল । এই মাতৃ যাৰ নিষ্ঠুৰতাৰ অন্তৰালৰ প্ৰবাহিত ক্ষোভ আৰু বেদনাৰ কাহিনীৰ কথা তাই হৃদয়েৰে অনুভৱ কৰিব পাৰিছিল । সুবালাই নিজেই কৈছে – গোটেই জীৱনত ফুটা-কড়ি এটা মই হাতত লৈ পোৱা নাছিলোঁ, কিন্তু বেশ্যাৰ ব্যৱসায় আৰম্ভ কৰাৰ প্ৰথম তিনি মাহৰ ভিতৰতে এহেজাৰ টকা মোৰ হাতলৈ আহিল । টকাৰ মুখ দেখিবলৈ পাই বাৰে বাৰে আইৰ কথা মনলৈ আহিবলৈ ধৰিলে । নিজৰ বুঢ়া দেহটো টানি টানি আয়ে হয়তো এতিয়া ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিছে তেওঁৰ ওচৰলৈ মই আৰু কেতিয়াও ঘূৰি যাব নোৱাৰোঁ । এই জীৱনত কোনোদিনে আৰু তেওঁৰ লগত দেখা নহ'ব । মাজে মাজে যদি তেওঁক কেইটামান টকাকে দি থাকিব পাৰোঁ, তেতিয়া মোৰ মনে কিছু শান্তি পাব । বেশ্যাৰ উপাৰ্জনৰ ধনলৈ তেওঁৰ নিশ্চয় কোনো ঘৃণা নাই । ...... " (পৃষ্ঠা ১০৮)

সুবালাৰ এই বাক্যকেইটিয়ে মোক ৰোসভাৰ দ্বাৰা চিত্ৰিত উমৰাও জানৰ নিজৰ মাতৃৰ প্ৰতি হৃদয়ৰ নিভৃততম কোণত অন্তঃসলিলাৰ দৰে বৈ থকা ভাৱধাৰাৰ ছবি মনত পেলাই দিয়ে । সুদীৰ্ঘ কালৰ পাছত এবাৰ যেতিয়া ঘটনাক্ৰমে উমৰাৱে নিজৰ গাঁৱত উপস্থিত হৈছিল তাই মাকৰ বুকুৰ মাজত সোমাই পৰিছিল, কিন্তু সমাজৰ ভয়ত সেইদিনা ককায়েকে উমৰাওক নিষ্ঠুৰ ব্যৱহাৰ কৰি ঘৰৰপৰা উলিয়াই দিলে । ইয়াৰ পাছত উমৰাওৰ জীৱনৰ যি মৰ্মস্পৰ্শী বৰ্ণনাৰ কথা আমি পঢ়োঁ সেয়া সম্পূৰ্ণৰূপে এক সত্য কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত হোৱা বাবে পাঠকৰ হৃদয় চূৰমাৰ কৰি থৈ যায় । কিছুদিন আগেয়ে "Memoirs of a Geisha" নামৰ উপন্যাস এখন মই লণ্ডনত কিনিছিলোঁ । এইখন লেখিছিল আৰ্থাৰ গোল্ডেনে। উমৰাও জানে নিজৰ জীৱন কাহিনী ৰোসভাক কোৱাৰ দৰে আৰ্থাৰ গোল্ডেনৰ গাইসা সায়ুৰীয়েও নিজৰ জীৱন কাহিনী আৰ্থাৰ গোল্ডেনক কৈছিল । আৰ্থাৰ গোল্ডেন জাপানী কলা আৰু ভাষাৰ বিশেষজ্ঞ আছিল । উমৰাও জানৰ দৰে সায়ুৰীয়েও আগ্ৰহ কৰিছিল তেওঁৰ মৃত্যুৰ পাছতহে যেন তেওঁৰ

এই জীৱনী প্ৰকাশ হয় ।কিতাপখনৰ পাতনিত লেখা আছিল – "Though she was eager to get her biography recorded. sayuri did insist upon several conditions. She wanted the manuscript published only after her death- and the death of several men who had figured prominently in her life. As it turned out. they all predeceased her. It was a great concern of Sayuri's that no one be embrassed by her revelations."

গাইসাসকলক অৱশ্যে বেশ্যাৰ শাৰীত থোৱা হয় নে নহয় এই বিষয়ে নানা মত তেওঁলোকক এসময়ত বৰ সন্মানেৰেও চোৱা হৈছিল । প্ৰাচীন টকিঅ' চহৰৰ নাম আছিল 'ইডো' । শুনা যায় দ্বিতীয় মহাযুদ্ধৰ আগেয়ে এজনী ছোৱালী গাইসা হ'বলৈ হ'লে বাৰ বছৰ সাধনা কৰিব লাগিছিল । সঙ্গীত-সাহিত্য আৰু সৌন্দৰ্যবিদ্যাত পাৰ্গত হ'ব লাগিছিল । শুনা যায় বাৎসায়নৰ কামসূত্ৰও তেওঁলোকক পঢ়োৱা হৈছিল । এইবোৰৰ বাহিৰে ৰাজনীতি-বিদ্যাতো থাকিব লাগিছিল গভীৰ জ্ঞান । ১৯৭৬ চনত টকিঅ' চহৰত কিছুদিন থাকোঁতে মোৰ মাটচুবায়া গাইসা হাউসলৈ যোৱাৰ সুযোগ ঘটিছিল । এই যাত্ৰাৰ কিছু বৰ্ণনা মই মোৰ গ্ৰন্থ "মামৰে ধৰা তৰোৱাল"ত বৰ্ণনা কৰিছোঁ । তাত থাকোঁতেই শুনিছিলোঁ দ্বিতীয় মহাযুদ্ধৰ পাছতেই এই গাইসা আৰু বেশ্যাই হাতত ধৰা ধৰি কৰি ইডোৰ ৰাজআলিত খোজ পেলালে । হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক এডুইন অ' ৰাইছোঅৰে (Edwin O'Reischauer) Japan The story of a Nationত (প্ৰথম সংস্কৰণ ঃ ১৯৭৬) গাইসাসকলৰ কথা লেখি গৈছে 'The merchants, not the warrior-administrator obviously dominated Tokugawa' Japan Economically. but their real supremacy is perhaps best seen in the cultural field. for the arts and literature of the period were more an expression of a city bourgeoise than of feudal warrior class. The cities dominated Tokugawa culture, and in the cities the gay amusement quarters were the centres of social life. Here came the tired business-man and the slumming samurai for the free social contact with women denied them by the overly formalized patterns of society which confined women of breeding strictly to their own homes. This was the background for the development in more modern times of the geisha." (পৃষ্ঠা ১০৩)

দ্বিতীয় মহাযুদ্ধৰ পাছতে গাইসা আৰু বেশ্যাৰ সীমাৰেখা দুৰ্বল হৈ পৰাৰ আভাস দ্বিতীয় মহাযুদ্ধৰ পাছৰ জাপানী ভাষাৰ উপন্যাসসমূহত স্পষ্ট হৈ আছে । এই উপন্যাসখনৰ ১৪ নম্বৰ পৃষ্ঠাত নিজৰ পিতাকতকৈ মাকৰ বয়স অনেক কম কাৰণে এদিন প্ৰশ্নই কৰিছিল । উত্তৰত মাকে নিজৰ স্বামীৰ একালৰ পৰিয়ালৰ কবৰসমূহ দেখুৱাইছিল ।আগৰ বিবাহিত পত্নীৰ কবৰো দেখুৱাইছিল ; এইখিনি সময়তে সায়ুৰীয়ে

কৈছিল— "My body weighed twice what is had only a moment earlier, as if those graves were pulling me down toward them."

সাযুৰীক নিজৰ মাতৃয়ে অহৰহ এটা কথা কৈছিল — "My mother always said she'd married my father because she had too much water in her personality and he had too much wood in his. People who knew my father understood right away what she was talking about. Water flows from place to place quickly and always find a crack to spill through, wood on the otherhand, holds fast to the earth. In my fathers case this was a good thing for he was a fisherman, and a man with wood in his personality is at ease on the sea. In fact my father was more at ease on the sea than any where else, and never left it for behind him. He smelled like the sea even after he had bathed." (পৃষ্ঠা ৯)

এনে কৰ্মী আৰু সাগৰক প্ৰাণতকৈ ভাল পোৱা মানুহটোৰে কিন্তু দুবেলাৰ ভাত মুঠি কোনোমতেই মোকলাব পৰা নাছিল ।

শেষত নিজৰ দুজনী ছোৱালীক সদাগৰ টানাকা ইছুৱোক সঁপি দিছিল ।

এই গ্ৰন্থত আৰ্থাৰ গোল্ডেনে কম কথাতে নিজৰ অৱস্থাৰ যি ছবি আঁকিছে, সেই ছবি অতি ক-ৰুণ । কিন্তু শ্ৰীহোমেন বৰগোহাঞিদেৱে আঁকি দেখুওৱা সুবালাইতৰ দৰিদ্ৰতাৰ ছবিয়ে ছয়ত্ৰিশ বছৰ আগেয়ে মোকৰ কেনেদৰে মৰ্মাহত কৰিছিল এই কথা ঠিক ব্যক্ত কৰিব নোৱাৰোঁ । এটি দিনৰ বৰ্ণনা দিছিল বৰগোহাঞিদেৱে এইদৰে - "খালি পেটেৰেই আমি সেই ৰাতি বিছনাত শুই পৰিলোঁ , কিন্তু বেঙা শুৱলৈ নাহিল । কোনোবাই ধৰি চকু কণা কৰি দিয়া বনৰীয়া পশুৰ দৰে সি অন্ধ হিংস্ৰ আক্ৰোশত গঁক্ গঁক্ শব্দ কৰি কোঠাটোৰ চাৰিওফালে ঘূৰি ফুৰিলে । সি যেন মানুহ নহয়, স্বয়ং ভোকৰ মূৰ্তিমান ৰূপ। খণ্ডত পাগল হৈ সি মাজে মাজে আহৰ পিঠিতে প্ৰচণ্ড গোৰ মাৰি দিয়ে, কিন্তু আয়ে উস্ শব্দটো পৰ্যন্ত নকৰাকৈ অলৰ হৈ পৰি থাকে । ভোকৰ যন্ত্ৰণাত চেঙালুটি খাই খাই অৱশেষত বোধহয় বেঙাৰ ভাগৰ লাগিল, জুইৰ কাষৰ শুদা মাটিতে সি শুই পৰিল । আমাৰ বিছনা আৰু মাটিৰ মাজত কোনো পাৰ্থক্য নাছিল, কাৰণ শুবৰ কাৰণে আমাৰ কাঠৰ খাটিযা দূৰৰ কথা বাহৰ চাং এখনো নাছিল । আমাৰ ঘৰো আছিল মাত্ৰ এটা, তাৰ ভিতৰতে থকা-খোৱা শোৱা সকলো কাম চলিছিল । এচুকৰ জুইশালখনতে আমি ভাত ৰান্ধোঁ, জাৰৰ দিনত তাতে জুই পুৱাওঁ, ৰাতি হ'লে তাৰ কাষতে ধেলা দুখন আৰু পাটী এটা পাৰি আটাইকেইটা শুই পৰোঁ । বেঙাই তাৰ ভোকৰ জুইকুৰা সম্ভ-জম্ফ কা ুয়েই শাঁত কৰিলে, ... কিন্তু আমি তিনিজনীয়ে নীৰৱে তিলে তিলে সেই জুই . দগ্ধ হ'বলৈ ধৰিলোঁ .... খালি পেটৰ অনিদ্ৰাৰ যন্ত্ৰণা যে কি বস্তু তাক কথাৰে কোনে বৰ্ণনা কৰিব পাৰে ? আনৰ কথা ক'ব নোৱাৰোঁ, সেই সময়ত যিটো

অনুভূতিয়ে মোৰ সমস্ত হৃদয় ছাৰখাৰ কৰি পেলাইছিল, সি হ'ল এটা প্ৰচণ্ড অবুজ অভিমান । ...... আয়ে বোধহয় মোৰ মনৰ অৱস্থা কিবা এটা উপায়ে অনুভৱ কৰিব পাৰিছিল, হঠাতে এবাৰ তেওঁ মাত লগাই উঠিল – হে ভগৱান, ইহঁতক সোনকালে মাৰি নিয়া প্ৰভু ! (পৃষ্ঠা ৪-৫)

সুবালাৰ বেঙা ভায়েকৰ পেটৰ ক্ষুধাৰ যি মৰ্মান্তিক ছবি বৰগোহাঞিদেৱে আঁকি দেখুৱাইছিল, তেনে ছবি বৰ কম ভাৰতীয় লেখকৰ সাহিত্যতহে মই দেখা পাইছিলোঁ। অতি কম কথাৰ ভিতৰত এয়া আছিল অতি শক্তিশালী প্ৰকাশ ।

দেহোপজীৱিনী হৈ জীৱিকা নিৰ্বাহ কৰা সৰহ সংখ্যাৰ নাৰীৰ জীৱন কাহিনী একেই আছিল । "মেমঅ'ৰছ অব এ গেইসা"ত বৃদ্ধ হাকিমটোৰ দুয়োগৰাকী জীয়ৰী এই দৰিদ্ৰতাৰ কবলত পৰিয়েই এই পথ ল'ব লগা হৈছিল । সকলোবোৰ দেহোপজীৱিনীৰ জীবনলৈ অহা চৰিত্ৰসমূহো একে ধৰণৰে হয় । সুবালাক এই পথলৈ টানি অনা নৰেনৰ চেহেৰা আৰু চৰিত্ৰৰ বৰ্ণনা মই বহুদিনলৈ পাহৰিব পৰা নাছিলোঁ ।

.... "কেৱল টকাৰ কাৰণেই নহয়, আন বহুত কাৰণতো নৰেনক গাঁৱৰ মানুহে ভয় কৰি চলিছিল । মানুহটো আছিল উদ্ধত গুণ্ডা প্ৰকৃতিৰ, নিষ্ঠুৰ আৰু মদপী, প্ৰয়োজন হ'লে মানুহৰ লগত মাৰ-পিট কৰিবলৈ সি এক মুহূৰ্তও পিচ নুহঁহকিছিল । চেহেৰাও আছিল সেই অনুপাতে দেখিলেই ভয় লগা । ওখই কিজানি ছফুটতকৈ বেছিহে হ'ব , গাটো ক্ষীণ হ'লেও হাড় শকত ক'লা ক্ষীণ, গাল-সোমোৱা মুখখনৰ সোঁমাজতে ধনেশ চৰাইৰ ঠোঁটৰ দৰে এটা বিৰাট নাক , গাঁতত সোমোৱা চকু দুটা সকলো সময়তে ৰঙা পৰি থাকে আৰু দৃষ্টিত এনে এটা কঠিন হিংস্ৰতা ফুটি উঠে যে অচিনাকী ল'ৰা-ছোৱালীয়েও হঠাৎ তাক দেখিলেই ভয়তে কান্দি উঠে ; এই চেহেৰাৰে সি তলৰ মাটি ওপৰ কৰি গেনা ম'হৰ দৰে ঘূৰি ফুৰে । (পৃষ্ঠা ১৯-২০)

"মেমঅ'ৰছ অব এ গেইসা"তো পিতৃৰ নিঃকিনতাৰ সুযোগ লৈ "জাপান কষ্টেল চী ফুড" কোম্পানীৰ মালিক মিষ্টাৰ টানাকা ইছিৰো দুজনী অসহায় ছোৱালীক কেনেদৰে এই পথলৈ টানি আনিলে সেই কাহিনী অত্যন্ত মৰ্মান্তিক আছিল । আৰ্থাৰ গোল্ডেনে অতি দক্ষতাৰে মানুহজনৰ চালচলনৰ কথা বৰ্ণনা কৰিছে । সায়ুৰীয়ে যেন নিজেই কৈ গৈছিল — "I'd seen Mr. Tanaka in our village many times before He lived in a much larger town nearby but came every day. for his family owned the Japan Coastal Seafood Company He didn't wear peasant clothing like the fishermen. But rather a man's Kimono. with Kimono trousers, that made him look to me like the illustrations you may have seen of samurai. His skin was smooth and tight a a drum his cheek bones were shiny hillocks, like the crisp skin of a grilled fish I'd always found him fascinating

* * * * * *

I lay there on that slimy table while Mr. Tanaka examined my lip, pulling it down with his fingers and tipping my head this way and that. All at once, he caught sight of my gray eyes, which were fixed on his face with such a fascination. I couldn't pretend I hadn't been staring at him, He didn't give me a sneer as if to say that I was an impudent girl, and he didn't look away as if it made no difference, where I looked or what I thought, we stared at each other for a long moment - so long it gave me a chill even there in the muggy air of the seafood company.

.. ...Even as a child I could tell that Mr. Tanaka saw the world around him as it really was . he never wone the dazed look of my father. To me he seemed to see the sap bleeding from the trunks of the pine trees, and the circle of brightness in the sky where the sun was smothered by clouds.... . I knew he noticed the trees, and the mud and the children in the street, but had no reason to believe he'd ever noticed me.

. Perhaps this is why when he spoke to me, tears came stinging to my eyes

Mr Tanaka raised me into sitting position I thought he was going to tell me to leave, but instead he said, "Don't swallow that blood, little girl, Unless you want to make a stone in your stomach. I'd spit it onto floor if I were you " (পৃষ্ঠা ১৪)

হোমেন বৰগোহাঞিৰ নাকেন জনাজাত কুখ্যাত লোক আছিল । তাৰ ভাব-ভঙ্গী সকলোৱে এই কথা উদঙাই দেখুৱাইছিল । কিন্তু সদাগৰ টানাকা ইছুৰো আছিল আৰু ভয়নাক । দৰিদ্ৰ পিতৃয়ে নিজৰ ছোৱালী দুজনীক টানাকা ইছুৰোক সঁপি দিয়াৰ সময়ত ভবা নাছিল যে ছোৱালী দুজনীক সদাগৰগৰকীয়ে এনে এটা পথলৈ আনিব । পিছলৈ অৱশ্যে গাইসা হৈ সায়ুৰীয়ে সমৃদ্ধিৰ মুখ দেখা পাইছিল । কিন্তু তাইৰ মনৰ খবৰ কোনে জানিছিল ?

জীৱনৰ শেষদিনৰ কথা চিন্তা কৰি সৰহভাগ দেহোপজীৱিনীয়ে ভয়ত বিহ্বল হৈ পৰাৰ ছবি অনেক কথা সাহিত্যিকে দেখুৱাই গৈছে ।

সুবালাই পিছলৈ একেলগে বাস কৰা বুঢ়ী মাকৰ কাহিনীও আছিল অতি নিৰ্মম । গোটেই জীৱন তেওঁ বেশ্যাৰ জীৱন যাপন কৰিলে মৃত্যুৰ সময়ত তেওঁৰ দেহৰ কি অৱস্থা হ'ব এই কথা ভাবি তেওঁ বিহ্বল হৈছিল । (পৃষ্ঠা ১১৮)

সুবালাক কৈছিল – "যদি মই মৰোঁ এই পাপী দেহাটোৰ কি গতি হ'ব সুবালা ?

জামাদাৰে মৰা-শটো নি হাবিত পেলাই আহিব; তাৰ পাছত কুকুৰ শগুণৰ ভোজ হ'ব।" এইখিনিতে মোৰ বৃন্দাবনত থকা মোৰ কিছুমান সময়ৰ কথা মনত পৰে। ১৯৬৯ চনত যেতিয়া মই বৃন্দাবনত আছিলোঁ ইয়াত বাস কৰা বৃদ্ধা-বিধবা অৰ্থাৎ ৰাধেশ্যামীসকলকো মৃত্যুৰ সময়ত তেওঁলোকৰ ঔৰ্ধ্বদেহিক ক্ৰিয়া কোনে কৰিব এই ভাবনাই তেওঁলোকক খুলি খুলি খোৱাৰ কথা জানিছিলোঁ।

তেওঁলোকৰ শ'টোৰ কিজানি বৰ লটি-ঘটি হয় ? কিজানি জামাদাৰে আহি তেওঁলোকৰ দেহ চোঁচৰাই নি যমুনাতে পেলাই থৈ আহে ? তেওঁলোকৰ সৰহভাগেই নিজৰ ঘৰৰ পৰা বিতাৰিত ব্যক্তি আছিল। দুই-এগৰাকী অত্যন্ত ভক্তিমতী আছিল। দুই-এগৰাকীয়ে অৱশ্যে সুযোগ বুজি দেহৰ বেপাৰো কৰিছিল।

এনে অসহায় নাৰীৰ মৃত্যুৰ ভয়ৰ কাহিনী যেন তেনেই সাধাৰণ বেশ্যাৰ মৃত্যুৰ ভয়ৰ কাহিনীৰ দৰে একেই আছিল। মই নিজে এনে কিছুমান ৰাধেশ্যামী দেখিছিলোঁ। যিসকলে নিজৰ মৃতদেহক যাতে ভালদৰে সংকাৰ কৰা হয় তাৰ বাবে পাণ্ডাৰ হাতত পইচা জমা থৈছিল। অনেকে এই পইচা হজম কৰি, কোনো কোনো শ'ক চোঁচৰাই নি যমুনাত পেলাই থৈ অহাৰ কাহিনীও মই বৃন্দাবনত থকাৰ সময়ত শুনিছিলোঁ। গোপীনাথ বজাৰৰ সন্মুখৰ আলিত মুখ থেকেচা খাই পৰি থকা ৰাধেশ্যামী বিধৱাক মই দেখিছিলোঁ।

দেহোপজীৱিনীৰ সম্পূৰ্ণ মানসিক জগতখন যেন এখন কৰি লোৱা জগতহে আছিল। সুবালাৰ এক বিশেষ মুহূৰ্তৰ কথা বৰ্ণনা কৰি বৰগোহাঞি ডাঙৰীয়াই লিখিছিল – "ৰাতি যেতিয়া বুঢ়ী মায়ে মোক ঔষধটো প্ৰয়োগ কৰাৰ নিয়মটো শিকাবলৈ আহিলি মই হঠাতে বিদ্ৰোহ কৰি উঠিলোঁ। সঁচা কথা ক'বলৈ গ'লে গৰ্ভস্থ ভ্ৰূণ শিশুটোৰ প্ৰতি মোৰ অকণো মায়া ওপজা নাছিল। হয়তো মই সচেতনভাৱে ক'ব নোৱাৰাকৈ মনে মনে ধৰিযেই লৈছিলোঁ যে সেই অভিশাপজাত মানৱ অংকুৰটোৰ কোনো ভৱিষ্যৎ নাই, সি কেতিয়াও পৃথিৱীৰ পোহৰ দেখিবলৈ নাপাব। কিন্তু তথাপি চৰম মুহূৰ্তত মোৰ মনটো বিদ্ৰোহী হৈ উঠিল।" (পৃষ্ঠা ১১৫)

"আকৌ.................. হঠাৎ এটা ভয়ংকৰ মৰ্মঘাতী যন্ত্ৰণাত মোৰ দেহটো ঠক্‌ঠক্‌কৈ কঁপি উঠিল। জোলোকা জোলোকে গৰম তেজে মোৰ দেহৰ তলৰ অংশটো বুৰাই পেলালে, আৰু এবাৰ মই স্পষ্ট অনুভৱ কৰিলোঁ যে মাংসপিণ্ডটো বাহিৰ হৈ গ'ল।

"মাতৃত্বৰ সকলো যন্ত্ৰণা মই ভোগ কৰিলোঁ, কিন্তু মাতৃ নহ'লোঁ। প্ৰসৱ কৰিলোঁ জন্মদাতাৰ হাতত মাতৃৰ গৌৰৱেৰে তুলি দিবলৈ তপস্যাৰ ধন সন্তান নহয়, নৰ্দমাত পেলাই দিবলৈ কুকুৰৰ আহাৰ।" (পৃষ্ঠা ১১৭)

আচৰিত কথা এয়ে যে সন্তানৰ সৈতে মুখত হাঁহি লৈ জীয়াই থকা দেহোপজীৱিনীক মই দিল্লী চহৰৰ কুখ্যাত জি. বি. ৰ'ডত দেখা পাইছিলোঁ। এই কথা মই মোৰ উপন্যাস "তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা"ত উল্লেখ কৰিছোঁ। এই কথা

সঁচা যে মই যি দেখিছিলোঁ তাকেই সামান্য বহল দি প্ৰকাশ কৰিছিলোঁ কিছু অংশ চাওক।

"কোঠা নম্বৰ ৫০-ৰ ঠেক চিৰিকেইটাৰে ওপৰলৈ উঠি যোৱাৰ সময়ত মই সন্তোষ সিঙক ক'লোঁ, 'তুমি এতিয়া যোৱা । মই নিজেই উভতি যাম ।'

তাৰ পিছত গপ্‌গপ্‌কৈ মই ওপৰলৈ উঠি গ'লোঁ । চাপৰ অন্ধকূপৰ দৰে লগা খুপৰি এটাৰ সন্মুখত মই থিয় হ'লোঁ । সাত-আঠজনী বেশ্যা কাঠৰ বেঞ্চি এখনত বহি আছে । দুজনীমানে বেৰত আঁউজি থিয় হৈ আছে ।

ভিতৰৰ পিনে দেখিলোঁ এটা দমকল । ঘৰৰ ভিতৰতে এই দমকলটো মাৰি কাপোৰ ধুই আছে আদহীয়া মানুহ এজনীয়ে । তাই লৰালৰিকৈ দুৱাৰৰ ওচৰলৈ সৰি আহিল । তাইৰ কপাহী শাৰীখনৰ পাতলিটো পানীৰে তিতি গৈছে ।

মোৰ পাছে পাছে আহি মোহল্লাৰ দাদা যেন লগা মানুহটোৱে মানুহজনীকে ক'লে, 'বহ নবেল লিখতী হ্যায় বৈঠাও !"

'নবেল ?'

'হা । হা । নবেল ।' মই ক'লোঁ ।

'সেই ছোৱালীকেইজনীৰ লগত বেঞ্চিত বহোঁনে ?'

মানুহগৰাকীয়ে কিছু সন্দেহ প্ৰকট কৰিলে যদিও ক'লে, 'বহা ....।'

মোহল্লাৰ দাদা যেন লগা মানুহটো ভিতৰলৈ সোমাই গৈ ক'ত কেনেকৈ অন্তৰ্ধান হ'ল ক'ব নোৱাৰিলোঁ । সম্ভৱ ভিতৰে ভিতৰে কেইবাটাও পথ আছিল ।

সিহঁতে ইজনীয়ে সিজনীৰ মুখলৈ চালে । মূৰৰ ওপৰৰ চাপৰ চালখন যেন তললৈ খহি পৰিব এনে ভাব হ'ল । সৌৱা সোঁহাতৰ সেইটো দমকল, দমকলটোৰ গাতে লাগি আছে পাইখানা এটা আৰু বস্তাৰে ঢকা ঠাই এটুকুৰা । সম্ভৱ সিহঁতে তাতেই গা ধোৱে। দমকলটোৰ চাৰিওফালে শেলুৱৈয়ে ধৰাৰ দৰে হৈ পৰিছে । চাৰিওফালে কাপোৰৰ টোপোলা । যেন চৰাই ঘৰ । চিৰিয়াখানাৰ জন্তুৰ দৰে সিহঁতে মোকো চাব ধৰিলে । এইখিনি সময়তে দেখিলোঁ, এটা হৃষ্ট-পুষ্ট পাঠান সোমাই আহিল । লগে লগে মোৰ কাষত বহি থকা বেশ্যাগৰাকী বুকু ফিন্দাই মানুহটোৰ লগত ভিতৰলৈ সোমাই গ'ল । পাৰমানেণ্ট গ্ৰাহক যেনেই ভাব হ'ল ।

এটি কেঁচুৱাৰ কান্দোনত মই হঠাৎ চক খাই উঠিলোঁ । এই কান্দোন শুনি ভিতৰৰ খুপৰিত সোমাই থকা ছোৱালী এজনী খৰখৰকৈ বাহিৰলৈ ওলাই আহিল । ছোৱালীজনী দেখি মই বিচুৰ্তি খালোঁ ।

বয়স তেৰ-চৌধ্য বছৰৰ বেছি কেতিয়াও হ'ব নোৱাৰে । ওঁঠ [illegible] এতিয়াও তাইৰ গাখীৰ ওলাব । কোবাকুবিকৈ আহি তাইৰ একোণত পৰি থকা বাকচ এটাৰ পৰা কেঁচুৱাটো তুলি ল'লে । সকলোৰে সন্মুখত তাই ব্লাউজৰ বুটাম খুলি গাখীৰ খুৱাব ধৰিলে... ..... বেঞ্চিখনত বহি থকা বেশ্যাবোৰৰ কথা বাদেই । দমকলটোৰ কাষত

দুটামান মতা মানুহে ভিতৰৰ সুৰঙ্গৰ দৰে পথেৰে আহি কিবা হিচাপ-নিকাচ কৰি আছিল। সিহঁতেও এই ফুলকলি বেশ্যাগৰাকীৰ স্তন দুটা দেখা পালে । মই আৰ্তনাদ কৰি উঠিলোঁ এই কেঁচুৱাটো এই অকণ মানি ছোৱালীজনীৰে নেকি ?

মোৰ লগত বহি থকা বেশ্যাবোৰে গিৰ্জনি মাৰি হাঁহি উঠিল ।

'হয় তাইৰে ।'

'কিন্তু তাইৰ বয়স ?' কোঠাৰ ভিতৰৰে দমকলটোত কাপোৰ ধুই থকা মানুহজনীয়ে তাৰপৰাই চিঞৰি উঠিল, 'ক্যা মেডাম মাইনৰ কহকৰ 'এফ আই আৰ ' দৰ্জ কৰানে আয়ী ।'

আকৌ এবাৰ ঢেক্‌ঢেকাই হাঁহিবলৈ ধৰিলে বেষ্টিত বহি থকা বেশ্যাহঁতে ।

'ক্যা চোচতি হে' পুলিচকো ৰিস্‌ত দেতী হু !' কিয়া চোচতি হো ? ইস কামকে লিয়ে হাম আপনে কিসি আদমি কো লড়কী কে সাথ পাকৰায়া দেতি হু ? ...... মেজিচ্‌টেটকে সামনে লড়কীকে ওমৰ আঠৰ সাল বতায় হ্যায় ... ক্যা চোচতি হু !' আকৌ ঢেকঢেকাই হাঁহি ।

মই প্ৰশ্ন কৰিলোঁ, 'এই কেঁচুৱাটোৰ ভৱিষ্যৎ কি হ'ব ?'

মোৰ কাষত বহি থকা বেশ্যাজনীয়ে ক'লে,"গাঁৱত যাব । আমি যেনেকৈ গাঁৱলৈ পইচা পঠিয়াই থাকোঁ তেনেদৰে আমি কেঁচুৱাও পঠিয়াই থাকোঁ ।"

এইবাৰ অকণমানি মাকজনীৰ বুকুৰ গাখীৰ খুওৱাৰ পৰ্ব শেষ হ'ল । বহি থকা বেশ্যাবোৰে এজনীৰ পিছত আন এজনীকৈ এইবাৰ কেঁচুৱাটো লৈ খেলিব ধৰিলে । ইতিমধ্যে আৰু এটা গ্ৰাহক আহিল । তেনেই কম বয়সীয়া ছাত্ৰৰ দৰে ল'ৰা । চিধাই বোধহয় ষ্টেচনৰপৰা আহিছে । চুলি দীঘল । গা পাতল । পেন্ট চাৰ্ট ঘামেৰে তিতি আছে । এই কম বয়সীয়া ল'ৰাটোৰ চকুলৈ চাবলৈ মই দ্বিধা অনুভৱ কৰিলোঁ । মই যি ভয় কৰিছিলোঁ সেয়ে হ'ল । এই অকণমানি মাকজনীৰ ওচৰতে আহি সি থিয় হ'ল । তাই কেঁচুৱাটো টানি আনি আকৌ এবাৰ ব্লাউজৰ বুটাম খুলি গাখীৰ খুৱালে । তাৰ পিছত মোৰ গাৰ ওচৰতে বহি থকা বেশ্যা এজনীৰ ওচৰত কেঁচুৱাটো গোজা মাৰি দি বস্তাৰ পৰ্দা ওলমাই থোৱা খুপৰিৰে ভিতৰলৈ সোমাই গ'ল ।

সন্তোষ সিঙে তলৰপৰা চিঞৰি আছিল ।

"মেডাম, নীচে উতাৰ আও দেৰ হো ৰহী হ্যায় !'

মোৰ গাত গা লগাই উৎকট প্ৰসাধন কৰি বহি থকা বেশ্যা এজনীক মই প্ৰশ্ন কৰিলোঁ –

'এই কামৰ সলনি বেলেগ কাম কৰিবলৈ বেছি ভাল নালাগিবনে ?'

'কি কাম ?'

'এই ধৰা স্কুল, নাইবা মডেলিং.... আৰু আৰু.......'

'স্কুল ?'

গোটেইকেইজনীয়ে যেন বমিহে কৰিব এনে এক ভাব দেখুৱালে। কুৰ্তাৰ মাজেৰে টান অন্তৰ্বাস পিন্ধি জালি কোমোৰাৰ দৰে স্তনদ্বয় প্ৰকট কৰি ৰখা একজনীয়ে ক'লে— 'মাষ্টৰণীৰ 'টাংখাৰে' মোৰ এই 'জুতি'ও কিনা নেযাব।'

মোক একপ্ৰকাৰ চকিত কৰি গোটেই কেইজনীয়ে ক'লে—'আমি এই কাম কৰিয়েই ভাল পাওঁ।'

'এই কাম মানে...... এই নিজৰ মাংসৰ বেহা !'

গোটেইকেইজনীয়ে আনন্দেৰে ঢেক্‌ঢেকাই হাঁহিব ধৰিলে। বিস্ময়কৰ ! বিস্ময়কৰ। মই যেন অন্তৰৰ কাহিনী শুনিবলৈহে আহিছিলোঁ। এই হাঁহি নহয়।

সন্মুখৰ লেট্ৰিনটোৰপৰা এটা দুৰ্গন্ধ আহি নাকত লাগিল। মই বেগ খুলি ৰুমাল উলিয়াই ল'লোঁ। তলত আকৌ চিঞৰিলে সন্তোষ সিঙে, 'ইয়া তুমহে সচ বাত বতানেৱালা কোই নহী মিলেগা। উতাৰ আও.......উতাৰ আও।'

মোৰ ভাব হ'ল কিছু সময়ৰ আগেয়ে মই কোঠা নম্বৰ ৪২ ৰ পৰা আহিছিলোঁ। তাৰ বাতাৱৰণ আৰু এই কোঠাৰ বাতাৱৰণৰ মাজত এয়া যেন আকাশ আৰু পাতালৰ পাৰ্থক্য। ইয়াত দেখোন এক মুক্ত বাতাৱৰণ। মোৰ কাষত গালিবৰ এক কৰ্কশ পংক্তি গুণগুণাই আছিল —"মোৰ জীৱন যেতিয়া নিদাৰুণ দুখেৰে অতিবাহিত হ'ল, মোৰ কোনো আশাই যেতিয়া পূৰ্ণ নহ'ল—মই কেনেকৈ মনত ৰাখোঁ যে মোৰো এক ভগৱান আছিল ?'

"কাৰোবাৰ যদি দুৱাৰ বন্ধ দেখো আঁঠুকাঢ়ি বৈ থকাতকৈ মই উভতি যোৱাই ভাল বুলি ভাবিম।"

কিন্তু হায় হায় এই আবহাৱা এই কোঠা নম্বৰ ৫০ ? শেষ আহমদ জামৰ পাৰ্চীয়ান 'কোচেদাইহে' যেন ইয়াৰ আবহাৱা গধুৰ কৰি ৰাখে।

যিগৰাকী স্বৰ্গীয় প্ৰেমৰ তৰোৱালৰ বলি হৈছে তেওঁৰ বাবে অদৃশ্য জগতৰ পথেৰে নিতানতুন জীৱন আহে।

এইবোৰ বেশ্যা কিবা স্বৰ্গীয় প্ৰেমৰ বলি হৈছে নেকি বাৰু ?

বিস্ময়কৰ ! বিস্ময়কৰ !

হঠাৎ খুপৰি এটাত সোমাই থকা আন এজনী ছোৱালী যেন টপং কৰি আমাৰ মাজত সৰিহে পৰিল। লগে লগে ভিতৰৰ অদৃশ্য পথেৰে কোনোবা এটাই লৰ মাৰিলে। মই আটাহ পাৰি উঠিলোঁ।

ইস্ ইস্ তাইৰ বগা পাইজামাটোৰ তলেৰে টপটপকৈ সৌবোৰ দেখোন তেজ পৰিছে ....

বেষ্টিত বহি থকা সকলোৰে দৃষ্টি তাইৰ পিনে পৰিল। কাপোৰ ধুই থকা

মানুহজনীয়ে আটাহ পাৰি উঠিল, 'ৰহ বুন্দেলখণ্ডবালা বুদ্ধা আয়া থা– য়া আফ্রিকাকা ষ্টুডেন্ট.... যাও কাপড়া বদলকৰ আও, চবকে চব জানোৱাৰ।' তাই ভিতৰ সোমাল ।

.....মোৰ কাষত বহি থকা বেশ্যাজনীক প্রশ্ন কৰিলোঁ ।

'তোমালোকৰ খুপৰিবোৰ দেখুৱাই দিবানে ? 'তাই কাপোৰ ধুই থকা মানুহজনীৰ পিনে ইসাৰা কৰিলে । মানুহজনীয়ে সন্মতি জনালে ।

মই তাইৰ পিছে পিছে গৈ কাঠৰ বিছনা থকা খুপৰিবোৰৰ ওচৰত থিয় হ'লোঁ । (পৃষ্ঠাঃ ১৩০-১৩১)

দেহোপজীৱিনীৰ বিষয়ে অনেক কাহিনী অনেক কথা শুনিছিলোঁ । অনেক পঢ়িছিলোঁ কিন্তু এটা কথা মই আৱিষ্কাৰ কৰিছিলোঁ- সেয়ে হ'ল কোনো এগৰাকী প্রখ্যাত লেখকে এনে কোনো নায়ক তৈয়াৰ কৰা নাই যি নায়কে দেহোপজীৱিনীৰ সৈতে বিবাহপাশত আৱদ্ধ হৈ আৰু সতি-সন্ততি লৈ এক সুস্থ জীৱন যাপন কৰিছে । ক'ৰবাত নহয় ক'ৰবাত কিবা এক খেদ ৰৈ গৈছে । অৱশ্যে ৰক্ষিতা হৈ থকাৰ অনেক ছবিৰ কথা মই পঢ়িছিলোঁ । মেমোঅ'ৰছ অৱ এ গাইসা (Memoirs of a Geisha) ৰ পাতনিত পঢ়িছিলোঁ —"The renowned Kato Yuki-a geisha who captured the heart of George Morgan, nephew of J Piperpont. and become his bride in exile during the first decade of this century."

বৰ্তমান অৱস্থাৰ ছবি বৰগোহাঞি মহোদয়ে ঠিকেই আঁকি দেখুৱাইছে—

ঃকোনো মানুহক হৃদয়ৰ চকুৰে চোৱা বেশ্যাৰ স্বভাৱ নহয় । তাৰদ্বাৰা লাভতো একো নহয়েই, বৰং সি ব্যৱসায়ত ক্ষতিসাধনহে কৰে । যি বেশ্যা তাই চিৰকাল বেশ্যাই থাকিব । মাজতে দুই-এটা পাগল আহি খন্তেকীয়া প্রেমৰ অভিনয় কৰিব খুজিলে তাৰদ্বাৰা মানুহটোৰ কিবা লাভ হ'লেও বেশ্যাৰ লাভ নহয় । (পৃষ্ঠা ১৪২)

সুবালাৰ সায়ুৰী উমৰাও সুগন্ধিৰ ছবি বহুদিনলৈ পাহৰিব পৰা নাছিলোঁ । কাশ্মীৰত লগ পোৱা প্রথম বেশ্যাগৰাকীৰ কথা মই মোৰ "আধা লেখা দস্তাবেজ"ত লিখিছোঁ । তাইৰ মুখতো মই এক অসহায় ৰূপ দেখিছোঁ । সকলো ভাৱনা মনৰ মাজত যেন বৰফ হৈ গৈছেল এনে এক ছবি দেখিছিলোঁ —তাই যেন ঠিক সুবালাৰ দৰেই ক'ব খুজিছিল- "ঈশ্বৰে যদি মোক সোধে-'তোমাৰ জীৱনৰ আটাইতকৈ ডাঙৰ প্রার্থনা কি'-তাৰ উত্তৰ দিবলৈ মোৰ বোধহয় একমুহূৰ্তৰ এশভাগৰ এভাগ সময়ো দৰকাৰ নহ'ব । মোৰ একমাত্র উত্তৰ-'স্বামী আৰু সন্তানৰ সৈতে এখন ঘৰ । সেই ঘৰৰ মূধেদি আকাশ দেখা হওঁক, ক্ষতি নাই দুবেলা পেট ভৰাই খাবলৈ নাপাওঁ আপত্তি নাই; অভাৱ-অনাটনে চাৰিওফালৰপৰা পিহি মাৰক অভিযোগ নাই । স্বামী আৰু সন্তান পালে বাকী আন সকলো নোপোৱা তুচ্ছ হৈ যাব; বাকী সকলো পাই স্বামী-পুত্র নাপালে সি কেৱল প্রাণহীন বস্তুপুঞ্জতৰ শ্বাসৰোধকাৰী আবৰ্জনা মাত্র । (পৃষ্ঠা ১৬০)

এই কথাৰ প্ৰতিধ্বনি ভাৰতীয় সাহিত্যত দেহোপজীৱিনীক প্ৰখ্যাত কৰি তোলা ছাদাত হুছেইন মাণ্টুৰ চুটিগল্পবোৰৰ মাজত শুনিছিলোঁ-শুনিছিলোঁ অমৃতা প্ৰীতমৰ চুটিগল্পৰ মাজত ।

ছাদাত হুছেইনৰ "হতক" নামৰ গল্পটো মই নিজেই অসমীয়ালৈ অনুবাদ কৰিছেলোঁ। এই গল্পটোৰ নায়িকা সুগন্ধিয়ে সুবালাৰ দৰেই পতি-পুত্ৰৰে ভৰা এক সুস্থ সুন্দৰ সংসাৰৰ ছবি দেখিছিল । সেয়ে মাধো নামৰ প্ৰৱঞ্চকৰ প্ৰকৃত পৰিচয় নেজানি সহৃদয ব্যক্তি বুলি ভাৱি বিবাহপাশত আবদ্ধ হ'বলৈ ব্যাকুল হৈছিল । বহুদিনৰ পাছতহে তাই মাধোৰ প্ৰকৃত চৰিত্ৰ আৱিষ্কাৰ কৰি এক কাল সৰ্পিনীৰ ৰূপ ধাৰণ কৰিছিল । ছাদাত হুছেইনৰ মাধো আৰু হোমেন বৰগোহাঞিৰ কান্তি এনে একোটা চৰিত্ৰ যি চৰিত্ৰক প্ৰত্যেকগৰাকী বেশ্যাই জীৱনত এবাৰ নহয় এবাৰ এবাৰ লগ পাবই । এনে চৰিত্ৰই বেশ্যাৰ জীৱনৰ মৰ্মান্তিক সত্যক সম্পূৰ্ণ উলঙ্গ কৰি দিয়ে ।

অনেক বছৰ আগেয়ে পঢ়া বৰগোহাঞিৰ সুবালাই মনৰ মাজত যি অনুকম্পাৰ জন্ম দিছিল সেই অনুকম্পাত দিল্লীৰ জি. বি. ৰ'ডত লগ পোৱা বেশ্যা কিছুমানে কুঠাৰাঘাত কৰিছিল । মই মোৰ নাঙঠ চকুৰে দেখিছিলোঁ স্বইচ্ছাৰে অনেকেই দেহোপজীৱিনী হৈছে আৰু সন্তান জন্ম দিছে । বাধা আহিলেও এই সন্তানে স্কুলত পঢ়িব পাৰিছে । অৱশ্যে কথাবোৰ যে ইমান সহজ আছিল এনেও নহয় । ইয়াৰ স্কুলত এনে ধৰণৰ ল'ৰা-ছোৱালীয়ে অনেক সময়ত অশুভ ব্যৱহাৰ পোৱাৰ কাহিনীও শুনিছিলোঁ। সেইবোৰৰ বাবে আচুতীয়াকৈ কোঠা ৰখাৰ কথাও শুনিছিলোঁ । আনকি মুন্নীবাঈ নামৰ জি.বি ৰ'ডৰ দোহোপজীৱিনীগৰাকীয়ে নিৰ্বাচনত উঠা আৰু পৰাজয় বৰণ কৰা আদি নানা কথা মই শুনিছিলোঁ । সেইবোৰ এক অন্য কাহিনী আছিল ।

এই কথা সঁচা যে শ্ৰীহোমেন বৰগোহাঞিদেৱৰ 'সুবালা' ই দেহোপ-জীৱিনীৰ প্ৰতি মোৰ আগ্ৰহ বৃদ্ধি কৰিছিল । এই উপন্যাসে পাঠকক চিন্তিত কৰি তোলে । এনেদৰে চিন্তিত কৰিব পৰা উপন্যাসেই মহান উপন্যাসৰ মৰ্যাদা লাভ কৰে । সুবালা ভাৰতীয় ভাষাৰ এখন শ্ৰেষ্ঠ উপন্যাস । ❑❑

(অনুমতি সাপেক্ষে পুনমুদ্ৰিত)

হোমেন বৰগোহাঞিৰ আৰু ঢকুৱাখনা

শিৱপ্ৰসাদ গগৈ

অতীতৰ মুধৰ স্মৃতি সকলো মানুহৰে জীৱনৰ আপুৰুগীয়া সম্পদ । কাৰণ অতীতৰ আনন্দময় স্মৃতিৰাজিয়ে মানুহৰ প্ৰৌঢ় মনলৈ আনে বিমল আনন্দ; অপৰিমেয় সুখ-বাৰ্তা । জীৱনটোক গভীৰভাৱে উপভোগ কৰাৰ হাবিয়াস বহু পৰিমাণে পূৰ্ণ কৰিব পাৰে শৈশৱৰ অতীত স্মৃতি-বিজড়িত সৰু বৰ ঘটনাবোৰে । বৰ্তমানৰ জীৱনটোক মূল্যায়ন কৰোঁতে অতীত ৰোমন্থনে কেতিয়াবা প্ৰধান কাৰক ৰূপেও ক্ৰিয়া কৰিব পাৰে। হোমেন বৰগোহাঞিৰ জীৱন-পৰিক্ৰমাৰ দীঘল বাটত তেখেতৰ শৈশৱৰ আটকীয়া স্মৃতিবোৰে তেখেতৰ সাহিত্যিক জীৱনত বিশেষ ভূমিকা লৈছে । 'জীৱনৰ মধুৰতম সময়', 'কথা-বাৰ্তা', 'ধুমুহা আৰু ৰামধেনু', 'আত্মানুসন্ধান', 'প্ৰজ্ঞাৰ সাধনা' আদি আত্মজীৱনীমূলক গ্ৰন্থসমূহত পোনপটীয়াকৈ বৰগোহাঞিৰ ল'ৰালিৰ গাঁওখন, চাৰিকড়ীয়া নৈখন, ম'হঘুলি চাপৰি আৰু লগৰীয়া সহোদৰৰ ছবি পাতে পাতে অতীত ৰোমন্থনৰ বিষয় হৈছে । আনহাতেদি তেখেতৰ উপন্যাস, চুটি গল্প আৰু কবিতাবোৰত অতীত স্মৃতিয়ে বিভিন্ন ৰূপত প্ৰধান বিষয় ৰূপে স্থান পাইছে ।

হোমেন বৰগোহাঞি আৰু ঢকুৱাখনা বুলি ক'লেই ধাৰণা হ'ব, হোমেন বৰগোহাঞি ঢকুৱাখনাৰ মানুহ । কিন্তু বৰগোহাঞিৰ সমগ্ৰজীৱনৰ মাথোঁন শৈশৱ কালছোৱাহে ঢকুৱাখনাত কটাইছিল । জন্মৰ পৰা শৈশৱৰ তেৰ-চৈধ্যবছৰ বয়সলৈকে বৰগোহাঞি ঢকুৱাখনাত আছিল আৰু কলেজত পঢ়ি উঠি কেইদিনমান ঢকুৱাখনা উচ্চ ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিল ।তাৰ বাহিৰে বৰগোহাঞিৰ ঢকুৱাখনাত থকাতো হোৱাই নাই । কেতিয়াবা ঢকুৱাখনালৈ আহিলেও দুই-চাৰিদিনহে থাকি যায় । সেয়ে বৰগোহাঞিৰ কেৱল কৈশোৰ অৱস্থাৰ সময়খিনিৰ লগতহে ঢকুৱাখনাৰ সম্বন্ধ আছিল বুলি ক'লেও ভুল কোৱা নহয় ।

ঢকুৱাখনা এখনি দুৰ্গম সৰু ঠাই । দুৰ্গম যাতায়াত । বাৰিষা মানেই বানে গৰকা ঢকুৱাখনা । ব্ৰহ্মপুত্ৰলৈ পোনাই দূৰত্ব দহ কিলোমিটাৰৰো কম । স্বাধীনতাৰ আগৰ ঢকুৱাখনা আৰু স্বাধীনতাৰ পাছৰ ঢকুৱাখনাৰ ৰেহৰূপৰ বিশেষ সলনি হোৱা নাই ।

মহকুমা সদৰ ৰূপে যি ধৰণেৰে ঠাইখনৰ যাতায়াত তথা অন্যান্য যোগাযোগৰ সা-সুবিধাৰ দ্ৰুত ৰূপান্তৰ হ'ব লাগিছিল আজিও নহ'ল । এনে এখনি গাঁবলীয়া হাবিতলীয়া ঠাইতে; ঢকুৱাখনাৰ বালি গাঁৱত বৰগোহাঞিৰ জন্ম ১৯৩৯ চনত ; ধনে-ধানে চহকী পৰিয়ালত ।

ঢকুৱাখনাৰ প্ৰাকৃতিক পৰিৱেশ অসমৰ অনান্য গাঁৱৰ পৰিৱেশৰ লগত একেই । তথাপি যেন এই ঠাইখনিৰ এক সুকীয়া প্ৰাকৃতিক মাদকতা আছে । কিযনো স্বাধীনোত্তৰ বহু কালৰ পাছলৈকে এই অঞ্চলৰ প্ৰকৃতি প্ৰায় একেই আছে । ঢকুৱাখনা আজিও বানে ধোৱা দৰিদ্ৰ কৃষক জনগণৰ হা-হুমুনিযাহেৰে ভৰা ঠাই । হ'লেও নৈ-বিলঁ, গছ-লতিকা, পথাৰ-চাপৰিৰে এখনি সুন্দৰ আৰু মনোৰম ঠাই । চাৰিকউীয়া নৈখনিযেই এই অঞ্চলটিৰ প্ৰাণ । সেই নৈখনিয়ে যেন ইয়াত বসবাস কৰা মানুহখিনিৰো এক অদৃশ্য সীমা । এপাৰে ঘন জনজাতি পূৰ্ণ মানুহৰ বসতি আৰু অন্য পাৰত অজনজাতিৰে ভৰা গাঁও-ভূঁই ।

বালি গাঁও । হোমেন বৰগোহাঞিৰ জন্মস্থান ঢকুৱাখনা চাৰিআলিটোৰ গাতে লাগি থকা গাঁও । ১৮৭৫ চনতে স্থাপন হোৱা আৰক্ষী চকীটোও আন কথাত বালি গাঁৱৰ বুকুতে। এই চাৰিআলিটোক কেন্দ্ৰ কৰিযেই ঢকুৱাখনা এতিয়া নগৰলৈ দ্ৰুত সলনি হৈছে । গাঁওখনিৰ সকলো লোকেই কৃষিজীৱী ; সেয়ে সৰলচিতীয়াও । দুটি প্ৰধান সম্প্ৰদায়ে মিলা-প্ৰীতিৰে বাস কৰা গাঁওখনিৰ মানুহখিনিৰ বৰ্ণনা এটি বৰগোহাঞিৰ নিজৰ ভাষাৎ

"আমাৰ গাওঁখনৰ মানুহবোৰ ঘাইকৈ দুটা সম্প্ৰদায়ত বিভক্ত আছিল ঃ চুতীয়া আৰু আহোম । চুতীয়াসকল আছিল সংখ্যা গৰিষ্ঠ, প্ৰায় আশী শতাংশ । চুতীয়া আৰু আহোম সকলৰ উপৰিও কেইঘৰমান কোঁচ আৰু বামুণীয়া কৈৰ্বত পৰিযালৰ মানুহো আছিল । গাওঁখনৰ আটাইবোৰ মানুহেই সহোদৰ ভাই ককাই, বাই-ভনীৰ দৰে মিলা-প্ৰীতিৰে বাস কৰিছিল , কিন্তু কেতবোৰ বিশেষ কাৰণত তেওঁলোকৰ সামাজিক মিলনৰ ক্ষেত্ৰ আছিল সীমাবদ্ধ । প্ৰধান কাৰণ আছিল খাদ্যাভ্যাস ।"

মৎস্যগন্ধা উপন্যাসখনিৰ কাহিনী আৰু ভেটি বৰগোহাঞিৰ জনমথলি বালিগাঁওখনৰ গাতে লগা কচু গাঁওখনিৰ নিত্য-নৈমিত্তিক ঘটনাৱলীয়ে বৰগোহাঞিক নিশ্চয় আপুৰুগীয়া চৰিত্ৰ কিছুমানৰ লগত মুখামুখি কৰাইছিল ।আৰু সেই চৰিত্ৰসমূহৰ বাস্তৱ ঘাত-প্ৰতিঘাতেই মৎস্যগন্ধাৰ কাহিনী । জন অষ্টিনে পৰিয়ালৰ চাৰিসীমাৰ মাজতে থাকি লিখা Pride and prejndice ৰ দৰে কালজয়ী উপন্যাস খনিলৈ আমাক মনত পেলাই দিয়ে । মৎস্যগন্ধাৰ চৰিত্ৰসমূহ বৰগোহাঞিয়ে সৰু কালৰে পৰা আৰু নিচেই কাষৰ পৰা দেখা। সেই বাবেই নিশ্চয় মৎস্যগন্ধা পাঠকৰ এখনি প্ৰিয় গ্ৰন্থ । উল্লেখনীয় যে ইতিমধ্যে এই উপন্যাসখনি সঞ্জীৱ হাজৰিকাই চিত্ৰৰূপ দিছে ।কথাছবিখন দেখাৰ সৌভাগ্য হোৱা নাই কিন্তু ভাবি আচৰিত লাগে -পৰিচালক

প্ৰযোজকে উপন্যাসখনিৰ কাহিনীৰ ভেটি কচু গাঁৱলৈ এপাকো আহি গাঁওখনৰ প্ৰাকৃতিক পৰিৱেশ, মানুহখিনিৰ দৈনন্দিন থকা-মেলা, কথা-বাৰ্তা, চাল-চলনৰ, থলি গৰকি জানি নগ'ল । চৰিত্ৰসমূহৰ বাক্ বৈশিষ্ট্য, কথাকোৱাৰ ধৰণ, শব্দ ধ্বনি, উচ্চাৰণ-শৈলী, খাৱন-পিন্ধনৰ সুকীয়া কিবা আছিলেই বা। এই বহুচৰ্চিত উপন্যাসখনিৰ বিষয়ে বৰগোহাঞিয়ে লিখিছে ঃ-

"আমাৰ ঘৰৰ পৰা পূৱলৈ চাৰিটাঘৰ বাদ দি ক্ষীৰোদহঁতৰ ঘৰ ; পশ্চিমলৈ মাত্ৰ এটা ঘৰ বাদ দি কেহুঁকাইৰ ঘৰ । ক্ষীৰোদ আৰু কেঁহুকাই একেটা বংশৰে ল'ৰা ; দুয়ো ককাই-ভাই । আমাৰ গাঁৱৰ পশ্চিমফালে কচু গাঁও । কচু গাঁৱৰ আটাইবোৰ মানুহেই কৈবৰ্ত সম্প্ৰদায়ৰ মানুহ । এই কচু গাঁৱেই হ'ল মোৰ 'পিতাপুত্ৰ' নামৰ উপন্যাসৰ এটা অধ্যায়ৰ আৰু 'মৎস্যগন্ধা' নামৰ উপন্যাসখনিৰ পটভূমি ।

বৰগোহাঞিৰ মনৰ পৃথিৱীখনিক এখনি নৈয়ে আশৈশৱ সঞ্জীৱিত কৰি ৰাখিছে। দুয়ো তীৰে ঝাউবন, খাগৰি-বিৰিণাৰে ঢকা ফটিক ধাৰে বৈ থকা এখন নৈ । নৈ খনিত হেপাহ পলুৱাই এজাবোৰ মাৰিহে শৈশৱত দেহা শাঁত পৰা নৈখনি বৰগোহাঞিৰ বহু লেখাৰ আধাৰ স্বৰূপ ।নাম চাৰিকড়ীয়া । এখনি শান্ত নৈ । পানী ইমানেই পৰিষ্কাৰ যে, দুহাত-তিনিহাত তলত সাঁতুৰি বকা মাছো ফটফটীয়াকৈ দেখা পোৱা যায় । ইমান নিৰ্মল পানীধাৰা অসমৰ আন নৈত আছেনে নাই সন্দেহ । এই নৈখনিৰ বিষয়ে স্থানান্তৰে বৰগোহাঞিয়ে বহু ঠাইত উল্লেখ কৰিছে ।

ঢকুৱাখনা মজলীয়া বিদ্যালয়খনে বৰগোহাঞিৰ সাহিত্যিক জীৱনত যে গভীৰ প্ৰভাৱ পেলাইছিল তাৰ স্বীকৃতি স্থানান্তৰত কেইবা ঠাইতো তেওঁ উল্লেখ কৰিছে । বিশেষকৈ অসমীয়া গদ্য লিখাত সেই বিদ্যালয়খনৰ শিক্ষকসকলৰ প্ৰভাৱ কিমান তাক অকপটে স্বীকাৰ কৰি কৈছে ঃ

"ভাল অসমীয়া গদ্য লিখিবলৈ চেষ্টা কৰাটোৱেই মোৰ জীৱনৰ সৰ্বপ্ৰধান Passion ; ই মোৰ কাৰণে এটা ধৰ্মীয় আৱেগ । যি কেইজন লোকে মোৰ এই ধৰ্মীয় আৱেগৰ বীজ ৰোপণ কৰিছিল, তেওঁলোক হ'ল মই বাল্যকালত শিক্ষা লাভ কৰা চৰকাৰী মজলীয়া স্কুলৰ কেইজনমান শিক্ষক আৰু দেউতা ।"

ভাল গদ্য লিখিবলৈ জীৱনজোৰা সাধনা সাৰ্থক হোৱাৰ গুৰিতে অন্ততঃ সাম্প্ৰতিক কালৰ যি কেইজন প্ৰতিষ্ঠিত গদ্য লেখকে অসমীয়া গদ্য সাহিত্যৰ গুৰি ধৰি আছে তেওঁলোকৰ ভিতৰত বৰগোহাঞিও এজন । তেওঁ গদ্য লিখাৰ সাধনাক এক 'ধৰ্মীয় আৱেগ' ৰূপে পবিত্ৰ আৰু স্থায়ীভাৱে গ্ৰহণ কৰি প্ৰমাণ কৰি দেখুৱালে যে সাহিত্যৰ সাধনাৰ দৰে গদ্যৰ সাধনাও লেখকৰ আদৰ্শ হোৱা দৰকাৰ । অন্ততঃ গদ্যলেখক সকলৰ ।

বৰগোহাঞিৰ গদ্যৰ এটি উৎকৃষ্ট নমুনা একে পাততে উদ্ধৃতি দিয়া হওক ঃ

"হাজিৰা মাৰি শেষ কৰাৰ পিচত বৰুৱা চাৰে পাঠ-পঢ়া আৰম্ভ কৰিলে । প্ৰথম পাঠটো আছিল এটা সৰু পদ্য । চাৰে প্ৰতিটো শব্দ খুব স্পষ্টকৈ উচ্চাৰণ কৰি খুব ধীৰে ধীৰে পদ্যটো পাঠ কৰিলে । তাৰ পাছত তেওঁ অলপ সময় থমকি ৰ'ল—যেন পদ্যটোৰ শব্দবোৰ আমাৰ চেতনাত ডুবি যাবলৈ তেওঁ সময় দিব খুজিছে । তাৰ পাছত তেওঁ ঠিক আগৰ নিচিনাকৈয়ে পদ্যটো পুনৰ আবৃত্তি কৰিলে । আকৌ এবাৰ তেওঁ থমকি ৰ'ল । তৃতীয়বাৰ পদ্যটো পঢ়িবলৈ আৰম্ভ কৰি তেওঁ আমাক ক'লে ঃ- "এইবাৰ তহঁত গোটেইবোৰে মোৰ লগে লগে পদ্যটো পঢ়িবি "। শিশু-পাঠ্য সেই পদ্যটি মধুৰ উদাত্ত কণ্ঠেৰে তেওঁ পাঠ কৰিলে আৰু আমিও তেওঁৰ লগত সমানে তাল মিলাই মন্ত্ৰৰ দৰে পদ্যটো আবৃত্তি কৰিলোঁ" । — পাঠশালাৰ পণ্ডিত এজনৰ পাঠ পঢ়াৰ নিকা ছবি এখন ফট্‌ফটীয়া আৰু সলসলীয়াকৈ সৰল ভাষাত প্ৰকাশ কৰিছে । এনে গদ্য এনে ভাষাৰ প্ৰয়োগ বৰগোহাঞিৰ দৰে গদ্য সাধকৰ বাবেহে সম্ভৱ ।

হেড্‌পণ্ডিত কুল নাথ গগৈকে ধৰি যিকেইজন শিক্ষক সেইসময়ত ঢকুৱাখনা মজলীয়া বিদ্যালয়ত শিক্ষকতা কৰিছিল তেওঁলোক আছিল আদৰ্শ মানুহ আৰু আদৰ্শ শিক্ষক । সেইসময়ৰ এই আদৰ্শ শিক্ষকসকলৰ জ্ঞানবৃক্ষৰ ফল ভক্ষণ কৰি মেধাবী ছাত্ৰসকল উপকৃততো হৈছিলেই, আনহাতেদি 'আদৰ্শ' ছাত্ৰ আৰু আদৰ্শ শিক্ষকৰ সম্মিলনে ঢকুৱাখনা মজলীয়া স্কুলক গোটেই অঞ্চলটোৰে সাংস্কৃতিক সাধনাৰ কেন্দ্ৰত পৰিণত কৰিছিল । সেই সময়ৰ সৰ্বোত্তম অসমীয়া কিতাপেৰে ঠাহ খাই থকা স্কুলৰ লাইব্ৰেৰীটো, স্কুলৰ বিৰাট ফুলনি বাৰীখন, খেলপথাৰ, ফুটবল টীম, সৰ্বজন শ্ৰদ্ধেয় শিক্ষকসকল, বিনয়ী আৰু শিষ্টাচাৰী ছাত্ৰ সমাজ, স্কুলৰ বছেৰেকীয়া বঁটা বিতৰণী সভা আৰু শুচিস্নিগ্ধ সৰস্বতীপূজা- এই গোটেইবোৰৰ সম্মিলনত মঙ্গলময় প্ৰভাৱ ঠাইখনৰ চৌদিশে বিয়পি পৰিছিল । এইবোৰ কাৰণতে বোধহয় শৰৎ চন্দ্ৰ গোস্বামীৰ ভূগোলত ঢকুৱাখনাৰ পৰিচয় দিছিল ঃ ঢকুৱাখনা, ই বহুতো পুৰণি ভদ্ৰলোকৰ বাসস্থান ।"

এনে ভদ্ৰলোকৰ বাসস্থান, ভাষা-সাহিত্য আৰু নানান সংস্কৃতিৰে ভৰা ঢকুৱাখনাত জন্মি বৰগোহাঞিয়ে লাভ কৰিছিল এক অন্যান্য সাধাৰণ সাংস্কৃতিক পৰিৱেশ –যি তেখেতৰ সাহিত্যত অপৰিমেয় ৰূপত প্ৰকাশিত হৈছে । বৰগোহাঞিয়ে লেখক হোৱাৰ সাধনা কৰিছিল প্ৰকৃতিৰ কোলাত । নৰাণি পথাৰত । মুকলি আকাশৰ তলত । মুকলি আকাশৰ বিশালতাৰ প্ৰভাৱ নিশ্চয় লেখকৰ লেখাতো পৰিছিল । এঠাইত তেখেতে লিখিছে ঃ "আমাৰ নাট্যাভিনয়ৰ আখৰা যেনেকৈ পথাৰত হৈছিল, ঠিক তেনেকৈ আমাৰ আলোচনা সভাবোৰ বহিছিল পথাৰত । পথাৰত গৰু বিচাৰিবলৈ নিৰ্দিষ্ট সময়তকৈ এঘণ্টামান সময়ৰ আগতে গৈ আমি যেনেকৈ অভিনয়ৰ আখৰা কৰিছিলোঁ বা নানা ধৰণৰ খেল-ধেমালি কৰিছিলোঁ তেনেকৈ আমি মাজে মাজে

খেল-ধেমালিৰ পৰিৱৰ্তে আলোচনা সভা পাতিছিলোঁ ।........... মোৰ লেখক হোৱাৰ সাধনা আৰম্ভ হৈছিল মুকলি আকাশৰ তলত নৰাণি পথাৰত বহা আলোচনা সভাখনতেই ।

শৈশৱৰ বিৰল আৰু আপুৰুগীয়া স্মৃতি আৰু অভিজ্ঞতাকে ভেটি কৰিয়েই বৰগোহাঞিৰ অধিকাংশ লেখা । এই বিষেয়ে তেখেতে নিজই উল্লেখ কৰিছে ঃ

"মানুহে বিশ্বাস কৰেনে নকৰে সেইটো তেওঁলোকৰ নিজৰ কথা ; কিন্তু মই ইয়াকে ক'ব পাৰোঁ যে আমি কেইজনমান বন্ধু, জকাইচুকীয়া গাঁৱৰ ল'ৰা বৰ অকালতে পকিছিলোঁ আৰু বাৰ-তেৰ বছৰ বয়সতে জীৱন-মৃত্যু সম্পৰ্কে অতিশয় চিন্তিত হৈ উঠিছিলোঁ । আমি গাঁৱলীয়া ল'ৰাজাকে দীঘলীয়া সময়ৰ কাৰণে একেলগ হ'বলৈ সুবিধা পাইছিলোঁ কেৱল গৰু বিচাৰিবলৈ পথাৰলৈ যোৱাৰ সময়ত । গৰু বিচৰাটো এটা উপলক্ষহে আছিল ; কাৰণ দুই-এটা বা এজনী দুষ্ট গৰু -গাইৰ বাহিৰে বাকীবোৰ গৰু নিজে নিজেই ঘৰলৈ আহিছিল । গৰু বিচৰাৰ চলেৰে আমি প্ৰতিদিনেই অনুষ্ঠিত কৰিছিলোঁ আমাৰ শৈশৱ আৰু কৈশোৰৰ মধুৰতম আনন্দৰ উৎসৱবোৰ । "সাউদৰ পুতেকে নাও মেলি যায়, নামৰ কিতাপত মই সত্যক অকণো অতিৰঞ্জন নকৰাকৈ লিখিছোঁ - 'এই গৰুবোৰ আছিল তাৰ শৈশৱৰ আটাইতকৈ মৰমৰ লগৰীয়া । সিহঁতৰ পিচে পিচে চাপৰিত আৰু পথাৰত ঘূৰি-ফুৰোঁতে সি প্ৰকৃতিৰ কিমান বিচিত্ৰ সৌন্দৰ্য আৱিষ্কাৰ কৰিছে । আবেলি পৰত পথাৰত গৰু বিচাৰিবলৈ গৈয়েইটো সি আৱিষ্কাৰ কৰিছে চৰাইৰ সৰা পাখিয়ে বুকুৰ মাজত কেনে কোমল কাৰুণ্য জগায় ; মাৰ যাব ধৰা বেলিয়ে ৰক্ত-ৰঞ্জিত কৰা আকাশখনে হৃদয়ৰ মাজত কি অপৰূপ মত্ততা সৃষ্টি কৰে ; গৰখীয়াৰ পেঁপাৰ মাত আৰু বনগীতে এটি বাৰ বছৰীয়া সৰু ল'ৰাৰ কাণতো কেনেকৈ যৌৱনৰ আগলি বতৰা ঢালি থৈ যায় !"

ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈখনৰ সিপাৰে থকা চাপৰিৰ বিনন্দীয়া প্ৰাকৃতিক ৰূপ-শোভাই বৰগোহাঞিৰ সাহিত্য সৃষ্টিৰ এক বৃহত অংশ পৰিব্যাপ্ত হৈ আছে । এই চাপৰি খনিকে ম'হঘূলি চাপৰি আজি বৰগোহাঞিৰ সাহিত্যৰ পটভূমি হৈ বৰগোহাঞিৰ প্ৰিয় পাঠকৰ এক চিনাকী নাম ।

কিতাপ, সংগীত আৰু পেইণ্টিং এই তিনিটা বৰগোহাঞিৰ প্ৰিয় বস্তু । সহজাত অনুৰাগ । মহামতি গ্যেটেৰ সৰু কালতে পঢ়া উপদেশ এটাই হেনো তেওঁক এই বিষয় তিনিটালৈ অনুৰাগী কৰি তুলিছিল । এইটো সহজেই অনুমেয় যে এই তিনিটা বিষয় ভালপোৱা মানুহজন স্বাভাৱিকভাৱেই নীৰৱতাপ্ৰিয় হ'বই । নিসংগতাইহে এই তিনিটা বিষয়ক গভীৰভাৱে উপলব্ধি কৰাত সহায় কৰে ।

বৰগোহাঞিয়ে যে পেইন্টিং ভাল পায় তাৰো কাৰক হ'ল শৈশৱৰ এটি আটকীয়া মধুৰ অভিজ্ঞতা । বৰগোহাঞিৰ কথাৰে ঃ "বহাগ বিহুৰ দিনা মোৰ খুব বেছিকৈ

মনত পৰে মোৰ হাবিতলীয়া গাঁওখনৰ অপৰূপ নৈসৰ্গিক শোভালৈ-যাৰ মাজত লালিত হৈছিল মোৰ শৈশৱ, য'ৰপৰা মই সংগ্ৰহ কৰিছিলোঁ life and food for future years (ওৱৰ্ডছ ৱৰ্থ)। অৱশ্যে সেই নিসৰ্গ শোভা এতিয়া আৰু নাই, কালৰ গৰাহত সি চিৰকাললৈ হেৰাই গৈছে। কিন্তু কোনোবা জন কনষ্টবলে যদি মোৰ গাঁৱৰ সেই বহাগৰ ডাৱৰীয়া আকাশখন আৰু সেই আকাশৰ ছাঁয়া সেন্দুৰ নৈখন, পথাৰখন আৰু মানুহবোৰক কেনভাছৰ বুকুত চিৰকাললৈ বন্দী কৰি থৈ গ'লহেঁতেন, তেতিয়াহ'লেতো মই আজিৰ নিচিনাকৈ হাহাকাৰ কৰিব নেলাগিলহেঁতেন।"

উক্ত গাঁওখন ঢকুৱাখনাৰ বালিগাঁও, সেই নৈখন নিৰৱধি বৈ থকা চাৰিকড়ীয়া নদীখন, পথাৰখন - নৈপৰীয়া ম'হখুলিৰ পথাৰ আৰু মানুহবোৰ – তেওঁৰ শৈশৱ কালৰ মৰম -চেনেহেৰে আঁকোৱালি লোৱা পৰিয়ালৰ আপোনজন আৰু সহোদৰ বন্ধু-বান্ধৱসব যিসকলে আগুৰি আছিল ল'ৰালি কালৰ সৰু পৃথিৱীখন। ঢকুৱাখনাৰ হাবিতলীয়া গাঁওখনিৰ অপৰিমেয় প্ৰকৃতি শোভাই তেওঁৰ মনৰ ওপৰত পেলোৱা গভীৰ আকুল প্ৰভাৱৰ কাৰণেই নিশ্চয় বৰগোহাঞিৰ প্ৰিয় কবি ৱৰ্ডছৱৰ্থ 'জীৱনৰ একোটা ঋতুত একো একোজন কবিয়ে মোৰ হৃদয় জয় কৰিছে, কিন্তু গোটেই জীৱন ধৰি মোক মুগ্ধ কৰি ৰাখিছে একমাত্ৰ ৱৰ্ডছৱৰ্থে।"

আমি প্ৰত্যেকেই শিক্ষিত হোৱাতকৈ মানুহ হ'বলৈ শিকা উচিত। পাঠ্যপুথিৰ শিক্ষা, বিশ্ববিদ্যালয়ৰ অৰ্হতাই শিক্ষা নহয়। শিক্ষা মানে জীৱনটোক জয় কৰাৰ শিক্ষা। শিক্ষা হ'ল জীৱনটোক সুন্দৰকৈ যাপন কৰাৰ শিক্ষা। সুন্দৰ জীৱন এটা যাপন কৰিবলৈ কি ধৰণৰ সাধনাৰ প্ৰয়োজন আমি অলপ আয়াসতেই অনুধাৱন কৰিব নোৱাৰোঁ। এই বিষয়ে হোমেন বৰগোহাঞিয়ে এটি ঘৰুৱা কথাৰে এক গভীৰ আৰু চিন্তাউদ্ৰেক দিক্ নিৰ্ণয় কৰি দেখুৱাইছে। বৰগোহাঞিৰ দেউতাক বৰ এলেহুৱা লোক আছিল। তেওঁ আগবেলা কেইঘণ্টামান কাম কৰি বাকী গোটেই সময়খোৱা শুই বহি কটাইছিল। ইফালে মাক আৰু খুড়ীয়েকে পুৱাৰ পৰা ৰাতি এডোখৰলৈকে চাকুৰি ঘূৰাদি ঘূৰিও তৎ নেপাইছিল। তাকে দেখি শৈশৱ কালতে বৰগোহাঞিয়ে কিবা প্ৰকাৰে হ'লেও মাকহঁতক ৰান্ধনিশালৰ কামত সহায় কৰি দিছিল। শাক-পাচলি কটাৰ কাম ফেৰা কৰি এই কথাটি তেওঁ তেতিয়াহে গভীৰভাৱে উপলব্ধি কৰিলে যেতিয়া তেওঁ পঢ়িবলৈ পালে যে "লুই ফিশ্বাৰে লিখা গান্ধীজীৰ জীৱনীত যেতিয়া মই পঢ়িবলৈ পালোঁ যে লুই ফিশ্বাৰে জীৱনত প্ৰথমবাৰৰ কাৰণে গান্ধীজীক লগ পাবৰ সময়ত তেওঁ পাকঘৰত বহি পাচলি কাটি আছিল, তেতিয়া পাচলি কটা কামটোকো জীৱনৰ এটা উপাসনা বুলি ভাবি মোৰ মনটো বিমল আনন্দেৰে ভৰি পৰিছিল।" ঢকুৱাখনাৰ হাবিতলীয়া গাঁৱত জন্মলভা বৰগোহাঞিয়ে জীৱনৰ সুন্দৰ

পাঠবোৰ শৈশৱতে কেনেদৰে আয়ত্ব কৰিছিল ই এটি চিন্তাউদ্রেক নমুনা । এই সন্দৰ্ভতে বৰগোহাঞিয়ে দাবী কৰিছে যে তেওঁ এজন স্বাৱলম্বী মানুহ । আচলতে স্বাৱলম্বী মানুহহে জীৱন যুদ্ধত জয়ী হয় ।

২০০০ চনত অসম সাহিত্য সভাৰ সভাপতিৰূপে হোমেন বৰগোহাঞি নিৰ্বাচিত হৈছে । কেইবাবাৰো সাহিত্য সভাৰ সভাপতি পদ প্ৰত্যাখান কৰি ২০০০ চনত সভাপতি হ'বলৈ মান্তি হোৱা বৰগোহাঞিয়ে কৰা বক্তব্যখিনিত তেখেতৰ অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা আৰু হৃদয়াবেগ প্ৰকাশিত হৈছে । এই ক্ষেত্ৰত ১৯২৪ চনতে জন্ম লাভ কৰা ঢকুৱাখনা শাখা সাহিত্য সভাৰ বিষয়ে উল্লেখ কৰা যুগুত হ'ব । ঢকুৱাখনা শাখা সাহিত্যসভাৰ লগত বৰগোহাঞিৰ পৰিয়াল ওতঃপ্ৰোত ভাৱে জড়িত আছিল । বৰগোহাঞিৰ সাহিত্য চৰ্চাত প্ৰেৰণা যোগাইছিল তেখেতৰ অধ্যয়নশীল পিতৃ স্বৰ্গীয় ইন্দ্ৰধৰ বৰগোহাঞি আৰু সৰু দেউতাক (খুড়া) স্বৰ্গীয় ফণীধৰ বৰগোহাঞিদেৱে । ঢকুৱাখনাৰ আনকেইজন কাণ্ডাৰী আছিল স্বৰ্গীয় চন্দ্ৰশেখৰ দাস, কুলনাথ গগৈ, জগত চন্দ্ৰ দত্ত বৰা আদি । এই কেইজন অধ্যয়নশীল ধীমান পুৰুষ থকাৰ বাবেই নিশ্চয় তাহানিতেই ঢকুৱাখনা শাখা সাহিত্য সভাই 'জ্ঞান মালিনী'ৰ কবি মফিজুদ্দিন আহ্মদ হাজৰিকাক সাহিত্যিক পেঞ্চন দিব লাগে বুলি চৰকাৰৰ ওচৰত পোন প্ৰথমে প্ৰস্তাৱ যোগে আৰ্জি পেছ কৰিছিল । এনে এক সাহিত্যৰ পৰিৱেশ থকা ঠাইত হোমেন বৰগোহাঞিয়ে জন্ম লাভ কৰি ভাষা সাহিত্যৰ চৰ্চাৰ প্ৰেৰণা পাইছিল - বাল্য কালতেই ।

বৰগোহাঞিৰ সাহিত্য চৰ্চাৰ আন এক প্ৰধান উৎস আৰু প্ৰেৰণা আছিল ১৮৭২ চনতে স্থাপিত হোৱা ঢকুৱাখনা মজলীয়া বিদ্যালয় । এইখনি গৌৰৱোজ্বল বিদ্যালয় সেই সময়ৰ অবিভক্ত অসমৰ তৃতীয় মজলীয়া বিদ্যালয় আছিল । সেই সময়ত মজলীয়া স্কুলৰ মান আছিল অতিকৈ উন্নত । বৰগোহাঞিয়ে স্থানান্তৰত উল্লেখ কৰিছে "শিক্ষক সকল আছিল অতি কৰ্তব্যনিষ্ঠ । তেওঁলোকে শিক্ষকতাক কেৱল চাকৰি বা জীৱিকাৰ উপায় হিচাপে নাভাবি তাক জীৱনৰ এটি পৱিত্ৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল । এই বিদ্যালয়খনিৰ পুথিভঁৰালটিত আছিল সেই সময়ৰ অসমীয়া সাহিত্যৰ আটাইবোৰ উৎকৃষ্ট গ্ৰন্থ । সেই সমূহ গ্ৰন্থৰ অধ্যয়নে বৰগোহাঞিৰ অসমীয়া ভাষা-সাহিত্যৰ জ্ঞান স্কুলীয়া কালতে সমৃদ্ধ কৰি তুলিছিল ।

জন্মঅৱধি শৈশৱৰ তেৰ-চৈধ্য বছৰলৈকে আৰু কলেজীয়া বিদ্যা শিক্ষাৰ সাগৰত স্নান কৰি উঠি (স্নাতক হোৱাৰ পাছত) প্ৰায় ছমাহ কি বছৰ কালহে বৰগোহাঞি ঢকুৱাখনাত আছিল । জীৱনৰ এই দুটা সময় শৈশৱ আৰু যৌৱন কাল অতি মনোময় সময় । এই সময়ছোৱাৰ বৈচিত্ৰময় অনুভৱ অভিজ্ঞা বৰগোহাঞিৰ বিভিন্ন গ্ৰন্থত ফল্গুধাৰাৰ দৰে বৈ আছে । ঢকুৱাখনাৰ গাঁও-ভূঁইৰ সৰস জীৱন-সোপান, নৈ-বিলৰ

বিভিন্ন ঋতুৰ বৰ্ণময় ৰূপ, পথাৰ-চাপৰিৰ গছ-লতিকাৰ বনৰীয়া শোভা, বিভিন্ন চৰাই-চিৰিকটিৰ মোহনীয়া গীত-কাকলি, এই সকলো বিচিত্র সৌন্দৰ্যৰ পয়োভৰ বৰগোহাঞিৰ সাহিত্যত বিদ্যমান।

'কামেই জীৱনৰ উপাসনা' বুলি বিশ্বাস কৰা বৰগোহাঞিৰ সুদীৰ্ঘ জীৱনত যি বিশাল সাহিত্য কৰ্ম অসমীয়া সাহিত্যলৈ আগবঢ়াইছে। সেই সুবাদতে বৰগোহাঞিয়ে আজি এজন আগশাৰীৰ অসমীয়া সাহিত্যিক হিচাপে স্বীকৃতি লাভ কৰিছে। বৰগোহাঞিৰ সমগ্ৰ জীৱনটোৱেই এই পৰীক্ষিত জীৱন ; কৰ্ম যাৰ জীৱনৰ উপাসনা।

বৰগোহাঞিয় অকপটে ব্যক্ত কৰিছে যে – "মই জ্ঞান হ'বৰ দিনধৰি কিতাপৰ মাজত আৰু সাহিত্য-চৰ্চাৰ পৰিৱেশত ডাঙৰ হৈছোঁ, জ্ঞান হ'বৰ দিন ধৰি মই লেখক হোৱাৰ বাহিৰে আন একো হোৱাৰ চিন্তা কৰা নাই। মই প্ৰথম পদ্য লিখিছিলোঁ সাত বছৰ বয়সত, মই তেতিয়া প্ৰাইমেৰী খাপৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ। স্কুলৰ শনিবৰীয়া ছাত্ৰ সভাত পাঠ কৰিবলৈ লেখা সেই পদ্যটিৰ দুটা শাৰী

পঞ্চম চিভিলিয়ান আনন্দ বৰুৱা
আন্ধাৰত জ্বলে যেন জোনাকী পৰুৱা।"

অসমীয়া জাতিৰ সেই অন্ধকাৰ যুগতে আনন্দৰাম বৰুৱাই যে কেৱল ভাৰতীয় সেৱাৰ প্ৰথম অসমীয়া চিভিলিয়ান হৈয়েই নহয়, সংস্কৃত সাহিত্যৰো এজন বিদগ্ধ পণ্ডিতৰূপে অসমীয়া ভাষা-সাহিত্য জোনাকী পৰুৱাৰ দৰে জিলিকি উঠিছিল - এই গভীৰ ভাৱময় কাৰ্যক উপমা নিশ্চয় এজন ভাৱীকালৰ শ্ৰেষ্ঠ কবি হোৱাৰে স্বাক্ষৰ বহন কৰিছিল। তেৰ বছৰ বয়সত লেখা 'ৰাণী গাইদিন্‌লু' পদ্য (কবিতা) কলিকতাৰ পৰা প্ৰকাশিত 'বাঁহী' আলোচনীত প্ৰকাশ হোৱাৰ গৌৰব বৰগোহাঞিয়ে লাভ কৰিছিল। এই আনন্দ গৌৰৱৰ ভাবোচ্ছ্বাস বৰ নিমজকৈ প্ৰকাশ কৰি তেখেতে লিখিছে ছপাৰ আখৰত প্ৰথমবাৰৰ কাৰণে মোৰ কবিতা আৰু নাম দেখি প্ৰচণ্ড উত্তেজনাত মোৰ বুকু ফাঁটি যাবৰ উপক্ৰম হৈছিল। ডাকঘৰৰ পৰা আলোচনীখন লৈ বিস্মাশবেগে ঘৰলৈ ঢাপলি মেলিলোঁ, কাৰণ দেউতাক কবিতাটো দেখুৱাবলৈ মই উত্তাৱল হৈ উঠিছিলোঁ। সেই সময়ত অধ্যাপক পদ্মেশ্বৰ গগৈ আমাৰ ঘৰত আলহীহৈ আছিল। মোৰ হাতৰ পৰা তেৱেঁই আলোচনীখন প্ৰথমে লৈ কবিতাটো পঢ়িলে। তাৰ পাছত কবিতাটো প্ৰশংসা কৰি ক'লে – 'মই কিন্তু তোমাক গদ্য লিখিবলৈ পৰামৰ্শ দিব খোজোঁ।'

'কবিতা আছিল মোৰ প্ৰথম প্ৰেম। আচলতে মই কবিয়েই হ'ব খুজিছিলোঁ। .... মোৰ ধাৰণা অধ্যাপক গগৈয়ে মোক এজন বেয়া কবি হোৱাৰ পৰা ৰক্ষা কৰিলে। কিন্তু মই এজন ভাল গদ্য লেখক হ'ব পাৰিলোঁনে ?'

আমাৰ প্ৰাথমিক ধাৰণাই নিশ্চয় নিৰ্ভুল যে বৰগোহাঞি এজন জনপ্ৰিয় কবিতো

হয়েই— অসমীয়া সাহিত্যৰ সাম্প্রতিক কালৰ এজন অতি সাৰ্থক গদ্যলেখকো । আন কথাত তেখেত অন্যতম শ্ৰেষ্ঠ কথা শিল্পী । বৰগোহাঞিৰ গদ্যলেখাৰ নিৰলস প্ৰচেষ্টাত উত্তীৰ্ণ হৈ আধুনিক অসমীয়া গদ্য সাহিত্যক বহু কেইটা বিশেষ বিশেষ দিশত চহকী কৰি তুলিছে। এই বিশেষ যোগ্যজনে - বৰগোহাঞিৰ গদ্যৰ ওপৰত বিশ্লেষণাত্মক লেখাৰ সময়ত নিশ্চয় আগবঢ়াব ।

বৰগোহাঞিৰ বহুপঠিত উপন্যাস 'পিতাপুত্ৰ', 'সাউদৰ পুতেকে নাও মেলি যায়' 'অস্তৰাগ' আৰু 'গৰখীয়া' আদি গল্পত গাঁৱৰ প্ৰাকৃতিক সৌন্দৰ্য মেলাৰ যি অপৰূপ আৰু নিটোল বৰ্ণনা আছে তাৰ পটভূমি বৰগোহাঞিৰ জন্মথলি বালিগাঁও, সমীপৰ পথাৰ আৰু সৌন্দৰ্যৰ আঁকৰ স্বৰূপ চাৰিকড়ীয়া নৈখন । ল'ৰালি কালৰ সৌন্দৰ্য পিপাসু মনটোক এই পথাৰ আৰু নৈৰ অপৰূপ ৰূপ-মাধুৰ্যই এটি অতি সংবেদনশীল মনৰ অধিকাৰী বৰগোহাঞিৰ মনত কেনেধৰণৰ ভাবৰ জোৱাৰ তুলিছিল তাক তেখেতৰ ধুমুহা আৰু ৰামধেনুৰ শেষছোৱাত লিখিছে ঃ

'মোৰ বাল্যকালত মোৰ জন্মভূমি ঢকুৱাখনা আছিল প্ৰকৃতিৰ অপৰূপ ৰম্য কানন। সেই ৰম্য কাননৰ স্মৃতি মনলৈ আহিলেই মোৰ মনত পৰে ৰামায়ণত ৰামচন্দ্ৰই বনবাসৰ সময়ত সীতাক কোৱা এষাৰ ক'থা – 'তোমাৰ লগত এই ৰমণীয় মন্দাকিনীত প্ৰতিদিনে তিনিবাৰ স্নান কৰি যদি এই ৰমণীয় চিত্ৰকুট কাননৰ মধুমূল আৰু ফল খাই কাল কটাব পাৰোঁ, তেন্তে মই আৰু কেতিয়াও অযোধ্যাৰ কাৰণে বা ৰজা হ'বৰ কাৰণে বাসনা নকৰোঁ ।' মোৰ গাঁৱৰ কাষেদি বৈ যোৱা স্ফটিক সলিলা চাৰিকড়ীয়া নৈখন মোৰ কাৰণে আছিল ৰামচন্দ্ৰৰ মন্দাকিনীতকৈ হাজাৰ গুণে বেছি ৰমণীয়," প্ৰতিদিনে সেই চাৰিকড়ীয়াত তিনিবাৰকৈ স্নান কৰি আৰু তাৰ দুয়োপাৰ ৰম্যকাননত দেৱশিশুৰ দৰে বিচৰণ কৰি মই স্বৰ্গীয় আনন্দৰ অভিজ্ঞতা লাভ কৰিছিলোঁ ।'

শিল্প-সাহিত্যত যুগ-যুগান্তৰে নৈৰ সৌন্দৰ্য বৰ্ণনা হৈ আহিছে। অসমীয়া সাহিত্যত ইমান নিমজ আৰু নিটোল ভাষাৰে নৈৰ ৰূপ-শোভাৰ বৰ্ণনা আন কোনোৱা কথাশিল্পীয়ে কৰিছে যদিও আমি নাজানোঁ । নৈখনিৰ সৌন্দৰ্যৰ বৰ্ণনা কৰিবলৈ গৈ-বৰগোহাঞিয়ে চাৰিকড়ীয়াক এনে এক চিৰায়ত স্ৰোতস্বিনীৰ ৰূপ দান কৰিছে যেন এই নদীখনিয়ে অনাদি অনন্তকাল সময়ৰো পৰিধি ভাঙি বৈ আছে আৰু যুগে যুগে আহি গাঁৱৰ গোপ-বালকসৱে বৃন্দাবনৰ কেলি কৰি অপাৰ আনন্দ উপভোগ কৰিছে । এখনি নৈৰ বিষয়ে ইমান মন-পৰশা বৰ্ণনা কেৱল বৰগোহাঞিৰ দৰে মাতৃভাষাৰ ওপৰত পৈণত দখল থকা লেখকৰ বাবেহে সম্ভৱ ।

নিজৰ জীৱনটোক অন্তহীনভাৱে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ মুকলিকৈ পৰিকল্পনা কৰা প্ৰতিষ্ঠিত সাহিত্যিক এজনৰ জীৱন-বৃত্তৰ পৰিধিৰ আৱৰ্তত সোমাই বাহিৰৰ পৰা সাৰ্থকভাৱে তেখেতৰ শৈশৱকালৰ জনমথলিৰ বিভিন্ন ৰহস্যময় ৰূপ-বৰ্ণনা

কৰা নিশ্চয়কৈ দুৰুহ কাম । যিজনে সূক্ষ্মাতি-সূক্ষ্মভাৱে নিজৰ জীৱনৰ পৰীক্ষা-নিৰীক্ষাৰ প্ৰতিবেদন মৃত্যুৰ আগতে ৰাখি থৈ যাব খোজে তেনে এজন চিৰপ্ৰশান্তিকামী লেখকৰ বিষয়ে সৰসভাৱে কিবা লিখিব পৰাটো বাহিৰৰ পৰা সম্ভৱতো নহয়েই ; আনহাতেদি বৰ উৎসাহজনক বিষয়ো নহয় । কাৰণ তেখেতৰ জীৱন পৰিক্ৰমাৰ ভুল ব্যাখ্যাই তেখেতক ব্যথিত কৰি তুলিবও পাৰে । সেয়ে বৰগোহাঞিৰ বিষয়ে অনুমান ভিত্তিক যিকোনো কথা লিখাতকৈ অনুভৱ অভিজ্ঞতাসমূহ তেখেতৰ নিজা চিন্তাৰ আৱৰ্তৰ ভিতৰতে থাকি লিখাহে যুগুত হ'ব বুলি বিবেচনা কৰো । জীয়াই থাকোঁতেই যিজনে ধীমান কাণ্ডাৰীয়ে জীৱনৰ শেষ কথা কৈ এক শক্তিশালী মনৰ পৰিচয় দিব পাৰে, তেনে এজন সবল সাহসী মানুহ বৰগোহাঞিৰ বিষয়ে নভৱা নিচিন্তাকৈ কোনো কথাই কোৱা নাযায় । সেয়ে বৰগোহাঞি নো কোন এই সৰল প্ৰশ্নটিৰ এটি সৰল উত্তৰ বৰগোহাঞিয়ে নিজেই দিছে ঃ "মই আন সকলোৰে কাৰণে বিচাৰিছিলোঁ সুখ আৰু মোৰ কাৰণে নিসঙ্গতা আৰু শান্তি ।" শান্তিকামী মানুহেই জীৱন-যুঁজত জয়ী হয় । □□

দ্বিতীয় খণ্ড

হোমেন বৰগোহাঞিৰ কবিতা ঃ নৈঃশব্দৰ মুখৰতা

নলিনীধৰ ভট্টাচাৰ্য

হোমেন বৰগোহাঞিয়ে এটা সময়ত ভালেমান কবিতা লিখিছিল কিন্তু পিচলৈ তেওঁ গদ্যতহে হাত দিলে। লাগি থকা হ'লে প্ৰথমৰ পৰাই স্বকীয়ভাৱে উজ্জ্বল হৈ পৰা কবিতাৰ ক্ষেত্ৰতো তেওঁ নানা পৰীক্ষা নিৰীক্ষা কৰিব পাৰিলেহেঁতেন আৰু তাৰপৰা অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল টনকিয়াল হ'লহেঁতেন, কিন্তু সেইটো হৈ নুঠিল। তেওঁৰ ভাষাতে ক'বলৈ হ'লে সেইটোৱেই বোধকৰোঁ 'নিয়তিৰ অমোঘ সংকেত' আছিল সি যি কি নহওক, আমি এই প্ৰবন্ধত তেওঁৰ কেইটামান কবিতাৰ সংক্ষিপ্ত বিচাৰ কৰি চাব খুজিছোঁ। তেওঁৰ কিছুমান কবিতাৰ গাঁথনি নিটোল, বছা বছা তৎসম শব্দৰ স্থাপত্য নিৰ্মাণত তেওঁ সিদ্ধহস্ত। সংযত, ব্যঞ্জনাময়, ছন্দোময় প্ৰকাশৰে সেই কবিতাবোৰ সুখপাঠ্য। ইয়াৰ পৰা বুজা যায়, তেওঁ সেই সময়ত ফৰ্মৰ ওপৰত গুৰুত্ব দিছিল অধিক, কিয়নো সেই ফৰ্মটো আকৰ্ষণীয় আছিল। তাৰ সংগঠন অধ্যয়ন আৰু অধ্যৱসায়ৰ ওপৰত নিৰ্ভৰ কৰিছিল। ফৰাচী কবি ভেলেৰী নাইবা বঙালী কবি সুধীন্দ্ৰ নাথৰ কবিতাত শব্দ-চয়নৰ এনে সযত্ন প্ৰয়াস দেখা যায়। তেওঁৰ কবিতা ঘাইকৈ অৱচেতনৰ উদ্ভিদ উদাহৰণ স্বৰূপে তেওঁৰ 'ৰাতি' আৰু 'সাপ' কবিতা দুটা ল'ব পাৰি। 'ৰাতি' কবিতাত 'ফুল হৈ ফুলি থকা তেজীমলা', 'স্ফীতোদৰা কোনো এক প্ৰগল্‌ভা/নাৰীৰ/ আসঙ্গ কামনা' আদি স্তৱকে ইন্দ্ৰিয়শীলতাৰ ইংগিত দিয়ে 'ৰাতি' শব্দটো ইন্দ্ৰিয়শীলতাৰে ৰূপক। অৱচেতনৰ অন্ধকাৰত এনে ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ স্বপ্নত কবি যেন বিভোৰ

> মোৰ চেতনাৰ অন্ধ বিশাল নদীত/ঘাটে ঘাট
>
> ৰাতিৰ নিচান

'সাপ' কবিতাতো ৰাতি আছে

> মই ভাল পাওঁ ৰাতিৰ দৰে সুন্দৰ এটি সাপ
>
> আৰু তাৰ অবাক অহংকাৰ
>
> আলকাতৰাৰ দৰে গাৰ ৰং, কোনো এক বেশ্যাৰ
>
> গলিত হৃদয় যেন, মৃত্যু আৰু সৌন্দৰ্যৰ এই সমাহাৰ।

এই স্তৱকটোত 'ৰাতি' দুঃসহ আৰু সৌন্দৰ্যময় । সি যেন এটা সোণালী সাপ য'ত পুঞ্জীভূত হৈ আছে এন্ধাৰ আৰু পোহৰ, মৃত্যু আৰু সৌন্দৰ্য । জীৱন, প্ৰেম আৰু মৃত্যুৰ দ্যোতক এই সাপ যেন ভীষণ সৌন্দৰ্য, a terrible beauty 'বেশ্যা'ৰ ৰূপকো মন কৰিবলগীয়া । বৰগোহাঞিৰ কবিতাত ৰাতি, সাপ আৰু বেশ্যা একাকাৰ হৈ গৈছে । বেশ্যাত অবক্ষয়ৰ ইংগিত আছে, কিন্তু তাইৰ দ্ৰবীভূত হৃদয়ে সৌন্দৰ্যৰ সূচনা কৰিছে। ফৰাচী কবি ভেলেৰীৰ কবিতাতো 'সাপ'ৰ প্ৰতীক আছে । তাত সাপটোৱে পাপ আৰু জ্ঞানৰ পৰা উদ্ভূত বেদনা আৰু মৃত্যুক বুজাইছে । বৰগোহাঞিৰ কল্পনাৰ লগত তাৰ মিল নাই । আমাৰ কবিৰ অন্ধকাৰ কেৱল মৃত্যুৰে দ্যোতক নহয় । তাত ইন্দ্ৰিয়ঘন আনন্দ অথবা সৌন্দৰ্যও আছে । অন্ধকাৰ কেৱল অন্ধকাৰেই নহয়, সি চৈতন্যকো পোহৰ বিলায় । এইবাবেই অন্ধকাৰৰূপী সাপটো কবিৰ প্ৰিয় ।

বৰগোহাঞি নৈঃশব্দৰ কবি কিন্তু এই নৈঃশব্দ মুখৰ আৰু ধ্বনিময় । তেওঁ মগ্ন-চৈতন্যৰ পৰা ডাক দিয়ে, নিজকে বিচাৰি পোৱাৰ, নিজকে বিচাৰি চোঁৱাৰ বাবেই তেওঁৰ এই কাব্য পৰিক্ৰমা । বুজিবলৈ টান নহয় যে, বৰগোহাঞিৰ কাব্য চেতনা ভিতৰমুখী । সেইবাবে তেওঁৰ কবিতা ব্যক্তিগত বা আত্মনিষ্ঠ (private), ৰাজহুৱা বা সমাজনিষ্ঠ (Public) নহয় । পিচৰ কবিতাবোৰত বক্তব্যধৰ্মিতাৰ সাঁচ নপৰা নহয় কিন্তু সেইটো ব্যতিক্ৰম । তেওঁৰ প্ৰকৃতি অন্তৰ্মুখী । তেওঁ যি সময়ৰ কবি, সেই সময়ত বিশ্ব-সংস্কৃতিৰ বীজ সংগ্ৰহৰ প্ৰৱণতা এটা আছিল । তেওঁৰ কবিতাত ৰেবোঁ, ৰিল্কেৰ কথা আছে । এইসকল কবিৰ অন্তৰ্মুখিতা বা প্ৰতীকধৰ্মিতাই তেওঁক অনুপ্ৰাণিত কৰিব পাৰে । দুখ-বেদনাৰ স্মৃতি, বিষাদ, আশ্ৰয়হীনতা, অসহায়বোধ, মৃত্যু প্ৰকৃতি, প্ৰেম — এইবোৰেই তেওঁৰ নিঃসংগ জীৱনৰ সংগী স্বৰূপ । জন-সংঘ তেওঁৰ বাবে বিভীষিকা ঃ

দেৱালত ইস্তাহাৰ, ময়দানত জনসভা, লাজঝাণ্ডা উৰে,
ভয়, মোৰ লাগে ভয় - সঙ্গী মাথোঁ দিনৰ এন্ধাৰ ।

এই ধাৰণা বঙালী কবি সুধীন্দ্ৰ নাথৰো আছিল । বৰগোহাঞিক 'বিৰূপ বিশ্ব'ৰ বিশৃংখলাই হয়তো আত্মাৰ নিৰ্জন দ্বীপলৈ লৈ গৈছিল । তেওঁ অনুভৱ কৰিছে, ইতিহাস 'নিৰুত্তাপ হুতাশ্বাসে'ৰে ভৰা । জনতাৰ যাত্ৰা পথত তেওঁ দেখিছে তেজ । সেয়ে তেওঁ মৃত্যুৰে অনা ক্লান্তিত ভূগিছে । কবিয়ে আকৌ 'প্ৰমত্তা প্ৰৌঢ়া গণিকাৰ গৰ্ভত নতুন জগৰ সপোনো দেখিছে । এই প্ৰমত্তা প্ৰৌঢ়া গণিকানো কোন ? হয়তো পৃথিৱী । স্বপ্ন দেখিলেও, কবিৰ অন্তৰ্বেদনা নাইকিয়া নহয় । ইতিহাসে তৈয়াৰ কৰা মৃত্যুদেশৰ পৰা কবিয়ে উৰ্দ্ধশ্বাসে পলায়ন কৰিব খুজিছে । কাৰণ কবি নিৰাশ হৈছে । কবিয়ে পৰোক্ষভাৱে ধনবাদৰ বাহৱে গিলা সমাজখনৰ কথা কৈছে নে কি ? দ্বিতীয় মহাযুদ্ধৰ কৰুণ স্মৃতিয়ে তেওঁৰ অন্তৰাত্মা দহিছে নে কি ? হ'ব পাৰে । তেওঁ কৈছে ঃ

মোৰ আগ্নেয় সন্তাত জ্বলে কি দুঃসহ অনুভৱ

মৃত্যুৰ ক্লান্তিৰে দৃপ্ত
পলাতক মন মোৰ
আশ্ৰয়, আশ্ৰয় ক'ত ?

'বৰ্তমান জীৱন সত্তা' (সঙ্গী), 'হৃদয়ৰ গোপন কথাক/শূন্যগৰ্ভ শব্দৰ এন্ধাৰে/ টেঁটু চেপি ধৰিছে (স্বীকাৰোক্তি) — কবিৰ এনেবোৰ উক্তিৰ পৰা বুজিব পাৰি সমাজৰ অৱস্থা বিৰূপ । জীয়াই থকাৰ প্ৰাণান্ত প্ৰয়াসো এই পৰিৱেশত ব্যৰ্থ হৈ যায় । এনে এক নৈৰাশ্যৰ মাজত তেওঁ নিৰাশ্ৰয় অনুভৱ কৰিছে । প্ৰকৃতিয়েও শান্তি নিদিয়ে, নিঃসংগতাই হয়তো মানুহৰ অনিবাৰ্য নিয়তি । ইয়াৰ পৰা মুক্তি ক'ত ? মুক্তি আছে ইন্দ্ৰিয়শীলতাত, আছে কোনো যুৱতীৰ স্মৃতিৰ পাপৰিত ঃ

সমুদ্ৰৰ মৌন এই হৃদয়ৰ নীল নিৰ্জনতা ঃ
প্ৰকৃতিত শান্তি নাই, মানুহ নিঃসঙ্গ চিৰকাল ।
ক্ষয়িত বিশ্বাস, শান্তি, অস্তিত্বৰ সমুদ্ৰ বিশাল
কোনো এক যুৱতীৰ স্মৃতি মাথোঁ জগায় মত্ততা ।
(কোনো এক যুৱতীৰ স্মৃতি)

ব্যাধিগ্ৰস্ত সমাজত এই আত্মিক যন্ত্ৰণা আৰু প্ৰকট হৈছে 'ওফেলিয়া' নামৰ কবিতাত । 'হেম্‌লেট' নাটকৰ ওফেলিয়া চৰিত্ৰ কবিতাটোত জীৱনৰ দুঃস্বপ্নৰ প্ৰতীক হৈ পৰিছে । কবিৰ মতে ঃ

শান্তি আশ্বাস নাই, জীৱনৰ ধ্ৰুপদী বিশ্বাস
আত্মাৰ ঐতিহ্য প্ৰেম, বিষ-যন্ত্ৰণাত জৰজৰ
বুদ্ধিৰ আলোক ব্যৰ্থ, অৰ্থহীন কৰ্মৰ প্ৰেৰণা
সঁচা নে কি একমাত্ৰ নিয়তিৰ আমোঘ সংকেত ?

গভীৰ বেদনাত তেওঁ চিঞৰি উঠিছে ঃ জীৱন দুঃস্বপ্ন মাথোঁ ; মৃত্যু ? সিও নিষ্ফল আশ্বাস ।' অন্ধকাৰ তেওঁৰ এটা প্ৰিয় ৰূপক । কেইবাটাও কবিতাত এই শব্দটো তেওঁ ব্যৱহাৰ কৰিছে । ইয়াক তেওঁ নিয়তিও বুলিছে । সম্ভৱতঃ 'পৰস্পৰৰ ডিঙি চেপি ধৰি ৰক্তাক্ত হোৱাৰ কৰুণ, অমানবীয় দৃশ্যই তেওঁৰ সত্তাক অস্থিৰ কৰি তুলিছে । 'নিয়তি' কবিতাৰ 'তোমাক বিচাৰি মাথোঁ নিজকে পোৱাৰ' এই উক্তিৰ অৰ্থ কি ? কবিয়ে ইন্দ্ৰিয়ঘনতাৰ মাজতো হয়তো শান্তি পোৱা নাই । দেহ, স্পৰ্শ, আৰু ইচ্ছাৰ অন্ধকাৰে 'চিত্তৰ গ্লানিক'হে ঢাকে, তাক মুক্তি নিদিয়ে । চিত্ত বা চৈতন্যৰ মুক্তিয়েই তেওঁৰ কাম্য, কিন্তু তেওঁ তাৰ বাবে অনুকূল পৰিৱেশ পোৱা নাই । গতিকে চিত্তৰ গ্লানি লৈয়ে তেওঁ থাকিবলগীয়া হৈছে । তাকেই তেওঁ অন্ধকাৰ বুলিছে । এটা সময়ত এই অন্ধকাৰৰ প্ৰয়োজনীয়তাও স্বীকাৰ কৰিছে । এই অন্ধকাৰত তেওঁ স্বৰ্গচ্যুত আদমৰ দৰে নিৰাশ্ৰয়, কিন্তু তেওঁৰ প্ৰয়োজন আছে নিষিদ্ধ নৰকৰ য'ত তেওঁৰ আত্মাই বিচৰা 'অসপত্ন ধ্ৰুৱ

অধিকাৰ' নিশ্চিত হ'ব । এই অধিকাৰ 'গাগৰ আগ্নেয় বেদনাৰ', আত্ম-ঘোষণাৰ আৰ্তনাদৰ। কবিৰ কাৰণে ইও এক মুক্তি, তাত পৰিচিত দিবালোক নাই, নাই অভ্যাসৰ অসহ্য গ্লানি। তাতকৈ তেওঁৰ মনে বিচাৰিছে অনিশ্চিত এক বিপুল মত্ততা । 'পাপীৰ প্ৰাৰ্থনা'ত এনে এক মনোভাব প্ৰকাশ পাইছে । এই মত্ততা সম্পূৰ্ণ আত্মিক, উদাসীন আৰু নিষ্কাম। কোনো এক যুৱতীৰ স্মৃতি' নামৰ কবিতাত যি মত্ততাৰ কথা কোৱা হৈছে, সেই মত্ততাও এনে ধৰণৰে । তাত দেহ নাই, আছে দেহাতীত এক বেদনাময় আধ্যাত্মিকতা। নাৰী - সৌন্দৰ্যক, কৌমাৰ্যৰ ফুলক তেওঁ স্পৰ্শ কৰিব খোজা নাই, বৰং নাৰীৰ মুখত ফুটি উঠা আকাশৰ অনন্ত বিস্ময়ক তেওঁ ক্লান্তিহীনভাৱেচাই থাকে, সেই অপূৰ্ব সৌন্দৰ্যত যি অযুত সম্ভাৱনা আছে তাৰ স্মৃতি ৰোমন্থনত মত্ত হৈ পৰে । এনে মত্ততাত দুখ-বেদনা থাকে, হয়তো সি পাপৰো দ্যোতক হ'ব পাৰে, কিন্তু তাত শান্তি আছে, আত্মাৰ মুক্তি আছে । 'তোমাৰ মুখ' নামৰ কবিতা পঢ়ি এনে অনুভৱ হয় ।

এনে আত্মকেন্দ্ৰিক নব্য-ৰোমাণ্টিক প্ৰকাশৰ মাজে মাজে তেওঁ 'দূৰৰ আহ্বানো' শুনিছে । 'শৰত' শীৰ্ষক কবিতাত এনে এক অনুভূতিৰ উমান পোৱা যায় । শৰতৰ শুভ্ৰ মেঘ, অম্লান দিগন্ত দেখি তেওঁৰ হৃদয় সুস্থিৰ হৈছে । বৰ্ষাৰ প্লাৱন নাই, বসন্ত এতিয়াও দূৰত-প্ৰকৃতিৰ এই শান্ত ৰূপত কবিৰ মন ভাৱমুক্ত হৈ পৰিছে । এই ভাৱমুক্ত মন যেন নিৰুদ্দেশ মেঘৰ লগত উধাও হ'ব খোজে । সেয়ে তেওঁ সামৰণিত কৈছে ঃ

> এতিয়া কেৱল শুনো অন্তহীন দূৰৰ আহ্বান
> অৰ্থহীন অন্য যত গান । (শৰত)

ৰবীন্দ্ৰ নাথৰ 'আমি চঞ্চল হে সুদূৰেৰ প্ৰয়াসী' এই উক্তি প্ৰভাৱ ইয়াত থাকিলেও থাকিব পাৰে, কাৰণ তেওঁ 'ৰবীন্দ্ৰ নাথ' নামৰ কবিতাত কৈছে ঃ

> তোমাৰ গানৰ শিখাত
> মোৰ হৃদয় পুৰি ধূপৰ ধোঁৱাৰ দৰে উৰি যায়
> সি গৈ প্ৰবেশ কৰে সমস্ত মানুহ
> সমস্ত পশু-পক্ষী নদী বন পাহাৰ সমুদ্ৰৰ হৃদয়ত
> সি গৈ স্পৰ্শ কৰে
> অনন্তৰ কেন্দ্ৰবৰ্তী সেই অবিনশ্বৰ প্ৰিয়তম মানুহটিৰ
> সুন্দৰ নীৰৱ কৰযুগল ....
>
> (ৰবীন্দ্ৰনাথ)

'স্মৃতি' আৰু 'দুজন মানুহ' এই দুটা কবিতাৰ বিষয়-বস্তু কিছু পৃথক । দুয়োটা কবিতাত ভাৱৰ বৈপৰীত্য আছে। 'স্মৃতি' শীৰ্ষক কবিতাত মৃত্যু এটা প্ৰাকৃতিক নিয়ম বুলি অনুভৱ কৰিছে যদিও কবিয়ে নিজকে মৃত্যুহীন বুলি ঘোষণাও কৰিছে । কবিৰ সত্তাক অতীত, ভৱিষ্যৎ, প্ৰেম, বিৰহ বেদনাৰ অনিৰ্বাণ স্মৃতিয়ে বলিষ্ঠ কৰি তুলিছে । প্ৰকৃতিৰ সেই

মানৱীয় বলিষ্ঠতা নাই । সেয়ে তেওঁ মৃত্যুৰ তমিস্ৰা ভেদ কৰি সৃষ্টি কৰিব পাৰে শব্দৰ উজ্বল দীপশিখা । সৃষ্টিৰ এই ভূবনত কবি মৃত্যুহীন, কাৰণ তাত আছে নিৰ্মাণৰ শাশ্বত অংগীকাৰ । ফৰাচী কবি ভেলেৰীয়েও, "Power to make and to create'ৰ কথা কৈছিল । ইয়াৰ অৰ্থ আছিল কবিৰ কৰ্ম হ'ল কবিতা ৰচনা কৰা, তাতেই তেওঁৰ অস্তিত্ব, তাতেই মুক্তি । বৰগোহাঞিয়েও 'শব্দৰ উজ্বল দীপশিখা' এই চিত্ৰকল্পৰ মাজেদি তাৰেই ইংগিত দিছে যেন বোধ হয় । কবিৰ মতে দীপশিখা ৰচনাৰ সেই সুন্দৰ মুহূৰ্তবোৰে কবিক অমৰ কৰি ৰাখিব । 'দুজন মানুহ'ত কবিৰ চেতনা আৰু অৱচেতন মনৰ ক্ৰিয়া কলাপৰ সহজ বৰ্ণনা আছে । চেতন মনে যেতিয়া বিশাল বিশ্বক নতুন ৰূপ দিযাৰ কথা ভাৱে, কবিৰ অৱচেতন মনত জীৱনৰ প্ৰভাতী সাপোনে খেলা কৰে । চেতন মন হয়তোবা বুদ্ধি আৰু কৰ্মৰ উৎস আৰু অৱচেতন মন স্মৃতি, সত্তা, স্বপ্ন বেদনাৰ নিভৃত জগত – কবিসত্তাৰ এই দুই বিপৰীত ৰূপ 'দুজন মানুহ'ৰ ঘাই প্ৰতিপাদ্য । আনহাতে, তেওঁৰ এনে কেইটামান কবিতা আছে য'ত অতীতৰ প্ৰতি প্ৰাণৰ টান অনুভৱ কৰিব পাৰি । লক্ষ্মীনাথ বেজবৰুৱাক স্মৰণ কৰি তেওঁ অতীত প্ৰীতিৰ যুক্তি দাঙি ধৰিছে এই বুলি ঃ

> মানুহে অনন্ত কাল দীৰ্ঘশ্বাস পেলাব নিশ্চয়
> অতীতৰ বাবে ; তোমাৰ প্ৰধান কাম
> সিহঁতক সান্ত্বনাৰ বাণী দিয়া ।

বেজবৰুৱাৰ প্ৰতি কবিৰ এই শ্ৰদ্ধাৰ্ঘ বৰ আন্তৰিক, কিয়নো তেওঁৰ মাজত কবিয়ে যি স্বদেশ আত্মাৰ পৰিচয় পাইছে, সি বুৰঞ্জীৰ অৰ্থপূৰ্ণ ধাৰাবাহিকতা ৰক্ষা কৰে । কবিতাটোত যুক্তি নিৰ্ভৰ শব্দ বিন্যাসো মন কৰিবলগীয়া । আৰু এবিধ স্মৃতিয়ে কবিক আহ্বান কৰে । শৈশৱ বা কৈশোৰৰ গাঁৱৰ স্মৃতি তেওঁৰ মনত সজীৱ হৈ থাকে, কংক্ৰীটৰ অৰণ্যত সেই স্মৃতিয়ে তেওঁৰ কণ্ঠক বাষ্পাকুল কৰি তোলে । ই যেন নাৰীৰ সংযোগ, তাৰ পৰা বিচ্ছিন্ন হ'ব নোৱাৰি । 'মোৰ আইতা' নামৰ কবিতাটো কেতিয়াবাই পঢ়িছিলোঁ, (এতিয়া হাতত নাই), তাতো স্মৃতিব্যঞ্জক কৰুণ সুৰ এটা আছে । কিছুমান কবিতাত কবিৰ সেই শৈশৱৰ বিচৰণ ভূমি গাঁৱৰ প্ৰাকৃতিক গৌৰৱ মানুহৰ সৰল সহজ জীৱন-যাপন, এটি মানবীয় পৰিৱেশৰ আনন্দ-বেদনাৰ ছবি পোৱা যায় । শাশ্বতীৰ পৰা এটা স্তবক দাঙি ধৰিছোঁ ঃ

> হেজাৰ বছৰ ধৰি বহমান ছেদহীন অনন্ত ধাৰাৰে
> এয়ে মোৰ প্ৰিয় গাঁও, লিখা হ'ল ইতিহাস তাৰ পাৰে পাৰে
> বিৰাট সপোন আৰু সংগ্ৰামৰ - শাশ্বত কালৰ মানুহৰ
> শস্যক সোণালী কৰা, শোভা-চোৱা সূৰুজৰ উদয়-অস্তৰ ।.................

প্ৰিয় গাঁৱৰ মানুহৰ স্বপ্ন আৰু সংগ্ৰামৰ ইতিহাস স্মৰণ কৰি কবিয়ে নিঃসংগ মুহূৰ্তবোৰ আনন্দদায়ক কৰি তুলিছে । ইয়াত স্মৃতিয়েই তেওঁৰ সংগী হৈ পৰিছে । 'ইউলিছেছ'

কবিতাত নগৰৰ ব্যাধিগ্ৰস্ততাৰ ইংগিত আছে। তলৰ স্তৱকটোতে কবিৰ বাহ্যিক বিৰূপতাৰ প্ৰতি থকা অনীস্বা প্ৰকাশ পাইছে –

> অতিশয় ক্লান্ত মই গোটেই দিনটো ঘূৰি ঘূৰি
> প্ৰমত্ত আত্মাৰ সি যে কি কঠিন অভিযান
> বৰ্বৰ ই নগৰীৰ তিমিৰ উজ্বল পথে পথে
> ন্যস্ত-স্বাৰ্থ প্ৰণোদিত চক্ৰান্তৰ ব্যূহ পদে পদে
> বামণ নায়ক তাৰ খল শ্ৰেষ্ঠী, ৰাজনীতিজীৱী ।........ ..

আন এটা কবিতাত বৰ্তমান সমাজৰ প্ৰতি কবিৰ কটাক্ষ আৰু প্ৰকট হৈছে --

> ৰাষ্ট্ৰই সদম্ভে দিয়া ব্যক্তিৰ মুক্তিৰ প্ৰতিশ্ৰুতি
> জঘন্য মিথ্যাৰ পৰিহাস
> কাৰণ আলক্ষ্যে সিয়ে লিখি নিছে দাসখত
> কৰিছে হৰণ
> চিন্তাৰ স্বাতন্ত্ৰ্য, স্বাধিকাৰ ।

এইবাবেই সমাজ-ব্যৱস্থা কবিৰ ঘৃণাৰ পাত্ৰ হৈ উঠিছে । এই ঘৃণাৰ বাবেই তেওঁ অবচেতনৰ গভীৰলৈ সোমাই গৈছে, আৰু নিজকে নিঃসংগ অনুভৱ কৰিছে । কবিৰ জীৱনৰ প্ৰতি অনীহাৰ কাৰণ হ'ল, পৃথিৱীয়ে ক্ৰমে গণিকাৰ ৰূপ লৈছে, কোনো মানুহেই তাক আপোন কৰি ল'ব পৰা নাই । এইবোৰ কাৰণতে তেওঁ আত্মাৰ নিঃসংগ দ্বীপলৈ সোমাই পৰিছে । তেওঁ তাত নীৰৱ, এক শূন্যতাৰ অনুভৱ কৰিছে । 'ন্যুড কবিতাৰ নগ্নিকা' হয়তো এই শূন্যতাৰে ৰূপক । এই শূন্যতাৰ ছাঁত তেওঁ নিজক বিচাৰি চায় । 'হৈমন্তী' নামৰ কবিতাত প্ৰকৃতিৰ নিঃস্বতাৰ ছবি আঁকিছে যদিও তেওঁ সম্পূৰ্ণ নিৰাশ হৈ যোৱা নাই । বগলী পাখিৰ সোণালী ৰ'দৰ বেখাই আশাৰ কথাই কৈছে । হেমন্ত ক্ষয়িষ্ণুতাৰ প্ৰতীক, কিন্তু কবিয়ে ঘোষণা কৰিছে ঃ প্ৰাণৰ নতুন অংগীকাৰ/মৰণৰ দেউলতে ৰচা হয় ।' কবিয়ে হয়তো ভাবে আত্মধ্যানেই সকলো নহয়; সি জীৱনক অৰ্থহীন কৰি তুলিব পাৰে, সেইবাবে তাক অতিক্ৰম কৰিবলৈ মানবীয় জিজ্ঞাসাৰ প্ৰয়োজন হয় । এইবাবে তেওঁৰ নৈঃশব্দও মুখৰ, সৃষ্টিশীল আৰু প্ৰাণবান ।

হোমেন বৰগোহাঞিয়ে পৰৱৰ্তী জীৱনত কবিতা লিখিবলৈ এৰি দিলে । কথা-সাহিত্যলৈ তেওঁৰ দান অপৰিসীম আৰু মূল্যবান তেওঁ ভাল গদ্য লিখে । ভাল গদ্যৰ লক্ষণ কি ? গদ্যত থাকিব লাগে ওজঃ আৰু প্ৰসাদ গুণ, ঋজুতা ভাৰসাম্যবোধ, মিতব্যয়িতা । এলিয়টে কোৱা দৰে কবিতাতো ভাল গদ্যৰ গুণসমূহ (Virtues of good prose) থকাটো উচিত । বৰগোহাঞিৰ কবিতাত কম বেছি পৰিমাণে এই গুণবোৰ আছে যেন অনুভৱ হৈছে । কবিতাৰ পৰীক্ষা নিৰীক্ষা যে ওঁ ৰামধেনু যুগৰ শেহছোৱাত কৰিছিল, সেয়ে তেওঁৰ কবিতাত অধ্যয়ন আৰু অভিজ্ঞতাৰ সংমিশ্ৰণ আছে । তেওঁৰ

চেতন মন জ্ঞানান্বেষী, অবচেতন স্মৃতি স্বপ্নৰ উৎস । তেওঁ কৈছে ঃ

> মাজ নিশা তেল পুৰি পঢ়ে তেওঁ পুথি
> ভাঙে কত কঠিন সাঁথৰ,
> মনে মোৰ ভ্ৰমি ফুৰে মিঠা টোপনিত
> ছাঁয়াময়া পাৰ সপোনৰ ।

তেওঁৰ কবিতা প্ৰয়াস স্তব্ধ হৈ যোৱাটো আমাৰ কাৰণে ক্ষতিকৰ হ'ল । সি যি কি নহওক, এই চমু প্ৰবন্ধত তেওঁৰ আটাইবোৰ কবিতাৰ সম্যক আলোচনা সম্ভৱ নহ'ল । কিছুমান কবিতা সংগ্ৰহ কৰিব নোৱাৰিলোঁ । তেওঁৰ কবিতাৰ পৰাই বুজিব পাৰিছোঁ, নিঃসংগতাকে সাৱতি ল'লেও তেওঁ পৃথিৱীক নতুন কৈ সজাবৰ বাবে বিৰাটৰ সাধনা কৰে আৰু হৃদয়ত জীৱনৰ প্ৰভাতী সপোন জীয়াই ৰাখে । তেওঁৰ এই অংগীকাৰে উত্তৰ সূৰী সকলকো নিশ্চয় প্ৰেৰণা যোগাব । ❑❑

হোমেন বৰগোহাঞিৰ উপন্যাসত বাস্তৱবাদ আৰু ভৱিতব্য

তোষেশ্বৰ চেতিয়া

অসমৰ সাহিত্য জগতত হোমেন বৰগোহাঞি এক উজ্জ্বল নক্ষত্ৰ । কবিতা, গল্প, উপন্যাস, সমালোচনা, সাংবাদিকতা আৰু প্ৰজ্ঞাৰ ক্ষেত্ৰত শ্ৰীবৰগোহাঞিৰ স্থান প্ৰায় সৰ্বাগ্ৰগণ্য । বৰগোহাঞি অসমৰ সৰ্বশ্ৰেষ্ঠ বুলি ক'ব পাৰি । সাম্প্ৰতিক কালত বৰগোহাঞিৰ লেখা অসমত সকলোতকৈ জনপ্ৰিয় । বিস্তৃত অধ্যয়ন, গভীৰ মননশীলতা, তীক্ষ্ণ বিশ্লেষণ, সমাজৰ নিবিড় অৱলোকন আৰু সাহসী মানসিকতা হোমেন বৰগোহাঞিৰ অনন্য বৌদ্ধিক সম্পদ । যোৱা চাৰি দশকৰো অধিক কালৰ নিৰলস সাধনা আৰু নিৰৱচ্ছিন্ন সৃষ্টিৰে বৰগোহাঞিয়ে বহুমুখী আৰু বহুমাত্ৰিক প্ৰতিভাৰ পৰিচয় দিছে । ফলত হোমেন বৰগোহাঞি কেৱল এজন ব্যক্তিয়েই নহয়, তেওঁ ক্ৰমে এটা অনুষ্ঠানত পৰিণত হ'বলৈ গৈছে । পৰিণতিত বৰগোহাঞিক কোনোবাই ভাল নেপালেও তেওঁৰ সৃষ্টিৰ অধ্যয়ন অপৰিহাৰ্য হৈ পৰিছে ।

হোমেন বৰগোহাঞিক প্ৰকৃতাৰ্থত এজন আধুনিক চিন্তাবিদ বুলি ক'ব পাৰি । পশ্চাদপদী ধ্যান-ধাৰণাৰ বিপৰীতে আধুনিক যুগৰ বিজ্ঞান প্ৰযুক্তি বিদ্যাগত বস্তুনিষ্ঠ যুক্তিবাদী ধাৰণা আৰু বাস্তৱবাদী দৃষ্টিভঙ্গীৰে বৰগোহাঞিয়ে নিজৰ আধুনিক মনৰ পৰিচয় দিছে । সেয়ে তেওঁৰ লেখা আৰু দৃষ্টিভঙ্গী কোনো দিনেই সময়চেৰা আৰু পশ্চাৎগামী হৈ পৰা নাই । গতিকে সকলো স্তৰৰ লোকৰে তেওঁ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে ।

সকলো যুগৰ সমকালীন ন-প্ৰমূল্যবোৰকে আধুনিকতা বুলি সাধাৰণতে আখ্যা দিয়া হ'লেও আৰু সকলো প্ৰমূল্যই আপেক্ষিক হ'লেও কুৰি শতিকাৰ আধুনিকতা মুখ্যতঃ তিনিটা প্ৰধান উপাদানৰ ওপৰত নিৰ্ভৰ কৰে । বিজ্ঞান- প্ৰযুক্তি বিদ্যাগত মানৱতাবাদী আৰু চেকুলাৰ দৃষ্টিভঙ্গী হ'ল আধুনিক মানসিকতাৰ বুনিয়াদ । ধৰ্ম, অন্ধবিশ্বাস, কুসংস্কাৰগত ভাববাদী তথা আধ্যাত্মবাদী ভাবাদৰ্শ আজিৰ বৈজ্ঞানিক

মানসিকতাৰ পৰিপন্থী । দ্বিতীয়তে ফ্ৰয়েডীয় মনস্তাত্বিক দৃষ্টিভঙ্গী হ'ল আধুনিকতাৰ দ্বিতীয় উপাদান। কেৱল বস্তুবাদী বৰ্হিবিশ্ব আৰু দৈহিক প্ৰপঞ্চই নহয়, চেতন-অৰ্দ্ধচেতন আৰু অৱচেতন মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু মানুহৰ সকলো সম্পৰ্কই যৌন সম্পৰ্কই নিয়ন্ত্ৰণ কৰা বুলি কৰা বিশ্বাসেই হ'ল ফ্ৰয়েড-যুং এডলাৰ আৰু লৰেঞ্চীয় মনস্তাত্বিক দৰ্শনৰ ভেটি । আধুনিক জগতৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান হ'ল মাৰ্ক্সবাদী দৰ্শন । এই দৰ্শন যুক্তিবাদ আৰু বস্তুবাদৰ ওপৰত প্ৰতিষ্ঠিত বাবেই আধ্যাত্মবাদৰ সম্পূৰ্ণ বিপৰীত দৰ্শন । গতিকে মাৰ্ক্সবাদী দৰ্শনে ধৰ্ম ঈশ্বৰ, পুনৰজন্ম, পূৰ্বজন্মত বিশ্বাস নকৰে । বৰঞ্চ ই সকলো সৃষ্টিৰেই দ্বান্দিক বস্তুবাদী প্ৰক্ৰিয়াত দৃঢ়বিশ্বাসী । ডাৰউইনৰ প্ৰজাতিৰ উৎপত্তিতত্ব আৰু মৰগানৰ সমাজ আৰু পৰিয়ালৰ বিকাশ-সূত্ৰ মাৰ্ক্সবাদৰ অন্যতম উৎস। কোনো দৈৱিক শক্তিৰ দ্বাৰা নহয়, সমাজৰ উৎপাদনৰ পদ্ধতিৰ পৰিৱৰ্তনৰ লগে লগেহে সমাজৰো পৰিৱৰ্তন ঘটে ।মাৰ্ক্সবাদৰ মতে শ্ৰেণী বৈষম্য আৰু শ্ৰেণী শোষণেই সমাজৰ দুখ দুৰ্দশাৰ মূল । গতিকে শ্ৰমিক কৃষক-সৰ্বহাৰাৰ ঐক্যবদ্ধ শ্ৰেণী-সংগ্ৰামৰ দ্বাৰাইহে সকলো শোষণ-শাসন উচ্ছেদ কৰি সমাজতন্ত্ৰৰ প্ৰতিষ্ঠাৰ দ্বাৰাহে সমাজৰ মুক্তি সম্ভৱ বুলি মাৰ্ক্সবাদে বিশ্বাস কৰে ।

হোমেন বৰগোহাঞিৰ ওপৰতো বিজ্ঞান-প্ৰযুক্তিবিদ্যা, ফ্ৰয়েডীয় মনস্তত্ব আৰু মাৰ্ক্সবাদৰ পৰোক্ষ প্ৰভাৱ পৰা দেখা যায় ।এইবোৰ উপাদান বৰগোহাঞিয়ে ক'ৰবাত আত্মস্থ কৰিছে, ক'ৰবাত কেৱল প্ৰকাশ কৰিহে আৰু কোনো কোনো ক্ষেত্ৰত হয়তো প্ৰসঙ্গলৈ টানি আনি হয় আওকাণ অথবা নাকচ কৰিছে । অথচ আধুনিকতাৰ এনে বিশ্ববীক্ষাৰ ব্যতিৰেকী কোনো পশ্চাৎপদী মানসিকতা বৰগোহাঞিৰ চিন্তাদৰ্শনত প্ৰকাশ পোৱা নাই । সেয়ে তেওঁক এজন সম্পূৰ্ণ আধুনিক বুদ্ধিজীৱী বুলি ক'ব পাৰি । বৰগোহাঞিৰ কবিতা-গল্প-উপন্যাস-প্ৰবন্ধ আদি সকলো সৃষ্টিয়েই সেয়ে আধুনিক উপাদানেৰে পৰিপুষ্ট।

যোৱা ১৯৫০ চনৰ পৰা ১৯৯০ চনৰ চাৰিটা দশকৰ ভিতৰত বৰগোহাঞে মুঠ নখন উপন্যাস ৰচনা কৰিছে । এই উপন্যাস কেইখন হ'ল — সুবালা, তান্ত্ৰিক, কুশীলৱ, হালধীয়া চৰায়ে বাওধান খায়, পিতাপুত্ৰ, তিমিৰ তীৰ্থ, অন্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায় আৰু মৎস্যগন্ধা । এই কেউখন উপন্যাসেৰেই হোমেন বৰগোহাঞে বিতৰ্কৰ সৃষ্টি, খ্যাতিলাভ আৰু স্বীকৃতিৰে অসমীয়া সাহিত্যত এক সুকীয়া স্থান লাভ কৰিছে । ইয়াতে "পিতাপুত্ৰ"ই সাহিত্য একাডেমীৰ বঁটা লাভ কৰি সৰ্বভাৰতীয় স্বীকৃতিও লাভ কৰিছে । এই উপন্যাসবোৰত অসমীয়া সাহিত্যত অভিনৱ ফ্ৰয়েডীৰ মনস্তত্ব তথা যৌন অভিব্যক্তি, দেহৰ মাজেদিয়েই অতিন্দ্ৰীয় অনুভূতি লাভ, সামাজিক-ৰাজনৈতিক বৌদ্ধিক জগতৰ কুৎচ ভণ্ডামি, বিৱৰ্তিত সমাজৰ প্ৰজন্মভেদ, অসমীয়া গ্ৰাম্য-জীৱনৰ অন্ধতা আৰু পবিত্ৰ সৰলতাৰ প্ৰমূল্য আৰু কুৎসিৎ সামন্তীয় বৰ্ণভেদৰ বিভৎস চিত্ৰ

অতি বৈচিত্ৰময় কাহিনী, পটভূমি আৰু চৰিত্ৰ সৃষ্টিৰে আৰু বৰ্ণময় ভাষা আৰু চিত্তাকৰ্ষক বৰ্ণনাৰে প্ৰকাশ কৰা হৈছে। অথচ কেউখন উপন্যাসতেই এক সততা, মানৱতা, বিক্ষোভ-বিদ্ৰোহ আৰু বিৱৰ্তনকামী মানসিকতাৰ ফল্গুধাৰা দেখ-নেদেখ গতিত বৈ গৈছে। হোমেন বৰগোহাঞে শিল্পগুণ সুৰক্ষাৰ স্বাৰ্থতেই অথবা উদাৰ গণতান্ত্ৰিক মধ্যশ্ৰেণীসুলভ সীমিত চেতনাৰে প্ৰগতিশীল বুদ্ধিজীৱীৰ সমাজতান্ত্ৰিক বাস্তৱতাৰ প্ৰতিফলনেৰে তেওঁৰ উপন্যাসবোৰত ভৱিতব্যৰ ইংগিত বহন কৰিব পৰা নাই, সমাজ বাস্তৱতাৰ কঠোৰ সমালোচকৰহে ভূমিকা পালন কৰিছে। আমাৰ এনে অভিমতৰ সম্যক বিশ্লেষণৰ বাবে আমি বৰগোহাঞিৰ প্ৰতিখন উপন্যাসৰেই চমু আলোচনা কৰাটো প্ৰয়োজন বুলি বিবেচনা কৰিছোঁ।

(১) সুবালা

অভাৱ-অনাটন দাৰিদ্ৰ-অনাহাৰ আৰু অবিচাৰত অমানুহ হৈ পৰা দুজনী গাভৰু ছোৱালীৰ সৈতে বিধবা মাতৃ সুবালাৰ মাক। একমাত্ৰ পুতেক বোবা- বেঙাৰ ইতিমধ্যে ঘৰ-জ্বলি মৃত্যু হৈছে। জীৱনৰ এনে অসহ্য জ্বালাত দিকভ্ৰান্ত মাকে অৱশেষত এটা চকু কণা অপূৰ্ণ সিং পাঞ্জাবী বুঢাক সুবালাৰ বায়েকক বলেৰে ধৰি বান্ধি বিক্ৰী কৰি দিলে। এনে দুষ্কাৰ্যত সুবালাৰ অৱচেতন মনত অৰ্জুন সিঙৰ ভাল চকুটো ফুটাই দিয়াৰ প্ৰতিশোধৰ যন্ত্ৰণা উদ্ভৱ হয়। পেটৰ দায়ত সুবালাৰ মাকে মান ইজ্জত-ধৰ্ম ঈশ্বৰক পাহৰি কেৱল ধনৰ বাবে এহেজাৰ টকাত তিনিকুৰি বছৰীয়া পিতৃ বয়সৰ নৰেনৰ বাপেকৰ ওচৰত নিজৰ সতীত্ব বিসৰ্জন দিলে। তাৰপাছত ধনী লম্পট নৰেনৰ লগত নগ্ন দেহেৰে যুদ্ধ কৰিও শেষত ধৰ্ষিতা হৈও সুবালাই নিজকে বেশ্যাবৃত্তিৰ পৰা ৰক্ষা কৰিবলৈ গুৱাহাটীৰ পৰা আহি অনাথ আশ্ৰমত আশ্ৰয় দিয়াৰ আশা দেখুৱা এগৰাকী বুঢ়ীৰ লগত পলাই গৈ অৱশেষত গুৱাহাটীৰ বেশ্যালয় পালেগৈ। গুৱাহাটীৰ হোটেলটো মেনেজাৰ আৰু অন্যান্য কামাতুৰৰ লগত দেহা ঘূণীয়া কৰি, ভদ্ৰবেশেৰে সুবালাক মুক্ত কৰাৰ আশা দেখুওৱা ৰঞ্জিৎ চৌধুৰীও বিকৃত মগজুৰ বুলি প্ৰমাণ পোৱাত আৰু ব্ৰহ্মপুত্ৰত পৰি মৰাৰ চেষ্টা কৰিও ব্যৰ্থ হৈ পৰিশেষত ভাল মানুহৰ সমস্ত আশা পৰিহাৰ কৰি সুবালাই আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। এটা সময়ত সুন্দৰ, সুঠাম দেহেৰে সুবালা হৈ পৰিল দেহ বেচি ধন ঘটা এটা মেচিন। বেশ্যা সুবালাই মাকক দেখা কৰা আৰু সহায় কৰাৰ উদ্দেশ্যে ঘৰলৈ গৈ উদং ঘৰহে দেখিলে, আনকি নিজ ঘৰতেই তাইক লৈ যোৱা ড্ৰাইভাৰক দেহ দান কৰিব লগা হ'ল। তাৰ মাজতে তাই ভ্ৰুণ হত্যা কৰিব লগাও হয়। ইতিমধ্যে তাইক বেশ্যালয়লৈ নিয়া বুঢ়ীৰ মৃত্যু হোৱাত বুঢ়ীৰ উপদেশত সুবালা আঠগাঁৱৰ বেশ্যাপতিলৈ যায়। আঠগাঁৱত বেশ্যাৰ দালাল কান্তিয়ে সুবালাৰ মনত বিয়া

আৰু ঘৰ-সংসাৰৰ বাসনা জগাই তোলে আৰু এদিন শিৰত সেন্দুৰ আৰু মূৰত ওৰণীলৈ তাই কান্তিয়ে লোৱা সৰু ভাৰাঘৰটোলৈ গুচি যায় । পিচে অধঃপতিত কান্তিয়ে মদ-জুৱা, টকাৰ কুহকচ স্বাৰ্থত পুনৰ সুবালাক প্ৰয়োগ কৰিব বিচৰাত তাই পুনৰ আঠগাঁৱলৈ গুচি যায় । সৰ্বশেষত, ৰূপ যৌৱন হেৰুৱাই দোকানৰ দুৱাৰ চিৰদিনৰ বাবে বন্ধ কৰি দিয়ে ।

সমাজৰ অন্ধগলিৰ বিভৎস চিত্ৰ আৰু মানৱতাৰ চূড়ান্ত স্খলনৰ ছবি হোমেন বৰগোহাঞিে অতি কৰুণভাৱে এই উপন্যাসত অংকণ কৰিছে । নিষ্ঠুৰ দৰিদ্ৰতাই সুবালাৰ মাকক শিকালে যে মান ইজ্জত, ধৰ্ম-কৰ্মতকৈ পেটৰ ভাতমুঠি বেছি ডাঙৰ । গাঁৱৰ অনাঘ্ৰাত, অসূৰ্য স্পৰ্ষা সুবালাই বাৰম্বাৰ চিংকাৰ কৰিছিল – “হে ঈশ্বৰ, আত্মাৰ এই ৰক্তাক্ত যন্ত্ৰণাৰ পৰা মোক ৰক্ষা কৰা । মই বেশ্যা হ'ব নোখোজোঁ, মই বেশ্যা হ'ব নোখোজোঁ ।” কিন্তু চাৰিওফালৰ ভয়ঙ্কৰ পতনে তাইৰ সাতামপুৰুষীয়া ভেঁটি কঁপাই তুলিলে । তথাপি সুবালাই বেশ্যাৰ দালাল বুঢ়ীৰ ভৰিত ধৰি জয়দেই কাকুতি কৰিছিল “আই, মই তোক আই বুলি মাতিছোঁ, মোক ৰক্ষা কৰা বুঢ়ী আই” বুলি । কিন্তু বুঢ়ীয়ে সুবালাক বুজালে যে বেশ্যালয়লৈ এবাৰ আহিলে পুনৰ মানুহ হ'বলৈ ঘূৰি যোৱাৰ কোনো পথ নাই । সুবালাই বুজিলে বেশ্যাৰ ভয়ঙ্কৰ নিঃসঙ্গতা, অসহায়তা আৰু আশাহীনতা । তাইৰ অতীত কেৱল নৰকৰ অন্ধকাৰ, বৰ্তমান কেৱল অৰ্থহীন, নিষ্ঠুৰ, ৰক্তাক্ত সংগ্ৰাম আৰু ভৱিষ্যৎ ঘৃণা, অৱহেলা, লাঞ্চনাৰ কুকুৰৰ দৰে দুৰ্বহ মৃত্যু । এই জনহীন, ঈশ্বৰহীন, দিগন্তহীন অন্ধকাৰত শুই শুই কোনো অজ্ঞাত পিতৃ গৰ্ভস্থ সন্তান নষ্ট কৰি সুবালাই মাতৃত্বৰ সকলো যন্ত্ৰণা ভুগিলে, কিন্তু মাতৃ হ'ব নোৱাৰিলে ।

বেশ্যাৰ দালাল বুঢ়ীৰে আছিল এক সুন্দৰ অতীত । কিন্তু নিৰ্মম আসুৰিক বাস্তৱে তাইকো এই জীৱন্ত নৰকলৈ আনিলে । সুবালাকো তাই এই নৰকলৈ আনি অনুতাপত অগ্নিদগ্ধ । সেয়ে বুঢ়ীয়ে মৃত্যুৰ দুৱাৰদলিত কৈছে – “তোক মই এই পাপৰ পথলৈ টানি আনিলোঁ । তোক মই বেশ্যা কৰিলোঁ ; তথাপি এই শেষ মুহূৰ্তত তই মোক ক্ষমা কৰি সুখেৰে মৰিবলৈ দে । পেটৰ জ্বালাত আমি নিজৰ দেহ বিক্ৰী কৰি খাইছোঁ ; কিন্তু পৃথিৱীত বেছিভাগ মানুহে নিজৰ আত্মা বিক্ৰী কৰি খায় । ঈশ্বৰ যদি সঁচাকৈয়ে আছে, তেওঁ নিশ্চয় বিচাৰ কৰিব, কোনটো বেছি ডাঙৰ পাপ ।”

বেশ্যাৰ ওপৰত প্ৰচণ্ড ঘৃণা প্ৰকাশৰ উদ্দেশ্যে ঔপন্যাসিকে ফৰাচী প্ৰতীকবাদী কবি বোডলেয়াৰৰ প্ৰসঙ্গ টানি থুই পেলাই বেশ্যাৰ খৰিদ্দাৰ ল'ৰাটোৰ মুখেদি কোৱাইছে – “বোডলেয়াৰে ঠিকেই কৈছিল ; পুঁজৰ বটল (বেশ্যাবোৰ) । নিজৰ গেলামাংস বেচি জীয়াই থকাতকৈ মৰি নেযায় কিয় ? তহঁত বেশ্যাবোৰ সভ্যতাৰ কলঙ্ক । .... থু, থু, ভূতুনী – কি দুৰ্গন্ধ তহঁতৰ দেহৰ । তহঁত পাইখানাৰ কিলবিলাই থকা পোক ।”

ঔপন্যাসিকে বেশ্যাৰ দালাল দিদিৰ ৰূপটো অতি চমৎকাৰভাৱে তাচ্ছিল্য কৰি

লেখিছে – "শুই শুই ঘাঁহ পাগুলি থকা হৃষ্টপুষ্ট গাই এজনীৰ দৰে তেওঁৰ মুখত এটা নিৰুদ্বেগ পাশৱিক তৃপ্তিৰ ভাব ফুটি উঠিল ।"

আধুনিক ভদ্ৰসমাজৰ অভিজাত বেশ্যাগিৰীৰ মুখা খুলি দি বৰগোহাঞিয়ে কঠোৰ ভাৱে লেখিছে – "এই নতুন বেশ্যাবোৰ শিক্ষিতা আৰু সমাজৰ ওপৰখাপৰ তিৰোতা । সিহঁতৰ ওচৰলৈ গ'লে বেমাৰ আজাৰৰ ভয় নাই, মান ইজ্জত নষ্ট হোৱাৰ ভয় নাই ।"

জীৱন-যৌৱন, দেহ, আত্মাৰ সৰ্বস্ব হেৰুৱাইও সুবালাৰ নাৰীৰ সহজাত প্ৰবৃত্তি বিয়াৰ স্বপ্ন মনৰ পৰা নিঃশেষ হৈ যোৱা নাছিল । সুবালাৰ অবচেতন মনত বিয়াৰ স্বপ্ন তেতিয়াও জীয়াই আছিল । গতিকে তাইৰ প্ৰসঙ্গত অনুভৱ হ'ল – "বিয়া । কি মধুৰ এই শব্দ । এনে সুখ স্মৃতিয়ে মনমতলীয়া কৰা ঢোলৰ চেও, বিয়া নামৰ জাউৰি, হোমযাগ, সংসাৰ, স্বামী, সেন্দুৰ, কোমল শিশু আদিৰ স্বপ্ন জগাই তোলে ।" গতিকে নানা চলাহী কথা আৰু ব্লাউজ-চাদৰ আদিৰে ফুচুলাই দালাল কান্তিয়ে বিয়াৰ প্ৰস্তাৱ দি সংসাৰ কৰি গৃহস্থী জীৱন যাপনৰ স্বপ্ন বাৰম্বাৰ জগাই তোলাত অৱশেষত সুবালাও ভোল গ'ল । তথাপি তাইৰ ধাৰণা হ'ল – "আমাৰ বিয়াখন যেন আচল বিয়া নহয়, এটা সাময়িক পৰীক্ষাহে ।"

নতুনকৈ ঘৰলৈ গৈ প্ৰকৃত গৃহিণীৰ দৰে এখন সুশৃঙ্খল সংসাৰ আৰম্ভ কৰিবলৈ গৈ সুবালাই পুনৰ উজুতি খালে । মদ আৰু টকা অৰ্জাৰ হাতিয়াৰৰূপে তাইক ব্যৱহাৰ কৰিবলৈ গৈ কান্তিয়ে যেতিয়া গোৰ মাৰি দি চিঞৰিলে- 'চালী ৰাণ্ডী । বেশ্যাক বেশ্যাৰ দৰে ব্যৱহাৰ নকৰি পূজা কৰিব লাগে নেকি ? বিবাহিতা তিৰোতা । ওৰে জীৱন বেশ্যাবৃত্তি কৰি এতিয়া সাধবী-সতী হৈ পূজা পাবলৈ বিচাৰ" বুলি, তেতিয়া সুবালাৰ বুঢ়ী আইৰ সেই কথা মনত পৰিল – "তোক মই নকৈছিলোঁ সুবালা, এবাৰ যি বেশ্যা হৈছে, তাই চিৰকাল বেশ্যাই হৈ থাকিব ।"

গতিকে "বেশ্যাৰো অতীত আছে, পাপীৰ ভৱিষ্যৎ আছে" আপ্ত বাক্যষাৰ মনত ৰাখি বৰগোহাঞে বেশ্যা সুবালাৰ কোনো সুভৱিষ্যতৰ ইঙ্গিত উপন্যাসখনত দিয়া নাই । ইটালিৰ বিখ্যাত লেখক এলবাৰ্টো মোৰাভিয়াৰ বিখ্যাত উপন্যাস "ৰোমৰ ৰমণী"ৰ (The womem of Rome) প্ৰভাৱ পৰিলেও এখন নিষিদ্ধ পৃথিৱীৰ দুৰ্ভিশপ্তা নাৰীৰ আত্মাৰ ক্ৰন্দন অসমীয়া সাহিত্যত প্ৰথমবাৰৰ বাবে চিত্ৰিত কৰি বৰগোহাঞে এক অভিনৱত্বৰ চাঞ্চল্য সৃষ্টি কৰিলে । প্ৰায় আঁঠেকুৰি বছৰৰ আগতে এই উপন্যাস প্ৰকাশৰ সময়ত এই অন্ধকাৰ জগতখন আমাৰ সমাজত সিমান পৰিস্ফুট নহলেও আজি সি সম্পূৰ্ণভাৱে পৰিস্ফুট হৈ পৰিছে । অৱশ্যে বেশ্যাবৃত্তিৰ ঐতিহ্য ভাৰতবৰ্ষত অতি পুৰণি । ৰম্ভা-মেনকা, তিলোত্তমা আদি অপেস্বৰীহঁতো তাৰে প্ৰতিভূ । পশ্চিমীয়া পুঁজিবাদী ব্যৱস্থাই যেনিবা বেশ্যাবৃত্তিক অধিক নিকৃষ্ট- অমানুষিক ব্যাপক আৰু ব্যৱসায়িক

কৰি তুলিছে । বেশ্যা বৃত্তিৰ পৰা উদ্ধাৰ পোৱাৰ বাবে নাৰী পুৰুষৰ সমমৰ্যাদা আৰু সম অধিকাৰৰ এক সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ স্বপ্ন হয়তো ঔপন্যাসিকৰ চেতনাৰ বাহিৰত থকা বাবেই সুবালাত তাৰ শৈল্পিক অভিব্যক্তি প্ৰকাশ নেপালে ।

(২) তান্ত্ৰিক

ড গোবিন্দ প্ৰসাদ শৰ্মাৰ মতে "অতিন্দ্ৰীয়বাদ, দেহজ অতিন্দ্ৰীয়বাদ তান্ত্ৰিক ভাৱধাৰা, প্ৰকৃতিবাদ, অস্তিত্ববাদ আদি বিভিন্ন ভাৱধাৰাৰ স্ফুলিঙ্গায়িত দ্বন্দ্ব আৰু সমাহাৰৰ এই উপন্যাস অসমীয়া সাহিত্যৰ এখন অতি অগতানুগতিক বিৰল প্ৰকৃতিৰ ভাৱধাৰা প্ৰধান এই উপন্যাস তান্ত্ৰিক ।"

হাঁপানীৰোগী বৃদ্ধ নবীন ৰাজখোৱাৰ ঘৰ ৰহস্যজনক তান্ত্ৰিকতাৰ ইন্দ্ৰজালেৰে ভৰা বুলি চৌদিশে গোজব । ৰাজখোৱাৰ বৰজী অফিচত কেৰাণী চাকৰি কৰা সুন্দৰী যৌন আবেদনেৰে মোহময়ী লিলি অতি খোলামনৰ বেপেৰোৱা ছোৱালী । নবীন ৰাজখোৱাৰ ঘৰত ভাৰাৰৈ থকা অধ্যাপক অমলক বন্ধু অৰুণে ৰাজখোৱাৰ পৰিয়াল আৰু লিলিকলৈ বিভিন্ন ব্যাখ্যা দিয়ে । অৰুণৰ মতে লিলি বহুগামিনী, লিলি কামপৰায়না অথবা মধ্যবিত্ত শ্ৰেণীৰ ভীৰুতা আৰু নৈতিক ভণ্ডামিৰ বিৰুদ্ধে লিলিয়ে বিদ্ৰোহৰ জয়ধ্বজা উৰুৱাইছে বুলি ব্যাখ্যা কৰিব খোজা বুলি অমলৰ ধাৰণা । অৰুণে আনকি মত প্ৰকাশ কৰে যে যি কাৰণতে নহওক লিলিয়ে বেশ্যাবৃত্তিতো ধৰিছে .... ৰাজখোৱাৰ গুৰুতৰভাৱে মস্তিস্কৰ বিকৃতি ঘটিছে ।

অথচ সেই লিলিকেই প্ৰথম সাক্ষাততে হঠাতে অৰুণে তাইৰ প্ৰেমত পৰা বুলি কোৱাৰ ফ্ৰয়েডীয় ব্যাখ্যা দি অৰুণে কৈছে যে তিৰোতাৰ ক্ষেত্ৰত নিজৰ আচল ৰূপ নিৰ্ণয় কৰা নিজৰ পক্ষেই অতি কঠিন । গতিকে অৰুণে লিলিৰ প্ৰেমত পৰা বুলি কোৱা কথাত "প্ৰেম" শব্দটো তাৰ নিজা অৰ্থত অৰ্থাৎ তাৰ নিজৰ আনুভূতিক অভিজ্ঞতাৰ অৰ্থতহে সি ব্যৱহাৰ কৰিছিল ।

ইফালে অমলে তাৰ প্ৰেয়সী উষাক ভাল পোৱাৰ সম্পৰ্কটো সুকীয়া । উষাৰ প্ৰেমত পৰা দিন ধৰি অমলে জানি আহিছে যে প্ৰেমেই জীৱনৰ সঞ্জীৱনী সুধা, সি কেৱল পৰিপূৰক আহাৰেই নহয় । সেই দিন ধৰি অমল উষাৰ মাজতে নিমগ্ন হৈ আহিছে, উষাৰ মাজতে জীয়াই আছে । সকলোতে উষাক দেখিছে আৰু অন্তৰেৰে সৈতে বিশ্বাস কৰিছে যে তেওঁলোক দুয়ো পৰস্পৰৰ অবিচ্ছেদ্য অংগ । তেওঁলোকৰ ভয় এই জীৱনত এৰা এৰি হ'ম বুলি নহয়, তেওঁলোকৰ আচল ভয় হ'ল জানোচা মৃত্যুৰ সিপাৰত তেওঁলোকৰ পুনৰ্মিলন নহয়, মৃত্যুৰ সিটোপাৰৰ অনন্ত অন্ধকাৰত জানোচা দুয়ো দুফালে হেৰাই যায় ! উষাইও এখন চিঠিত লেখিছিল – যে মৃত্যুতেই

সকলো শেষ নহয় । প্ৰেমৰ অভিজ্ঞতাই উষাক, যে মানুহৰ আত্মা সঁচাকৈয়ে অমৰ আৰু প্ৰেমৰ বিৰাট আৱেগ নশ্বৰ হৃদয়ত কেতিয়াও সম্ভৱ নহয় — সেয়া শিকাইছে ।

বিপৰীতে অৰুণ আত্মাৰ অবিনশ্চতাত মুঠেই বিশ্বাস নহয । দেহজ অতিন্দ্ৰীয়বাদ হ'ল অৰুণৰ দৰ্শন । তাৰ মতে যৌন মিলনৰ আনন্দৰ উল্লাসময় অৱস্থাত মানুহে নিজকে অতিক্ৰম কৰি দেৱতাৰ সমকক্ষ হ'ব পাৰে । হিন্দু তান্ত্ৰিক সাধনাতো এনে আনন্দময় অৱস্থাৰ কথা কল্পনা কৰা হৈছে যি আনন্দৰ পৰিমাণ কোটি কোটি বাৰ যৌন মিলনৰ ফলত হোৱা আনন্দতকৈও বেছি । অৰুণ হ'ল নাৰী সৌন্দৰ্যৰ এজন নিষ্ঠিক সাধক । বিভিন্ন নহয়, আচলতে সি এটা অতিন্দ্ৰীয় প্ৰয়োজন, প্ৰায় আধ্যাত্মিক । অৰুণৰ মতে আধুনিক সভ্যতাৰ বহুলাংশে Intellectualisation of sex যৌন প্ৰবৃত্তিৰ ওপৰত বৌদ্ধিকতাৰ আৰোপ আৰু সেই কাৰণে নাৰীদেহৰ এটা আধ্যাত্মিক ৰূপান্তৰ । অৰুণৰ ভাবাদৰ্শৰ এইখিনিতেই ফ্ৰয়েডৰ যৌনতত্ত্ব আৰু লৰেন্সৰ যৌনতাক পৰম পৱিত্ৰ (Saint hood) জ্ঞান কৰা তত্ত্বৰ প্ৰভাব পৰা দেখা যায় ।

মদ আৰু সস্তীয়া বেশ্যাৰ উপভোগৰ যোগেদি অৰুণে আত্মবিস্মৰণ আৰু আধ্যাত্মিকতা আৱিষ্কাৰৰ প্ৰয়াস চলায় । অৰুণৰ এনে নিসঙ্গ নিউৰটিক, নিবীৰ্য চিত্তবৃদ্ধিৰ অভিজ্ঞতাৰ মাজত মাথোঁন এক আত্ম প্ৰবঞ্চনাৰ অৰ্থহীন শূন্যতা অৱসাদ আৰু স্বমোহন অন্ধকাৰতহে আৱিষ্কাৰ কৰে । অৱশ্যে অত্যাধিক মদাপান আৰু সস্তীয়া বেশ্যাগমনৰ ফলত সুদীৰ্ঘ আঠ বছৰ ধৰি অৰুণে যৌনৰোগ চিফিলিছৰ গভীৰ শঙ্কাত চৰম নিসঙ্গতাবোধ কৰিবলৈ ধৰিলে । এই চৰম আৰু পৰম বিশ্বাস যে জীৱনটো সঁচাকৈয়ে অসাৰ আৰু অৰ্থহীন । যি যন্ত্ৰণাই জীৱনৰ একমাত্ৰ বিধি লিপি, সি যন্ত্ৰণা সম্পূৰ্ণৰূপে অৰ্থহীন, উদ্দেশ্যবিহীন আৰু অসমাৰ্থক । অৰুণে তাৰ যৌনশয্যা, উন্মাদনা — সকলোবোৰ তাৰেই justification, কামুৱে ঠিকেই আৰম্ভ কৰিছিল - "কেৱল এটাই মাত্ৰ প্ৰকৃত দাৰ্শনিক পুনৰ সংস্কাৰ সম্ভৱ: আত্মহত্যা । যি জীৱনৰ কোনো অৰ্থ নাই তাক শেষ কৰি নেপেলোৱা কিয় ?"

অৰুণৰ এনে দেহজ দৰ্শন আৰু উপলব্ধিৰ ব্যাখ্যা শুনি শুনিয়েই অমলেও অৱচেতন মনত স্বপ্নৰ যোগেদি লিলিৰ লগত দেহজ সংস্পৰ্শ অনুভৱ কৰে । লিলিৰ নগ্ন সিক্ত দেহৰ ফালে চাই অমলেও এটা অপাৰ্থিৱ, অনিৰ্বচনীয় পৱিত্ৰতাৰ অনুভূতিত শিহৰিত হৈ উঠিল আৰু আৰতিৰ মন্ত্ৰ মতাৰ দৰে তেওঁ মনৰ ভিতৰতে ক'বলৈ ধৰিলে — "হে সৃষ্টিৰ প্ৰথম জলধাৰা, তুমি পৱিত্ৰ । এই জলধাৰাত স্নাতা হে নাৰী — তুমিও পৱিত্ৰ । তোমালোক দুয়োৰে পৱিত্ৰতাৰ কিছু অংশ মোকো দান কৰা । প্ৰেম মোৰ কাম্য নহয়, আনন্দও নহয়, মোৰ একমাত্ৰ কাম্য স্ৰোতস্বিনী জলধাৰাৰ পৱিত্ৰতা ।"

উপন্যাসৰ শেষৰ ফালে প্ৰচণ্ড জ্বৰত অৰ্দ্ধচেতন অমলৰ লিলিৰ সমৰ্পিত সমগ্ৰ দেহৰ স্পৰ্শৰ যোগেদি অমল আৰু খুব সম্ভৱ লিলিয়েও চাৰিওফালে এক সুগভীৰ

অন্ধকাৰ আৰু নিস্তব্ধতাৰ শাৰীৰিক অস্তিত্ব অনুভৱ কৰাৰ যোগেদি আত্মাবিহীন দেহজ অতিন্দ্ৰীয়তাৰ তান্ত্ৰিকতাকেই প্ৰকাশ কৰিছে । অত্যন্ত বস্তুতাধৰ্মী আৰু চেতন – অৱচেতন দেহজ প্ৰবৃত্তিৰ পৱিত্ৰতাৰ ওপৰতেই মুখ্যতঃ গুৰুত্ব দিয়া বাবে “তান্ত্ৰিক” উপন্যাসৰ কোনো আৰ্থ ৰাজনৈতিক সামাজিক বীক্ষা বিচৰাৰ থল নাই ।

(৩) কুশীলৱ

সুবালা আৰু তান্ত্ৰিকত কৰা যৌনবৃত্তি, বেশ্যাৰ জীৱন, দেহজ অতিন্দ্ৰীয়বাদৰ বিশ্লেষণৰ পাছত ঔপন্যাসিক হোমেন বৰগোহাঞিৰ সাহিত্যিক দৃষ্টি সম্পূৰ্ণ ৰাজনৈতিক আৰু সমাজমুখী হৈ পৰে ।। সেয়ে কুশীলৱত এজন বুদ্ধিজীৱীয়ে জীৱন মৰণৰ প্ৰকৃত সংঘাতময় সমস্যাৰ মাজেদি প্ৰকৃত সত্যৰ অন্বেষণকাৰীৰ পথত উত্তীৰ্ণ হোৱাত অসহায় হোৱাৰ কাহিনীৰ বৰ্ণনা দেখিবলৈ পাওঁ । কুশীলৱ আৰম্ভ হৈছে – একো একোটা অধ্যায়, একো একোটা চৰিত্ৰৰ শিৰোনামা আৰু অধ্যায়টোৰ মুখ্য বাণীৰে । যথা – গোপীনাথ মহন্ত হ'ল অতি উচ্চাভিলাষী লোক, বীৰু হ'ল ভেৰোণীয়া গুণ্ডা আৰু দাস বাবু হ'ল মহন্তৰ বিশ্বস্ত ভৃত্য । ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ দাবীত বামপন্থী ছাত্ৰ সন্থাই কৰিব খোজা আন্দোলনত মহন্তই বীৰু গুণ্ডাৰ দ্বাৰা অশান্তি লগাই মুখ্যমন্ত্ৰী মৃগেন কাকতিক ভাঙি নিজেই কেবিনেট মন্ত্ৰী হ'ব খোজে আৰু দাস বাবুৰো আছে, তেনে উচ্চাশা ; ইফালে মৃগেন কাকতি আৰু প্ৰসেনজিৎ হ'ল মহা যৌনাচাৰী আৰু ইন্দ্ৰানী হ'ল কেৱল ইন্দ্ৰিয় প্ৰদৰ্শনেই নহয়, একো নমনা বিদ্ৰোহিনীও । মুখ্যমন্ত্ৰী হৈও পিচে হৰতালৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই - তেওঁ মত্ত মাথোঁ মুক্ত যৌনাচাৰত । ৰত্ন মজুমদাৰ হ'ল “দৈনিক সমীক্ষা” কাকতৰ অতি সৎ ত্যাগী আৰু সত্যান্বেষী সাংবাদিক । অথচ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নেতা হাইদৰ আলীৰ বাবে ৰাজনীতি ঘৃণা । তেওঁৰ মতে ৰাজনীতি কেৱল বদ্‌মাচেহে কৰে আৰু তেওঁ হ'ল মস্ত কেৰিয়াৰিষ্ট । তেওঁৰ জীৱনৰ লক্ষ্য হ'ল – এটা ভাল চাকৰি, এজনী সুন্দৰী পত্নী, এটা ভাল ঘৰ আৰু এখন ভাল গাড়ী মাথোঁন । সঞ্জয় চলিহা এজন মদপী ছাত্ৰ – কথাত অতি উগ্ৰপন্থী - অনা অসমীয়া ব্যৱসায়ীক ধ্বংস কৰাৰ পক্ষপাতী, যিদৰে হাইদৰ আলীয়ে ছ'চিয়লিজম কমিউনিজম একোকে বিশ্বাস নকৰে ।

জীৱনৰ সকলো সুযোগ, সুবিধা ত্যাগ কৰি অতি প্ৰতিভাৱান, মেধাবীলোক ৰত্ন মজুমদাৰে কেৱল সত্যৰ সন্ধানৰ বাবেই সাংবাদিকতাৰ দৰিদ্ৰ আৰু বিপদসংকুল জীৱন গ্ৰহণ কৰিও কুটিল ৰাজনীতি, সামাজিক ভণ্ডামী আৰু আনকি সম্পাদকৰো কাৰচাজীত প্ৰকৃত সত্যৰ বাতৰি প্ৰকাশ কৰিব নোৱাৰে । দাস বাবুইতে যে বীৰু গুণ্ডাইতক বামপন্থী ছাত্ৰ আন্দোলন জুই জ্বলাই ভঙ্গ কৰিবলৈ পাঁচ হেজাৰ টকা দিয়াৰ কথা ৰত্নই কাকতত প্ৰচাৰ কৰিব নোৱাৰে । আন্দোলনৰ দিনা জুই জ্বলোৱা, ছুৰীমৰা, অসমীয়া-বঙালী,

হিন্দু-মুছলমান মাৰোৱাৰীৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ চলিল । কিন্তু ৰত্নই স্বচক্ষে দেখা গোপীনাথ মহন্ত, কানুৰীয়া হেলিম আৰু তেওঁলোকৰ মঙ্গোপাঙ্গ সকলৰ নেপথ্যৰ কাহিনী কেতিয়াও কাকতত প্ৰকাশ নেপাব । এই প্ৰসঙ্গতে ৰত্নৰ সতীৰ্থ সাংবাদিক বিমল হাজৰিকাই সংবাদপত্ৰৰ স্বাধীনতাহীনতাৰ সন্দৰ্ভত তীৰ্যক মন্তব্য কৰিছে যে চাৰিওফালে ঢোল পিতি খুব প্ৰচাৰ কৰা হয় যে ভাৰতবৰ্ষত সংবাদ পত্ৰৰ বহুত স্বাধীনতা; কিন্তু এই স্বাধীনতা এৰালৰ গৰুৰ স্বাধীনতা । এৰালডাল কেতিয়াবা দীঘল, কেতিয়াবা চুটি । এয়ে মাত্ৰ তফাৎ । যি দেশৰ বাতৰি কাকতে নিউজ প্ৰিণ্টৰ কাৰণে, বিজ্ঞাপনৰ কাৰণে প্ৰতি মুহূৰ্ততে চৰকাৰৰ কৃপাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে, সেই দেশৰ বাতৰি কাকত সম্পূৰ্ণ স্বাধীন হ'ব পাৰে কেনেকৈ ? আন্দোলনৰ দিনা বোমা-ফটকা ফুটা, গৃহদাহৰ ধ্বংস, গুণ্ডাৰ আক্ৰমণ আৰু পুলিচৰ লাঠি চাৰ্জ আদিৰ সময়ত চকু দিবলৈ যে মন্ত্ৰীৰ সময় নাই, তাকো মন্ত্ৰী ডি-চিৰ দীঘলীয়া কথোপকথনত প্ৰকাশ পাইছে ।

কুশীলৱত বিমলৰ যোগেদি কোৱা হৈছে যে সাংবাদিকে নিৰামিষ বাতৰিতকৈ চাঞ্চল্যকৰ বাতৰি দিলেহে সংবাদপত্ৰই ভাল পাই আৰু পাঠকেও মহাতৃপ্তিৰে তাকেই গ্ৰহণ কৰে । সম্পাদক সুন্দৰ ৰাজনৰ মতে দি আজিৰ বুদ্ধিজীৱীসকল হ'ল অভিজাত সমাজৰ ৰক্ষক কিছুমান ক্লীৱ লোকহে । তেওঁৰ মতে হৃদয়ৰ প্ৰেমৰ ৰসেৰে ৰসাল নোহোৱালৈকে মানুহৰ বৃত্তিয়েও সংসাৰৰ একো কল্যাণ সাধিব নোৱাৰে । তেওঁলোকৰ কেৱল মগজু আছে, হৃদয় নাই । গতিকে সত্যক প্ৰকাশ কৰিব নোৱাৰি বিব্ৰত হোৱা সাংবাদিক ৰত্নক তেওঁ উপদেশ দিছে –

"আজিৰ ঘটনাবোৰ যদি তুমি পাহৰিব পৰা নাই, পৃথিবীখনক যদি পাহৰিব পৰা নাই তেনেহ'লে আৰু মদ ঢালি লোৱা আৰু খোৱা, সম্পূৰ্ণ আত্মবিস্মৃত হ'ব নোৱাৰালৈকে মদ খোৱা - বিপৰ্যস্ত মদ কোৱাৰিয়েদি বাগৰি নাহে আৰু মগজুৰ চেলবোৰ অসাৰ হৈ নপৰে ।" সুন্দৰ ৰাজনে আৰু কয় – "আজিৰ ঘটনাবোৰ কিয় হ'ল, কেনেকৈ হ'ল, কোন দোষী, কোন নিৰ্দোষী ইত্যাদিবোৰৰ প্ৰশ্ন কৰিছা ? কিন্তু ইতিমধ্যে সমাজত যদি এটা মিৰা কল ঘটি সমাজব্যৱস্থাৰ আমূল পৰিৱৰ্তন নঘটে, তেন্তে তুমি যেতিয়া এদিন মোৰ দৰে প্ৰৌঢ় হ'বা, তেতিয়া এই প্ৰশ্নবোৰ নুসুধিবা । তুমি তোমাৰ কাকতলৈ কপি পঠায়েই .... ৰাতি মদৰ বটল লৈ বহি যাবা । মদে তোমাৰ মনৰ পৰা সকলো দুঃচিন্তা আৰু মালিন্য ধুই নিকা কৰি পেলাব ? .... বন্ধু, এই কথা তোমাৰ মনত এবাৰো খেলোৱাই নাই নে যে তোমাৰ মোৰ দৰে বুদ্ধিজীৱীৰ দল আচলতে এক অভিজাত সমাজৰ হাৰেমৰ খোৱা নপুংসক খোজৰ দল" অৱশেষত দেখা গ'ল যে কাহানিও মদ নোখোৱা আৰু মনেৰে আপোচ নকৰা ৰত্নইও বটলৰ পৰা নবালৰিকৈ একে লগে তিনি চাৰিপেগ মান মদ ঢালি ঢোকঢোককৈ গিলি নপুংশকৰ দলত যোগদান কৰিলে ।

এনেদৰে 'কুশীলৱ'ত ৰাজনীতিৰ জটিল কুটিল কদৰ্যতা, মন্ত্ৰী-ছাত্ৰ নেতাৰ ভণ্ডামী আৰু সাংবাদিক বুদ্ধিজীৱীৰ নিবীৰ্য কুশীলৱ সুন্দৰ - ৰাজন, ৰত্ন, বিমলহঁতৰ ছবি আঁকা হৈছে । অৱশ্যে সমাজৰ আমোল পৰিৱৰ্তন কেনেকৈ আৰু কেতিয়ানো হ'ব তাক নজনাকৈয়ে ঔপন্যাসিকে, তেনে পৰিৱৰ্তন হ'লেহে বৰ্তমানৰ অৱস্থাৰো পৰিৱৰ্তন হ'ব বুলি আশা প্ৰকাশ কৰিছে । গতিকে লেখকে তেনে পৰিৱৰ্তনকামী কমিউনিষ্ট সকলৰ ওপৰতো কিছু কোমল ভাৱ প্ৰকাশ কৰিছে — "সম্প্ৰতি কমিউনিষ্ট বেইটিং কিছু কমিছে -- কমিউনিষ্টেও চৰকাৰ গঠন কৰি আগতকৈ কিছু ৰেচ্‌পেকটেব্‌ল্‌ হৈছে ।" এনে মন্তব্যৰ দ্বাৰা ঔপন্যাসিকৰ কিছু ফৰকাল চেতনাৰ উন্মেষো কুশীলৱত পোৱা যায় ।

(৪) হালধীয়া চৰায়ে বাওধান খায়

দৰিদ্ৰ কৃষকৰ ওপৰত কৰা আমোলাতন্ত্ৰৰ নিৰ্ম্মম শোষণৰ বাস্তৱ কাহিনী হ'ল "হালধীয়া চৰায়ে বাওধান খায়" নামৰ উপন্যাসখন । এচ - ডি চি মণ্ডল - কাননগু-কেৰাণী, মহৰী আৰু ধনী মাটিৰ মহাজন, এই সকলোবোৰ হ'ল দৰিদ্ৰ কৃষকৰ কষ্টোপাৰ্জিত শস্য খোৱা শনাহী হালধীয়া চৰাই স্বৰূপ । লাওলোৱা খেতিয়ক ৰসেশ্বৰ চুতীয়াৰ মাটিবিঘা প্ৰথমে বন্ধকত লৈ পিচত নামজাৰি কৰি পট্টা হ'ল সনাতন শৰ্মা মহাজনৰ নামত । ৰসেশ্বৰে সহায় বিচাৰি ডিম্বেশ্বৰ মণ্ডলৰ কাষ চাপিলে । সনাতন মহাজনে এশটকা, চেনি ৫ সেৰ ভেটি দিয়া মণ্ডলক এৰীচাদৰ এখন ঘোচ দিয়াত মণ্ডলে ৰসেশ্বৰক আধিয়াৰ পট্টাৰ বাবে দৰ্খাস্ত কৰিবলৈ কলে । আধিয়াৰ বৰ্ডৰ চেয়াৰমেন এচ ডি চিক ৰঙাবটল আৰু মতাকুকুৰাৰ বাবদ লাগে ৩৫ টকা, আধিয়াৰৰ প্ৰতিনিধি মেম্বাৰ বাপুৰাম শইকীয়াক লাগে আঢ়ৈকুৰি টকা আৰু বাকীজন মেম্বাৰ ধৰ্ম্মদত্ত কাকতিকো দিব লাগে । গতিকে নিৰুপায় ৰসেশ্বৰে ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীহঁতৰ মুখ মাৰি অতি আদৰৰ ৰাঙলী গাইজনী পোৱালীসহ এশটকাত বেচি দিলে । তাৰে এচ ডি চিক ৰঙাবটল আৰু কুকুৰাৰ সলনি ঘৰৰে হাঁহজনী দি আৰু সনাতনে এশটকা দিয়া বাপুৰামকো ঘোচ দি জ্যোতিষীৰ দ্বাৰা দিনবাৰ চোৱাই ২৯ শাওনত ৰসেশ্বৰে কেচ কৰিলে তৰণীক ১০ টকা আৰু পিয়নক ১ টকা দি । ৰসেশ্বৰৰ দৃঢ়বিশ্বাস যে টকাৰ তেল ঢালিলেহে আইনৰ শলিতাদাল জ্বলিব, নহ'লে জ্বলিলেও লগে লগে নুমাই যাব । কেচৰ তাৰিখ সোনকাল কৰিবলৈ কেৰাণীক ২৫ টকা ঘোচ দিবলৈ সি ঘৈণীয়েকৰ কাণৰ থুৰীয়াও বেচিলে । তথাপিও কেচৰ তাৰিখ নপৰাত কেচ চলাবৰ বাবে ৰসেশ্বৰে তাৰ বৰপো সোণটিক মাহে ১৫ টকাত সৰ্বেশ্বৰ গাঁওবুঢ়াৰ ঘৰত চাকৰ ৰাখিবলগা হ'ল । ইফালে তাৰ মাখনী নামৰ তৃতীয় ছোৱালীজনীৰ জ্বৰ হোৱাত ডাক্তৰৰ চিকিৎসা নলৈ বেজ লগাবলৈ ছকুৰি টকাত হালৰ গৰু এটাও ৰসেশ্বৰে বেচিবলগা হ'ল । তাৰ

পিচত কমপাউণ্ডাৰক ৫ টকা দি মাখনীৰ চিকিৎসা কৰাৰ পাচতো ঘোৰালীজনীৰ মৃত্যু হোৱাত তাইৰ মাকেও বিছনা ল'বলগা হ'ল । পিচে মোকৰ্দ্দমাৰ দিন পিচুৱাই গৈ থাকিল । কাতি, আঘোণ পুহ মাঘ শেষ হ'ল কেচ হলে নহ'ল । অৱশেষত ৰসেশ্বৰে সোঁতত এৰি দি ভাগ্যও আত্মসমৰ্পণ কৰিলে । পিচত পেটৰ দায়ত কাম বিচাৰি ফুৰোঁতে সনাতন শৰ্মাৰ সমাজবাদী বক্তৃতাও শুনিলে । লগতে সনাতন মহাজনৰ মাটিগিৰী শেষ কৰিবলৈ ডেকা কেইজনমানে কৃষক সভাক ভোট দিবলৈ জনোৱা আহ্বানো শুনিলে । তেওঁলোকৰ এনে বক্তব্য "আপুনি যদি সঁচাকৈয়ে ধনী মহাজনৰ নিৰ্ম্মম শোষণৰ পৰা মুক্তি বিচাৰিছে, তেন্তে আমাৰ দলৰ প্ৰাৰ্থী প্ৰাণেশ্বৰ হাজৰিকাকক ভোট দিয়ক" বোলা কথা শুনি ৰসেশ্বৰেও তেওঁলোকৰ কৃষক সভাৰ প্ৰাণেশ্বৰ হাজৰিকাকেই ভোট দিয়াৰ কথা ভাবিলে ।

পিচে পেটৰ নিষ্ঠুৰ জ্বালাত ৰসেশ্বৰে দিকবিদিক হেৰুৱাই পেলালে । সাজলগাৰ সময়ত ভোট পোৱাৰ আশাত ৰসেশ্বৰৰ ঘৰত গৈ সনাতনে নানা চলাহী কথা কোৱাত ৰসেশ্বৰে সকলো শত্ৰুতা পাহৰি সনাতনৰ ভৰিৰ কাষত মাটিত বহি ক'লে "বহোঁ বহোঁ দেউতা, আপোনাৰ ভৰিৰ কাষতে খন্তেক বহি দেহাটো জুৰাওঁ "। লগতে সনাতনে মহাজনক ২৫ টকা দিয়াত ভোকজ্বৰত ভোগা ৰসেশ্বৰে আথে বেথে কলে যে ৰসেশ্বৰহঁতে সাতপুৰুষে সনাতনহঁতৰ গোলাম আৰু নোখোজাকৈয়ে তাৰ ভোটটো মহাজনক দিব । নিৰ্বাচনৰ কেইদিন মহাজনৰ ঘৰতে কাম কৰিবলৈ কোৱাত ৰসেশ্বৰ কৃতজ্ঞতাত গদগদ হৈ পৰে । তদুপৰি সনাতন নিৰ্বাচনত জিকিলে চৰকাৰে আইন কৰি মাটিহীনক মাটি দিব বুলি কোৱাত ৰসেশ্বৰ অতি উৎফুল্লিত হৈ পৰে ।

সনাতনৰ দৰিদ্ৰৰ বন্ধুসদৃশ মিঠা মিঠা কথা শুনি অকলা ৰসেশ্বৰৰ মনত অলীক স্বপ্ন জাগি উঠিল যে সিহঁতে খাবলৈ পাব আৰু সিহঁতে শান্তিৰে শুব পাৰিব । গতিকে সি তাৰ ভোটটো সনাতন মহাজনৰ বাহিৰে নিশ্চয় আন কাকো নিদিয়ে । ৰসেশ্বৰৰ তেনে ভাব দেখি সনাতন মহাজনে ভ্ৰূকুটি কৰিলে "গাধা, বুৰ্বক ক'ৰবাৰ । আঁঠুৱাতসৰ মহ হৈ তই মোৰ বিৰুদ্ধে মোকৰ্দমা কৰ । ইলেকচনটো আগতে পাৰ হ'বলৈ দে, ভালকৈ তোক মাটি খুৱাম ।"

পিচদিনা ৰসেশ্বৰে সনাতনৰ ঘৰলৈ গৈ এজাপ পোষ্টাৰ আৰু আঠা আনি গোটেই দিনটো লগাবলৈ যায় । এনেতে বৰুাছত লগাই থোৱা ৰঙাচিয়াহীৰ লেখা ডাঙৰ ডাঙৰ আখৰৰ পোষ্টাৰ দেখিলে । য'ত লেখা আছে "দুখীয়াৰ তেজ শুহি শুহি ঢোল যেন হোৱা সনাতন মহাজন ৰাতিটোৰ ভিতৰতে হ'ল দুখীয়াৰ বন্ধু আৰু সমাজবাদী । এই ভেল্কীবাজি কেনেকৈ সম্ভৱ হ'ল ?" পোষ্টাৰখন দেখি ৰসেশ্বৰৰ মনলৈও এই ভাব নহা নহয় খন্তেকলৈ — "যি মহাজনে দলিল জাল কৰি তাৰ খেতিৰ একমাত্ৰ মাটিডৰা আত্মসাৎ কৰিছে আৰু তাৰ গোটেই ঘৰখনক পথৰ ভিক্ষাৰীত পৰিণত কৰিছে, সেই

সনাতনৰনো হঠাতে দুখীয়াৰ প্ৰতি ইমান দৰদ উথলি উঠিল কিয় ?" পিচে সি বেছিপৰ চিন্তা কৰি নেথাকিল । ৰসেশ্বৰে সনাতনৰ হাঁহিমুখৰ সুন্দৰ ছবিৰ তলত লেখি থোৱা দেখিলে — "সনাতন শৰ্মাক ভোট দি সমাজবাদৰ শক্তিক জয়যুক্ত কৰক, দৰিদ্ৰ জনতাৰ অৰ্থনৈতিক মুক্তিৰ সংগ্ৰামক আৰু এখোজ আগবঢ়াই নিয়ক ।"

ৰসেশ্বৰে সনাতন শৰ্মাৰ সমাজবাদৰ জয়গানৰ পোষ্টাৰ প্ৰতিজোপা গছত আঁৰিফুৰা দেখি সনাতন শৰ্মাৰ মুখত নিৰ্মম বিদ্ৰূপৰ হাঁহিটো পুনৰ ফুটি উঠিল । "গাধা বুৰ্বক ক'ৰবাৰ । আগতে নিৰ্বাচনটো পাৰহৈ যাবলৈ দে । ভালকৈয়ে মাটিভোগ কৰিবলৈ পাবি । নিজৰ মাটি সম্পত্তি আনক বিলাই সৰ্বস্ব ত্যাগ কৰি ভণ্ডুৱা শিৱ হ'বলৈ সনাতন মহাজনে বুঢ়াবয়সত সমাজবাদী হোৱা নাই । সনাতন মহাজনৰ বিৰুদ্ধে মোকৰ্দমা কৰিবলৈ সাহস কৰাৰ প্ৰতিফল হাতে হাতে পাবি ।"

ঔপন্যাসিক বৰগোহাঞিয়ে ৰসেশ্বৰে মহাজনৰ জয় বাৰ্তাৰ জাননী প্ৰচাৰ কৰা কাৰ্যক "আচলতে সি নিজৰ ফাঁচীকাঠ নিজেই বহন কৰিবলৈ গৈছিল; কিন্তু একমুহূৰ্তৰ কাৰণেও সি সেই কথা জনা নাছিল । মনৰ আনন্দত তাৰ মুখেদি গুণগুণকৈ এটা গান ওলাই আহিছিল ।"

"হালধীয়া চৰায়ে বাওধান খায়" নামৰ উপন্যাসখনত আমাৰ অজ্ঞ অচেতন সমাজত মাটিগিৰী মহাজনৰ বঞ্চনা আৰু হৃদয়হীন ছিন্নমূল আমোলাযন্ত্ৰৰ নিৰ্মম প্ৰতাৰণা ঔপন্যাসিকে আপোন বাস্তৱ অভিজ্ঞতাৰে অতি সুন্দৰ আৰু প্ৰত্যয়পূৰ্ণভাৱে বৰ্ণনা কৰিছে । আমাৰ অচেতন কৃষকে যে নিজৰ কবৰ নিজেই খান্দিছে তাকো উপলব্ধি কৰিছে । এনে শোষিত লাঞ্ছিত কৃষকৰ প্ৰতি তেওঁৰ পৰোক্ষ সহানুভূতিও প্ৰকাশ পাইছে। নিতান্ত ব্যক্তিগত স্তৰৰ লেখকৰ এনে উপলব্ধি বাস্তৱানুগো কিন্তু সামাজিক পাৰিপাৰ্শ্বিকতাৰে চালে আমাৰ চাৰিওফালে চলিথকা সমন্বয় সুসংগঠিত কৃষক সংগঠন আৰু সংগ্ৰামৰ লগত ৰসেশ্বৰৰ দৰে লাঞ্ছিত কৃষকৰ সমস্যাক জড়িত কৰিব পাৰি যাৰ যোগেদি ৰসেশ্বৰহঁতে অনন্তকাল নিজৰ ফাঁচীকাঠ বহন কৰাৰ পৰিৱৰ্তে নিজৰ হৃত মাটি উদ্ধাৰ আৰু অধিক অধিকাৰ আদায়ৰ পথো পাব পাৰে । অৱশ্যে বৰগোহাঞিৰ দৰে কোনো দিন সংগঠিত শক্তিৰ লগত পৰিচিত নোহোৱা লেখকৰ চেতনাৰ সীমাবদ্ধতাৰে ৰচিত উপন্যাসৰ কাহিনীৰ ৰসেশ্বৰহঁতে লেখকৰ পৰোক্ষ দৰদ লাভ কৰিলেও স্পষ্ট পথৰ ইঙ্গিত নোপোৱাই স্বাভাৱিক । লক্ষ্যণীয় যে এই একেখন উপন্যাসকেই চলচ্চিত্ৰৰ ৰূপ দিওঁতে জাহ্নু বৰুৱাই ৰসেশ্বৰক মহাজনৰ পোষ্টাৰ মৰাই নহয়, মহাজানৰ বিৰুদ্ধে পতাকা দাঙি ধৰাই কাহিনী শেষ কৰা বাবেহে হ'বলা কাণ্ট আন্তৰ্জাতিক মহোৎসৱৰ শ্ৰেষ্ঠতা লাভ কৰিছিল । তথাপি বৰগোহাঞিৰ "হালধীয়া চৰায়ে বাওধান খায়" নিকৰুণ বাস্তৱৰ সফল ছবি হিচাপে স্মৰণীয় আৰু সুখপাঠ্য ।

(৫) পিতা পুত্ৰ

জনজাতীয় আৰু সামন্তবাদী সমাজৰ ক্ৰমশ পুঁজিবাদী সমাজলৈ ৰূপান্তৰ হৈ ধৰাৰ ফলত জনজীৱন, সামাজিকভাৱে, মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়া আৰু আৰ্থ ৰাজনৈতিক পৰিবৰ্তনৰ প্ৰজন্ম প্ৰভেদৰ এক অগতানুগতিক ঐতিহাসিক প্ৰয়াস হ'ল হোমেন বৰগোহাঞিৰ সৰ্বভাৰতীয় স্বীকৃতিপ্ৰাপ্ত উপন্যাস পিতা পুত্ৰ। ঔপন্যাসিক বৰগোহাঞিৰ জন্ম গাঁৱৰ সমীপৰ ম'হঘূলি চাপৰিয়েই তেওঁৰ প্ৰায়বোৰ সামাজিক উপন্যাসকেইটা পটভূমি হোৱাৰ দৰে পিতা পুত্ৰৰো পটভূমি ম'হঘূলি। প্ৰাক্‌স্বাধীন আৰু স্বাধীনোত্তৰ কালৰ উভয় প্ৰজন্মৰে বিচিত্ৰ কাহিনী হ'ল এই উপন্যাস

শিৱনাথ ম'হঘূলিৰ অভিজাত পৰিয়ালৰ সন্তান ক্ষুদ্ৰ মাটিগিৰী। তেওঁৰ এক দেশাত্মবোধো আছে। গতিকে স্বাধীনতা যুঁজৰ সত্যাগ্ৰহী কেশৱ মণ্ডলৰ সুদীৰ্ঘ কাহিনী শুনি তেওঁ চকুলো টোকে। এসময়ৰ মিছলীয়া, ধূৰন্ধৰ, ফূৰ্তিবাজ, লেমটেঙৰ, ভোজনবিলাসী, অৰ্থলোভী, স্থূলস্বভাৱৰ কেশৱ মণ্ডলৰ এনে সৰ্বত্যাগী, বিপ্লৱী কাৰাগাৰৰ পথৰ পথিকৰ জীৱন যেন সম্পূৰ্ণ বেলেগ মানুহৰ জীৱন। শিৱনাথ অধ্যয়ন প্ৰিয় লোক। বঙালী - যোগিন্দ্ৰনাথ, নবীন্দ্ৰনাথ, নজৰুলৰ গ্ৰন্থ আৰু অম্বিকাগিৰীৰ বিপ্লৱী কবিতা তেওঁ আগ্ৰহেৰে পঢ়ে। আনকি সৰ্বেশ্বৰ।কৰাণীও জেললৈ গ'ল। অথচ অনেক স্বপ্নকল্পনাৰ পিচতো জেললৈ যোৱা নহয় বাবে শিৱনাথৰ গভীৰ খেদ। এনে কাৰণতেই তেওঁ কানিয়া কতিয়াক ঘৃণ কৰে, অথচ কবিতাৰে কথাকোৱা মোহন গাঁও বুঢ়া আৰু লাঞ্চিত প্ৰতিবেশী কৈবৰ্ত গাঁৱৰ প্ৰতি তেওঁৰ গভীৰ দৰদ। গোপালৰ প্ৰেমৰ গল্প, ম'হঘূলিৰ বিহুৰ ৰং-ৰহইছ, ডেকা গাভৰুৰ প্ৰেম-পীৰিতি বিষাদৰ ছবি শিৱনাথৰ স্মৃতিত দোলা দি যায়। শিৱনাথৰ অভিজাত দেউতাকে তাক ৰাতি বিহু চাবলৈ পঠিয়াতো বংশমৰ্যাদা হানিকৰ বুলি ভৱা বাবে গোপালৰ লগত চুৰকৈ সি ৰাতি বিহু চোৱাৰ দৃশ্য আজিও তাৰ মনত পৰে। ঢোল-পেঁপা গগনা আৰু বিহুগীতৰ সেই মনমতলীয়া কৰা সুৰ, জোনাকে দুকূল উপচাই যোৱা পথাৰখন, গাভৰুৰ লয়লাস নৃত্য, জোনাক উপচা বিশাল আকাশৰ তলত ডেকা-গাভৰুৰ যৌৱনৰ ৰহস্যময় নাচ গান আদি আজিও তেওঁৰ মনত পৰে। ম'হঘূলিৰ সকলোতকৈ ধনীমানী সম্ভ্ৰান্ত পৰিয়াল শিৱনাথহঁতৰ ঘৰতেই গাঁৱৰ কিছু হুচৰিৰ প্ৰথম ঘাট মাৰে।

শিৱনাথৰ তিনিটা ল'ৰা, গৌৰীনাথ, কাশিনাথ আৰু লক্ষীনাথ আৰু তেওঁৰ দুজনী ছোৱালী। স্বাধীনতা লাভৰ পিচত অৱশ্যে শিৱনাথকে ধৰি বহুতৰে স্বপ্নভঙ্গ হ'বলৈ ধৰিলে। পূৰ্বৰ সত্যাগ্ৰহী কেশৱ মণ্ডল হ'ল এতিয়া ডাঙৰ কংগ্ৰেছী ভণ্ডনেতা ঠিকাদাৰ। গাঁওবোৰলৈও লগে লগে আহিল ভীষণ পৰিবৰ্তন আৰু চৰম অধঃপতন। শিৱনাথৰ ৰবপো গৌৰীনাথ অভিমানী স্পৰ্শকাতৰ, মাজু ল'ৰা কাশিনাথ বিশ্ববিদ্যালয়ত, সৰু

ল'ৰা লক্ষীনাথ মদ-জুৱা বদসঙ্গত পৰি বিপথগামী । তেওঁৰ বৰজীৰ হঠাতে বসন্ত ওলাই চকু এটা কণা হৈ পৰাত শিৱনাথৰ চিন্তা বাঢ়িল ।

অৱস্থাই এনে ৰূপ পালে যে স্বাধীন দেশত সৰু বৰ ভেদ নভৱাৰ নামত অকৈ পুৰুষৰ পৰা চলি অহা শিৱনাথৰ ঘৰত প্ৰথমে বিহু হুচৰিৰ ঘাটমৰা বন্ধ কৰি গাঁওখনৰ এমূৰৰ পৰা হুচৰি গোৱা আৰম্ভ কৰাত বংশ পৰম্পৰাৰ ঐতিহ্যত অভিমানী শিৱনাথৰ পৰিয়ালৰ কোনো ওলাই নাহি চাকৰৰ হতুৱাই ৰাইজক শৰাই দিয়াত ৰাইজ বিক্ষুব্ধ হৈ শিৱনাথৰ পৰিয়ালকেই এঘৰীয়া কৰিলে । এনেবোৰ কাম যে এসময়ৰ কানি বেপাৰী এতিয়াৰ কংগ্ৰেছ সভাপতি বেৰ মহাজন আৰু গাঁও পঞ্চায়তৰ সভাপতি কেশৱ মণ্ডল আৰু উপ-সভাপতি গোপীনাথহঁতৰহে চক্ৰান্ত তাৰো ইঙ্গিত শিৱনাথে পালে । আভিজাত্যৰ দেৱালত এনেদৰে প্ৰচণ্ড আঘাত লাগিল । বৰবোপা গৌৰী নাথেও আনকি সামান্য বিদ্ৰূপেৰে মন্তব্য কৰিলে "তুমি তোমাৰ আভিজাত্যৰ ওখ দেৱাল এখন থিয় কৰাই লৈ নিজৰ জগতখনত অকলে বাস কৰা ; তোমাৰ চাৰিওফালে প্ৰতি মুহূৰ্ততে কি ঘটিব ধৰিছে তাৰ একো খবৰ নাৰাখা । তুমি জীৱনত আৰু বহুত আঘাত পাবা ।"

তথাপি শিৱনাথ আভিজাত্যৰ পাহাৰত উঠি থাকিল । পুৰুষে পুৰুষে পাই অহা সন্মান আৰু মৰ্যাদা তেওঁ হঠাৎ এৰিব নোৱাৰে । তাৰ বাবে সমাজৰ পৰা বহিষ্কৃত হৈ নিসঙ্গ হৈ থাকিবলৈও তেওঁ প্ৰস্তুত । ইতিমধ্যে গাঁওবোৰত অদ্ভুত পৰিৱৰ্তন হোৱা দেখি তেওঁ হতবাক হ'ল । গাঁৱে গাঁৱে মদৰ দোকান, ডেকা ল'ৰাৰ তাচ আৰু জুৱাৰ আড্ডা আৰু জাতি বিজাতিৰ প্ৰভেদ নমনাৰ অৱস্থা দেখি তেওঁ অতীষ্ঠ হৈ পৰিল । তথাপি নিসঙ্গ অৱস্থা ভাল নলগা শিৱনাথ ভীষণ বানপানীত গাঁওচাবলৈ যাবলৈ বাধ্য হ'ল । লঘোণীয়া কৈৱৰ্তৰ ৰিলিফৰ চাউল কেশৱ মণ্ডলৰ হস্তগত । হাকিম-মণ্ডল-আমোলাৰ উৎপাতত দেশৰ স্বাধীনতাই পাঁচ বছৰতেই ৰাইজক আমোৱালে । শিৱনাথৰ ঘৰৰো ধৰণী লৰিল । ডাঙৰ বোপা গৌৰীনাথ ইঞ্জিনীয়াৰিং কলেজত, মাজু ল'ৰা কালীনাথ ইউনিভাৰচিটিৰ হোষ্টেলত ; ছোৱালী ৰত্না সাবিত্ৰীও ডাঙৰ হ'ল । ডাঙৰজনী ৰত্না কাণী হোৱাত তাইৰ বিয়াৰ সমস্যাইও শিৱনাথক চিন্তাত পেলালে আৰু মাটি বিচাৰিও কোনো নহাত শিৱনাথ সমস্যাত পৰিল । ইফালে বৰবোপা গৌৰীনাথে কৈৱৰ্ত ছোৱালী উৰ্ম্মিলাক বিয়া কৰাই স্বাবলম্বী হ'ব বিচৰাত বংশ অভিমানী শিৱনাথ বেকায়দাত পৰিল। গৌৰীনাথৰ প্ৰেমকলৈও মহা হুলস্থূল হ'ল ।

মথাউৰি বনোৱাত দুৰ্নীতি কৰি বৰ্তমানে ধনী হোৱা ঠিকাদাৰ আৰু এসময়ৰ শিৱনাথহঁতৰ হালোৱা কণক ৰত্নাৰ বিয়াৰ প্ৰাৰ্থী হোৱাত বংশ মৰ্যাদাৰ দোহাই দি শিৱনাথে তাক গ্ৰহণ নকৰিলে । সেই কণক ঠিকাদাৰৰ তলত কাম কৰি মদ খাই মাতাল হৈ সৰুবাপু লক্ষীনাথে দেউতাক শিৱনাথৰ লগত তৰ্ক কৰি আৰু নানা অশ্লীল অবাইচ গালিৰে শিৱনাথক গালি গঞ্জনা কৰিবলৈ ধৰে । সেই লক্ষীনাথেই মাতাল হৈ তাচখেলত

কাজিয়া লাগি ভাবীৰামক ডেগাৰেৰে খুচি যোগেন ঠিকাদাৰৰ জীপত উঠি পলাই ফুৰে। আনকি মাতাল লক্ষীনাথৰ লগতে ঘৰতে তাৰ অত্যাচাৰত অতীষ্ঠ হৈ শিৱনাথে ডবৰা ডবৰি লাগি বংশৰ মৰ্যাদা ধূলিসাৎ কৰিব লগা হ'ল ।

শিৱনাথৰ সৰু পো কালীনাথেও উচ্চ ডিগ্ৰী নিৰৰ্থক বুলি ভাবি, এম, এ, পঢ়া বন্ধ কৰি হোষ্টেল এৰি হঠাৎ গুচি অহাত শিৱ নাথ একেবাৰে ভাগি পৰিল । কালীনাথে দিবাকৰৰ লগলাগি ম'হঘুলিত মদবন্ধ কৰাৰ আন্দোলনত লাগিল । দিবাকৰৰ ভনীয়েক কৈবৰ্ত বহাগীৰ প্ৰেম অৱশ্যে সি অতি মনোকষ্টেৰে দেউতাকৰ হেঁচাত ত্যাগ কৰিবলৈ বাধ্য হয় । অৱশ্যে কালীনাথৰ এই ক্ষেত্ৰত ডাৰোগা, নন্দ শইকীয়া, ইবৰ মহাজনৰ লগত ভয়ঙ্কৰ সংঘাত আৰম্ভ হয় । শিৱনাথেও ভাবিলে যে সৰুটো পুতেক লক্ষীনাথেতো জীৱনৰ বিৰুদ্ধেই বিদ্ৰোহ কৰি আত্মনাশৰ পথ বাছি লৈছে । এতিয়া মাজু পুতেকেও বিদ্ৰোহ কৰিব খোজে , অৱশ্যে তাৰ বিদ্ৰোহ সমাজৰ অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে । কিন্তু সি যে এদিন শিৱনাথৰ বিৰুদ্ধেও বিদ্ৰোহ নকৰিব তাৰ কি নিশ্চয়তা আছে ? মদ নিবাৰণী সভাত কমিউনিষ্ট হেমচন্দ্ৰকো কালীনাথইতে সভাপতি পাতে । কালীনাথে নিজে কমিউনিষ্ট হোৱাৰ কথা নেভাবিলেও হেমচন্দ্ৰৰ চকুত সি চিৰন্তন প্ৰতিবাদ আৰু বিদ্ৰোহৰ জুইৰ ফিৰিঙতি দেখিবলৈ পায় ।

কালীনাথ যুক্তিবাদী আৰু অধ্যয়নশীল বন্ধু সৌমিত্ৰৰ সাম্যবাদী বক্তৃতা শুনি সি আদৰ্শবাদী হৈ পৰে । মাৰ্ক্সবাদী-লেলিনবাদীতত্ত্ব আৰু এস্কিলাছ প্ৰমিথিউচৰ আদৰ্শ লৈ কালীনাথ ম'হঘুলিলৈ আহে । মাৰ্ক্স এঙ্গেলছ, মাও লিন পিয়াওৰ আদৰ্শ প্ৰতিও সি অৱগত ।

ইফালে নিজ অভিজাত জগতৰ পৰা স্খলিত প্ৰায় আৰু পৰিৱৰ্তিত ধুমুহা বিধ্বস্ত সমাজ আৰু আপোন পৰিয়ালৰ ধ্বংস স্তূপত ক্ষতবিক্ষত শিৱনাথে চৰম শূন্যতা, নিঃসঙ্গতা অনুভৱ কৰে । প্ৰিয়তমা পত্নীয়েও তেওঁক এৰি যোৱাত শিৱনাথে ক্ৰমে জীৱনৰ মোহ আৰু মৃত্যুৰ ভয়ৰ পৰাও মুক্ত হ'ব ধৰে । অৱশ্যে বিয়া হোৱাৰ আশা নোহোৱা বস্তা আৰু গাভৰু জী সাবিত্ৰী আৰু তেওঁ নিজে কালীনাথৰ [illegible] হৈ থকাৰ দুশ্চিন্তা তেওঁৰ [illegible] নোৱাৰে [illegible]

[illegible]

[illegible] নতুন শোষণহীন মুক্ত সমাজৰ ভেঁটি প্ৰতিষ্ঠা কৰিব লাগে, তাৰো মাত্ৰ এটাই পথ আছে সি হ'ল সশস্ত্ৰ বিপ্লৱৰ পথ । কালীনাথে অৱশ্যে অন্য মত প্ৰকাশ কৰিছে যে বিপ্লৱৰ চৰম পথ সশস্ত্ৰ সংগ্ৰামলৈ যোৱাৰ আগতে অন্যান্য সকলো বিকল্প পথ পৰীক্ষা কৰি

চাব লাগিব । গতিকে কালীনাথে ভাবে যে, দুযো নিজ নিজ পথেৰে অগ্রসৰ হৈ হয়তো এদিন দুয়ো পুনৰ লগ হ'ব পাৰিব । কিন্তু সৌমিত্রৰ মতে দুডাল সমান্তৰাল ৰেখা কেতিয়াও লগ নলগাৰ দৰে কালীনাথৰ লগত আৰু সৌমিত্রৰ কেতিয়াও পুনৰ লগ নহ'ব ।

পৰিণতিত নক্সালপন্থীৰ সশস্ত্র বিদ্রোহ আৰম্ভ হ'লত সেই বিদ্রোহত যোগ দি সৌমিত্র পুলিচৰ হাতত বন্দী হ'ল । তেজপুৰ জেইলত বন্দী হৈ থকা অৱস্থাতেই সি এদিন বাতৰি কাকতত পঢ়িবলৈ পালে যে কালীনাথে ১৯৭২ চনৰ সাধাৰণ নির্বাচনত কংগ্রেছ প্রার্থীৰূপে বিধান সভালৈ নির্বাচিত হৈ মন্ত্রী পদ লাভ কৰিছে । খবৰটো পঢ়ি সৌমিত্রই নিজকে নিজে কলে -- "আমি দুযো দুখন কাৰাগাৰত বন্দী । কেতিযাকৈ আমি মুক্তি লাভ কৰিম ? কেতিযাকৈ আমি পুনৰ লগালগি হৈ পৰস্পৰৰ অভিজ্ঞতা বিনিময কৰিবলৈ সুবিধা পাম ?

ঔপন্যাসিকে অৱশ্যে সৌমিত্র আৰু কালীনাথে নিজৰ নিজৰ কাৰাগাৰৰ পৰা কি অভিজ্ঞতা লৈ মুক্তি হৈ ওলাই আহে তাৰ কাৰণে উদগ্রহৈ অপেক্ষা কৰাৰ কথাহে কৈছে। ইযাৰ পিছত কাহিনী বিংশ শতাব্দীৰ শেষ তিনিটা দশকৰ ভাৰতবর্ষৰ ইতিহাস বুলিহে লেখকে মন্তব্য কৰিছে উপন্যাসৰ সামৰণিত ।

'পিতা-পুত্ৰ' দুটা পুৰুষৰ ব্যৱধানৰ এক বাস্তব কাহিনী । জনজাতীয় সামন্তীয় পুৰণি সমাজৰ প্রতিভূ অভিজাত শিৱনাথে প্রাক্‌স্বাধীন আৰু স্বাধীনোত্তৰ ভাৰতৰ প্রমূল্য বিভেদৰ আকাশ-পাতাল পার্থক্য নিজ চকুৰেই অৱলোকন কৰিছে । তেওঁ স্বচক্ষেই দেখিছে পুৰণি সমাজৰ সৰল আৰু সৎ প্রমূল্যবোধৰ চৰম অৱক্ষয় । বিবর্তিত কালৰ এক ধ্বংসাত্মক প্রেতাত্মালৈ তেওঁ নিজেই ৰূপান্তৰিত হৈ পৰিছে । তেওঁৰ সমুখতেই তেওঁৰ ভাবী-প্ৰজন্ম পুত্র পুৰুষৰ শতধাবিভক্ত প্রমূল্যবোধৰ উত্থান পতন পিতৃ-প্ৰজন্মৰ প্রতিভূ শিৱনাথে দেখিবলৈ পালে । পুৰণি সামন্ত সমাজ-বিধি ভঙ্গ কৰি বৰপুত্ৰ গৌৰীনাথে কৈবর্তপুত্রী উর্মিলাক বিযা কৰি পিতৃত্যাগী হৈ পুঁজিবাদী প্রমূল্যৰ ব্যক্তিবাদী স্বার্থপৰ ঐতিহ্যৰ বাহক হৈ পৰিছে । সৰু পুত্র লক্ষীনাথ হ'ল অপসংস্কৃতিৰ, ভ্রষ্ট-নৈতিকতাৰ প্রতিভূ । হাকিম-ঠিকাদাৰ-আমোলাইঁত হ'ল আধুনিক ৰাষ্ট্রযন্ত্রৰ প্রতিভূ । সৌমিত্র আৰু কালীনাথ উভযেই হ'ল পুঁজিবাদী সামন্তবাদী সমাজৰ ৰূপান্তৰৰ সংগ্রামৰ ব্যর্থ নায়ক । হাতত মদৰ বটল লৈ বিপ্লৱৰ ধ্বনি আওৰোৱা চৰমপন্থী নক্সাল ৰোমাণ্টিক বিপ্লৱী হ'ল সৌমিত্র আৰু সশস্ত্র বিপ্লৱৰ বিকল্প পথ বিচাৰি অৱশেষত কংগ্রেছৰ ভ্রষ্ট কাৰাগাৰত বন্দী হ'ল কালীনাথ । আচলতে, আৰম্ভণিতে দুয়োৰে পথ পৃথক, ত্যাগী আৰু আন্তৰিক হলেও চূড়ান্ত বিচাৰত উভয়ৰে শেষ পৰিণতি হঠকাৰিতা অথবা চৰম বিৰম্বনা । পিছে পৰৱৰ্তী পথৰ ক্ষেত্ৰত ঔপন্যাসিকৰ দৃষ্টিহীনতা এক ৰাজনৈতিক চেতনাহীনতাৰেই পৰিচায়ক । ইতিহাস গতিশীল হলেও স্বয়ম্ভু গতিশীল নহয় । চলমান ইতিহাসৰ

সৃজনশীল পথ মানুহেই নিৰ্ণীত আৰু নিৰ্মাণ কৰে । স্ৰষ্টা আৰু দ্ৰষ্টাৰূপে শিল্পী সাহিত্যিকে সেয়ে ভাবীকালৰ পথৰ সন্ধানো শৈল্পিক সাধনাৰে দিব পৰাটোহে প্ৰকৃত সাৰ্থকতা। পিতা-পুত্ৰই সেয়ে পিতৃ-পুত্ৰৰ দুই প্ৰজন্মৰ বিভেদ বিস্মৃতি বিবৰ্তন স্খলন আৰু সংঘাতৰ সজীব আৰু বৈচিত্ৰ্যপূৰ্ণ কাহিনীৰ সৃষ্টি কৰিলে, কিন্তু এনে দ্বন্দ্ব-সংঘাতৰ সমাধান আৰু সৃষ্টি-বিকাশৰ ভৱিতব্যৰ শৈল্পীক সন্ধান দিব নোৱাৰিলে । অৱশ্যে পিতা-পুত্ৰত টুৰ্গেনিভৰ "দুই পুৰুষ" উপন্যাসৰো প্ৰভাৱ পৰিব পাৰে ।

(৬) তিমিৰ তীৰ্থ

সাংবাদিক বুদ্ধিজীৱীক "কুশীলৱ" উপন্যাসত নপুংসক আৰু অভিজ্ঞাত হেৰেমৰ ৰক্ষক আখ্যা দিয়া হোমেন বৰগোহাঞিয়ে আপোন মধ্যবিত্তীয় চেতনাক কিছু দৃঢ়তৰ কৰি "তিমিৰ তীৰ্থ" উপন্যাসত সত্যান্বেষৰ অগ্নিপৰীক্ষাত সাংবাদিক বুদ্ধিজীৱীয়ে যে জীৱন-মৰণৰ কুটিল সংগ্ৰামতো উত্তীৰ্ণ হ'ব পাৰে তাৰেই কাহিনী বৰ্ণনা কৰিছে ।

১২ বছৰ নিষ্ঠাৰে সাংবাদিকতা কৰা প্ৰহ্লাদ হাজৰিকাক মন্ত্ৰী জগন্নাথ চৌধুৰীয়ে যাচিছে পোন্ধৰশ টকীয়া দামী পদবী । বিপ্লৱী বে-আইনী দলত যোগ দি দুবছৰ কাৰাবাস খটাৰ সেই নিচাই তাক এৰা নাই বাবেই প্ৰহ্লাদে যাপন কৰিছে দুৰ্ব্বহ জীৱন । তাক কাকতৰ মালিকে দিয়ে মাথোঁন পাঁচ শ টকা । ফলত তাৰ ল'ৰা-ছোৱালী আৰু পৰিবাৰ ললিতাৰ অৱস্থা অতি দুখ লগা । পুষ্টিকৰ খাদ্যৰ অভাৱত পৰিয়ালটোৰ অৱস্থা অতি শোচনীয় । কিতাপ কিনি ঘৰতে লাইব্ৰেৰী এটা কৰা আৰু ৰেকৰ্ড প্লেয়াৰ কিনি ভাল গান ৰেকৰ্ড কৰোৱা আদি চখ পূৰণ কৰাতো দূৰৰে কথা । প্ৰহ্লাদ হ'ব বিচাৰিছিল বিপ্লৱী প্ৰমিথিউছ । কেদাৰনাথ গোস্বামীয়ে অনুবাদ কৰা সাম্যবাদী ইস্তাহাৰ আৰু সুভাস বসু, গোলাই চিৰিজ পঢ়ি সি বিপ্লৱী প্ৰেৰণাৰে উদ্দীপিত হৈছিল । দেউতাকে পাঁচবছৰীয়া চাকৰ ৰামেশ্বৰক শাস্তি দিওঁতে বিদ্ৰোহ কৰি সি ঘৰ এৰি নেখাই মৰি যোৱাৰ প্ৰতিবাদ কৰিছিল । কলেজত পঢ়োঁতে কমিউনিষ্ট পাৰ্টিত যোগ দি প্ৰহ্লাদে তাৰ অংশৰ মাটিবাৰী আধিয়াৰক দিয়াৰ অবাস্তৱ প্ৰস্তাৱ দিছিল । দেউতাক মৰাৰ পাছত তাৰ ভাগৰ মাটি আধিয়াৰক বিলাই দি প্ৰহ্লাদে ভেল্লাৰ কলেজত শিক্ষকতা কৰিছিল। বিপৰীতে ককায়েক প্ৰদ্যুৎ আছিল সম্পূৰ্ণ বাস্তৱবাদী পৰকীয়াৰ সাজি মদ-নাৰী সম্পদৰ পূজাত ব্যস্ত প্ৰদ্যুৎ ।

বিজ্ঞান আৰু বস্তুবাদত সম্পূৰ্ণ বিশ্বাসী প্ৰহ্লাদ সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ মুৰব্বী ড° অৰুণ চৌধুৰীৰ বাবাৰ পূজাত বহা কাৰ্যক সি ভ্ৰূকুটি কৰিছিল। বাবা দেৱতাৰ আধ্যাত্মবাদৰ মিৰাকোলতকৈ বিজ্ঞানৰ মিৰাকোলতহে সি বেছি বিশ্বাস কৰিছিল । তাৰমানে বিজ্ঞানীয়ে গৱেষণা কৰি নতুন বীজৰ সৃষ্টি, বীজাণুনাশকৰ আৰু প্ৰাণী সৃষ্টি কৰাৰ যাদুও কৰিব পাৰিছে । গতিকে শত্ৰুৰ ওচৰত ভয় অথবা ভ্ৰান্তিত

আত্মসমৰ্পণ কৰা অনুচিত । মানুহ হ'ল অসীম শক্তিৰ অধিকাৰী । মানুহেই দেৱতা সদৃশ বিচিত্ৰ কাৰ্য সাধন কৰিব পাৰে । ডঃ চৌধুৰীয়ে খণ্ডত প্ৰহ্লাদক "ব্ৰেকমেইলাৰ ৰিপোৰ্টাৰ" আখ্যা দিলে । ডঃ চৌধুৰীৰ এনে গঞ্জনা শুনি প্ৰহ্লাদৰ মনলৈ আত্মগ্লানিৰ ভাৱ আহে । যৌৱনৰ আৰম্ভণিতে পতিত সমাজ বিৰুদ্ধে বিদ্ৰোহ কৰি ন-সামাজ সৃষ্টিৰ যি সপোন দেখিছিল আজি জীৱিকাৰ তাড়ণাত সিও জানো এই সমাজ ব্যৱস্থাৰেই ক্ৰীতদাস হৈ কাম কৰা নাই ? আদৰ্শৰ কাৰণে সৰ্বস্ব ত্যাগ কৰিব নোৱাৰি সি অলপ অলপকৈ শত্ৰুৰ লগত আপোচ কৰিছে । তাৰ আদৰ্শৰ দুৰ্বলতাৰ বাবেই নিন্দুক আৰু সমালোচকৰ বিষ-কাঁড়ে তাৰ কলিজা ফালি হো-হোকৈ তেজ বোঁৱাইছে । প্ৰহ্লাদে ভাৱে যে সি অধিক নিৰ্মল, পৰ্বত্যাগী ত্যাগৰ দুৰ্গম পথত বাট বুলি তাৰ দুয়োখন ভৰি ক্ষত-বিক্ষত আৰু ৰক্তাক্ত হৈ পৰিলেহে সকলো অভিশাপকে আশীৰ্বাদ বুলি সি মূৰ পাতি গ্ৰহণ কৰিব পাৰিব ।

প্ৰহ্লাদৰ মতে বিখ্যাত কমিউনিষ্ট নেতা ত্ৰিনয়ন কাকতি, দিগম্বৰ চহৰীয়া আদিও ভণ্ড-বিলাসী আৰু সত্য-নাৰায়ণ পূজাৰী । অথচ পৈতৃক মাটি দান দিয়ো তেওঁ পায় বুৰ্জোৱা দালালৰ আখ্যা । সেইবুলি কাকতি - চহৰীয়াহঁতকো প্ৰহ্লাদে সম্পূৰ্ণ দোষাৰোপ নকৰে । কাৰণ-তেওঁলোকো প্ৰহ্লাদৰ দৰেই জীৱন-যুঁজত ক্লান্ত, পৰাজিত আৰু নতজানু ।

ৰত্নকান্ত প্ৰহ্লাদ এতিয়া উভয় সংকটত বিভ্ৰান্ত আৰু চিন্তা জৰ্জৰিত । এফালে মন্ত্ৰী চৌধুৰীৰ চাকৰিৰ প্ৰচণ্ড প্ৰলোভন আৰু আনফালে গুৱাহাটীৰ বাহন-ব্ৰেকাৰ সকলৰ লগত মন্ত্ৰী জগন্নাথ চৌধুৰীৰ সংযোগ থকাৰ তদন্ত কৰা পুলিচ বিষয়া দয়াল হাজৰিকাক হত্যা কৰাৰ ৰিপোৰ্ট সংগ্ৰহ কৰা বাবে চৰ্দাৰৰ দ্বাৰা প্ৰহ্লাদক হত্যা কৰাৰ ভয়ঙ্কৰ ভাবুকি । প্ৰহ্লাদে ভালদৰে বুজি পায় যে জগন্নাথ চৌধুৰীয়ে তাক চাকৰি যঁচা স্ব-নামী চিঠি আৰু চৰ্দাৰৰ বেনামী দুয়োখন আলোচনা কৰি একেদিনাই একে উদ্দেশ্যেৰেই লেখা চিঠি । কেৱল কৌশল বেলেগ বেলেগ । এজনে ভীতি প্ৰদৰ্শন কৰিছে, আনজনে দেখুৱাইছে প্ৰলোভন । প্ৰলোভন সি জয় কৰিব পাৰে ; কিন্তু বিষধৰ কালান্তক ফেটীসাপৰ দংশনোদ্যত ভীতি প্ৰদৰ্শন জয় কৰিব সি সহজে নোৱাৰে ।

জীৱন মৰণৰ এনে উভয় সংকটৰ সময়তে ভূতৰ ওপৰত দানহৰ দৰে প্ৰহ্লাদ দলে আহিল যেই কোনো মুহূৰ্ততে তাৰ কাকতখন বন্ধ হৈ তাৰ জীৱিকা মৰাৰ মাৰাত্মক খবৰ । কাকতখনে লোকচান ভৰিছে আৰু চাৰ্কুলেচ্ছন হ্ৰাস পোৱাৰ বাবে বোলে কাকতখন ছমাহমানৰ মূৰত বন্ধ হৈ যাব । সম্পাদকে হেনো পাব ৰাজ্যসভালৈ কংগ্ৰেছৰ মনোনয়ন আৰু মালিকে বোলে পাব প্ৰেছটো ডাঙৰ কৰিবলৈ শকত ঋণ । তথাপি অন্যায়ৰ বিৰুদ্ধে প্ৰহ্লাদে অন্যায়ৰ প্ৰতিকাৰ কৰিব নোৱাৰিলেও বা অন্যায়কাৰীক শাস্তি দিব নোৱাৰিলেও অন্যায় বিৰোধীতা কৰোঁতাজনৰ মনটোক মহৎ কৰি ৰাখে । সি তেওঁৰ নৈতিক জীৱনক বলীয়ান কৰি তোলে আৰু মানুহৰ হৃদয়ত প্ৰতিবাদৰ তুঁহইকুৰা জীয়াই

ৰাখে বুলি প্ৰহ্লাদে দৃঢ়বিশ্বাস ৰাখে ।

এনে এক চৰম সংকটৰ মুহূৰ্ত্ততো অৱশেষত প্ৰহ্লাদে মনোবল নেহেৰুৱালে । এক হাৰকিউলিছ সদৃশ সাহসেৰে সি পৰম ঘৃণাৰে চৌধুৰী আৰু চৰ্দাৰৰ দুয়োখন চিঠি ফালি পেলালে । প্ৰহ্লাদৰ মুখৰপৰা এক অভূতপূৰ্ব জ্যোতি বিকিৰীত হ'ল । এক অদৃশ্য শক্তিৰ অশৰীৰী কণ্ঠৰপৰা যেন নিৰ্গত হ'ল এই ভাষা যে এনে এটা সংকট কেৱল তাৰ জীৱনতেই অহা নাই । অতীততো হাজাৰ মানুহৰ জীৱনত আহিছিল, ভৱিষ্যতেও হাজাৰ হাজাৰ জীৱনত আহিব ।অৱশেষে ভ্ৰুক্ষেপ নকৰি কোনো পুৰস্কাৰৰ আশাত নহয় কেৱল সততাৰ বাবেই সমস্ত জীৱন দুখ বৰণ কৰিও প্ৰহ্লাদে শান্তিৰেই শুব পাৰিলে ।

হোমেন বৰগোহাঞিৰ তিমিৰ তীৰ্থৰ মধ্যেগামীক কিদৰে প্ৰলোভনেৰে নিৰ্বীৰ্যকৰ আৰু ভীতি প্ৰদৰ্শনেৰে ধ্বংস কৰাৰ চক্ৰান্ত কৰা হয় তাৰেই কাহিনী সুন্দৰকৈ কোৱা হৈছে । কাহিনীৰ খলনায়ক যিদৰে জগন্নাথ চৌধুৰী আৰু চৰ্দাৰ সেইদৰে সৎনায়ক প্ৰহ্লাদ হাজৰিকাৰো সাহস, ধৈৰ্য-ত্যাগ আদৰ্শদাত্ৰী পাৰ্শ্বনায়িকা হ'ল প্ৰহ্লাদৰ পত্নী ললিতা যি অতিৰিক্তভাৱে ক'ব পাৰিছে ।

"পৃথিৱীত ধন সম্পত্তি থকা মানুহ অজস্ৰ আছে, কিন্তু হৃদয় থকা মানুহৰ সংখ্যা তেনেই তাকৰ । গতানুগতিক জীৱনত ধৰাবন্ধা পৰিচিত পথ পৰিহাৰ কৰি নিজৰ কাৰণে সুকীয়া পথ কাটি ল'ব পৰা মানুহ খুব কম । কোটিৰ ভিতৰত কেতিয়াবা এজনহে ওলায় । মই ধন সম্পত্তি বিচৰা নাছিলোঁ, বিচাৰিছিলো অমৃত, বিচাৰিছিলোঁ তোমাক।"

প্ৰহ্লাদৰ ওপৰত দৃঢ়বিশ্বাস প্ৰকাশ কৰি ললিতাই কৈছে "তুমি কেতিয়াও ভুল নকৰা এই বিশ্বাসেই জীৱনৰ একমাত্ৰ ধ্ৰুৱতৰা ।"

যৌৱনৰ প্ৰচণ্ড শক্তিৰ সম্পৰ্কে প্ৰহ্লাদৰ মুখেদি প্ৰকাশ কৰা হৈছে যে যৌৱন কালতো জীৱনৰ শ্ৰেষ্ঠতম সময় । এই কাৰণে যে সেই সময়ত অপৰিমেয় প্ৰাণ প্ৰাচুৰ্যৰ বলত মানুহ অতি অকৃপণ হ'ব পাৰে, জীৱনক যেনেবোৱাভাৱে খৰচ কৰিব পাৰে, মৃত্যুৰ চকুত চকু ৰাখি মানুহে ক'ব পাৰে যে মৃত্যুতকৈ জীৱন বেছি মহৎ আৰু বেছি বলশালী ।আজি আমি যিহৰ কাৰণে হাহাকাৰ কৰি মৰোঁ, সি হ'ল আমাৰ হেৰোৱা যৌৱন, আমাৰ হেৰোৱা স্বপ্ন আৰু আদৰ্শবাদ ।

প্ৰলোভন ভীতি প্ৰদৰ্শনৰ জঘন্য ষড়যন্ত্ৰত উদ্ভূত জীৱন মৰণৰ ভয়ংকৰ সংকট, অন্ন উপাৰ্জনৰ সাংবাদিকতাৰ চাকৰি হেৰোৱাই ওবে জীৱন ত্যাগস্বীকাৰ কৰা জীৱনটোও লঘোণ নমাই অনাৰ চৰম সংকটকো অতুলনীয় আদৰ্শ বলেৰে অতিক্ৰম কৰিব পৰা তিমিৰ নাশি গোহৰৰ অভিযাত্ৰী হ'ব পৌৰুষ 'তিমিৰ তীৰ্থ' উপন্যাসৰ যোগেদি হোমেন বৰগোহাঞিয়ে লেখুৱা এক বলিষ্ঠ সাৰ্থক পদক্ষেপ ।

(৭) অন্তৰাগ

অন্তগামী জীৱনৰ অৰ্থাৎ বৃদ্ধত্ব মৃত্যু আৰু মৃত্যু পৰৱৰ্তী পৰিণতিৰ গভীৰ জিজ্ঞাসা হ'ল হোমেন বৰগোহাঞিৰ উপন্যাস 'অন্তৰাগ' সমগ্ৰ উপন্যাসখনেই হ'ল মুখ্য চৰিত্ৰ দিলীপৰ যোগেদি কৰা তাৰেই অনুভৱ উপলব্ধি আৰু অভিজ্ঞতাৰ প্ৰকাশ ।

কলেজত অধ্যয়ন কৰি থকা দীলিপে দেউতাকৰ মৰণমুখী অৱস্থাৰ কথা তাঁৰ বাৰ্তাৰ যোগেদি জানিব পাৰিও গাঁৱৰ ঘৰলৈ যাবলৈ অনীহা প্ৰকাশ কৰিছিল দেউতাকৰ মুমুৰ্ষ অৱস্থা চাবলৈ মানসিক প্ৰস্তুতিৰ অভাৱত ।এনে মনোভাৱত তাক সহায় কৰিছিল মাজে মাজে সি গৈ আড্ডা মৰা কাৰ্তিক বসুৰ দাৰ্শনিক মন্তব্যবোৰে যে অতিপ্ৰিয় আৰু শ্ৰদ্ধেয়জনৰ বৃদ্ধত্বৰ মৃত্যুৰ যন্ত্ৰণা চাই সহ্য কৰিব নোৱাৰি আঁতৰি থকাই মঙ্গল । তথাপি পৰিবাৰ সাৱিত্ৰীৰ লগত আলোচনা কৰি গাঁৱৰ ঘৰলৈ গৈয়ো মৃত্যুৰ লগত যুঁজ কৰি থকা দেউতাকৰ কোঠালৈ সোমাবলৈ সাহস কৰিব নোৱাৰি দীলিপে অতীত ৰোমন্থন কৰিবলৈ ধৰিলে বিশেষকৈ কালীৰাম পণ্ডিতৰ দিবাৰাত্ৰিক আশাশুধীয়া শুশ্ৰূষাৰ ফলত দেউতাকৰ অৱস্থা কিছু ভাল হোৱা বুলি জানিব পাৰি ।

দীলিপৰ মনত পৰিল দেউতাকে অতি শ্ৰদ্ধা কৰা সূৰ্য বৰদেউতাকৰ কথা । অতি পিচপৰা অঞ্চলটোত শিক্ষাৰ পোহৰ বিলাই নিজৰ সুখ শান্তি আশা বাসনা ত্যাগ কৰি আনৰ মঙ্গলৰ বাবে কাম কৰিও কোনো স্বীকৃতি নেপাই কেৱল লাঞ্ছনা-গঞ্জনা অনাদৰ অৱহেলা পোৱা সূৰ্য বৰদেউতাৰ কথা । দীলিপক আটাইতকৈ প্ৰভাৱ কৰা মানুহজন কালীৰাম পণ্ডিত । এজন অতি মৰমীয়াল এলপি স্কুলৰ পণ্ডিত । তেওঁৰ যাদুকৰী প্ৰভাৱে দীলিপহঁতৰ ঘৰখন হাঁহিৰে ভৰাই তোলে । দুখ ভাগৰ নমনা কেৱল সেৱামনোবৃত্তিকে গ্ৰহণ কৰা কালীৰামে বহুদিন বহুনিশা খাটি, শুৱলামাতেৰে কীৰ্তনৰ পদ পঢ়ি শুনাই দীলিপৰ মাকক তেজহাগনী বেমাৰত মৃত্যুমুখৰ পৰা বচোৱাত কালীৰাম পণ্ডিতেই দেহেকেহে খাটিছিল । কালীৰাম পণ্ডিতে দীলিপক স্বাধীনভাৱে চিন্তা কৰিবলৈ শিকাবলৈ দেউতাকক পৰামৰ্শ দিছিল । কোনো প্ৰতিদান নিবিচাৰি নিজৰ দুখ-বিপদৰ কথা নেভাবি কেৱল আনক সেৱা শুশ্ৰূষা মঙ্গল চিন্তা কৰা পণ্ডিতক সেয়ে দীলিপহঁতে দেৱতা সদৃশ জ্ঞান কৰিছিল । দেউতাকেও দীলিপক সদায় কালীৰাম পণ্ডিতক কৃতজ্ঞতাৰে স্মৰণ কৰিবলৈ আদেশ দিছিল ।

সত্তৰৰ দেওনা পাৰ হোৱা সেই কালীৰাম পণ্ডিতেই স্বাচ্ছন্দ গতিকে দীলিপক কলে যে বুঢ়া হৈ তেওঁ দুখ পোৱাতকৈ সুখহে পাইছে যেনহে লাগিছে । জন্মিলে যেনেকৈ মৰিব লাগিবই ঠিক তেনেকৈ বুঢ়াও হব লাগিবই । বুঢ়া নোহোৱাকৈ মানুহ মৰিব কেনেকৈ ? মৰণ যেতিয়া আহিব পো-বোৱাৰী, নাতিক-নাতিনী আৰু গাঁৱৰ মৰম চেনেহৰ মাজত তেওঁ শেষবাৰলৈ চকু মুদিব । তেওঁৰ পিতা, ককা, আজোককা,

আজোককাৰ আজোককা পুৰুষৰ পিচত পুৰুষ ধৰি তেওঁলোকৰ গাঁ-লীয়া খেতিয়ক সমাজৰ সকলোৱেই তেনেদৰেই জীৱন কটাইছিল আৰু তেনেকৈয়ে মৰিছিল । পিচে তেওঁৰ সংবাহঁত ঠিক তেনেকৈয়ে জীৱনটো শেষ কৰিবলৈ পাবনে নেপাব সেইটো তেওঁ খাটাংকৈ নেজানে ।

দেউতাকৰো এনে স্বাচ্ছন্দ মৃত্যু কামনা কৰা দীলিপে আপোন গো-বোৱাৰী নাতিনী নাতিনীৰ লগত থাকি নগৰত চিকিৎসা কৰাবলৈ দেউতাকক লৈ যাবলৈ প্ৰস্তাৱ কৰিলে। তাৰমতে গাঁৱত কেৱল ভৃত্যৰ শুশ্ৰূষাৰে দেউতাকে বৃদ্ধ আৰু ৰুগ্ন দেহেৰে অত্যন্ত কষ্ট পাব । পিচে গ্ৰাম্য প্ৰকৃতি প্ৰাণ দেউতাকে ঘোৰ আপত্তি কৰিছিল । "ওপজিবৰে পৰা আজি এই তিৰাশীবছৰ বয়সলৈকে যিখন ঠাই আৰু যিবোৰ মানুহ আৰু যিবোৰ পশু-পক্ষী গছ লতাৰ মাজতে মই জীৱনটো কটালোঁ - যিখন ঠাইৰ বেলি ওলোৱা, বেলি বুৰ যোৱা চাই চাই অভ্যস্ত হ'লোঁ সেই ঠাইতে মোৰ চিনাকী দৃশ্যবোৰ চাই চাই আৰু চিনাকী মাতবোৰ শুনি শুনিয়ে মই শেষবাৰলৈ চকু মুদিব খোজোঁ । কোনো অচিনাকী ঠাইলৈ গৈ মই পৃথিৱীৰ পৰা শেষ বিদায় ল'ব নোখোজোঁ । বাৰ্ধক্যৰ যন্ত্ৰণা সহ্য কৰিবলৈ মোৰ শক্তি আছে, কিন্তু জীৱনৰ এই গধূলি পৰত তিৰাশীবছৰৰ চিনাকী গাঁওখন আৰু ঘৰখনৰপৰা বিচ্ছেদ সহ্য কৰিবলৈ মোৰ শক্তি নাই ।"

তথাপি অস্থায়ীভাৱে হলেও কেৱল চিকিৎসাৰ বাবে নগৰলৈ যাবলৈ দীলিপে বাৰে বাৰে ধৰাত অৱশেষত অতি ভগ্নমনেৰে দেউতাক ৰাজী হ'ল । অৱশ্যে প্ৰকৃতিৰ লগত বিচ্ছেদ হ'বলগা এনে অৱধাৰিত পৰিণামৰ বাবে দীলিপৰ মনতো আঘাত নলগাকৈ থকা নাছিল । সিও এবাৰ তাৰ শৈশৱ-কিশোৰ-যৌৱনৰ খেলাভূমি তাৰ গাঁওখন, কাষৰ নৈখন আৰু ম'হখুলি চাপৰিটো হেঁপাহ পলোৱাকৈ চাই ল'বলৈ ওলাই গ'ল । ফাগুনৰ উজ্জ্বল আকাশত জুই জ্বলোৱা শিমলু কেইজোপাৰ বাহিৰেও গোটেই চাপৰিটোৱেই চাৰিওফালৰ পৰা হাত বাউল দি দীলিপক মাতিবলৈ ধৰিছে... । উলুবন আৰু খিৰিকাণি, ইকৰাণি আৰু নলনি, আহুতলি আৰু কুহিয়াৰবাৰী এইবোৰৰ মাজে মাজে যিপিনেই তেওঁ মানুহৰ ভৰি খোজ দেখিলে সেইপিনেই সি আগবাঢ়িবলৈ ধৰিলে । এজাক ফাগুনী বতাহে কাক জানো বিচাৰি পাক ঘূৰণি খাই দীলিপৰ মন উতলা কৰি তুলিলে । বিস্ময় বিমুগ্ধ দৃষ্টিৰে দশোদিশৰ পৃথিৱীখন সি চাবলৈ ধৰিলে । আঁহতগছৰ কুঁহিপাতবোৰৰ মাজেদি দেখা উজ্জ্বল নীল নীল আকাশখন, নীলিমাক বোকোচাত লৈ আপোনমনে উৰি ফুৰা চৰাইবোৰ, সুন্দৰ ৰক্তবৰ্ণৰ শিমলু ফুলবোৰ, হৃদয়ৰ উজ্জ্বল আনন্দৰ প্ৰতীক কপৌ ফুলবোৰ ... আনন্দৰ আতিশয্যত হঠাৎ দীলিপৰ চিঞৰি দিবলৈ মন গ'ল । কি সুন্দৰ কিহ তুলনা, কি অসহ্য আৰু আশ্চৰ্যভাৱে সুন্দৰ ।"

প্ৰকৃতিৰ এনে অনিন্দ সুন্দৰ পৰিৱেশত দীলিপক এজোপা গছ, এটা কলি, এপাহ [illegible] কপৌফুল, এখন [illegible], এটা চৰাই, এটুকুৰা শিল, এটা [illegible]

প্রকৃতিৰ লগত মিলি যাবলৈ । অৱশ্যে এনে ৰোমাণ্টিক ভাবোচ্ছাসৰ গাঁৱৰ জগত এৰি দেউতাকক লৈ দীলিপ নগৰ পালেগৈ । উন্নত চিকিৎসা কৰাই দেউতাকৰ স্বাস্থ্যও ভালেখিনি উন্নত কৰিলে । পিচে নগৰৰ ধৰাবন্ধা কৃত্ৰিম জীৱন, পো-বোৱাৰী নাতি-নাতিনীৰে জোখমাখৰ ব্যৱহাৰে দেউতাক মুঠেই সুখ শান্তি দিব নোৱাৰিলে । নাতিয়েক কুণালৰ ভাষাতে এয়া হ'ল প্ৰজন্ম প্ৰভেদ । দীলিপৰ পৰিবাৰ আৰু পুতেক জীয়েকে দেউতাকক অত্যন্ত বিনয়েৰে ব্যৱহাৰ কৰিলেও দেউতাকে সিহঁতৰ সেই তুহীন শীতল ভদ্ৰতাৰ অন্তৰালত ঔচিত্যবোধ যিমান প্ৰবল তাৰ তুলনাত মৰ্মত্ববোধ প্ৰায় শূন্য বুলিয়েই দেউতাকে অনুভৱ কৰে । দীলিপৰ দেউতাকৰ সুদীৰ্ঘ তিৰাশী বছৰ অতিবাহিত হৈছে এখন হাবিতলীয়া অসমীয়া কৃষিজীৱী গাঁৱত - খেতি-পথাৰ, গৰু-ম'হ, আইনাম-বিয়ানাম, সবাহ-ভাওনা, কীৰ্ত্তন-দশমৰ মাজত, এই জগতখনৰ বাহিৰৰ কোনো কথাৰ লগতেই তেওঁৰ বিশেষ পৰিচয় নাই । আনহাতে আধুনিক সভ্যতাৰ আদব কায়দাৰে ডাঙৰ হোৱা দীলিপৰ পৰিয়ালৰো গ্ৰাম্যজীৱনৰ লগত কোনো পৰিচয় নাই । ফলত দুই বিপৰীত অৱস্থাই দীলিপৰ দেউতাকৰ মনৰ গভীৰ নিসঙ্গতাহে আনি দিলে ।

অথচ গাঁৱত লগুৱা-লিকচৌবোৰৰো হৃদয়বান সম্পৰ্ক থকাত দীলিপক দেউতাকে তেওঁক গাঁৱৰ ঘৰলৈ পঠাই দিবলৈ খাটনি ধৰিলে । তেওঁ দীলিপক বুজাব পৰা নাই যে তেওঁৰ মনটো হাহাকাৰ কৰি মৰিছে সেই চৰাইজাকৰ কাৰণে-- যি চৰায়ে পুৱে ধলফাট দিয়াৰ আগতেই তেওঁক টোপনিৰ পৰা জগাই দিয়ে । পদূলিৰ তৰুৱা কদম । গোহালিৰ গৰু, চোতালসৰা গোন্ধ, সৰ্বশৰীৰ জুৰপেলোৱা বতাহজাকৰ কথা তেওঁ বুজাব পৰা নাই পুতেক দীলিপক । তথাপি দীলিপৰ দেউতাকে অনুভৱ কৰে যে যিবোৰ বস্তুৰ কাৰণে তেওঁৰ প্ৰাণে আজি হাহাকাৰ কৰি মাৰিছে সি সুখাদ্য নহয়, আৰাম স্বাচ্ছন্দ্য নহয়, কোনো দিব্য অনুভূতি নহয়, আনকি পো-বোৱাৰী নাতি নাতিনীৰ সান্নিধ্যও নহয়; তেওঁৰ পৰম কামনাৰ বস্তুবোৰ হ'ল — গাঁৱলীয়া প্ৰকৃতিৰ সেই তুচ্ছ নগণ্য দৃশ্যবোৰ আৰু গাঁৱৰ সেই সহজ সৰল মানুহবোৰ -যিবোৰৰ লগত জীৱনৰ তিৰাশীবছৰ ধৰি তেওঁৰ প্ৰাণৰ নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল ।

দেউতাকৰ বাৰম্বাৰ কাতৰ অনুৰোধৰ পিচতো দীলিপে তেওঁক গাঁৱলৈ ঘূৰাই পঠোৱাৰ বাবে সন্মতি দিব নোৱাৰিলে । কাৰণ গাঁৱলৈ গ'লে ভৃত্যৰ হাতত দেউতাক অনাদৃত হ'ব আৰু আপোন পো-বোৱাৰী নাতি নাতিনীৰ পৰা দেউতাকক পঠাই দিয়াতো লোকচকুত বিসদৃশ হ'ব । ফলত দুখতে দীলিপৰ দেউতাকে বোৱাৰী নাতিহঁতৰ লগ এৰি সম্পূৰ্ণ নিসঙ্গ হৈ পৰে । ইফালে দেউতাকৰ ক্ৰমে স্মৃতিশক্তি হেৰোৱাই পেলায় আৰু খোৱা-বোৱা এৰি তেওঁ অদ্ভুত কামবোৰ কৰিবলৈ লয় । দেউতাকৰ এনে শোচনীয় অৱস্থা দেখি দীলিপে পত্নীক কাতৰ অনুৰোধ কৰি কয় যে এদিন তেওঁলোকো বুঢ়া হৈ আপদ বোজা হ'ব । গতিকে জীয়াই থকা সকলে মৰাবোৰক এনেভাৱে বিদায় দিয়া

উচিত যেন তেওঁলোকৰ কোনেও পৃথিৱীখনক নৰক আৰু জীৱনটোক অভিশাপ বুলি ভাবি পৃথিৱীৰ পৰা মেলানি মাগিব লগা নহয় । তেতিয়াহ'লে জীৱিতসকলৰ কাৰণেও জীৱনটো অভিশপ্ত হ'ব । দীলিপেও বুজি পায় যে তেওঁলোকৰ ঘৰখন দেউতাকৰ শান্তিৰ অৱলম্বন নহয় । ৰবৰু গছ লতা লৈ-বিল্ জোন-বেলি মানুহৰ মাত আৰু পশু পক্ষীৰ কণ্ঠস্বৰে কলৰৱ গাঁৱৰ ঘৰখনৰ স্মৃতিয়েহে দেউতাকক উন্মনা কৰে । উঠিবলৈ বল নোহোৱা দেউতাক, দীলিপ আৰু সাবিত্ৰীয়ে বাহিৰলৈ ধৰি নিওঁতে দেউতাকে সিহঁতলৈ ভ্ৰূক্ষেপ নকৰি সক ল'ৰাৰ মতে চুৰিয়াখন কঁকালটোকে দাঙি থিয়ে থিয়ে পেচাব কৰা দেখি দীলিপৰ গভীৰ দুখবোধ হ'ল যে এদিন সিও বুঢ়া হ'ব আৰু তেওঁৰ শেষ পৰিণতিও এনেকুৱাই হ'ব । হায় জীৱন ।

অৱশেষত এদিন দেউতাকৰ কোঠাৰ দুৱাৰ খুলি দীলিপে দেখিলে যে নিজ বিষ্ঠা লেটি লৈ উৎকট দুৰ্গন্ধৰ মাজত দেউতাক বিছনাত অৰ্দ্ধচেতন অৱস্থাত পৰি আছে সম্পূৰ্ণ নগ্ন অৱস্থাত । তা' শৰ্মাই বেজী দিয়াত সামান্য চেতনা ঘূৰি আহিল যদিও গধূলিলৈ পুতেকৰ হাতৰ পৰা পানী একামুচ খাই "দুল ... মই ঘৰলৈ ... " বুলি কৈ কাহ আৰু চৰ্চৰণী খোৱাৰ দৰে ঢলি পৰিল । দীলিপ নিশ্চিত নহ'ল আচলতে দেউতাকে ঘৰ মানে কোনখন ঘৰৰ কথা বুজালে ।

বিছনাৰ কাষত আঁঠুকাঢ়ি দীলিপে দেউতাকৰ নিষ্প্ৰাণ হাত এখন নিজৰ দুই হাতৰ মাজত সুমোৱাই লৈ গভীৰ মমতাৰে ভাবিলে —

তুমি এই পৃথিৱীখনক খুব ভাল পাইছিলা । এই জীৱনটোক খুব ভাল পাইছিলা । আজি তুমি শূন্যত বিলীন হৈ গ'লা, তোমাৰ, আমাৰ সেই গভীৰ ব্যাকুল প্ৰেম পৰিব্যাপ্ত হৈ ৰ'ল এই সুন্দৰ ভুবনৰ প্ৰতিটো অণু-পৰমাণুৰ মাজত । মানুহ আহিব আৰু যাব, কিন্তু যিটো বস্তু অনন্তকাল অজৰ অমৰ হৈ থাকিব সেইটো হ'ল এই সুন্দৰ ভুৱন আৰু ৰহস্যময় জীৱনৰ সুগভীৰ প্ৰেম । সেই প্ৰেমৰ মাজতেই তুমি চিৰকাল জীয়াই থাকিবা ।

অন্তৰাগ উপন্যাসৰ যোগেদি একাসে প্ৰকাশ পাইছে বৃদ্ধৰ গভীৰ উপলব্ধি আৰু মৃত্যুৰ পৰৱৰ্তীকালৰ প্ৰতি এক পৰম আশাবাদী অভিব্যক্তি । সচৰাচৰ বৃদ্ধকালীন মুক্তি বা মোক্ষৰ আকুতি অথবা আত্মা পৰমাত্মাত বিলুপ্তিৰ আধ্যাত্মিকতা এই উপন্যাসত প্ৰকাশ পোৱা নাই । বৰঞ্চ এই পৃথিৱীৰ প্ৰতি প্ৰবল মোহ যে মৃত্যুৰ পিছতো মানুহক [illegible]

[illegible]

[illegible]

[illegible]

[illegible]

সাঁফিয়াই দিয়ে । অন্তৰাগৰ অনুপম সম্পদ হ'ল অকৃত্ৰিম প্ৰকৃতিপ্ৰেম আৰু ইয়াৰ অতুলনীয় আলঙ্কাৰীক ভাষাৰ কাব্যিকতা ।গ্ৰাম্য প্ৰকৃতি প্ৰীতিৰ প্ৰকাশ আৰু সৌন্দৰ্যৰ বৰ্ণনাত ঔপন্যাসিক হোমেন বৰগোহাঞিৰ ভাষাত যেন যাদুৰ পৰশহে লাগিছে 'অন্তৰাগ'ৰ পাতে পাতে সি প্ৰতিভাত হৈছে ।

(৮) সাউদৰ পুতেকে নাও মেলি যায়

অজ্ঞানতা আৰু নিৰ্জনতাই এন্ধাৰ কৰি ৰখা এখন গাঁৱৰ এটা অবোধ শিশুৱে নগৰৰ পোহৰত ইংৰাজী স্কুললৈ যোৱা সময়লৈকে তাৰ আত্মা আৰু আনন্দই কেনেকৈ বিকাশ লাভ কৰিছে তাৰ সুষম আৰু আলোকময় বৰ্ণনা সাউদৰ পুতেকে নাও মেলি যায় উপন্যাসখন মহৎ কৰি তুলিছে বুলি 'অসমবাণী' কাকতৰ ভাষ্যকাৰে মন্তব্য প্ৰকাশ কৰিছে ।"'অন্তৰাগ' উপন্যাসৰ গ্ৰাম্য প্ৰকৃতি প্ৰীতিৰ উন্মাদনাৰ পৰিবৰ্তে আধুনিক শিক্ষা আৰু জীৱনৰ প্ৰতি প্ৰবল মোহো আলোচ্য উপন্যাসত প্ৰকাশ কৰা হৈছে ।

বাপুকণ আৰু হেবাং প্ৰকৃতিৰ দৰে বন্ধনহীন শিশু । আম-জামু-কঁঠাল বিচাৰি মুক্তমনেৰে সিহঁতে ম'হঘূলিৰ হাবি চলাথ কৰে ।পিচে অঙ্কণ কৰা বাপুকণৰ দেউতাকলৈ যমসদৃশ ভয় ।এদিন পকা আম পাৰোতে দেউতাকৰ ভয়ত সি হেবাঙৰ ঘৰতে থাকিল। দেউতাকে বিচাৰি যোৱাত সি হেবাঙৰ মাকৰ বিছনাৰ তলত সোমাল । হেবাঙৰ মাকে কাকূতি কৰাত বাপুকণক মাৰ ধৰ নকৰে বুলি কথা দি তাৰ দেউতাকে তাক ৰাতিটোৰ বাবে হেবাঙৰ ঘৰতে এৰি আহিল ।

গাঁওখনৰ প্ৰতিটো কুকুৰ, প্ৰতিজন মানুহ আৰু প্ৰতিজোপা গছ বাপুকণৰ চিনাকী। কুকুৰ-শিয়াল আদিও তাৰ প্ৰিয় বন্ধু ।কুকুৰা পোৱালী তাৰ বৰ মৰমৰ আৰু শিয়ালৰ মাতৰ প্ৰতি তাৰ বিশেষ টান আছে। নৈখন সিহঁতে বৰ ভাল পায় ।'নৈত সাঁতুৰি নাডুৰি সমস্ত জগত, সময়ৰ চেতনা, দেউতাকৰ শাস্তিৰ ভয়ৰ এই সকলোবোৰ সিহঁতৰ চেতনাৰ পৰা বিলুপ্ত হৈ যায় ।সিহঁতৰ নগ্ন - সুকুমাৰ শৰীৰ দুটাত পানীৰ সোঁতে মৃদু মৃদু আঘাত কৰি এক অবৰ্ণনীয় সুখাবেশৰ সৃষ্টি কৰে । দুৰন্ত শিশুৱে মাকৰ বুকু টানি আজুৰি, কোলাত বাৰে বাৰে জঁপিয়াই পৰি নাকে মুখে চুমা খাই যেমালি কৰাৰ দৰে বাপুকণ হেবাঙেও ম'হঘূলি নৈৰ লগত বিচিত্ৰ-মধুৰ খেলা খেলে । অৱশেষে দেউতাকে বলবীয়া জন্তুৰ হিংস্ৰতাৰ [illegible] বাপুকণে অন্তপোহাৰ মোহ এৰি দিয়ে ।

সেইবুলি [illegible] বাপুকণৰ মনটো মাজে মাজে মৃত্যুৰ ভয়ৰ ভাৱে আছে। সেয়েই গাঁওখনতেই [illegible] সিহঁতৰ [illegible] ম'হ-[illegible] [illegible] যোৱা-যোৱা অৱস্থা'। [illegible] মৃত্যুৰ [illegible] সিহঁতৰ [illegible] [illegible]

ওপৰত মাটিৰ চপৰা দিয়াৰ লগে লগেই বাপুকণে আৰ্তনাদ কৰি উঠিছিল । যি মাখনীয়ে কেতিযাও ঘৰত অকলে শুই পোৱা নাই, তাই নে পাৰৰ মাটিৰ তলত অকলে কেনেকৈ শুব । সাৰ পাই উঠিলেই তাই ভয়তে "ককাইদেউ ককাইদেউ" বুলি চিঞৰিব বুলি ভাবি বাপুকণে দুখত ভাগি পৰি চিৎকাৰ কৰিলে ।

বাপুকণৰ ভাল নাম বিক্ৰম । বিক্ৰম ক্ৰমে ডাঙৰ হ'ল । দেউতাকে তাকে প্ৰাইমেৰী স্কুলত নাম লগাই দিলে । সি ক্ৰমে কিতাপ আলোচনী পঢ়িব পৰা হ'ল । দেউতাকে তাক ঘৰৰ লাইব্ৰেৰীৰ চাবিকাঠিও দিলে । বাপুকণৰ জ্ঞান আৰু অধ্যয়ন স্পৃহা দেখি স্কুলত হেডপণ্ডিতো মুগ্ধ হ'ল । তেওঁ বাপুকণৰ দেউতাকক বাপুকণৰ বাবে কিতাপ-পত্ৰ মগাই যা-যোগাৰ কৰি দিবলৈ উপদেশ দিলে । সাধুকথা-গল্প-উপন্যাস-প্ৰবন্ধ কবিতা জীৱন-চৰিতৰ প্ৰতি বাপুকণৰ খুব ধাপ বুলিও পণ্ডিতে কলে ।

পঢ়া জীৱন আৰম্ভ হোৱাৰ লগে লগে বাপুকণৰ আজন্ম লগৰীয়া হেবাঙৰ লগত দেখা দেখি নোহোৱা হ'বলৈ ধৰিলে । কাৰণ হেবাঙৰ পঢ়া-লেখা নহ'ল । সেয়ে এদিন আলোচনী এখন পঢ়ি থাকোঁতে হেবাঙে খেলিবলৈ যাবলৈ টনা-আজোৰা কৰোঁতে আলোচনীখন ওফৰি মাটিত পৰি গ'লত বাপুকণে খঙতে ক'লে যে ক'টোৰ চকু কেইটা নজনা হেবাঙে কিতাপৰ মূল কি বুজিব । তাৰ লগত টলৌ-টলৌকৈ ঘূৰি ফুৰি আম-কঁঠাল চেলেকি ফুৰিবলৈ বাপুকণৰ আগৰ দৰে সময় নাই । সেই দিনাৰ পৰা কিতাপ পঢ়াৰ সময়ত আমনি নকৰিবলৈ সি হেবাঙক সঁকিয়ালে । হেবাং দিলপৰা কপৌৰ দৰে স্তব্ধ হৈ গ'ল । আৰু বাপুকণৰ তাৰ লগত অৰ্থাৎ বন্য প্ৰকৃতিৰ লগত সম্পৰ্ক শিথিল হৈ পৰিল ।

সেই সময়তে ম'হঘুলিলৈ নতুনকৈ বদলি হৈ অহা ডাক্তৰৰ ল'ৰা দুলালেও বাপুকণৰ শ্ৰেণীত নাম লগালেহি । দুলাল বাপুকণৰ দৰেই চোকা আৰু কিতাপ পঢ়া ল'ৰা । শ্ৰেণীত দুয়োৰে মাজতেই প্ৰথম হোৱাৰ বাবে প্ৰতিযোগিতা হ'ব । বাপুকণে ঘৰত 'বাঁহী' 'আৱাহন' আদি পঢ়া আৰু স্কুলৰ লাইব্ৰেৰীৰ কিতাপ পঢ়াৰ বাদেও দুলালৰ হাতত নতুন নতুন কিতাপ দেখি পঢ়িবলৈ ললে । দুয়োৰে মাজত বন্ধুত্ব ইমান গাঢ় হৈ পৰিল যে দুলালহঁতৰ ঘৰত বাপুকণক ভাত খাবলৈও মাতিছে । দুলালে ম'হঘুলিত এটা লাইব্ৰেৰী পতাৰ প্ৰস্তাৱ দিয়াত বাপুকণ উত্তেজিত হৈ পৰিল । অৱশেষত গাঁৱৰ ল'ৰা মখাৰ লগত আলোচনা কৰি লাইব্ৰেৰী পতাৰ সিদ্ধান্ত হ'ল আৰু দুলালক লাইব্ৰেৰী কমিটিৰ সম্পাদক আৰু বাপুকণ [illegible] লাইব্ৰেৰীয়ান পাতিলে । অৱশেষত সিহঁতে লাইব্ৰেৰীৰ নাম [illegible] উদ্বোধনৰ বাবে গাঁৱৰ একমাত্ৰ সাহিত্যিক যোগেন [illegible] উপদেশ ললে । যোগেন [illegible] গাঁওবাসীৰ সমদলে [illegible] [illegible] লাইব্ৰেৰীটোৰ নাম "[illegible] লাইব্ৰেৰী" দিলে । লাইব্ৰেৰীটো [illegible]

সিদ্ধান্ত ললে । বিক্ৰম, দুলাল যোগেন গগৈ আৰু গাঁৱৰ অন্যান্য লোকৰ পৰা কিতাপ দান লোৱা আৰু লাইব্ৰেৰীৰ পুঁজিৰ বাবে মুষ্টিভিক্ষা কপতো সিহঁতে স্থিৰ কৰিলে । মুষ্টিভিক্ষা যে এটা অতি সাধু প্ৰথা দুলালে সেই কথা পোন প্ৰথমে বিক্ৰমৰ পৰা বুজি পালে ।

এদিন দেউতাকৰ লাইব্ৰেৰীৰ আলমাৰী খোলোতে হঠাতে এটা পেটাৰীত দেউতাকৰ সোঁৱৰণীখনো পায় ।উৎকণ্ঠাবশতঃ সোঁৱৰণীখন পঢ়ি দেউতাকৰ ৫০ বছৰত মাকৰ মৃত্যু হ'ব বুলি পঢ়ি বিক্ৰমৰ বুকুখন মুচৰ খাই গ'ল । সোঁৱৰণীৰ কথাবোৰ সঁচা বুলি বিশ্বাস কৰা বিক্ৰমে গভীৰ বিষাদেৰে স্বগতোক্তি কৰিলে যে আৰু ২ বছৰৰ পিচত তাৰ মাকৰ মৃত্যু হ'ব । তাৰ মাকৰ হিয়া পমিযোৱা মাতষাৰ শুনিবলৈ নেপাব । তাৰ মাকে আৰু গধূলিৰ আন্ধাৰত ব্যাকুলভাৱে তালৈ বৈ নেথাকিব । ভনীজনীৰ দৰে তাৰ মাককো নদীৰ পাৰত অকলে শোৱাই থব । ১২ বছৰীয়া ল'ৰাটোৱে সোঁৱৰণী বিশ্বাস কৰি বেজাৰত ভাগি পৰিল ।

এই ১২ বছৰীয়া বিক্ৰমেই খুড়ীয়েকৰ ঘৰলৈ অহা ৰেণু নামৰ ছোৱালীজনীৰ প্ৰতি মোহগ্ৰস্ত হৈ পৰিল । চোতালত হঠাতে পিছলি পৰা বিক্ৰমক বাউসীত ধৰি দাঙি "খুব দুখ পালা নেকি ?" বুলি সুধাত সি অধিক আকৰ্ষিত হ'ল । ৰেণুৰ প্ৰতি । ৰেণুৰ স্পৰ্শত পুলকিত হোৱা কিশোৰ বিক্ৰমে গণেশ গগৈ, যতীন দুৱৰা, দেৱকান্ত বৰুৱাৰ প্ৰেমৰ কবিতা সঘনে পঢ়িবলৈ ধৰিলে ।

দুলালৰ ঘৰত ভাত খাবলৈ গৈ দুলালৰ দেউতাকৰ মুখত বস্তুবাদী ধাৰণাৰ কথা শুনি বিক্ৰম বিশেষভাৱে আকৰ্ষিত হয় । তেখেতৰ মতে এই সংসাৰত জীৱনৰ পৰিপূৰ্ণ আনন্দ উপভোগ কৰিব লাগে । বাচি থাকিবলৈ শক্তি লাগে বাবে খাদ্যৰ প্ৰয়োজন । কাৰণ খাদ্যৰ পৰাহে শক্তি আহে । সেইহে শক্তিৰ বাবে লগা খাদ্যখিনি আৰু খাদ্য হজম হ'বৰ বাবে শাৰীৰিক পৰিশ্ৰম বা ব্যায়াম প্ৰয়োজন । আজিৰ শিকাই জন্মৰ মুহূৰ্তৰ পৰাই মানুহৰ মূৰত সন্ন্যাস-বৈৰাগ্য ত্যাগ আদি বাজে কথা সোমোৱাই দিয়ে আৰু ইহকালতকৈ পৰকালৰ ধান্দা বেছিকৈ সোমোৱাই দিয়ে । মাহ-চাউল কল-মিঠৈ খাই পৃথিৱীৰ শক্তিশালী জাতিবোৰৰ লগত প্ৰতিযোগিতা কৰিব নোৱাৰি । যিবোৰে মাছ মাংস দৰকচি খাব সিহঁতেই পৃথিৱীৰ মালিক হ'ব, বকটীয়া হৈ পৰকালৰ ধান্দাত থকাবোৰ হ'ব সিহঁতৰ গোলাম । [illegible] এই [illegible] পৃথিৱীখন সৃষ্টি কৰিছে মানুহৰ ভোগৰ কাৰণে । যি মানুহে এই পৃথিৱীখনক [illegible] বুলি কয় বা ভোগ কৰাটোক পাপ বুলি কয়, তেওঁলোকে পাপী আৰু [illegible] নাই [illegible] সেই মানুহ [illegible] উপহাৰ [illegible]
সি [illegible] দিয়ে ।

[illegible]

কাল্পনিক পৰকালৰ কথা ভৰা ভাওৰ পাপ । ঈশ্বৰৰ পৰম সুন্দৰ সৃষ্টি এই জগতখনক অস্বীকাৰ কৰা মানে ঈশ্বৰৰ মহত্বকেই অস্বীকাৰ কৰা । ধৰ্ম-শিক্ষা দিয়া মতে কেৱল পৰম ব্ৰহ্মাতৰ বিলীন হোৱা মুক্তিৰ সাধনাই জীৱনৰ চৰম লক্ষ্য বুলা কথা শুদ্ধ নহয় । পৃথিৱীৰ জীৱমাত্ৰেই মৃত্যুৰ পিচত পৰম ব্ৰহ্মাত লীন হৈ যাবই, অৰ্থাৎ সকলো প্ৰাণীয়েই মৃত্যুৰ পিচত মাটিত বিলীন হৈ যাবই । তাৰ কাৰণে আকৌ তপ-জপ-ধৰ্ম কৰ্মৰ দৰকাৰ কি ? অথচ এই অৰ্থহীন কথাবোৰকে গাই-বাই মানুহে যে কিমান হাজাৰ বছৰ নষ্ট কৰি আহিছে ।

নতুন লাইব্ৰেৰীত বিক্ৰম-দুলালহঁতে ইতিমধ্যে মুকুত সংঘ গঠন কৰিলে । দুলাল সংঘৰ সভাপতি আৰু বিক্ৰম সম্পাদক হ'ল । সিহঁতে "প্ৰভাত" নামৰ হাতে লিখা আলোচনী এখনো উলিয়াব, সম্পাদক হ'ব দুলাল ।

তেনে সময়ত বিক্ৰমে এদিন শুই উঠি পঢ়া কোঠালীলৈ গৈ টেবুলত "ব্ৰহ্মচৰ্য" নামৰ এখন কিতাপ দেখিলে । 'ব্ৰহ্মচৰ্য' নামৰ কিতাপখন পঢ়ি বিক্ৰমে বুজি পালে যে বাল্যকাল হ'ল ব্ৰহ্মচৰ্য পালনৰ সময় আৰু বাল্যকালত নাৰী চিন্তা মহাপাপ । অথচ ৰেণুক দেখিবৰ দিনা ধৰি তাৰ সমগ্ৰ জগতখন এনেদৰে ৰেণুময় হৈ উঠিছে যে সেইদিন ধৰি ৰেণুৰ বাহিৰে আন এটো কথাই সি চিন্তা কৰিব পৰা নাই । বিক্ৰমৰ এতিয়া দিবাস্বপ্নৰ নায়িকা হ'ল ৰেণু - যাৰ লগত তাৰ এষাৰো বাক্য বিনিময় হোৱা নাই আৰু কোনো দিনেই নহ'ব বুলিও সি নিশ্চিত ।

কিন্তু বিক্ৰমে কেৱল কবি আৰু প্ৰেমিক হ'ব নিবিচাৰে - সি হ'ব বিচাৰে এজন আদৰ্শবান সৎমানুহ, পৰিপূৰ্ণ মানুহ । সেই কাৰণে সি কিতাপত যেতিয়া যি কথা পঢ়ি ভাল পায়, সেইটোকে নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈ বিচাৰে । সি ধ্ৰুৱৰ উপাখ্যান পঢ়ি কঠোৰ তপস্যাৰ দ্বাৰা ধ্ৰুৱত্ব লাভ কৰিবলৈ চেষ্টা কৰিব খোজে, দধীচিৰ উপাখ্যান পঢ়ি পৰৰ হিতাৰ্থে আত্মত্যাগ কৰিবলৈ বিচাৰে । সি কেতিয়াবা চেংগিছ খানৰ দৰে দিগ্বীজয়ী বীৰ হৈ সমগ্ৰ পৃথিৱীত ৰক্তপ্লাৱন সৃষ্টি কৰিব খোজে । আকৌ কেতিয়াবা বুদ্ধৰ কৰুণাৰে সমগ্ৰ পৃথিৱীকে বুকুৰ মাজত আঁকোৱালি ল'ব খোজে ।

এদিন দেউতাকে গম্ভীৰস্বৰে বিক্ৰমক জনালে যে দুমাহৰ পিচতে সিহঁতৰ ছাত্ৰবৃত্তিৰ ফাইনেল পৰীক্ষা হ'ব । তাৰ পিচত সি হাইস্কুলত নাম লগাব লাগিব । তাৰ পিচত গাঁৱৰ হাইস্কুলত পঢ়া নহ'ব । কাৰণ স্কুলখনে এতিয়াও চৰকাৰি উঠা নাই । এজন মাথোঁ বি. এ. পাছ মাষ্টৰেহে হাইস্কুলখন চলি আছে । গতিকে দেউতাকে বিক্ৰমক টাউনৰ হাইস্কুললৈ পঠোৱাৰ কথা ভাবিছে । হোষ্টেলত থাকি সি পঢ়িব লাগিব । দেউতাকে আৰু জনালে যে দুলালো টাউনৰ হাইস্কুলত পঢ়িবলৈ যাব ।

গাঁৱত হাইস্কুল এখন থকাটোতেও বিক্ৰমক নগৰত পঢ়িবলৈ পঠোৱা বুলি বিক্ৰমে কেতিয়াও কল্পনা কৰা নাছিল । গতিকে সি উত্তেজিত হৈ পৰিল । গাঁৱৰ ভাল লগৰ

কেইটা নগৰত পঢ়িবলৈ যোৱা দেখি আৰু নগৰত দুই চাৰিজন বিখ্যাত কবি সাহিত্যিকক দেখা পোৱাৰ সৌভাগ্যৰ কথা ভাবি বিক্রম ৰোমাঞ্চিত হ'ল । অৱশ্যে প্ৰথম উত্তেজনা শাম কটাৰ পিচত বিক্রমৰ উপলব্ধি হ'ল নগৰত পঢ়িবলৈ গৈ গাঁৱলৈ পুনৰ ঘূৰি নহা প্ৰফুল্ল দদাহঁতেৰেক বা অক্ষয় মোমায়েকৰ দৰে সিয়ো নগৰত হাইস্কুল পাছ কৰি কলেজত পঢ়ি চাকৰি কৰি স্থায়ীভাৱে থাকিব লাগিব । সিয়ো তেনেহ'লে তাৰ চেনেহী গাঁও ম'হঘূলিলৈ ঘূৰি আহিব নোৱাৰিব । সি গভীৰ দুখেৰে অনুভৱ কৰিলে যে হঠাৎ তাৰ কলিজাটো মোচৰ খাই যোৱা যেন লাগিল । যেন এতিয়াৰ পৰা আৰু সি শুই উঠিয়েই মাকৰ চেনেহী মুখখন দেখিবলৈ নেপাব । গধূলি চোতালত বহি দেউতাকৰ লগত কথা পাতিবলৈ নেপাব । বায়েক ভনীয়েকহঁতৰ লগত মৰমৰ মৌজোল সনা হাই-কাজিয়াবোৰ কৰিবলৈ নেপাব । বিস্ময়ত সি অবাক হৈ পৰিল । অথচ ক'বলৈ গ'লে সেইদিনটো তাৰ জীৱনৰ সবাতোকৈ আনন্দৰ দিন । জ্ঞান হ'বৰ দিনৰে পৰাই চহৰৰ হাইস্কুলত পঢ়িবলৈ যোৱাৰ যি স্বপ্ন সি ইমানদিনে দেখি আহিছিল, সেই স্বপ্ন দিঠক হোৱাৰ খবৰটো সি আজিয়েই পাইছে । স্বপ্নৰ উজ্বল সুন্দৰ ভবিষ্যতে বাস্তৱ ৰূপলৈ তাক হাতবাউল দি মাতিছে । সেই আহ্বানত সঁহাৰিদি দূৰদিগন্তৰ ফালে দৌৰি যাবলৈ সি এক বিপুল অস্থিৰতা অনুভৱ কৰিছে । কিন্তু পৰম আনন্দৰ মুহূৰ্তত কিহৰ শোকে তাক বুকুত খুন্দা মাৰি ধৰিছে । কিয় তাৰ চকু ফাটি পানী ওলাব খুজিছে ? মানুহৰ গভীৰ আনন্দৰ লগত বিপুল বিষাদো এনেকৈ মিহলি হৈ থাকে নেকি ?

আনন্দ বিষাদৰ মনৰ দোমোজাত বিক্রমৰ মনত নতুন জীৱনৰ আহ্বানেই অগ্ৰাধিকাৰ পালে । সি গোহালিলৈ সোমাই গৈ প্ৰত্যেকটো গৰুৰ ডিঙিত সাবটি মৰম কৰি অশ্ৰুৰুদ্ধ কণ্ঠেৰে সিহঁতৰ পৰা বিদায় ললে । তাৰ পিচত সি নৈৰ ঘাটৰ ফালে আগবাঢ়িল । বাটৰ দুয়োকাষৰ প্ৰত্যেকজোপা পচতীয়া, হোৰা, বোবাল, বহঁত ; এজাৰ, নিম, বাঁহ, শিমলু, কচু, ঢেঁকীয়া আৰু নানা নজনা অনেক ঘাঁহবনৰ ফালে চাই চাই বিক্রমে কলে "জ্ঞান হ'বৰ দিনধৰি তোমালোক আছিলা মোৰ প্ৰাণৰ সঙ্গী । পৃথিৱীখনতো সদায় সলনি হৈ থাকে । কোনে জানে তোমালোকে একেঠাইতে থাকিবা নে নেথাকা ; মই তোমালোকক আহি কেতিয়াবা দেখিমনে নেদেখিম । বিদায় ।" এসময়ত সি গৈ নৈ ঘাট পালেগৈ । পূৰৰ দিগন্ত তেতিয়া সামান্য ৰঙা হ'বলৈ আৰম্ভ কৰিছে । আকাশত চৰাইবোৰে পশ্চিমৰ পৰা পূবলৈ উৰি আহিবলৈ আৰম্ভ কৰিছে । শয্যা ত্যাগ কৰা আগমুহূৰ্তত সুন্দৰীৰ ওঁঠত মুখস্বপ্নৰ স্মৃতি হাঁহিৰ ৰূপ ধৰি লাগি থকাৰ দৰে এক অপৰূপ সৌন্দৰ্য মোহন উল্লাসত উষাৰ মুখ উজ্বলিব ধৰিছে । মধুৰ বিস্ময় আৰু আনন্দত স্তব্ধ হৈ বিক্রমে বহুত সময় সেই ফালে চাই ৰ'ল । তাৰ পিচত ধীৰে ধীৰে ভাটিৰ ফালে মুখ কৰি থিয় হ'ল । অলপ দূৰৰ কেঁকুৰিটোৰ সিপাৰে বিৰিনিতে নৈখন দিগন্তৰ সিপাৰে হেৰাই গৈছে, সেইফালে চাই চাই বিক্রমে গুনিবলৈ পালে জীৱনৰ

বিচিত্ৰ আহ্বান । ইমান বিপুল আনন্দ, ইমান দুঃসহ বিষাদ ইয়াৰ আগতে জীৱনত কেতিয়াও অনুভৱ কৰি পোৱা নাছিল ।

হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' এখন যুগমানস গোষ্ঠ সভ্যতাৰ বিবৰ্তনকালৰ এক বিমুগ্ধ কাহিনী । এফালে অতি শ্লথগতিৰে আগবঢ়া জনজাতীয় আৰু সামন্তীয় গ্ৰাম্য সমাজ আৰু আনফালে উচ্চ আৰু উন্নত শিক্ষা সভ্যতাৰ নাগৰিক জীৱন । এফালে বয়সন্ধি কালৰ শাৰীৰিক মানসিক বিকাশৰ দ্বন্দ্ব আৰু আনফালে অতীত প্ৰীতি আৰু ভৱিষ্যতৰ আবাহনীৰ মাজৰ সংঘাত । এনে যুগসন্ধিৰ জটিল সময়ত আধুনিক মন আৰু বস্তুবাদী দীক্ষাই আগস্থান পাইছে । গতিকে আজন্ম লালিত-পালিত ঘৰ-গাঁও পৰিয়াল আৰু প্ৰকৃতি প্ৰীতিৰ নষ্টালজীক মেনিয়াত সাময়িকভাৱে ভোগীলেও বিক্ৰম কাবু হোৱা নাই । তদনুৰূপ "ব্ৰহ্মচৰ্য" গ্ৰন্থৰ ব্ৰহ্মচৰ্য সাধনা আৰু সন্ন্যাস-বৈৰাগ্যৰ পাঠ পঢ়িলেও বিক্ৰমক দুলালৰ দেউতাকৰ বস্তুবাদী দৰ্শনৰ বক্তব্য আৰু ৰেণুৰ দেহজ সৌন্দৰ্যৰ প্ৰেমে বিক্ৰমক আত্মা পৰমাত্মা আৰু পৰজন্মৰ চিন্তাদৰ্শনৰ পৰা উদ্ধাৰ কৰিছে । পৰিণতিত ধ্ৰুৱৰ তপস্যা, দধীচিৰ আত্মত্যাগ আৰু চেঙ্গিজখাৰ বীৰত্বৰে পৰৰ হিতাৰ্থে আদৰ্শবান, সৎ আৰু পৰিপূৰ্ণ মানুহ হ'ব বিচৰা কিশোৰৰ পৰা ক্ৰমে যৌৱন প্ৰাপ্তি বিক্ৰমে আধুনিক যুক্তি বস্তুবাদী নাগৰিক সভ্যতাৰ দীক্ষাৰ বাবে উচ্চশিক্ষা ল'বলৈ প্ৰকৃতি বিচ্ছেদৰ দুঃসহ যন্ত্ৰণাৰ মাজতো বিপুল আনন্দ উল্লাসৰ ভাবীকালৰ হাতবাউলিৰ প্ৰতি আকৃষ্ট হৈছে । এইখন উপন্যাসতো ঔপন্যাসিক বৰগোহাঞিৰ জন্ম গাঁও নৈ চাপৰি জাৱনিৰ সূক্ষ্ম সুসম সুন্দৰ আৰু অনুপম বৰ্ণনা যাদুকৰী ভাষাৰে প্ৰকাশ পাইছে ।

(১) মৎস্যগন্ধা

মৎস্যগন্ধা হোমেন বৰগোহাঞিৰ সম্ভৱতঃ সৰ্বশেষ প্ৰকাশিত উপন্যাস । এই নাতিবৃহৎ উপন্যাসখন শ্ৰীবৰগোহাঞিৰ সবাতোকৈ সাহসী বাস্তৱ কাহিনী । মহিম বৰাইতো এই সৰু উপন্যাসখন পঢ়ি নিমাত হৈ উশাহ ল'বলৈ পাহৰি হোমেন বৰগোহাঞিক অদ্ভুত সাহসী লেখক বুলিছে । এখন উপন্যাসত হয়তো বৰগোহাঞিৰ সমাজিক চেতনাই এক মূৰ্তৰূপ পাইছে । অন্যবোৰ উপন্যাসত মানুহৰ মনস্তত্ত্ব আৰু সামাজিক বাস্তৱতাৰ জীৱন্ত আৰু বিশ্বস্ত চিত্ৰ আঁকিয়েই বৰগোহাঞি প্ৰায় ক্ষান্ত থকা দেখা যায় । কিন্তু বৰ্তমানৰ নিকৰুণ নিদাৰুণ আৰু নগ্ন বাস্তৱতাক কিদৰে উচ্চতৰ আৰু উন্নততৰ স্তৰলৈ ৰূপান্তৰ কৰা যায় বৰগোহাঞিৰ তাৰ চিন্তা-চৰ্চা আৰু সজ্ঞানৰ কল্যাণমূলক প্ৰচেষ্টা কৰা প্ৰায়ে দেখা নেযায় । অৱশ্যে মৎস্যগন্ধাই সেই নৈতিক শীতলা দেখাই যোৱাৰ ভৱিতব্য প্ৰকাশ কৰিছে ।

"গোন্ধতেই ডোম গাঁও বুলি ধৰিব পাৰি — কেঁচামাছৰ গোন্ধেই তাৰ লক্ষণ" বুলি কোৱাৰ লগে লগেই কাষৰ ঘৰৰ পৰা শুনি জকজকাই সাংঘাতিক প্ৰতিবাদ কৰি চিঞৰিলে মেনকাই । লঘোণৰ বাবে নহয়, কানিৰ অভাৱতহে মেনকাৰ উদ্ভট চিঞৰ । ডোম বুলি কোৱা শুনিলেই তাই টিঙিচকৈ খঙত জ্বলি উঠে । কাৰণ সৰুতে মেনকাই ডোম হোৱাৰ বাবেই অকথ্য লঘু-লাঞ্ছনা ভোগীব লগা হৈছিল । এদিন পাঁচবছৰমান বয়সত মাকৰ লগত গৈ মেনকাই এঘৰ মানুহৰ চোতালত মেলি থোৱা ওখুৱা ধানৰ কাষপোৱা বাবেই সিহঁতে ধানখিনি অশুচি কৰা বাবে নানা অবাইচ গালি খাই, খেদা খাইছিল । মেনকাই একো নুবুজি সোধাত মাক মেমেৰিয়ে শিক্ষা দি কৈছিল "আমি ডোম বুজিছ । পূৰ্বজন্মৰ কিবা পাপৰ শাস্তি স্বৰূপে ঈশ্বৰে আমাক নীহকুলীয়া ডোম কৰি সৃষ্টি কৰিছে । হেন্দুৰ চোতালত ওখুৱা ধান মেলি থ'লে তাত যদি ডোমাৰ ছাঁ পৰে, তেন্তে ধানখিনি চুৱা হয় ।" গতিকে ডোমে চুলে খাদ্য চুৱা হয় । ডোমক হেন্দুৰ ঘৰত কচুপাতত পানী খাবলৈ দিয়া হয় ।

ম'হঘূলি নৈৰ পাৰৰ গবৈমাৰী এখন ডাঙৰ কৈবৰ্ত গাঁও । মানুহবোৰ দুখীয়া ; কিন্তু কঠোৰ পৰিশ্ৰম কৰি অন্ততঃ দুবেলা-দুসাজি প্ৰত্যেকেই খাবলৈ পায় । মাছ ধৰাই জীৱনৰ প্ৰধান উপায় যদিও সুবিধা বুজি চুবুৰীয়া মানুহৰ ঘৰত মৰকীয়া হৈ বা চাপৰিৰ হাবি মাটি ভাঙি বছৰত অন্ততঃ দুমাহলৈ খাব পৰাকৈ সিহঁতে খেতিও কৰে । সেই গবৈমাৰী গাঁৱৰে দুৰ্যোধনৰ জীয়েক বেউলা আৰু মেনকা অতি ৰূপৱতী আছিল বাবেই বাপেক মাকে চাকৰি কৰা দৰা আশা কৰিছিল । পিচে ভয়ানক হাইজাত নাম কীৰ্ত্তন, পূজা-সেৱা কৰিলেও উপযুক্ত প্ৰতিষেধকৰ অভাৱত গাঁওখনৰ ২২৬ লোকৰ ভিতৰত ৭২ জনেই মৰিল । হাইজাত দুৰ্যোধনো মৰিল । অতীতটো পাহৰি মনৰ দুখ পাতলাবলৈ কানি খাবলৈ লৈ ক্ৰমে মাক মেমেৰীৰ অৱস্থাও বেয়া হ'বলৈ ধৰিলে । তাই আনৰ ঘৰত ধান দাবলৈও নোপোৱা হ'ল । তেজ-হাগনিত মেমেৰীৰ অৱস্থাও কাহিল হোৱাত ঘৰৰ একমাত্ৰ কাঁহৰ বাতিটোলৈ কানি বিচাৰি গ'ল দণ্ডুব্য গগনৰ ওচৰলৈ. । গগন হ'ল ডোলপাল কানিয়া । কৃষ্ণ পণ্ডিতহঁত পিকেটিং আন্দোলনৰ বাধাত এদিনহে মাথোঁন গগনে কানি নোখোৱাকৈ আছিল (অৱশ্যে বমভোলা গগনে বিনামূল্যেই এক টিকিৰা কানি দিয়াতে তাকে খাই তেজহাগনি ভাল হোৱাত মেমেৰীৰ কানি খোৱাৰ অভ্যাস আৰম্ভ হ'ল ।

গবৈমাৰী গাঁৱৰ ভিতৰতে আটাইতকৈ ধনী মানী দিগম্বৰৰ পুতেক জয়হৰি আৰু পূৰ্ণলৈ বেউলা আৰু মেনকাক বিয়া দিলেও জয়হৰি ক্ৰমেৰে ধনী হ'ল, পূৰ্ণ থোৱাৰে লাউলোৱা হ'ল । পূৰ্ণই কোনো কাম বন নকৰাত দিগম্বৰে এদিন তাক বেলেগ [illegible] দিলে । অৱশ্যে দিগম্বৰে দুইপুত্ৰক পঢ়ুৱাবলৈ চেষ্টা কৰি শিক্ষক আৰু হেন্দুৰ [illegible] অত্যাচাৰত সিহঁতে স্কুল এৰিবলৈ বাধ্য হৈছিল । ভুধৰ শৰ্মা পণ্ডিতে ভোৰ ভোৰাইছিল

জয়হৰি পূৰ্ণ স্কুলত পঢ়া দেখি "কটাৰ ডোমৰ পো, যাৰ গাত হাত লাগিলেও গা ধুব লাগে, তাৰ পুতেকে এতিয়া বামুণ গোঁসাইৰ ল'ৰাৰ লগত একে শাৰীতে গা-ঘঁহাই বহি স্কুলত পঢ়িব। মাছ মাৰিবলৈ এৰি এতিয়া সিহঁত চকিত বহি ঠেং জোকৰা বগু হ'ব।"

মাক মেমেৰীৰ দৰে একে কাকাতে জীয়েক মেনকাইও জানি থাবলৈ শিকিছিল। ধোদ পূৰ্ণক বেলেগ কৰি দিয়াৰ পিচত দিগম্বৰে পূৰ্ণক দেখিব নোৱৰা হ'ল আৰু জয়হৰি বেউলা তেওঁৰ অতি প্ৰিয় হৈ পৰিল। ফলত মেনকাই ঈৰ্ষাতেই বায়েক বেউলা আৰু জয়হৰিক শত্ৰুজ্ঞান কৰা হ'ল। কাৰণ সিহঁতৰ অৱস্থা স্বৰ্গ-নৰক তফাৎ হ'ল।

কৈবৰ্ত গাঁৱৰ ডেকা-গাভৰুৱে পথাৰত বিহু মাৰে, নৈ ঘাটত প্ৰাণখুলি চুপতি মাৰে। সিহঁতৰ মাজত অতি সহজে প্ৰেম পীৰিতি হয়, হিয়া দিয়া - দি হয়, চাপৰিৰ হাবিৰ মাজত জীৱনৰ বসন্ত উৎসৱ হয়। কিন্তু সাতপুৰুষৰেও ক'ব নোৱাৰে যে সিহঁতৰ মাজত ব্যভিচাৰ হয় বা কোনোবাই কাৰোবাক বিশ্বাসঘাতকতা কৰে। ডেকা-গাভৰুৰ মাজত প্ৰেম পীৰিতি হলে সংসাৰ পাতে ; কিন্তু ডেকা গাভৰুৰ মাজত কেতিয়াও গৰ্ভপাত কৰিব লগা নহয়।

ম'হখুলি গঁৱৈমাৰীৰ গোটেই অঞ্চলটোৰ বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ ভিতৰত কেৱল আহোম, কৈবৰ্ত, কছাৰী আৰু মিচিং গাঁৱৰ ডেকা-গাভৰুৱেহে একেলগে বিহু মাৰে। বাকী বামুণ, কলিতা, কোঁচ আৰু চুতীয়া আদি সম্প্ৰদায়ৰ ডেকাই বিহু চাবলৈ যায় হয়, নিজে কেতিয়াও পথাৰত বিহু নেমাৰে। এনেকৈয়ে বিহু চাবলৈ যাওঁতে এই ম'হখুলিৰ মণিৰামৰ প্ৰথম চকু পৰিছিল দিগম্বৰৰ জী জয়হৰি পূৰ্ণৰ ভনী আৰু বেউলা মেনকাৰ ননদ দীপলিপ সুন্দৰী কমলাৰ ওপৰত। চ'ত মাহৰ এটা বজা আবেলিত শিমলু গছৰ তলত বিহুতলিত মণিৰামে আৱিষ্কাৰ কৰিলে একজনী মোক খা মোক খা কৰি থকা অপৰূপা সুন্দৰী কমলাক। সেইজনী কমলাকেই এদিন ধৰবুলৰ বতৰত আবেলিৰ পথাৰলৈ যাওঁতে অকলে পাই নাৱত উঠাই লৈ কৌশলেৰে পথাৰৰ পৰা আঁতৰাই নি বিয়া কৰোৱাৰ কথাৰ পগত খাই উপভোগ কৰাত সৰল কমলা অন্তৰ্সত্বা হয়। গাঁৱৰ ছোৱালী গৰ্ভাৱতী কমলা এতিয়া সংকটত পৰিল। ম'হখুলিৰ হেতুৰে মণিৰামে বিয়া কৰোৱাৰ কোনো সম্ভাৱনা নাই আৰু আগতে তেনে কোনো নজীৰো নাই। একমাত্ৰ আগতে এনেকুৱা লেহেৰো-লেচেলোৱা ঘটনা ঘটিছিলে অগ্নিৰে সাংঘাতিক কৰা হ'ব। গতিকে তাই আত্মহত্যা কৰাৰে সিদ্ধান্ত ল'লে।

মেনকাই মাক মেমেৰীৰ পৰা গৰ্ভপাতৰ ঔষধ শিকি লৈছিল। [illegible]
[illegible]
[illegible]
[illegible]
[illegible]

মেনকাৰ ওচৰলৈ দৌৰি আহি তাইৰ ভৰিত ধৰি কান্দিবলৈ ধৰিলে । কমলাই তাইৰ সমস্ত দুখৰ কাহিনী কৈ মেনকাক তাইৰ গৰ্ভপাতৰ বাবে কাকূতি মিনতি কৰাত মেনকাই কমলাৰ গালত পূৰ্ণহতীয়া চৰ এটা বহুৱাই দি বাঘিনীৰ দৰে গৰ্জি উঠিল । 'চুপ থাক' । তাৰ পিচত বাঘিনী মেনকাই তাইৰ ভূমিকা স্থিৰ কৰি ল'লে ।

ইফালে এশবাৰ শপত খালেও ম'হঘূলিৰ মণিৰামৰ বাবে গৰৈমাৰী কৈৱৰ্ত কমলাক বিয়া কৰাতো অসম্ভৱ বাবে সি গাঁৱৰ এজনী ধুনীয়া ছোৱালী থুকীমলাক বিয়া কৰাবলৈ সকলো ঠিক ঠাক কৰিলে । ন-কইনাক অনাৰ স্বপ্নত বিভোৰ মণিৰামে চাপৰিৰ সৰিয়হ তলিতে ফক্সিৰতেই হাল-গৰুলৈ যাওঁতে মনত বলবান্ধি মেনকাই তাক লগ কৰিলে । মেনকাই মণিৰামক সজোৰে ক'লে যে কমলাক শপত খাই বিয়া কৰোৱা কথা দিয়ামতে আৰু কমলাৰ তাৰ ফালৰ পৰা মাক হ'বলৈ যোৱাৰ অৱস্থাত মণিৰামে এতিয়া বিয়াৰ দিনবাৰ থিক কৰিবহে লাগে । খঙে-বিযে একোনাই হোৱা মণিৰামে মেনকাৰ ৰণচণ্ডী মূৰ্তি দেখি চক খাই মেনকাক গুৰু গোঁসাইৰ নামত এইবোৰ কথা কাকো নক'বলৈ শপত দি হাল মেলিবৰ পৰত সিহঁতৰ চাপৰিৰ বহালৈ গৈ কথা পাতিবলৈ যাবলৈ অনুৰোধ কৰিলে । চাপৰিৰ বহাত মেনকাক আথে-বেথে বহিবলৈ দি সি কাবৌটি কৰি খাটিলে যে সি মেনকাক একুৰি চিকাৰূপ দিব আৰু কমলাৰ গৰ্ভ নষ্ট কৰি টকাকুৰি দুয়োৰে ভগাই ল'ব । পিচে কমলাই টকাৰ কাৰণে গৰ্ভ নষ্ট নকৰে । মানুহৰ প্ৰাণ আৰু মান বচাবলৈহে তেনে কাম কৰে বুলি কৈ মণিৰামক ভয় খোৱাই চকু টেলেকা কৰি বহাৰ পৰা জাঁপমাৰি উঠি মণিৰামক আঙুলিটোৱাই খঙেৰে চিঞৰিলে —

"কিন্তু এইবাৰ মই গৰ্ভ নষ্ট নকৰি গৰ্ভ ৰক্ষা কৰিম ডোমৰ প্ৰাণ বচাবলৈ, ডোমৰ মান বচাবলৈ । ডোমৰ ছোৱালীক তুমি খেলাৰ পুতলা পাইছা নেকি যে খেলা শেষ হোৱাৰ পিচত পুতলা দলিয়াই দিয়াৰ দৰে তাইক দলিয়াই দিবা ? গোসাঁই ঈশ্বৰে এইবাৰ মোক ভাল সুযোগটো আনি দিছে মোৰ ভৰিত পৰিলেও মই তোমাৰ কথা নেৰাখো — । কোৱা তুমি কেতিয়ালৈ কমলাক নিজৰ কৰি চপাই ল'বা । নহ'লে সংসাৰে জানিব যে কৈৱৰ্ত গাঁৱৰ দিগম্বৰৰ জীয়েক কমলা ম'হঘূলি গাঁৱৰ মণিৰাম গগৈৰ ঘৈণীয়েক ।"

প্ৰথমে কিছু দুৰ্বল হ'লেও এজনী অজাতি তিৰোতাৰ ভৰিত ধৰাতকৈ সাহস বান্ধি মণিৰামে মেনকাৰ কথাত প্ৰতিবাদ কৰি উঠাত মণিৰামৰ চকুত চকু থৈ মেনকাই পুনৰ চিঞৰিলে ।

"এই মেনকাই এবাৰ মুখ মেলিলে [illegible] কথা, [illegible] কাহুতি এৰে । আজি [illegible] পিচত [illegible] লোকাৰ, সেই [illegible] মই [illegible] ।

টেটুফালি যোবাকৈ চিএৰি চিএৰি কম । একে সময়তে চাৰিখন গাঁৱৰ মানুহে শুনাকৈ কম । তোমাৰ তেতিয়া কেনে লাগিব ?" মণিৰামে "পিশাচী-ডাইনী" বুলি দাঁত কৰচি চিএৰাতে মেনকাই পুনৰ কৈ গ'ল "তোমালোকৰ ঘৰৰ আগতে পুৰাণখন শেষ হ'লে গাঁওখনৰ প্ৰত্যেকঘৰৰ মানুহৰ পদূলিত বৈ বৈ এই কথন পুৰাণকে বাৰে বাৰে গাই শুনাম কেনে হ'ব ?"

মণিৰামে মেনকাক নেলুচেপি মৰাৰ ভয় দেখুৱাই মেনকাৰ ফালে চোচা মাৰিলত মেনকাই আন এপাত অস্ত্ৰ ব্যৱহাৰ কৰি ক'লে যে— তেতিয়াও হালমোজা গালেৰাইত ঘৰা-ঘৰি নোযোৱাত তুলসী ধনীৰাম, কণবাপু এই গোটেইবোৰ পথাৰতে কাম কৰি থকাত তাই টেটুফালি ক'ব 'অ' ৰাইজ, কোন ক'ত আছা সোক বচোৱাইক, মণিৰামে মোৰ ওপৰত বলাৎকাৰ কৰিছে" বুলি । মেনকাৰূপে সাৰ্পিনীয়ে তেনেদৰে খুটিবলৈ ধৰা দেখি ভয় খালেও অৱশেষত মৰসাহ গোটাই মণিৰামে ক'লে – "তোমাৰ যি খুচি কৰা গৈ । মই একোলৈকে ভয় নকৰোঁ । দৰকাৰ হ'লে নামঘৰত শপত খাই ক'ম যে তুমি কোৱা গোটেই কথাবোৰ গোকাট মিছা । তুমি এতিয়া যোৱা । মই লাগিলে আপোনঘাতী হৈ মৰিম, তথাপি ..... ?"

"তথাপি অজাতি ডোমৰ ছোৱালী বিয়া নকৰো" ইয়াকে ক'ব খুজিছা নে ?" বুলি মেনকাই তাইৰ শেষ অস্ত্ৰপাত প্ৰয়োগ কৰিবলৈ প্ৰস্তুত হ'ল । মেনকাই ক'লে যে তাইৰ মাক মেমেৰীৰ পৰা গৰ্ভ নাশ কৰাৰ বিদ্যাতো শিকিছিল আৰু মাকে ক'লে তেওঁৰ জীৱনৰ নানা ঘটনাৰ কথাও কৈছিল । তাৰে এটা ঘটনা বুলি কৈ মণিৰামৰ 'কি ঘটনা' বুলি সুধা অস্থিৰ প্ৰশ্ন শুনি মেনকাই মণিৰাম মুখামুখি হৈ ।

"মোৰ আয়ে তেওঁৰ জীৱন কালত যিকেইজনী জীয়ৰী ছোৱালী গৰ্ভ নাশ কৰিছিল তাৰে এজনী আছিল তোমাৰ মাৰা" বুলি মৰসাহ কৰি ক'লত "চালা হাৰামজাদী" বুলি চিএৰি মণিৰামে মেনকাক মাৰিবলৈ খেদি গ'ল । পিছে মেনকাই চিএৰ মাৰিবলৈ মুখ মেলিব ধৰা দেখিয়েই মণিৰামে নিজকে চম্ভালি সাপৰ দৰে কোঁচমোচাই হাতখন নমাই ক'লে "কটা ডোমৰ জাত তোৰ মুখত পোক লাগিব । মৌ মৌ নকৰতো তোৰ মই নহ'ব । এনে এবাৰ গোটা মিছা কথা কোন সাহতে তোৰ মুখলৈ আনিব পাৰিলি ?"

মণিৰামে কমলাৰ গৰ্জন [illegible] মিছা শপত খাব পাৰে বুলে তাৰো তাৰ মাকৰ গৰ্ভপাতৰ কথাত মিছা শপত খাব পাৰিব বুলি কৈ মেনকাই [illegible] ক'লে — [illegible] বুলি ক'ব ।

[illegible]

[illegible] ?"

[illegible]

কন্দা শুনা গ'ল আৰু দেউতাকে ঘৰৰ চৰু কেৰাহি আৰু কাঁহি বাত্তি কিছুমান এটা এটাকৈ চোতাললৈ দলিয়াই পেলোৱা দেখা গ'ল । মৰাঘৰৰ পৰিৱেশ বিৰাজ কৰা ঘৰখনৰ খবৰ কৰি জনা গ'ল যে মণিৰামে জাত কুল সকলোকে পৰিত্যাগ কৰি ডোম গাঁৱৰ দিগম্বৰৰ ঘৰত ঘৰ-জোঁৱাই চাপিলে গৈ । মাক-বাপেকে সেই কাৰণে চৰু হাড়ি ধুই তাৰ মৰা সকাম কৰি পেলাইছে । আনফালে গৰৈমাৰী গাঁৱলৈ আলিবাটেদি এটা বিৰাট শোভাযাত্ৰা আগবাঢ়ি অহা দেখা গ'ল । শোভাযাত্ৰাৰ আধাভাগত গায়ন-বায়ন । সোঁমাজত এটা শুকুলা ঘোঁৰাৰ ওপৰত মূৰত বগা পাগুৰি মৰা এজন মানুহ । ঘোঁৰাটোৰ পিচে পিচে মতা মাইকী, ল'ৰা বুঢ়া অসংখ্য মানুহ । মানুহবোৰৰ খোজৰ চেৱত উছ্বৰ উলাহ । খোজ খবৰ কৰি গমপোৱ গ'ল যে ডোমৰ গোঁসাই আহিছে । ঘোঁৰাত উঠি অহাজনেই গোঁসাই । আজি ডোমৰ ডবল উৎসৱ । গোঁসাইক গায়নে বায়নে আদৰি আনিছে । এফালে ডোমৰ গোঁসাই আহি ওলাইছেহি আৰু আনফালে ম'হঘুলিৰ আহোম ল'ৰা এটা নিজৰ জাত কুল এৰি দিগম্বৰ ডোমৰ ঘৰত ঘৰ-জোঁৱাই চাপিছে । ডোমৰ গোঁসায়ে এতিয়া তাক জাতত তুলিব ।

পৰিশেষত মেনকাৰ কাহিনীৰ পাতনিৰ চিঞৰকেই শুনা গ'ল – "ঐ মুখত পোক লগা, ঐ খেকাৰ খোৱা, ঐ মেখেলা তলিয়া কাক 'ডোম ডোম' কৰিছ ? থিয়ে নাঙঠ কৰি মেখেলাৰে কোবাম, চিনি পোৱা নাই । জাতলৈ নমোৱা নাই, আজি তহঁতৰ এটাক জাতলৈ তুলিলোঁ । ভয় নকৰিবি, তহঁতবো আৰু বেছি দিন নাই . এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলালৈকে মোৰ শান্তি নাই ।"

এনেদৰে 'মৎস্যগন্ধা'ত ঔপন্যাসিক হোমেন বৰগোহাঞিৰ সামাজিক চেতনাই এক ব্যতিক্ৰম সাহসীৰূপ লৈছে । হাজাৰ হাজাৰ বছৰ জোৰা ভাৰতীয় বৈদিক সনাতন সমাজৰ বৰ্ণবাদী ব্যৱস্থাৰ অভিশাপ কৈৱৰ্ত সমাজৰ এক নিখুঁত বাস্তৱ ছবি অংকণ কৰিয়েই এই কাহিনীত লেখক বৰগোহাঞি ক্ষান্ত থকা নাই । যুগযুগৰ লাঞ্ছিত বঞ্চিত অৱদমিত কৈৱৰ্ত সমাজৰ বিদ্ৰোহো সফলভাৱে এই উপন্যাসত দাঙি ধৰা হৈছে এক অভিনৱ কৌশল আৰু অভিনৱ কায়দাৰে । এনে অৰ্থতে এই উপন্যাসক নিৰ্মম সামন্তবাদী ব্যৱস্থাৰ বিৰুদ্ধে এক প্ৰতিবাদী অভিযোজনা বুলি ক'ব পাৰি ।

ভাগৱতৰ কৈৱৰ্ত মৎস্য[illegible] ব্ৰাহ্মণ্য [illegible] কৰি ব্ৰাহ্মণ্য সমাজৰ শ্ৰেষ্ঠতা দেখুৱা হৈছে । হোমেন বৰগোহাঞিৰ কৈৱৰ্ত গাভৰুৱে মৎস্যগন্ধা হৈ থাকিয়েই [illegible] কৈৱৰ্ত [illegible] কৈৱৰ্ত জাতলৈ [illegible] [illegible] এটা এটাকৈ কৈৱৰ্ত জাতলৈ [illegible] কৰা হৈছে । কৈৱৰ্ত [illegible] [illegible] [illegible] । [illegible]

মৎস্যগন্ধাৰ ৰচনাৰীতিও অভিনৱ । যি মেনকাই কাহিনীৰ আৰম্ভণি 'ডোম' বুলি কোৱাৰ প্ৰচণ্ড প্ৰতিবাদ কৰিছে, সেই মেনকাই হেন্দুৰ দ্বাৰা অন্তৰ্সত্ত্বা কৈৱৰ্ত গাভৰু কমলাক উদ্ধাৰ কৰি পৰিবেশত হেন্দুৰক কৈৱৰ্তৰ জাতত তুলি ডোমৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰিছে সফল সৰৱ কণ্ঠেৰে ।

মেনকা এক বিদ্ৰোহী চৰিত । তাই এক প্ৰকাৰ নাৰীবাদী চৰিত্ৰও । সৈন্য গিৰীয়েক পূৰ্ণক কাবু কৰি ৰাখি শহুৰেক দিগম্বৰ আৰু বৰজনাক জয়হৰিৰ ধন সম্পদ প্ৰতিপত্তিক পাত্তা নিদি সুবিধাবাদী বিশ্বাসঘাতকত হেন্দুৰ মণিৰামক বশ কৰি তাই অদমনীয় নাৰীত্ব ব্যক্তিত্বৰ বীৰত্ব আৰু আপোন কৈৱৰ্ত সম্প্ৰদায়ৰ শ্ৰেষ্ঠত্বৰ অভূতপূৰ্ব জয়ধ্বজা উৰুৱাইছে অকুতোভয় মেনকাই । এনেদৰে হোমেন বৰগোহাঞিৰ নখন উপন্যাস বিশ্লেষণ কৰিলে তলৰ বৈশিষ্ট্যবোৰ পোৱা যায় ।

(১) আধুনিক মানসিকতাৰ উপাদান ফ্ৰয়েডৰ মনস্তত্ত্ব যথা সুবালা তান্ত্ৰিক ; মাৰ্ক্সীয় আদৰ্শৰ উপলব্ধি -যথা কুশলৈৰ, পিতাপুত্ৰ আৰু সামন্তবাদী সমাজৰ অৱক্ষয় তথা বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ পুঁজিবাদী সমাজৰ বিকাশ-যথা-পিতাপুত্ৰ, অস্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায়, মৎস্যগন্ধা আৰু আমোলাতন্ত্ৰৰ অভিজ্ঞতা হালধীয়া চৰায়ে বাওধান খাই, আদিত সম্যকভাবে প্ৰকাশ পাইছে ।

(২) হোমেন বৰগোহাঞিৰ সকলো উপন্যাসতেই এক বাস্তৱবাদী, বস্তুগত আৰু দেহজ অভিব্যক্তি প্ৰকাশ পাইছে । সুবালা আৰু তান্ত্ৰিকত যিদৰে দেহজ অৰ্থনৈতিকবাদ প্ৰকাশ পাইছে অস্তৰাগত । পৃথিবী প্ৰেমেৰে মৃত্যুৰ পিচতো জীৱনক মহীয়ান কৰা আৰু অন্যান্য সকলো উপন্যাসতেই বস্তুগত প্ৰকৃতি আৰু পাৰ্থিৱ জীৱন প্ৰীতিয়েই প্ৰকাশ পাইছে । আত্মা-ঈশ্বৰ-ধৰ্ম-মুক্তি নিৰ্ব্বাণ, স্বৰ্গ-নৰক, পৰলোক, জন্মান্তৰ আদি ভাববাদী আধ্যাত্মবাদী আদৰ্শ বৰগোহাঞিৰ উপন্যাসবাজিত কাল্পনিক আৰু অন্ধবিশ্বাস বুলিযেই প্ৰতীয়মান কৰা হৈছে । সেয়ে পৰলৌকিক জীৱনৰ স্বাৰ্থত ইহজীৱনৰ ভোগ-উপভোগ জলাঞ্জলী দিয়াৰ চিন্তা বৰগোহাঞিৰ উপন্যাসত উঠা নাই ।

(৩) হোমেন বৰগোহাঞিৰ গ্ৰাম্য প্ৰকৃতিপ্ৰীতি অতি গভীৰ, হৃদয়স্পৰ্শী আৰু আকৌ বীজ তেওঁৰ পিতাপুত্ৰ, অস্তৰাগ আৰু সাউদৰ পুতেকে নাও মেলি যায় আদি উপন্যাসৰ গ্ৰাম্য অনাঘ্ৰাত প্ৰকৃতি অতি সুন্দৰ, জীৱন্ত, সুন্দৰ আৰু আকৰ্ষণীয় । তেওঁৰ উপন্যাসৰ নায়ক প্ৰকৃতিৰ সমাজত মিলি যাবলৈ উন্মনা আৰু সুন্দৰ জীৱনদায়ী প্ৰকৃতিক এৰি যাবলৈ তেওঁলোকৰ হৃদয়বিদীৰ্ণ হোৱাৰ অৱস্থা ।

(৪) আলোচ্য উপন্যাসবোৰৰ যোগেদি ঔপন্যাসিক বৰগোহাঞিৰ এসময়ত এৰি অহা আপোন গাঁও, মহখুলি চাপৰি আৰু জোনাকৰ শ্যামলী প্ৰকৃতিক সুঁৱৰি সাংবাদিক অতীত প্ৰীতি অথবা নষ্টালজীয়া প্ৰকাশ পাইছে । মূল আৰু জীৱনৰ বিবৰ্তিত আৱৰ্ত্ত জন্মৰ গাঁও এৰি নগৰলৈ গৈ বাস কৰিব লগা হোৱাত তেওঁৰ উপন্যাস পিতাপুত্ৰ,

অস্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায় আদিৰ যোগেদি প্ৰচণ্ড অতীত প্ৰীতি প্ৰকাশ পাইছে । অস্তৰাগৰ দীপ্তিপে নগৰৰ পৰা গাঁৱলৈ আহি হেঁপাহ পলোৱাই ম'হঘুলিৰ চেনেহী প্ৰকৃতি চাইছে । দেউতাকে বাধ্যত পৰি নগৰলৈ গৈ জন্মৰ গাঁও, ম'হঘুলি নদী আৰু চাপৰিলৈ পুনৰ ঘূৰি যোৱাৰ হাঁ-হুমুনিয়াহ কাঢ়ি ঘৰলৈ যোৱাৰ শেষ ইচ্ছা প্ৰকাশ কৰিযেই মৃত্যুবৰণ কৰিছে । সাউদৰ পুতেকে নাও মেলি যায় নামৰ পুথিত বাপুকণ ওৰফে নিক্ৰমে আজন্ম স্নায়ু-সম্পৰ্কীত ম'হঘুলিৰ গছ-বন, নৈ-চাপৰি চৰাই-চিৰিকতি আদিৰ পৰা ভগ্নহৃদয়েৰে বিদায় লৈছে ।

(৫) ঔপন্যাসিক বৰগোহাঞিৰ গ্ৰাম্যজীৱন ভিত্তিক উপন্যাস- 'পিতাপুত্ৰ, অস্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায়'ৰ পিতৃপুৰুষ গ্ৰাম্যসমাজৰ অভিজাত-মাটিগিৰী বংশ গৌৰবেৰে অভিমানীলোকৰ পৰিবৰ্তন আহিছে । পুঁজিবাদী উন্মাদনাই পুৰণি সহজ সৰল গ্ৰাম্য সমাজৰ ভেটি আৰু মানৱীয় প্ৰমূল্য টচনচ কৰি দিছে । তেওঁলোকৰ আপোন ভেটিও কঁপি কঁপি বিলীয়মান হ'ব ধৰিছে । কিন্তু তেওঁলোকে হাৰ মনা নাই । পথাৰৰ মাজৰ বটবৃক্ষই শতেক ধুমুহাকো নেওচি নিজে, শতছিন্ন হোৱাৰ পিচতো দুঃসাহসেৰে অকলে থিয় হৈ থকাৰ দৰে খাৰা হৈ আছে । পৰিবৰ্তনৰ প্ৰচণ্ড ধুমুহাক ভেটিব নোৱাৰিলেও তেওঁলোক অলৰ অচৰ হৈ আছে ।

(৬) উপন্যাসত আলঙ্কাৰীক ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া সাহিত্যত হোমেন বৰগোহাঞিক একপ্ৰকাৰ অদ্বিতীয়ই বুলিব পাৰি । মানৱৰ মনগহণৰ বাৰ্তা উন্মোচন, সমাজৰ ভণ্ডামী উদ্‌ঘাটন আৰু চিৰসেউজ প্ৰকৃতিৰ সৌন্দৰ্য বৰ্ণনাত ঔপন্যাসিক বৰগোহাঞিৰ সৱল সাৱলীল আৰু বীৰ্যবান ভাষা এক অমূল্য সম্পদ । বিশেষকৈ অক্ষত অনাঘ্ৰাত মোহময়ী প্ৰকৃতিৰ সৌন্দৰ্য আৰু আবেদন বৰ্ণনাত বৰগোহাঞিৰ ভাষাত যাদুলগ্নে আৰু ভাষাই কাব্যৰ ৰূপ লয় । কথা সাহিত্যত কাব্যিক ভাষা কিমানখিনি আদৰণীয় সেয়া সুকীয়া বিষয় ; বৰগোহাঞিৰ উপন্যাসৰ ভাষাত পিচে কাব্যকতা এক মুখ্য আকৰ্ষণ ।

(৭) হোমেন বৰগোহাঞিয়ে তেওঁৰ উপন্যাসৰ ভাষা আৰু চৰিত্ৰবোৰত এক দাৰ্শনিকতা প্ৰদান কৰাৰ চেষ্টা কৰা দেখা যায় । সুবালাত বেশ্যাৰ দালাল বুঢ়ীৰ মুখতো অভিশপ্ত বেশ্যাজীৱনৰ অৱধাৰিত ভৱিতব্যৰ সম্পৰ্কত এক দাৰ্শনিকতা প্ৰদান কৰা দেখা যায় । তান্ত্ৰিক উপন্যাসখনতো সম্পূৰ্ণ ফ্ৰয়েডীয় লৰেন্সীয় দেহজ অতিন্দ্ৰীয়বাদৰ দাৰ্শনিকতাৰেই প্ৰকাশ । কুশীলৱত সাংবাদিক বুদ্ধিজীৱী নপুংসতাৰ এক নেতিবাচক দাৰ্শনিকতা আৰু তিমিৰ তীৰ্থৰ সাংবাদিক বুদ্ধিজীৱীৰ প্ৰলোভন ভীতিপ্ৰদৰ্শনৰ জীৱন-মৰণ সংকটকো জয় কৰিব পৰা এক ইতিবাচক দাৰ্শনিকতা প্ৰদান কৰা হৈছে । পিতা পুত্ৰ আৰু অস্তৰাগত প্ৰজন্ম-প্ৰভেদৰ দাৰ্শনিকতা প্ৰকাশ কৰা হৈছে । মৎস্যগন্ধাত বৰ্ণবাদী সনাতনী সমাজৰ প্ৰতিবাদী এক প্ৰগতিশীল দাৰ্শনিকতা প্ৰতিভাত হৈছে ।

হোমেন বৰগোহাঞিৰ উপন্যাসত ভৱিতব্যতা

এজন ঔপন্যাসিক বুদ্ধিজীৱীক সমাজৰ বন্ধু দাৰ্শনিক পথ প্ৰদৰ্শক আখ্যা দিয়া হয়। প্ৰতিজন বুদ্ধিজীৱীয়েই এজন স্ৰষ্টা-দ্ৰষ্টা আৰু ভৱিষ্যৎ বক্তা । গতিকে তেওঁৰ পৰা সমাজে কেৱল অতীত আৰু বৰ্তমানৰ ব্যাখ্যা বিশ্লেষণেই নিবিচাৰে বিচাৰে ভৱিষতব্যতাৰ ইঙ্গিত । এনে কাৰণতেই বুদ্ধিজীৱীক প্ৰফেট অৰ্থাৎ ভৱিষ্যৎ বক্তাও বোলা হয় । তেনে তাগিদাতেই বাম নোপজোতেই ৰামায়ণ ৰচনা কৰি যে ভৱিষ্যৎ বাণী দিয়া, ভাগৱত আদি যামল আদিত কলিৰ শেষত কল্কী অৱতাৰ হোৱাৰ অৰ্থাৎ অনাচাৰী পুঁজিবাদ অন্তৰ ভৱিষ্যত বাণী, ডান্টেই পুঁজিবাদৰ উন্মেষৰ প্ৰথম ইঙ্গিত তেওঁৰ মহাকাব্যত দিয়া, ৰুচো মণ্টেস্কোৰ ভাবাদৰ্শই ফৰাচী বিপ্লৱ জগোৱা, টম খুড়াৰ চোতাল গ্ৰন্থই আমেৰিকাৰ স্বাধীনতা সংগ্ৰামক উদগোৱা, টলষ্টয়ৰ উপন্যাসে ৰুচদেশৰ কৃষিভিত্তিক সামন্তীয় সমাজৰ পতন আৰু গৰ্কীৰ 'মা' উপন্যাসে ৰুচ দেশৰ সমাজতান্ত্ৰিক বিপ্লৱৰ বাট মোকোলোৱা আৰু লু চুনৰ সাহিত্যই চীনা বিপ্লৱৰ আবিৰ্ভাৱ তথা আদি অসংখ্য বৌদ্ধিক দূৰদৃষ্টি ইতিহাসত পোৱা যায় ।

হোমেন বৰগোহাঞিৰ বৌদ্ধিকতাত এনে বৌদ্ধিক দূৰদৃষ্টি সম্যকভাৱে উপলব্ধি কৰা নেযায় । তেওঁ এজন অতীত আৰু বৰ্তমানৰ প্ৰচণ্ড শক্তিশালী প্ৰবক্তা । অতীত আৰু বৰ্তমানক শ্ৰীবৰগোহাঞিয়ে বিভিন্ন মাধ্যমেৰে অতি প্ৰোজ্জ্বলভাৱে চিত্ৰায়ন কৰিব পাৰে ; কিন্তু স্ৰষ্টাৰূপে তেওঁ সফল হলেও দ্ৰষ্টা-ভৱিষ্যত বক্তাৰূপে শ্ৰীবৰগোহাঞিৰ চেতনা সম্যকভাৱে প্ৰখৰ আৰু উৎকণ্ঠিত নহয় যেন লাগে । হালধীয়া চৰাইয়ে বাওধান খায় উপন্যাসৰ বসেশ্বৰে কিয় শ্ৰেণীবদ্ধভাৱে বিদ্ৰোহ নকৰিলে বুলি কৰা সমালোচনাত ঔপন্যাসিক বৰগোহাঞিয়ে বাস্তৱত তেনে প্ৰতিবাদ ক'তো দেখা নাই বাবেই বসেশ্বৰৰ দ্বাৰা প্ৰতিবাদ কৰোৱা নহ'ল বুলি ক'ৰবাত কোৱা মনত পৰে । জ্যোতিপ্ৰসাদে কলাৰে হে জীৱন (সমাজ) শুৱনি কৰে বুলি কোৱাৰ দৰে আমাৰ কদৰ্য সমাজখনক সুন্দৰ কৰাৰ স্বপ্ন লেখক বুদ্ধিজীৱীসকলেই প্ৰথমে দেখি তাক বাস্তৱায়িত কৰাৰ পথ শৈল্পিকভাৱে প্ৰদৰ্শন কৰিব লাগিব । কেৱল সাম্প্ৰতিক সামাজিক বাস্তৱতাৰ চিত্ৰনেৰে সাহিত্যিক বুদ্ধিজীৱীয়ে অগ্ৰণী প্ৰবক্তাৰূপে নিজকে প্ৰত্যায়িত কৰিব নোৱাৰিব ।

হোমেন বৰগোহাঞিৰ উপন্যাসবোৰৰ যোগেদি অৱশ্যে ক'ৰবাত ভৱিষ্যতমুখীতা আৰু আন ক'ৰবাত বৰ্তমান সৰ্বস্বতা প্ৰকাশ পোৱা দেখা যায় । তেওঁৰ উপন্যাসবোৰ লেখাৰ সময়ৰ ক্ৰম চালেই সমাজ বাস্তৱতাৰ বিশ্লেষণৰ ক্ৰমবৰ্দ্ধমান বিকাশ আৰু সামাজিক সমস্যা উত্থাপনৰ লগে লগে সেইবোৰৰ ইতিবাচক দিগদৰ্শনৰ ইঙ্গিত কিছু প্ৰকাশ পোৱা পৰিলক্ষিত । অন্ততঃ ক'তো পশ্চাৎপদী দৃষ্টিভঙ্গী প্ৰকাশ পোৱা দেখা নেযায় । এক সকল মানৱতাবাদী গণতান্ত্ৰিক দৃষ্টিভঙ্গী ঔপন্যাসিক বৰগোহাঞিয়ে সমাজবোৰ উপন্যাসতেই প্ৰকাশ কৰিছে । প্ৰতিক্ৰিয়াশীল অথবা স্থবিৰতাবাদী বুলি তেওঁক ক'তো ক'ব নোৱাৰি।

বৰগোহাঞিৰ সুবালাত পুঁজিবাদী সমাজে বিস্তাৰিত কৰা গলিত বেশ্যা সমাজৰ এক নিকৰুণ বাস্তৱ কাহিনী ৰচনা কৰি এই অভিশপ্ত সমাজৰ প্ৰতি কৰুণা আৰু বেশ্যা উপভোক্তা ভণ্ড লম্পট সমাজৰ প্ৰতি ঘৃণাভাৱ উদ্বেগ কৰিলেও বেশ্যাসমাজৰ উদ্ধাৰৰ পথৰ কোনো ইংগিত দিব পৰা নাই । বিদায়ী যৌৱনা সুবালাই দেহোপজীৱীৰ দোকান বন্ধ কৰিয়েই উপন্যাসখন শেষ কৰি সকলো গণিকাৰ এয়ে অনিবাৰ্য পৰিণতি বুলি দেখুৱাই এনে অভিশপ্ত ব্যৱস্থাৰ ৰূপান্তৰৰ কোনো ভৱিতব্যৰ সন্ধান দিব পৰা নাই । তান্ত্ৰিক হ'ল হোমেন বৰগোহাঞিৰ এক ব্যক্তিমনস্তত্ব বিশ্লেষণৰ প্ৰচেষ্টা । সমাজবীক্ষাৰ ভৱিতব্যৰ লগত এই উপন্যাসৰ বিশেষ সম্পৰ্ক নাই । কুশীলৱো সাংবাদিক বুদ্ধিজীৱীৰ সমাজৰ অন্যতম প্ৰহৰীৰূপে থকা বৃহৎ আৰু মহৎভূমিকাৰ সম্পৰ্কে এক ফোপোলা নিস্ফল সমালোচনাহে । অৱশেষত মদৰ বটল হাতত লৈ কেতিয়াবা ক'ৰবাত সমাজৰ আমোল পৰিবৰ্তন হ'লে সমাজৰ সত্য, ন্যায় ৰক্ষা সাংবাদিক বুদ্ধিজীৱীয়ে কৰিব পাৰিব সত্য বাৰ্তা প্ৰচাৰ কৰি, অন্যথাই তেওঁলোকক বুৰ্জোৱাৰ উচ্ছিষ্টভোগী নপুংশকৰ দল বুলি আত্মভৎৰ্সনা কৰিয়েই কেৱল ক্ষান্ত থকা হৈছে । 'হালধীয়া চৰায়ে বাওধান খায়'ত মহাজন হাকিম-কেৰাণী মণ্ডল আমোলাৰ দ্বাৰা দৰিদ্ৰ কৃষক ৰসেশ্বৰকে সৰ্বস্বান্ত কৰা নিৰ্ম্মম কাহিনী বৰ্ণনা কৰিও ৰসেশ্বৰক সেই মহাজনেই কেইটামান টকাত নিৰ্ব্বাচনৰ পোষ্টাৰ মৰোৱা হৈছে । লেখক বৰগোহাঞে ৰসেশ্বৰৰ আত্মনাশী কামৰ ইঙ্গিত দিছে ব্যঙ্গটিপ্পনিৰে, কিন্তু ৰসেশ্বৰক সতীৰ্থ সকলৰ লগত মাৰ বান্ধি বিদ্ৰোহ অথবা প্ৰতিবাদ কৰাৰ সাহস দিব পৰা নাই কেৱল উপন্যাসিকৰ অগ্ৰৱৰ্তী সামাজিক চেতনাৰ অভাৱত । তদ্ৰূপ পিতাপুত্ৰত যুগ পৰিবৰ্তন আৰু প্ৰজন্ম প্ৰভেদৰ এক বৈচিত্ৰ পূৰ্ণ প্ৰাণচঞ্চল আৰু অগতানুগতিক কাহিনী কোৱা হৈছে । পিচে চৰম বামপন্থীৰ কাৰাবাস আৰু চৰম সোঁপন্থীৰ নিৰ্ব্বাচনত নামি মন্ত্ৰী হৈ বুৰ্জোৱা সমাজত কাৰাবাস এই উভয় চিত্ৰকে দাঙি ধৰি ভৱিষ্যৎ ভৱিষ্যতেহে ক'ব বুলি উপন্যাসখনৰ শেষ কৰি স্ৰষ্টাৰ দূৰদৃষ্টি হীনতাৰেই পৰিচয় দিছে । সমাজ পৰিবৰ্তনৰ ঐতিহাসিক জ্ঞান আৰু বিশ্বাসৰ ফলতেই এনে হোৱা সম্ভৱ ।

অৱশ্যে পৰৱৰ্তী উপন্যাসবোৰত হোমেন বৰগোহাঞিৰ সামাজিক চেতনাই অধিক সাহস আৰু গতিশীলতাৰে প্ৰকাশ পাইছে । কুশীলৱত যি সাংবাদিক বুদ্ধিজীৱীয়ে প্ৰতাপীমন্ত্ৰী, চোৰাংবেপাৰী আৰু সিহঁতৰ ভেৰোণীয়া গুণ্ডাৰ ওচৰত কাবু হৈ আত্মসমৰ্পণ কৰিছে তেনে সাংবাদিক বুদ্ধিজীৱীয়েই তিমিৰ তীৰ্থত প্ৰলোভন, ভীতি প্ৰদৰ্শন আৰু জীৱনৰ তুচ্ছ মোহ তথা ভোগ সম্ভোগ নেওচি সত্যান্বেষণৰ কঠোৰ ব্ৰতত অবিচলিত হৈ থাকিব পাৰিছে । কুশীলৱৰ পলায়নবাদী নিবীৰ্য চেতনাই তিমিৰ তীৰ্থত সাহস আৰু সংগ্ৰামৰ বীৰ্য পাইছে । তদনুৰূপ তান্ত্ৰিকৰ কুমাৰবী-বাহত বন্দী '৮ ওজৰ দৰে ব্যক্তিবাদী আত্মমোহনৰ বিচ্ছিন্ন আৱৰ্তৰ পৰা ওলাই আহি অন্তৰাগত আত্মা-দশৰ মুক্তি স্বৰ্গ নৰকৰ কাল্পনিক ভাৱন পৰা ঔপন্যাসিকৰ চেতনাৰ উত্তৰণ ঘটি পাইছে এক মৃত্যুভয়ী

চেতনা । সেয়া হ'ল মানুহৰ অহাযোৱা অন্তহীন গতিত মৃত্যুৰ পিচতো বৈ যোৱা অজৰ-অমৰ জীৱনৰ প্ৰতি মানুহৰ গভীৰ প্ৰেম ।তান্ত্ৰিকৰ দেহজ স্পৰ্শলব্ধ সুগভীৰ অন্ধকাৰ আৰু নিস্তব্ধতাৰ শাৰীৰিক অস্তিত্বৰ ৰহস্যময় অনুভূতিৰ পৰিবৰ্তে অন্তৰাগত জীৱন আৰু পৃথিৱীক খুব ভাল পাই অমৰত্ব লভা চেতনা নিশ্চয় অধিক উন্নততৰ আৰু মহত্বৰ। ঠিক সেইদৰে 'সাউদৰ পুতেকে নাও মেলি যায়'ত পিতাপুত্ৰ আৰু অন্তৰাগৰ পিতৃপুৰুষ অভিজাত জমিদাৰৰ বংশমৰ্যাদাৰ আত্মাভিমানত মজি আধুনিক যুগৰ অৱধাৰিত বিজ্ঞান প্ৰযুক্তিবিদ্যা-লব্ধ পুঁজিবাদী বিকাশৰ প্ৰতি খিলবে অন্ধ-বিৰাগী আছিল, 'সাউদৰ পুতেকে নাও মেলি যায়'ৰ পিতৃপুৰুষ আধুনিক নগৰীয়া শিক্ষা-সভ্যতাৰ প্ৰতি বিৰাগী নহয়, অনুৰাগীহে । সেয়ে তেওঁ নিজেই গাঁৱৰ অনগ্ৰসৰ হাইস্কুলৰ পৰিবৰ্তে নগৰৰ উন্নত হাইস্কুলত পঢ়োৱাৰ পোহৰ নিজেই আনে । গাঁৱৰ আওপুৰণি জাৱণিত হেৰাই যোৱা হেবাগুৰ বিপৰীতে সেয়ে নগৰীয়া আধুনিক শিক্ষা সভ্যতা আহৰণ কৰিবলৈ সাউদে পুতেকক উদ্‌গণি দিছিল ।বিক্ৰমো হেৰাগুইতৰ দৰেই প্ৰাচীন জীৱনৰ প্ৰীতিৰ অন্ধতাত মজি নেথাকি চেনেহী গাঁও এৰাৰ দুঃসহ বিষাদকো অতিক্ৰমী বিপুল আনন্দেৰে গ্ৰহণ কৰিলে নতুন জীৱনৰ হাতবাউলি ।

হোমেন বৰগোহাঞিৰ সৰ্বশেষ উপন্যাস "মৎস্যগন্ধা" তেওঁৰ চেতনাৰ উন্মেষৰ এক ব্যতিক্ৰম প্ৰকাশ । জীৱনৰ চৰম দুৰ্ভাগ্যৰ পতনৰ অন্তহীন সোঁতত আপোন হতভাগ্যৰ দোহাই দি নিজক উটি ভাহি যাবলৈ এৰি দিয়া 'সুবালা আৰু হালধীয়া চৰায়ে বাও ধান খায়'ৰ ৰসেশ্বৰে যেন মৎস্যগন্ধাৰ মেনকাৰ মাজেদি সাৰ পাই জাগি উঠিল । সুবালাক প্ৰথমে ধৰ্ষণ কৰা নৰেন যেন কমলাক প্ৰলোভনেৰে বঞ্চনা কৰিবখোজা মণিৰামহে আৰু সুবালা উপন্যাসত কাবু হোৱা সুবালা যেন মৎস্যগন্ধাৰ মেনকা হৈ নৰেনৰূপী মণিৰামক কাবু কৰি প্ৰতিশোধ লৈছে । 'হালধীয়া চৰায়ে বাও ধান খায়' ৰ ৰসেশ্বৰ হাকিম আমোলাযন্ত্ৰৰ চেপাত পিষ্ট হৈ মৎস্যগন্ধাৰ মেনকা হৈ শাসক শোষক হেন্দুৰ গোষ্ঠীৰ নিৰ্মম বৰ্ণবাদৰ বিৰুদ্ধে যেন জংগী হৈ উঠিছে ।

হোমেন বৰগোহাঞিৰ উপন্যাসৰ চেতনাৰ উন্মেষ বিকাশ আৰু উত্তৰণ আৰু তেওঁৰ ভৱিষ্যৎ দৃষ্টিৰ সম্পৰ্কত ইমানখিনি ইতিবাচক কথা কোৱাৰ পিচতো তেওঁক প্ৰগতিশীল ঔপন্যাসিক বুলি নিচই আখ্যা দিব নোৱাৰি । কাৰণ ৰূপণী প্ৰগতিশীলতাৰ [illegible] দৃষ্টিভংগীৰে [illegible] হোমেন বৰগোহাঞিৰ উপন্যাসত [illegible] প্ৰকাশ [illegible], হোমেন বৰগোহাঞি [illegible], মানৱতাবাদী, গণতান্ত্ৰিক আৰু প্ৰতিবাদী সৃষ্টিশীল ঔপন্যাসিক বুলি স্বীকাৰ কৰিবই লাগিব । অৱশ্যে, ১৯৯০ চনৰ পৰৱৰ্তী কালত শ্ৰীবৰগোহাঞিৰ পৰা আমি উপন্যাস পাব পৰা নাই । বৰগোহাঞিৰ পৰৱৰ্তী উপন্যাসত আমি নিশ্চয় অধিক সমাজবাদী চেতনাৰ উপন্যাস পাব পাৰিম বুলি আশা ৰাখিলোঁ । ◻◻

হোমেন বৰগোহাঞিৰ কবিতাত এভুমুকি

— হীৰেন্দ্ৰ নাথ দত্ত

হোমেন বৰগোহাঞিয়ে তেওঁৰ তৰুণ বয়সত গল্প আৰু কবিতা দুয়োটা লিখিছিল। জীৱন উপলব্ধিৰ পথ হিচাপে তেওঁ ক্ৰমে গল্প আৰু উপন্যাসৰ প্ৰতি অধিক ঢাল খালে আৰু কবিতা লিখিবলৈ ক্ৰমে ক্ৰমে এৰি দিলে । সেয়ে হলেও ডেকা বয়সত কৰা কাব্য চৰ্চাই তেওঁৰ মনলৈ যি শাণ আনি দিলে তাৰ স্বাক্ষৰ হয়তো তেওঁৰ গল্প-উপন্যাসৰ মৰ্মস্পৰ্শী জেদবোৰত পোৱা যাব । নিষ্ঠাযুক্ত কাব্য চৰ্চা কেতিয়াও বিফলে নেযায় ।এনে মনোভাব পোষণ কৰাৰ অন্য এটা হেতু হ'ল এয়ে যে তৰুণ বৰগোহাঞিয়ে কাব্য চৰ্চাৰ জৰিয়তে তেওঁৰ সাহিত্যিক জীৱনৰ এটা উজ্বল আৰম্ভণিৰ সূচনা কৰিছিল । তেওঁৰ 'কুশল কোঁৱৰ' কবিতাটো পঢ়ি সেই সময়ৰ অসমৰ আধুনিক কাব্য আন্দোলনৰ নেতা হেম বৰুৱা অতিকৈ মুগ্ধ হৈছিল বুলি বৰগোহাঞি ডাঙৰীয়াই এটা টোকাকাৰক কোৱা মনত পৰিছে ।খুব সম্ভৱ কবিতাটো 'পছোৱা'ত প্ৰকাশ হৈছিল । "কুশল কোঁৱৰ'ৰ পাছত লেখা হোমেন বৰগোহাঞিৰ ছটা ভাল কবিতা মহেন্দ্ৰ বৰাৰ দ্বাৰা সম্পাদিত 'নতুন কবিতা'ত সংকলিত হৈছে । নীলমণি ফুকনৰ দ্বাৰা সম্পাদিত "কুৰি শতিকাৰ অসমীয়া কবিতা"ত অন্তৰ্ভুক্ত হোৱা বৰগোহাঞিৰ তিনিটা কবিতাৰ ভিতৰত দুটা পূৰ্বোক্ত সংকলনখনত সোমোৱা নাছিল। সেই কবিতা দুটা হ'ল "স্মৃতি" আৰু "ওফেলিয়া" ।এই দুটা কবিতা আৰু পূৰ্বোক্ত ছটা কবিতাৰ ওপৰতে ভিত্তি কৰি হোমেন বৰগোহাঞিৰ কবিতাৰ ওপৰত কিঞ্চিত সংক্ষিপ্ত মন্তব্য আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে ।

সম্ভৱতঃ "স্মৃতি" কবিতাটো বাদ দি বাকী সাতোটা কবিতা এজন উজ্বল প্ৰতিশ্ৰুতিসম্পন্ন মেধাবী কলেজীয়া যুৱকৰ ৰচনা বুলি গণ্য কৰিব পাৰি । বিস্তৃত অধ্যয়নশীল আৰু সূক্ষ্ম অনুভূতিসম্পন্ন সাহিত্যৰ ছাত্ৰ এজনৰ মনৰ খবৰ কবিতাবোৰত অন্তৰ্নিহিত ।আধুনিক সাহিত্য আৰু আধুনিক জীৱনবোধৰ প্ৰতি এই তৰুণ কবিজনৰ কৌতূহল আৰু আগ্ৰহ অপৰিমেয় । এই সূত্ৰতেই কবিতাবোৰত ৰ্যাবো, বদলেয়াৰ, ফ্ৰয়েড, ডি, এইচ লৰেন্স, এলবাৰ্ট' মৰেভিয়া আদিৰ প্ৰভাৱ

অন্তৰ্নিহিত । সেয়া অসমীয়া সাহিত্যৰ পঞ্চাছৰ দশকৰ আগভাগ আৰু মাজভাগৰ সময় । পৰম্পৰাগত নৈতিকতাৰ প্ৰতি তীব্ৰ অৱজ্ঞা বদ্‌লেয়াৰৰ Les Fleurs du Mal কাব্যগ্ৰন্থত প্ৰকট । বদ্‌লেয়াৰে আৰু কৈছিল যে বিষপান কৰিলেহে আমি জীয়াই থাকোঁ । আৰু এই জলীয় বস্তু দহনৰ যোগেৰেহে অজানাক জানিবলৈ পাবোঁ। ৰ্‌যাবোৱেএ দ্ৰষ্টা হ'বৰ বাবে আৰু কবি হ'বৰ বাবে ইন্দ্ৰিয়ানুভূতিবোৰক ওলট পালট কৰাৰ কথা এখন সুবিখ্যাত চিঠিত লিখিছিল । ফৰাচী প্ৰতীকবাদী কাব্যধাৰাৰ এইবোৰ আৰু অন্যান্য বৈশিষ্ট্যৰ বিষয়ে আৰু আলোচনা কৰিবৰ বাবে এই আলোচনাটোত পৰিসৰৰ অভাৱ । আত্ম নিপীড়ণ আৰু যন্ত্ৰণাৰ প্ৰতি বৰগোহাঞিৰ আলোচ্য কবিতা কেইটাত থকা উল্লেখৰ প্ৰতি মনত ৰাখিহে এইখিনি কথা কোৱা হৈছে । মানুহৰ যৌন-প্ৰবৃত্তি আৰু অচেতন অৱচেতন জগতখনৰ বিষয়ে ফ্ৰয়েডীয় চিন্তাধাৰাৰ তথ্য সম্পৰ্কে আমি সকলোৱেই অৱগত । তৰুণ কবি বৰগোহাঞি তেওঁৰ কবিসত্তাৰ চেতনাৰ ইপাৰ-সিপাৰৰ বিষয়ে ব্যগ্ৰভাৱে কৌতূহলী । আধুনিক সাহিত্যত দেহজ অতিন্দ্ৰীয়বাদ আৰু অন্ধকাৰ পিপাসাৰ এজন জোৰদাৰ প্ৰবক্তা হ'ল লৰেন্স । লৰেন্সৰ বিখ্যাত কবিতা Snake অত সোণালী ৰঙৰ সাপ ঘনতম অন্ধকাৰৰ মাজলৈ সোমাই যোৱা গতিয়ে কবিক সম্মোহিত কৰাৰ বৰ্ণনা আছে । মৰেভিয়াৰ উপন্যাসত মানুহৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত প্ৰচলিত সামাজিক নৈতিকতাক বিদীৰ্ণ কৰা হৈছে । বিদেশী এই শিল্পীসকলৰ বাস্তৱক স্বৰূপত চিত্ৰিত কৰাৰ আৰু পৰিবৰ্তিত পৰিস্থিতিত নতুন ঠাঁচৰ নৈতিকতা প্ৰৱৰ্তন কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা আছে । বৰগোহাঞি সেইবোৰৰ উপযুক্ত দ্ৰষ্টা । সেয়ে কব পাৰি যে আধুনিকতাবাদৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ বৰগোহাঞিৰ এই কবিতাবোৰত পোৱা যায়। অসমীয়া কবিতাৰ বাবে এনে সক্ৰিয় চিন্তা-ভাৱনা আহুলাদৰ বিষয় । মাৰ্ক্সবাদী চিন্তাধাৰাৰ সামন্তৰালভাৱে পঞ্চাছৰ দশকত মূলতঃ প্ৰতীকবাদী ধাৰাৰ কবিতাৰ সৃষ্টি এটাও বৈছিল। তৰুণ কবি হোমেন বৰগোহাঞিয়ে সেই ধাৰাৰে এজন উজ্জ্বল প্ৰতিনিধি । মাৰ্ক্সবাদী তথা সমাজবাদী ধাৰাৰ অনেক কবিতা পদ্যত কৰা সাংবাদিকতাৰ পৰ্যায়লৈ নামি গৈছিল । লক্ষ্য কৰিবলগীয়া কথা এটা হ'ল এয়ে যে বৰ্তমানৰ অসমৰ শীৰ্ষস্থানীয় সাংবাদিক এজনৰ দ্বাৰা লিখিত তেওঁৰ তৰুণ বয়সৰ কবিতাবাজি quest for the beyond অৰ আকুতিৰ দ্বাৰাহে আলোড়িত । অপ্ৰাসংগিক যেন লাগিলেও এইখিনিতে উল্লেখ কৰি থওঁ যে সেই সময়ত বাংলা কাব্য সাহিত্যৰ আকাশত উজ্জ্বলাই থকা কেইটিমান জ্যোতিষ্ক অসমীয়া কবিসকলৰ বাবেও অনুপ্ৰেৰণাৰ উৎস আছিল । সেইসকলৰ ভিতৰত জীবনানন্দ দাস, বুদ্ধদেৱ বসু, বিষ্ণু দে আৰু সুধীন্দ্ৰনাথ দত্তৰ নাম বিশেষভাৱে উল্লেখযোগ্য। হোমেন বৰগোহাঞিৰ কবিতাতো এই প্ৰতিভাৰ আধুনিক বঙালী কবিসকলৰ কবিতাৰ দুই এফেৰা সুৰুলীয়া বিৰ গুনিবলৈ পোৱা যায়

পাৰে, বিশেষকৈ কবিতাৰ শব্দ-চয়নৰ ক্ষেত্ৰত ।

বৰগোহাঞিৰ আলোচ্য কবিতা কেইটালৈ মুখামুখিকৈ আহি দোহাৰিব খুজিছোঁ যে তেওঁৰ কবিতাখিনি একক গুণসম্পন্ন আকৰ্ষণীয় কবিতা । অৱশ্য আৰু ওফেলিয়া এই দুটা কবিতাই আধুনিক অসমীয়া কাব্যজগত গুৱনি কৰি ৰাখিছে । দুয়োটাই উৎকৃষ্ট কবিতা । আকৌ স্মৃতি কবিতাটোৰ আৰম্ভণি অপূৰ্ব সুন্দৰ ঃ

> হঠাৎ নীৰৱ হয় পৰিচিত পখীৰ ক্ৰন্দন,
> পকা ফল সৰি পৰে ইমান নীৰৱে যে
> গছে তাৰ গমকে নেপায় ;
> পথাৰ উকঙা হয় সাপৰ এন্ধাৰ জঠৰত

পিচৰ পংক্তিবোৰো উজ্জ্বল । অৱশ্যে কবিতাটোৰ ভাৱটো পাঠকে হৃদয়ঙ্গম কৰাৰ পাছত উপকূলৰ প্ৰচণ্ড শক্তিশালী চুম্বকে উপকূলৰ দাঁতিয়েদি যোৱা জাহাজক টানি নিব খোজাৰ দৰে W B yeats অৰ অমৰ কীৰ্তিস্তম্ভ By zantium কবিতা দুটাই পাঠকৰ মন তল-ওপৰ কৰি পেলায় । তথাপিও এই কথা অনস্বীকাৰ্য যে অসমীয়া ভাষাত “স্মৃতি”ৰ দৰে বলিষ্ঠ কবিতা বিৰল । “ওফেলিয়া” কবিতাটো এজন স্নাতক শ্ৰেণীত পঢ়ি থকা কলেজীয়া ছাত্ৰৰ ৰচনা । ছেক্সপিয়েৰৰ অমৰ ট্ৰেজেডী হেমলেটৰ ঘনঘোৰ পৰিমণ্ডলৰ ওপৰত কবিৰ মানসিক প্ৰক্ৰিয়া ইয়াত তীক্ষ্ণ ৰূপত প্ৰকাশ পাইছে। ওফেলিয়া কবিতাটো হোমেন বৰগোহাঞিৰ সূক্ষ্ম ৰূপচেতনাৰ বিস্ময়কৰ প্ৰকাশ ।

অৱশ্যে হোমেন বৰগোহাঞিৰ আটাইতকৈ জনাজাত কবিতাটো হৈছে ‘সাপ’। এই কবিতাটো ‘নতুন কবিতা’ত আৰু মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত ‘সঞ্চয়ন’ত অন্তৰ্ভুক্ত হৈছে । বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ পাঠ্যক্ৰমতো এই কবিতাটোৱে ঠাই পাইছে। সেইহেতুকে সাপ কবিতাটো সম্পৰ্কে যৎকিঞ্চিত লিখি এই আলোচনাটো সামৰিম । কবিতাটোৰ বিষয়-বস্তুৰ প্ৰতি চকু ৰাখি কৈ থব খুজিছোঁ যে কবিৰ প্ৰবৃত্তি হৈছে অনুসন্ধিৎসো আৰু অন্বেষণ । তাকে কৰিবলৈ যাওঁতে কবিয়ে প্ৰয়োজন বিশেষে প্ৰথাগত নৈতিকতাৰ অনুশাসন চেৰাই যাবও পাৰে । আলকাতৰাৰ দৰে গাৰ ৰঙৰ কোনো এক বেশ্যাৰ সৌন্দৰ্যৰ বিষয়ে কবিয়ে উল্লেখ কৰা কথাটো লৈ এই উক্তি এৰা হৈছে আলকাত্ৰাৰ দৰে গাৰ ৰঙৰ কোনো এক বেশ্যা প্ৰতীকী অৰ্থত [illegible] প্ৰয়াসৰ প্ৰতীক । বদলেয়াৰ উক্তি ' The beautiful is bizarre । আলকাতৰাৰ দৰে গাৰ ৰঙৰ এক বেশ্যা বদলেয়াৰী অৰ্থত এপাহ ক্লেদজ কুসুম । যন্ত্ৰণা আৰু সৌন্দৰ্যবোধৰ মাজত পাৰস্পৰিক ক্ৰিয়া প্ৰক্ৰিয়াৰ প্ৰতি তীব্ৰ কৌতূহল decadence গোষ্ঠীৰ কবিতাৰ এটি বিশেষত্ব । জনা কথা যে প্ৰতীকবাদ আৰু decadence অৰ মাজত পূৰা সংযোগ আছে । “সুন্দৰ ৰাতি”

সেয়ে "দুঃসহ"। মৃত্যু-কামনা আলোচ্য প্ৰতীকী কবিতা 'সাপ'ৰ এটা বিশেষ দিশ। এইখিনিতে ফ্ৰয়েডীয় মনস্তত্ত্বৰ কিছু কথা আহি পৰে। বেশ্যাই লিবিডোৰ কথা সূচায়। ফ্ৰয়েডীয় মনস্তত্ত্ব অনুসৰি লিবিডো Life instinct অৰ সগোত্ৰীয়। এই তত্ত্ব মতে আকৌ life instinct বা Eros হ'ল Death instinct বা Thanatos অৰ সৈতে অঙ্গাঙ্গী। সেই সূত্ৰতেই তীব্ৰ প্ৰেমে মৰণমুখী গতি ল'ব পাৰে। এনে ভাবনাৰ ভিত্তিত বেশ্যাৰ গলিত হৃদয়ে মৃত্যু আৰু সৌন্দৰ্য্যৰ বোধ একত্ৰে সূচোৱাতো সম্ভৱ। কবিতাটোত প্ৰকাশ পোৱা অন্ধকাৰ পিপাসা Death instinctৰ প্ৰথাবিত আকুতি। লগতে অৱশ্যে নৰেন্দ্ৰৰ পূৰ্বোল্লিখিত অন্ধকাৰ পিপাসাও সংযোজিত হৈছে বুলি অনুমান কৰিবৰ থল আছে। মুঠতে ওপৰত ক'ব পাৰি যে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত যি আধুনিকতাবাদী ভাবধাৰাই পশ্চিমীয়া সাহিত্য আলোড়িত কৰিছিল, হোমেন বৰগোহাঞিৰ "সাপ" কবিতাটোত তাৰ কেইটামান দিশ সুন্দৰকৈ দেখা যায়। এনে প্ৰচেষ্টাই অসমীয়া কাব্য সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰিলে। নকলেও হ'ব যে সাহসী পৰীক্ষা-নিৰীক্ষাইহে সাহিত্যক গতিশীলতা দিয়ে। □□

হোমেন বৰগোহাঞিৰ চুটিগল্প

পূৰ্ণানন্দ গগৈ

হোমেন বৰগোহাঞিৰ জন্ম ১৯৩২ চনত । তেওঁৰ প্ৰথম চুটি গল্পটো 'কটনিয়ান'ত প্ৰকাশ পাইছিল - বোধহয় ১৯৫০ চনত । 'অক্টোপাছ' নামৰ এই গল্পটোৰ এঠাইত 'এতিয়া, ১৯৫০ চনত ...." এনেদৰে উল্লেখ আছে । ড° মহেন্দ্ৰ বৰাই "এক জেনেৰেছনৰ গল্পলেখক" শিৰোনামৰ আলোচনা এটাত লিখিছে – "১৯৪৯ চনত কৰা এই কটন কলেজৰে ছপা আলোচনী কটনিয়ানত এটা চুটি গল্প প্ৰকাশ হৈছিল – নাম "অক্টোপাছ" । লেখক- হোমেন বৰগোহাঞি ।"[1] তেতিয়া বৰগোহাঞি আছিল সোতৰ ওঠৰ বছৰীয়া যুৱক । '৩২ৰ পৰা '৫০ লৈ এই দুটা দশক, বিশেষকৈ "সমগ্ৰ পঞ্চম দশকটোৱেই নানা যুগান্তকাৰী ঘটনাৰ ধন ঘটাৰে এনেভাৱে আন্দোলিত আৰু মুখৰিত কৰিছিল যে আধুনিক ভাৰতৰ ইতিহাসত সতকাই ইয়াৰ তুলনা বিচাৰি পোৱা টান ।"[2] আন আন সমালোচকৰ বিচাৰতো অসমীয়া সাহিত্যলৈ নতুনত্বৰ আমদানি কৰাত আৰু লেখকসকলৰ বৌদ্ধিক জগতখনক গঢ় দিয়াত এইটো দশকৰ ঘটনাৱলীৰ সক্ৰিয় ভূমিকাৰ কথা উল্লেখ আছে । বৰগোহাঞিৰ দৰে এজন অধ্যয়নশীল, তীব্ৰ সংবেদনশীল, নিৰ্জনতামুখী ভাবুক আৰু অনুসন্ধিৎসু কিশোৰৰ মনত যে এনে এছোৱা" প্ৰ পূৰ্ণ আৰু দ্বন্দ্বপীড়িত" সময়ে জীৱন আৰু জগতক নতুন দৃষ্টিভঙ্গীৰে অবলোকন কৰিবলৈ অনুপ্ৰাণিত কৰিব - ই তেনেই স্বাভাৱিক । ফলত সকলোৰে চকু বিস্ফোৰিত কৰি অসমীয়া গল্প সাহিত্যত আবিৰ্ভাৱ হ'ল "বৰব" দৰে আচহুৱা চৰিত্ৰৰ— যি তেওঁৰ বিবাহিতা এজনী স্খলিত তিৰোতাক ঠাণ্ডা মগজুৰে নিৰ্মমভাৱে হত্যা কৰিছে । কেৱল ইমানেই নহয়, তাৰ আগেয়েও তেওঁ কেইবাটাও হত্যাকাণ্ড সংঘটিত কৰিছে আৰু বন্ধু গৌতমক কৈছে – "মৃত্যুক যি মুখামুখিকৈ দেখা নাই তেওঁ জীৱনকে দেখা নাই । জীৱন অথবা মৃত্যু তেওঁৰ বাবে একেই অৰ্থহীন ।" অন্যৰ ব্যাখ্যালৈ নগৈ বৰগোহাঞিৰ নিজৰ ভাষাতেই – "এই অৰ্থহীনতাৰ অনুসন্ধানেই তেওঁৰ সমস্ত কাৰ্যাৱলীক পৰিচালিত কৰিছে । লগতে এই কথাও প্ৰমাণিত কৰিছে যে মানৱ চৰিত্ৰৰ অন্তৰ্নিহিত ৰহস্য বা ভাৱ ক্ৰিয়া

১। "প্ৰকাশ" – অক্টোবৰ '৮৪ চন ।

২। *হোমেন বৰগোহাঞি : "অসমীয়া গল্প সংকলন" অসম প্ৰকাশন পৰিষদ (পাতনি) ১৯৭৬ চন।*

কলাপ কোনো মানুহৰে সম্পূৰ্ণ বোধগম্য নহয় । কিন্তু বৰগোহাঞিৰ গল্পৰ নায়কজনে তেওঁৰ অস্তিত্ববাদী স্বাধীনতা বা দায়িত্বৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰিছেনে ?"[৩] অস্তিত্ববাদী সকলে নিজৰ শিক্ষা আৰু অভিজ্ঞতা প্ৰসূত বিচাৰ বুদ্ধিৰে পৰিচালিত হলেও দায়িত্বহীন আবেগক প্ৰশ্ৰয় দিয়া খেয়াল খুচিৰ স্বাধীনতাই "Man of bad faith" ৰ জন্ম দিয়ে । "বৰগোহাঞিৰ পঞ্চাছৰ দশকত ৰচিত গল্প বোৰ্হেভাগ চৰিত্ৰই চাৰ্ত্ৰৰ কথিত "Man of bad faith""[৪] অস্তিত্ববাদৰ প্ৰভাৱত ৰচিত এনেবোৰ গল্পৰ জৰিয়তে জীৱনৰ সন্ধান কৰা বৰগোহাঞিৰ পৰা '৯০ দশকত "প্ৰথমীয়া"ত চিত্ৰিত গাঁৱৰ জীৱনৰ ছবিলৈকে, "যৌৱন"ৰ অমিয়ৰ অস্তিত্ব চেতনাৰ পৰা উদ্ভৱ হোৱা তত্ত্বকথা "ভয়" গল্পৰ অনিল বৰুৱাৰ ভয়লৈকে, আত্মানুসন্ধান, "অক্টোপাছ"ৰ বৰৰ পৰা "চিনাকী গাঁৱৰ মুহিৰামলৈকে, "ধুমুহা"ৰ নাৰায়ণ পণ্ডিতৰ অন্তৰৰ ধুমুহা আৰু হৃদয়ৰ যন্ত্ৰণাৰ পৰা "ভয়ৰ" অনিল বৰুৱাৰ বুকুৰ ঘালৈকে তীব্ৰ সংবেদনশীলতা, গভীৰ মূল্যবোধৰ পৰা চিনাকী গাঁৱৰ পৰিবৰ্তনলৈকে সমাজ পৰিক্ৰমা, "সৰকাৰ মইনা"ৰ বাসন্তীৰ পৰা "নৰক বসন্ত"ৰ জুলেখালৈকে, "বীৰত্ব"ৰ মিলিক গুণ্ডালৈকে বহু বিচিত্ৰ চৰিত্ৰ, পৰিৱেশ, ঘটনাৰে সমৃদ্ধ বৰগোহাঞিৰ গল্পবোৰে আচলতে বৈচিত্ৰ্যময় জগতখনকে প্ৰতিফলিত কৰিছে । লগতে বিষয় বস্তু আৰু আঙ্গিকৰ অভিনৱত্বইও গল্পবোৰলৈ বিশেষত্ব আনি দিছে ।

বৰগোহাঞিয়ে তেওঁৰ গল্পত জীৱনক সিদিকি-সিলাসি চাবৰ বাবে বিভিন্ন বিষয়-বস্তু টানি আনিছে । অস্তিত্ব চেতনাৰে চালিত কিছুমান চৰিত্ৰৰ চকুৰে জীৱনক চাবলৈ গৈ তেখেতে "অক্টোপাছ" গল্পত এটা প্ৰাক্তন নিগ্ৰো সৈনিকৰ কাৰ্যকলাপৰ উল্লেখ কৰিছে । "যৌৱন" গল্পত নৱম মানৰ কেইটামান ছাত্ৰৰ কথোপকথনত অগতানুগতিকতাৰ অৱস্থিতিবাদৰ অনুৰণন শুনা যায় । "সকলো মানুহৰ জন্ম হয়, লাহে লাহে ডাঙৰ হয়, তাৰ পাচত মানুহ এদিন বুঢ়া হয় আৰু মৰি থাকে । (Evry existing thing is born without reason, prolongs itself out of weakness and dies by chance - Nousea) নায়ক অমিয়ই অৱশেষত কিতাপ কিনিবলৈ অনা টকাৰে চাহ-চিগাৰেট খাই মাকক মিছা কথা কব নে ? উচিত অনুচিতৰ মাজৰ পৰা এটাক বাছি লোৱাৰ সংকটজনক পৰিস্থিতি এটাৰ জৰিয়তে জীৱনৰ মূল প্ৰশ্নৰ সন্মুখীন হৈছে । কিশোৰ সুলভ ৰোমাণ্টিক হতাশা বা বিলাস-বৰ্জিত বেদনাতকৈ ই এক বেলেগ যন্ত্ৰণা । কেৱল নিজৰ বিচাৰেৰে সিদ্ধান্ত ল'বলগীয়া ভয়াবহ নিঃসংগতা আৰু দায়িত্বশীলতাৰ বোজাই তাক ভীতি বিহ্বল কৰি তুলিছে । এই ক্ষেত্ৰত ড° সত্যেন্দ্ৰনাথ শৰ্মাই " বৰগোহাঞিৰ গল্পত অস্তিত্ববাদৰ

৩। উল্লিখিত ।
৪। উল্লিখিত
৫। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত : পৃ. ২২৮-৯ ।
৬। আধুনিক অসমীয়া গল্প সাহিত্য : পৃ. ২২৮।

প্ৰভাৱ প্ৰত্যক্ষ ৰূপত দেখা নেযায় বোলা মন্তব্যতকৈ ত্ৰৈলোক্যনাথ গোস্বামীয়ে[৭] অন্তৰ্হি প্ৰভাৱ থকা বুলি কৰা মন্তব্যহে যথাৰ্থ। উল্লিখিত গল্পকেইটাৰ উপৰিও "কৃতজ্ঞতা", "এপিটাফ" আদি অনেক গল্পৰ চৰিত্ৰত অস্তিত্ববাদৰ চিটিকনি পৰিছে। সময় সম্পৰ্কে আধুনিক চিন্তাবিদৰ পৰিবৰ্তিত ধাৰণা প্ৰকাশ পাইছে "ভয়" গল্পত। অমল বৰুৱাৰ চেতনাত অখণ্ড চেতনা প্ৰবাহ নিমৰ্জিত অমল বৰুৱাই আত্মপ্ৰকাশ কৰিছে নিজেই। সময়ত ভাঁহি ফুৰা অমল বৰুৱাৰ ওপৰত সময়ত ডুবি থকা অমল বৰুৱাৰ প্ৰভুত্ব বিস্তাৰেৰে গল্পটোৰ সামৰণি মৰা হৈছে। "জীৱন এক জ্যোতিৰ্ময় মণ্ডলস্বৰূপ (Luminous halo) এক অৰ্দ্ধস্বচ্ছ আৱৰণ যি আমাক চেতনাৰ আৰম্ভণিৰ পৰা শেষলৈকে ঘেৰি থৈছে।" জীৱন আৰু সময় সম্পৰ্কে এনে এটা জটিল ধাৰণা গল্পটোত শিল্প সুষমা ৰক্ষা কৰি অতি দক্ষতাৰে উপস্থাপিত কৰিছে। অমল বৰুৱাৰ ঘৰতে এজন আগন্তুক উপস্থিত হৈ দাবী কৰিলে যে তেওঁহে অমল বৰুৱা। দুয়োজনে নিজকে অমল বৰুৱা হিচাপে প্ৰতিপন্ন কৰিবলৈ বহু কথা বাৰ্তা আৰু বিতৰ্কৰ উপৰিও প্ৰমাণৰ বাবে তেওঁলোকৰ নিজ নিজ বুকুত থকা ঘা প্ৰদৰ্শন কৰিলে। পাৰ্থক্য ইমানেই যে, আগন্তুক অমলৰ ঘা তেতিয়াও কেঁচা হৈ আছে আৰু গৃহস্থ অমলৰ ঘা শুকাই গৈছে। পুনৰ তেওঁলোকে পত্নীক সমুখলৈ আনিলে। তেওঁৰ শৰীৰ বৰ্ণনাতো আগন্তুক সফল হ'ল। কিন্তু সুন্দৰী পত্নীয়ে এটি বিশেষ সময়ত ইংহা ৰহস্যময় হাঁহিটো দেখি গৃহস্থ অমল বৰুৱাই পত্নীৰ ওঁঠত ওঁঠ থৈ হাঁহিটো খাই থোৱাৰ ভাব হৈছিল; কিন্তু আগন্তুক অমল বৰুৱাই হাঁহিটোক চিৰকালৰ বাবে অব্যয় ৰূপত সংৰক্ষণ কৰি ৰখাৰ কথা ভাবিছিল। অৱশেষত টিংপাং পদ্ধতিৰে আগন্তুক অমল বৰুৱাকে আচল অমল বৰুৱা স্বৰূপে প্ৰতিস্থিত কৰি এই দ্বন্দ্বৰ ওৰ পেলাইছে।

জীৱনৰ পৰিচালক মন। জীৱনৰ বাহ্যিক আচাৰ-আচৰণ মনৰ বহিঃ প্ৰকাশ মাত্ৰ। মনৰ ব্যাখ্যাতীত জটিলতাৰ তাত্ত্বিক বিশ্লেষণ মনোবিজ্ঞানীসকলে কৰিছে। ফ্ৰয়েড আৰু য়ুঙৰ মনঃ সমীকৰণৰ আধাৰত বৰগোহাঞিয়ে চৰিত্ৰৰ অৱচেতন মনৰ গহন তলিৰ বাৰ্তা প্ৰেৰণ কৰিছে বহুকেইটা গল্পৰ জৰিয়তে। "বীৰত্ব" গল্পত ত্ৰিশ বছৰীয়া প্ৰতিভা আৰু প্ৰতিপত্তিহীন মিলিক শুণ্ডাই সমাজৰ বিশেষকৈ নাৰী সমাজৰ পৰা পোৱা অৱজ্ঞা অৱহেলাৰ বাবে গুণ্ডাত পৰিণত হ'ল। কেতিয়াবা সকলোকে চমক লগাই নিজক আলোকিত কৰিবলৈ আৰু কেতিয়াবা ঈৰ্ষাজনিত খঙত বশৱৰ্তী হৈ নিৰাখিতৰ ওপৰত অত্যাচাৰ চলায় অথবা হলা গছত বাগি কুঠাৰ মাৰি বীৰত্ব দেখুৱায়। এদিন ৰাতি গানৰ মজলিচত গান গাই থকা ধুনীয়া চেহেৰাৰ যুৱক এজনৰ কাষলৈ কুমুদ বৈশ্য ঠিকাদাৰৰ ঘৈণীয়েককে ধৰি গাভৰুবোৰে অপলক নেত্ৰে চাই থকা দেখিলে। সেইদিনা

৭। Moden Tiction অনুবাদক - মহেন্দ্ৰ বৰা, সাহিত্য উপক্ৰমণিকা, পৃ. ১৫৭।

ৰাতি মিলিক গুণ্ডাই তাৰ পৰিচিতা এজনী বেশ্যাৰ কোঠাত সোমাই গ্ৰাহকজনক [illegible] খোঁচা মাৰিছে। আন এদিন বিজুলী চিনেমা হলৰ সমুখত এজন কাজিয়াৰ মাজত সোমাই ইতিমধ্যে অন্যাই গ্ৰহণ কৰি কাবু কৰিব নোৱাৰা বলবান কাবুলী এজনৰ বিনা বিচাৰে খুঁটিয়াই ধৰাশায়ী কৰিছে। ওপৰৰ আৱৰণবিতৰ সূচক বাক্যবোৰৰ পৰা জানিব পাৰি যে মিলিক দাস (গুণ্ডা) উচ্চ শিক্ষিত, সম্ভ্ৰান্ত অথবা অভিজাত পৰিয়ালৰ সন্তান নহয়। কিন্তু তাৰ মুখৰ আৰেো প্ৰকাশক ভাষা আৰু ত্ৰিকোণা, সৌন্দৰ্য আদি বিষয়ৰ ওপৰত কৰা পাণ্ডিত্যপূৰ্ণ আৰু বিশ্লেষণাত্মক মন্তব্য বাপৰূপ। হীনমন্যতা আৰু বিকৃত মানসিকতাৰ পৰিচায়ক মিলিক গুণ্ডাৰ মুখৰ "... ...... মাইকী মানুহে জীৱনত এজন মাত্ৰ দেৱতাৰ পূজা কৰে; সেয়ে হৈছে কৃতকাৰ্যতাৰ দেৱতা। বিজেতা চিৰকালেই বীৰভোজা"ৰ দৰে বাক্য ধাৰ কৰা যেন লাগে। [illegible] তাৰ গুণ্ডামিৰ অন্তৰালত থকা ঈৰ্ষাকাতৰ মনস্তত্ত্বৰ স্বাভাৱিক চিত্ৰ গল্পটোত অংকিত হৈছে। "[illegible] প্ৰয়োজন"ত ঐশ্বৰ্যশালী পৰিয়ালৰ একমাত্ৰ নিৰ্বোধ পুত্ৰ [illegible] আৰু দৰিদ্ৰ পৰিয়ালৰ [illegible] বিদ্যা-বুদ্ধি থকা ৰূপৱতী গাভৰু [illegible] বিবাহিত জীৱনৰ [illegible] পৰিণতি দেখুৱাইছে। পাৰস্পৰিক সহৃদয়তাৰ অভাৱে [illegible] স্বামী-স্ত্ৰীৰ জীৱন [illegible] কৰি পেলাইছে। তেনেকৈ প্ৰাত্যহিকতা [illegible] আকৰ্ষণৰ সন্ধান কৰা [illegible] মাধুৰীক [illegible] বিবাহ [illegible] অসুখী জীৱন [illegible] কৰিবলগীয়া হৈছে "[illegible]" গল্পত। [illegible] মাধুৰীৰ দেহ-ভংগিমাত [illegible] মুহূৰ্তত [illegible] এনে এক [illegible] সংপৃক্ত সৌন্দৰ্য [illegible] আকৰ্ষণত [illegible] সি বিয়া কৰাই আনিলে। কিন্তু বিয়াৰ [illegible] মাধুৰী [illegible] পূজাৰ [illegible] মনৰে মাধুৰীৰ প্ৰতি [illegible]। সি [illegible] [illegible]

[illegible]

অৱসৰৰ সময়খিনি অতি সৌহাদ্যপূৰ্ণ ৰোমাণ্টিক বিলাসেৰে অতিবাহিত কৰাৰ পাছত স্বামী প্ৰভাতে মনৰ অৱশিষ্ট অনুৰাগখিনি উপভোগ কৰিবলৈ স্ত্ৰীক আবেলিলৈ চিনেমা চোৱাৰ প্ৰস্তাব দিলে । পত্নী বাসন্তীও সাজুহৈ ওলাল । কিন্তু ইতিমধ্যে ৰাস্তাৰে যোৱা তিৰোতা গৰাকীক প্ৰত্যক্ষ কৰাৰ লগে লগে প্ৰভাতৰ এনে এক অনুভৱ হ'ল যে তাৰ মনৰ ভিতৰখন বৰ চেঁচা আৰু অন্ধকাৰ হৈ আহিল । বাসন্তীৰ মাতত সচকিত হৈ সি উত্তৰ দিলে "চিনেমালৈ নেযাওঁ দিয়া ।" ক্ৰোধান্বিতা বাসন্তীৰ কথাৰে গল্পটো শেষ কৰিছে — "তুমি যে এনেকুৱাখন কৰিবা মই আগেয়ে জানো । তোমাক চিনি পাবলৈ মোৰ আৰু বাকী আছে নেকি ?" বাক্যটো শ্লেষাত্মক । তিৰোতা গৰাকীৰ কি ৰহস্যময় শক্তিয়ে প্ৰভাতৰ অনুভূতিলৈ এনে ভয়ংকৰ বিষণ্ণতা আনি দিলে সি নিজেও উদ্‌ঘাটন কৰিব পৰা নাই । কোনো কোনো মুহূৰ্তত মানুহে নিজেই নিজক বুজিব নোৱাৰে । মানুহ চৰিত্ৰৰ আঁসে পোৱা অসম্ভৱ । "স্বাধীনতাৰ শত্ৰু"ত এনে এটা সমস্যাক্রে উত্থাপন কৰা হৈছে । এহাল স্বামী-স্ত্ৰীয়ে অগত্যা এনে এটা ভাৰাঘৰ ল'ব লগা হ'ল যিটোৰ শোৱনীকোঠাৰ একমাত্ৰ খিৰিকীখন খুলি ৰাখিলে প্ৰতিবেশী অসতী তিৰোতা কিছুমানৰ ইচ্ছাকৃত অসংযতবস্থা চকুত পৰে । পত্নী ললিতাই স্বামীক খোলা খিৰিকীয়ে তেনে এটা দৃশ্য উপভোগ কৰি থকা অৱস্থাত আৱিষ্কাৰ কৰাৰ পাছত তাই খিৰিকীখন সদায় বন্ধ ৰখাৰ পোষকতা কৰিলে । আনহাতে স্বামীয়ে বতাহ আৰু পোহৰৰ বাবে খিৰিকীখন খুলি ৰখাটো বিচাৰিলে । এই কন্দই স্বামী স্ত্ৰী দুয়োৰে মাজত অসুখ অশান্তি ক্ৰমাগত তীব্ৰতৰ কৰি তুলিলে । মনৰ অহংকেন্দ্ৰিয়তাই (ইগ') কন্ধ কৰি ৰখা পাৰস্পৰিক বুজাবুজিৰ পথ সুগম নকৰালৈকে সিহঁত আজীৱন অসুখী হৈয়ে থাকিব । আলোচিত এই গল্পবোৰতহে কেৱল মনস্তাত্ত্বিক বিশ্লেষণ আছে অনে কথা কব নোৱাৰি । তৎকালীত নিমখ থকাৰ দৰে প্ৰতিটো গল্পতে মানুহৰ মনৰ খবৰ মিহলি হৈ আছে । "হতাশা"ত পাঠেকনী বুঢ়ীৰ অৱচেতন মনৰ সুপ্ত আশা ব্যক্তিত হৈছে । ইটোৰ পিচত সিটোকৈ আত্মীয়ৰ মৃত্যুৱে অকলশৰীয়া কৰি পেলোৱা পাঠেকনী বুঢ়ীক দীৰ্ঘকালীন গতানুগতিকতাই কাবু কৰি পেলাইছিল । বোৱাৰীয়ানীৰ অসুখৰ বাতৰি পাই তাইৰ মনত বোৱাৰীয়ানীৰ মৃত্যু কামনা ক্ৰীয়াশীল হৈ উঠিছে । এনে কাৰ্যত এনে মানসিকতা ফুটাই তোলা কাৰণে গল্পটো অধিক আবেদনময় হৈ উঠিছে । কথাশিল্পীয়ে মানুহৰ মনৰ অন্ধকাৰ গহ্বৰ আলোকিত কৰিবলৈ চহৰৰ পটভূমিত উপস্থিত কৰোৱা চৰিত্ৰ সমূহতকৈ গাঁৱলীয়া পৰিৱেশত অংকিত কৰা চৰিত্ৰবোৰ অধিক মনোগ্ৰাহী আৰু স্বাভাৱিক হৈছে । "চিনাকী গাঁও"ত মুহিৰামে তাৰ পূৰ্ব প্ৰণয়িনীৰ প্ৰতি বৈ থকা মনৰ তাড়নাত কৰা কাৰ্যবোৰত আৰু শেষত তাইক অকথিত অত্যাচাৰ কৰা পিতিৰেকক হত্যা কৰি বিনন্দে আত্মসমৰ্পণ কৰিছে তাত ব্যক্তিত হৈছে তাৰ অন্তৰ বিকৃত মনৰ আৰু বিবেক দংশনৰ পৰিমান । গল্পটোত মুখ্যতঃ চিত্ৰিত কৰিব খোজা গাঁৱৰ বিধৱংসী পৰিবৰ্তিত ছবিৰ ই

পশ্চাৎপটহে।

মূল্যবোধৰ অৱক্ষয়ী পৰিবৰ্তন আৰু পৰিশংতিত সততা নৈতিকতাহীন সামাজিক পৰিস্থিতি বহুতো গল্পত সহৃদয়তাৰে অংকিত কৰিছে বৰগোহাঞিয়ে । সামাজিক মূল্যবোধৰ পৰিবৰ্তন দেখুওৱা "হাতী" গল্পটোৰ হাতী পৰিবৰ্তিত মূল্যবোধৰ প্ৰতীক । বলোৰাম বুঢ়াই এভঁৰাল ধান বেচি-কিনি অনা হাতীটোৰ বাবে তেওঁৰ সামাজিক প্ৰতিপত্তি আৰু আৰ্থিক উন্নতি দুয়োটাই সম্ভৱ হ'ল । তেওঁৰ সাতোটা পুতেকৰ ছটাই এইটো হাতীত উঠিয়েই ন-কন্যাক ঘৰ সোমোৱাইছিল । কিন্তু বলোৰাম মৌৰীক আচৰিত কৰি পুতেকহঁতে হাতীটোক বেচি দিয়াৰ বাবে আগ্ৰহী হৈ উঠিল আৰু তাৰ ঠাইত এখন এম্বেছাদৰ গাড়ী কিনাৰ প্ৰস্তাৱ দিলে । এইদৰে বলোৰাম বুঢ়া আৰু পুতেকহঁতৰ মাজত নিতৌ কন্দলৰ ওৰ নপৰা হ'ল । বুঢ়াৰ ইচ্ছা আৰু পূৰ্বৰ পৰম্পৰা ভঙিবে মোহাৰি পুতেকহঁতে সৰু পুতেকৰ নকন্যা আনিবৰ বাবে হাতীত উঠাৰ পৰিবৰ্তে এম্বেছাদৰ গাড়ী ব্যৱহাৰ কৰিলে । ঘৰখনৰ সকলো কন্যা ঘৰলৈ গমন কৰাৰ পাছত শূন্য বভাতলত সজাই পৰাই থোৱা হাতীটো, তাৰ মাউত আৰু বুঢ়াৰ বাহিৰে আন কোনো নেথাকিল । লেখকৰ ভাষাতে বলোৰাম বুঢ়া আৰু তেওঁৰ হাতীটো নতুনৰ সোঁতাবাগ্ৰস্ত ঠাই নোপোৱা, প্ৰাচীন হৈ যাবলৈ ধৰা পৃথিৱীৰ দুটা অৰ্থৰ প্ৰতিনিধি । "[illegible]" গল্পটোতো বেৰত আঁৰি থোৱা দেৱ দেৱীৰ ছবিসহ মাকৰ স্মৃতি বিজড়িত ছবিখনেও [illegible] নতুনৰ বিচাৰত কোনো গুৰুত্ব পোৱা নাই । সেইবোৰ ঠাইত চিনেমাৰ চিত্ৰ আঁৰি [illegible] কৰিছে । পৰিবৰ্তনে আনি দিয়া ৰূপহী গাঁৱৰ বিভৎস ছবি এখন আৰু এই বৰগোহাঞিৰ হৃদয়ত [illegible] দিয়া তীব্ৰ আঘাতৰ ব্যঞ্জনা "চিনাকী গাঁও" গল্পত ফুটি উঠিছে । চহৰৰ কদৰ্যতা আৰু ইয়াৰ অলি-গলিৰ কুৎসিৎ [illegible] ৰূপৰ বৰ্ণনাত তেওঁৰ কথা বিন্দুমাত্ৰও নাই, কিন্তু পবিত্ৰ গাঁৱৰ অধঃপতিত পৰিবৰ্তনে বৰগোহাঞিক ব্যথিত কৰিছে । প্ৰায় কুৰিবছৰ আঁতৰি থাকি গাঁৱলৈ উভতি অহা "চিনাকী গাঁও" গল্পৰ নায়কে ভাবিছে — "........ ঠিক এইখিনিতেই আছিল পাঠেকনী বুঢ়ীৰ ঘৰ । .... দাও কেনেবাকৈ তুমি [illegible] চালখনেৰে সৈতে বুঢ়ীৰ পঁজা ঘৰটো ; গোবৰ মাটিৰে চিকুণকৈ লিপা চোতালখনৰ মুৰতে তুলসীৰ ভেটিটো — পদূলি হলেই তাত মিঠাতেলৰ চাকি জ্বলে ; তাৰ পোহৰে [illegible] পৃথিৱীলৈ নামি আহিবলৈ বাট দেখুৱাব ...... । পাঠেকনী বুঢ়ী আছিল গাঁৱৰ আই সবাহৰ নামতী । তেওঁ মৰাতালে বহুত দিন হ'ল, ... কিন্তু তেওঁৰ ভেটিত এইটো ক'ৰ ঘৰ ? [illegible] তেওঁ সেইফালে [illegible] চালে । [illegible] এটি নতুন ঘৰ । চাৰিওফালে বাঁহৰ [illegible] দিয়া । তাৰ ফাঁকেৰে তেওঁ দেখিলে, চোতালতে [illegible] পানি চাকি [illegible] সকলো [illegible] আছে । এটা ডেকাৰ [illegible] এখন [illegible] এজনী [illegible] নেপালী ছোৱালী বহি আছে । [illegible] মদ খাই বেহুঁচ হৈ আছে । .... সেই দৃশ্য দেখি মানুহজনে [illegible] চকু মুদিলে

সমুখলৈ আগবাঢ়িল । গেলা নাৰীমাংসৰ কেউ কাষে ভন -ভনাই ফুৰা বৰমাখিৰ দল তেওঁ বহুত দেখিছে ; কিন্তু যি পাঠেকনী বুঢ়ীৰ ঘৰত এদিন অষ্টপ্ৰহৰ আই্‌শীতলাৰ মধুৰ স্তুতি মন্ত্ৰ উচ্চাৰিত হৈছিল, তাৰে ভেটিত আজি মদ, গণিকা জুৱাৰীৰ আড্ডা বহিছে — সেই দুৰ্দৈৱ কেনেকৈ সম্ভৱ হ'ল ? চকুৰ সমুখত তেওঁ অন্ধকাৰ দেখিলে । তেওঁৰ চিনাকী গাঁওখনলৈ আৰু কিমান দূৰ ?" এই ক্ষেত্ৰত ড° মহেন্দ্ৰ বৰাৰ এটা মন্তব্য মনলৈ আহে — "আমাৰ গল্প সাহিত্যৰ আটাইতকৈ পাগত উঠা গল্পকেইটা অতীত প্ৰীতিৰ অনুভূতিৰে পৰিপুষ্ট । আৰু এই অতীত প্ৰীতিৰ ভেটিটো হৈছে, তাহানিতে এৰি অহা গাঁৱলীয়া জীৱনৰ ভগা-ছিগা স্মৃতি । সেই ধুঁৱলী কুঁৱলী স্মৃতিৰ সজাল সাঁচ আছে হোমেন বৰগোহাঞিৰ "চিনাকী গাঁও"ত এই মন্তব্য অধিক যথাৰ্থ হয় বৰগোহাঞিৰ 'জন্ম', 'জললিপি', 'গৰখীয়া', 'সজাৰ মইনা' আদি গল্পৰ বেলিকা । 'জন্ম' গল্পত বাস্তৱতাৰ বোকাত অংকুৰিত হৈ নৱজন্ম লাভ কৰিছে কমলে । কমলক ভালপোৱা স্বত্বেও সাবিত্ৰীয়ে ঘৰৰ কথা অমান্য কৰিব নোৱাৰি নন্দেশ্বৰৰ লগত বিয়াত বহিবলৈ প্ৰস্তুত হ'ল । বিয়ালৈ এসপ্তাহ দিন থাকোঁতে নৈৰ ঘাটত আচম্বিতে পুনৰ লগ হ'ল কমল সাবিত্ৰীৰ । সেইদিনা গধূলিলৈ বস্তা বুঢ়ীৰ ঘৰত লগ হোৱা পিচদিনালৈ দুয়ো পলাই যোৱা আদি কেতিয়াও নভবা-নিচিন্তা কাণ্ডবোৰ সাবিত্ৰীৰ জীৱনত ঘটি গ'ল, যেন — কোনো এক অদৃশ্য শক্তিয়েহে ভাত উজান দিলে, তৃতীয়দিনা । নন্দেশ্বৰ সহ গাঁৱৰ ৰাইজে সিহঁতক পথাৰৰ মাজৰ পৰা উদ্ধাৰ কৰি আনি নন্দেশ্বৰলৈ সাবিত্ৰীক বিয়া দিলে । নন্দেশ্বৰক শাৰীৰিক ভাৱে আঘাত কৰা আৰু সাবিত্ৰীক তাইৰ অমতত ধৰি নিয়া বুলি, সাবিত্ৰীৰ কথাৰ পৰা কমলক তিনিবছৰ কাৰাদণ্ড দিয়া হ'ল । জেলৰ পৰা ঘূৰি আহি কমলে সাবিত্ৰীৰ সুখী সাংসাৰিক জীৱন কল্পনা কৰি ঈৰ্ষাকাতৰ হৈ উঠিছিল ; কিন্তু তাৰ চাৰিওপিনে বিপৰীত ৰূপত দেখি সি আশ্বস্ত হ'ল আৰু তাৰ স্বাভাৱিক জীৱনলৈ ঘূৰি গ'ল । জন্ম কোনোৱে ইচ্ছা কৰি নহয় । জন্ম অকাৰণতে হয় আৰু ই [illegible] গলত সাঙুৰি দিয়ে জীৱন । এই জীৱনটো কোনো ইচ্ছা অনিচ্ছা, আঁচনি, [illegible] আদিৰ দ্বাৰা পৰিচালিত নহয় । "জললিপি"ত [illegible] [illegible]

[illegible]

চিৰদিনৰ বাবে গুচি যাব লগা বুধিৰামে তাৰ পৰিচিত গাঁৱৰ মানুহবোৰ, লগৰীয়াবোৰ, প্ৰতিটো গৰু আৰু ইতিমধ্যে গোপনে এটি প্ৰীতি অনুভূতিয়ে গঢ় লোৱা বগীতৰাৰ পৰা বিদায় লোৱা মুহূৰ্তবোৰ বৰ্ণনাই পাঠকক মুগ্ধ কৰে। চহৰৰ যান্ত্ৰিকতা, কলুষতা কৃত্ৰিমতাৰ বিপৰীতে গাঁৱৰ আন্তৰিক মৰম প্ৰীতি, আদৰ সাদৰে উৎকৃষ্টতা সদৰি হৈছে। তদুপৰি চহৰৰ অত্যাধুনিক সা-সুবিধাবোৰ ভোগ কৰিও তাৰ সংকীৰ্ণ পৰিৱেশ, নিৰুত্তাপ বাতাবৰণৰ মাজত নিতৌ থাকিবলগীয়া হোৱা গাঁৱৰ মুকলিমূৰীয়া গাভৰু বাসন্তীৰ চহৰৰ প্ৰতি থকা উচ্চধাৰণা চূৰ্ণীকৃত হোৱা আৰু তাৰপ্ৰতি হোৱা মোহভংগৰ মৰ্মস্পৰ্শী বেদনা "সজাৰ মইনা" গল্পত আছে। জীৱন্ত হৈ উঠা গাঁৱৰ মানুহৰ নিবিড় অন্তৰংগতা গল্পটোৰ অন্যতম আকৰ্ষণীয় দিশ হৈ পৰিছে।

অন্য প্ৰসঙ্গত চহৰলৈ যোৱা বৰগোহাঞিৰ গল্পৰ কিছুমান গাঁৱৰ ছোৱালীৰ শেষ পৰিণতি বৰ হৃদয়বিদাৰক। দৰিদ্ৰতাৰ কবলত পৰা এইবিলাক চৰিত্ৰৰ করুণ পৰিণতিৰ যোগেদি বৰগোহাঞিয়ে দৰিদ্ৰতা আৰু জীৱনত তাৰ সুদূৰপ্ৰসাৰী আৰু ব্যাপক প্ৰভাৱ উদঙাই দেখুৱাইছে। এই ক্ষেত্ৰত লক্ষ্যণীয় যে বৰগোহাঞিয়ে প্ৰগতিবাদী বুলি দাবী কৰা লিখকসকলৰ দৰে দৰিদ্ৰ পীড়িত চৰিত্ৰবোৰৰ পৰিত্ৰাণৰ উপায় অথবা তেনেবোৰ সমস্যাৰ সমাধানৰ উপায়ৰ ইংগিত কতো দিয়া নাই। নিৰুপায় হৈ তেওঁ কেতিয়াবা ঈশ্বৰকে "চয়তান" বুলি গালি দিছে (পিতৃৰ হাঁহি)। নিপীড়িত সকলৰ প্ৰতি সহানুভূতি, মানুহৰ নিৰ্দয় নিৰ্মমতা যি সামান্য পৰিমাণে আছে; শ্ৰেণীদ্বন্দ্ব বা শোষকৰ প্ৰতি বিদ্বেষ সেই অনুপাতে নাই (ইচমাইল শেখৰ সন্ধানত) বৰগোহাঞিয়ে হয়তো ভাবিছিল সমাজৰ অভিশাপস্বৰূপ দৰিদ্ৰতাৰ নিখুঁট ছবি দৃশ্যমান হ'লে তাৰ প্ৰতিক্ৰিয়াই সমাজত বিপ্লৱৰ সৃষ্টি কৰিব। চেকভে জাৰৰ দিনৰ নিপীড়নৰ ছবি তেওঁৰ গল্পত ইমান আৱেগ উজাৰ কৰি বৰ্ণিত কৰিছিল যে সেইবোৰৰ বৈপ্লৱিক সমাধানৰ ইংগিত নথকাতো অচিৰেই ৰুচ বিপ্লৱৰ সূচনা হ'ল। বৰগোহাঞিৰ বহু গল্পৰ বিষয় বস্তু দৰিদ্ৰতা। দৰিদ্ৰতাৰ বাবেই জুলেখাই (নৰকত বসন্ত) গাঁৱৰ ঘৰ এৰি ৰহিমৰ লগত চহৰলৈ অহা নাছিল যদিও সিহঁতৰ ঘৰৰ হালুৱা দৰিদ্ৰ ৰহিমৰ লগত পলাই আহি চহৰত এনে এটা গলিত বাস কৰিবলগা হ'ল যে তাত কেৱল জীয়াই থকাটোহে একমাত্ৰ কথা; কেনেকৈ জীয়াই আছে আৰু জীৱিকা অৰ্জন কৰিছে তাৰ খতিয়ান কোনেও নলয়। জীৱিকাৰ বাবে দিনটোলৈ ওলাই যোৱা ৰিক্সাচালক ৰহিমৰ অনুপস্থিতত জুলেখালে (জুলি) যিবোৰ অশ্লীল ইঙ্গিত আহিল তাৰ পৰিণতি স্বৰূপেই অবশেষত ৰহিমৰ নিৰ্দেশতে তাই বেলেগে থাকি নিজাকে উপাৰ্জনৰ পথত ভৰি দিলে। একেটা গল্পতে (নৰকত বসন্ত), মনিমালাইও বেশ্যাবৃত্তি গ্ৰহণ কৰিবলগীয়া হোৱা কাহিনী আছে। শংকৰৰ লগত তাইৰ প্ৰণয় গঢ়ি উঠিছিল; কিন্তু বাস্তৱে শংকৰৰ আতেই মনিমালাক নিৰঞ্জনৰ লগত অন্ধকাৰ ভৱিষ্যতলৈ এৰি দিলে। গল্পটোত আহ্বাহন বুলৰ বিলাসী ৰোমাণ্টিকতাৰ বিপৰীতে ৰোমাণ্টিক

বাস্তৱতা প্ৰকাশ পাইছে । দৰিদ্ৰতাৰ বাবে দেহ বিক্ৰী কৰা আন এগৰাকী শিক্ষিতা নাৰীৰ কাহিনী চিত্ৰিত হৈছে "ইচমাইল শেখৰ সন্ধান" গল্পত । সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালৰ দুহিতা এই গৰাকী নাৰী পূৰ্ব্ববংগৰ পৰা ভগনীয়া হৈ আহি শিয়ালদহ ষ্টেচনৰ প্লেটফৰ্মৰ শৰণাৰ্থী শিবিৰত আছিল । পেটৰ ক্ষুধা নিবৃত্তি কৰিবলৈ ব্ৰাহ্মণ পিতাকে পেলনীয়া উচিষ্ট বুটলি খোৱা দেখি তাই বেশ্যাৰ ৰতিকক্ষত উপস্থিত হ'লহি। পিতাকক ৰিক্সা চলোৱা দেখি তাই ধৰাপৰাৰ আশংকাত আতংকিত হৈ উঠে। লেখকে বিচাৰি ফুৰা ইচমাইল শেখো বঙ্গৰ ভগনীয়া স্বচ্ছল ঘৰবাৰী ত্যাগ কৰি দুটা শিশু আৰু পত্নীৰ সৈতে ইচমাইলে স্ব-ইচ্ছাই স্বদেশ ত্যাগ কৰিছিল । বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগকো আওকাণ কৰি সিহঁতে জীয়াই আছিল । কিন্তু থহনীয়াই সিহঁতক আশ্ৰয়হীন কৰাৰ পাছত চৰকাৰী ৰিজাৰ্ভৰ মাটিত আশ্ৰয় লোৱা ইচমাইলহঁতক উচ্ছেদ কৰিবলৈ লেখকক আদেশ দিলে । ইচমাইলে মাওৰা হোৱা দুটি ৰুগীয়া শিশুৰ আশ্ৰয়ৰ পঁজাটো নেভাঙিবলৈ লেখকৰ ভৰিত ধৰি কাতৰ প্ৰাৰ্থনা জনাইছিল । তেওঁ তাৰ প্ৰাৰ্থনা বিবেচনাও কৰিছিল, কিন্তু ইতিমধ্যে তাৰ ঘৰ হাতীৰ গচকত মষিমূৰ হৈ গৈছে । পিচদিনা দুটি শিশুৰ মৃতদেহ লেখকৰ বাসগৃহৰ সমুখত থৈ দৌৰিবলৈ আৰম্ভ কৰা ইচমাইলৰ পাছ লওঁতে দৈৱক্ৰমে লেখক উপস্থিত হৈছিল উল্লিখিত নাৰীৰ ৰতিকক্ষত । ৰাজনৈতিক অস্থিৰতা, প্ৰাকৃতিক দুৰ্যোগ আৰু অবিবেকহীন প্ৰশাসন, সমাজৰ এমুঠি ভূ- স্বামী আৰু পুঁজিপতিৰ ষড়যন্ত্ৰ, একেটা দৰিদ্ৰতাৰ উৎস হিচাপে লৈ অদ্ভুত দক্ষতাৰে ভিন্ন পটভূমিৰ দুটা কাহিনীক একেটা গল্পতে সামৰি থৈছে । দৰিদ্ৰ নহয় কিন্তু দৰিদ্ৰতাই হাতবাউল দিয়া এটা অৱশ্যম্ভাৱী তৎক্ষণিক ভৱিষ্যতত জীয়াই থকাৰ সমস্যা সমাধান কৰিবলৈ ললিতাই বেশ্যাবৃত্তিকে নিশ্চিতভাৱে গ্ৰহণ কৰিব লগা ইংগিত আছে "সমাধান" গল্পত । সামাজিক সম্পৰ্ক কিছুমানেও নাৰীক বেশ্যালয়লৈ ঠেলি দিয়ে । "চোৰ" গল্পত প্ৰত্যাখিত হোৱাৰ আশংকাত কেউকিছু নথকা বুলি বন কৰা ল'ৰাহে থাকিবলৈ লোৱা 'গঙো' ই ৰুগীয়া মাক আৰু ভনীয়েকৰ বাবে গৃহস্থৰ ঘৰৰ পৰা পুৰণা কাপোৰ চুৰ কৰিবলৈ ধৰিলে । তাৰ ওপৰত হোৱা সন্দেহ প্ৰমাণিত কৰিবলৈ গৃহস্থই বেছি দিন বাট চাব লগা নহ'ল । এদিন ৰাতি হাতত এটা টোপোলা লৈ ঘৰৰ পৰা ওলাই অহা গঙাৰ পাছলৈ গৃহস্থই দেখিলেহি যে কাষত বস্তুৰ আঁৰ আৰু ওপৰত ফটা কাপোৰত ঢাকনি লৈ মাটিত লেটি থকা মৃতপ্ৰায় এগৰাকী বুঢ়ী আৰু এটি কংকালসাৰ শিশু । গৃহস্থই আজুৰি অনা গঙোৰ হাতৰ টোপোলাটোৰ পৰা সিচঁৰতি হৈ পৰিল এগাল ভাত । মিছা কোৱা, চুৰাকাম আদি দুষ্কাৰ্য সংঘটিত কৰি হাতেলোটে ধৰাপৰাৰ পাছতো বেচেৰা গঙোলৈও পাঠকৰ সহানুভূতি উদ্ৰেক হোৱাতে গল্পটোৰ মাধুৰ্য নিহিত আছে । "শিশুৰ হাঁহি"ত লগপোৱা খোলাৰ দৰিদ্ৰতা উপস্থাপিত হৈছে । অন্য এটা পটভূমিত তিনিনিনীয়া এটি শিশুৰ মাধুৰিমাময় সৌন্দৰ্যযুক্ত হাঁহিত মচগুল হৈ থকা এটা বিত্তবান পৰিয়ালত কাপোৰ খুই দিয়া ৰোগাক্ৰান্ত

বৃদ্ধ ধোবাৰ পাঁচজনী ছোৱালীৰ কোনো এজনীয়ে শিশুকালত এই হাঁহি সি দেখা নেপালে। অপুষ্ট মাকৰ পিয়াহ শুকান ; ভোকাতুৰ ছোৱালী কেইজনীয়ে কেৱল কান্দিলে। মাতৃৰ বুকু শুহি শিশুৰ মুখৰ হাঁহি কাঢ়ি নিয়া ঈশ্বৰক 'চয়তান' আখ্যা দিছে। এগৰাকী অসহায় অনাহাৰী মাতৃ ৰোগগ্ৰস্তা আৰু নিশ্চিত মৃত্যুৰ আগমুহূৰ্তত শিশু পুত্ৰৰ অন্ধকাৰ ভৱিষ্যতৰ কথা ভাবি তাক নিজহাতে হত্যা কৰাৰ পৰিস্থিতি এটাৰে 'জননী' গল্পটো সম্পূৰ্ণ হৈছে। গল্পবোৰত বৰগোহাঞিৰ সামাজিক দায়বদ্ধতা অভিনৱ ৰূপত ফুটি ওলাইছে। তেখেতৰ প্ৰতিবাদী পদ্ধতি বা প্ৰগতিশীলতাৰ স্বৰূপ সুকীয়া। প্ৰগতিবাদী বুলি দাবী কৰা গল্পবোৰত নায়কে সচৰাচৰ হাতত অস্ত্ৰ তুলি লয়, প্ৰতিবাদী শ্লোগান দিয়ে ; পীড়িতসকলক সংগঠিত কৰাৰ সংকল্প লয় ; ইত্যাদি। কিন্তু বৰগোহাঞিয়ে সামাজিক সংস্কাৰ, এমুঠি ধনী অথবা পুঁজিপতিৰ ষড়যন্ত্ৰ আদিৰ বলি হোৱা দৰিদ্ৰ সকলৰ পংকিল জীৱনক পিতনি বকৰাশিৰ পৰা বুটলি আনি পাঠকৰ আগত দাঙি ধৰে আৰু তেওঁলোকৰ চেতনা জগাই তুলিবলৈ যত্ন কৰে। আৰু সেইবোৰক এনেভাৱে উপস্থাপন কৰে যে ; ইহঁতে পাঠকৰ হৃদয় আন্দোলিত কৰি মস্তিষ্কত প্ৰৱেশ কৰেগৈ। পাঠকক প্ৰত্যক্ষভাৱে ভাবিবলৈ আহ্বান কৰি গল্পকাৰে এই অভিনৱ প্ৰতিবাদী পদ্ধতিৰ চূড়ান্ত প্ৰকাশ ঘটাইছে "ভাৰতবৰ্ষঃ — ১৯৪৭-৬৫" গল্পত। কেইজনমান সমাজকৰ্মী, পঞ্চায়তৰ সভাপতি বিপ্লৱী ডেকা আদি সমবেত হৈ চৰকাৰৰ কাম কাজ, পৰিকল্পনা আঁচনি আদি আলোচনা কৰা অৱস্থাতে এগৰাকী ভিক্ষাৰিণী তাত উপস্থিত হৈছে। তাইৰ সমস্যাটোত গুৰুত্ব দিয়াৰ প্ৰয়োজন কোনেও অনুভৱ কৰা নাই। কিন্তু সহানুভূতিশীল গৃহস্থৰ মনোযোগৰ উমান পাই তাই সমস্যাটো ক'ব ধৰিলে যে, পৰিয়ালটোৰ বাবে উপাৰ্জন কৰা একমাত্ৰ ব্যক্তি তাইৰ কৰ্মঠ গিৰিয়েক পথাৰত কাম কৰা অৱস্থাত ভৰিত শূল সোমাইছিল আৰু ইয়েই শেষত এনেৰূপ ল'লে যে তেওঁ অকামিলা হৈ পৰিল। ভৰিখন কাটি পেলাবলগীয়া অৱস্থা পালেগৈ। পাঁচটা সন্তানসহ সাতটা প্ৰাণীৰ ভোক গুচাবলৈ তাই ভিক্ষা কৰিব লগা হ'ল। কিন্তু ধন ভাঙি চহৰত চিকিৎসা কৰালেই গিৰিয়েক উপাৰ্জনক্ষম হ'ব। কিন্তু টকা ক'ত। উপায় কি ? কোনোৱে আনকি তাইৰ সমস্যাটো নুশুনেই। গল্পটো ইমানেই। কিন্তু ইয়াতেই সামৰণি নেমাৰি গল্পকাৰে পাঠককো জড়িত কৰি আহ্বান জনাইছে, "প্ৰিয় পাঠক ; মই অকলে একো ভাবি উলিয়াব পৰা নাই ; আপুনিও কথাবোৰ চিন্তা কৰক আৰু মোক সহায় কৰক। মনত ৰাখিব ; এই তিৰোতাজনীৰ গিৰিয়েকৰ ঘাডোখৰ এতিয়াসৰ পৰা গেলি আহিছে। মাংসবোৰ ছিৰি ছিৰি এৰাই গৈছে। অহাবাৰ ইলেকচনত উপযুক্ত লোক বা প্ৰাৰ্থীক ভোট দি তাৰ চিকিৎসাৰ কাৰণে টকা মঞ্জুৰ কৰাম বুলি মিছা আশা নিদিব। মনত ৰাখিব যাৰ দেহ গেলিপচি এৰাই গৈছে সিহে জানে অপেক্ষাৰ যন্ত্ৰণা কিমান।" এইবোৰ সমস্যা সমাধানৰ বাবে সদিচ্ছা বা আন্তৰিক প্ৰচেষ্টা যে বৰ্তমান আমাৰ দেশৰ

ৰাজনৈতিক দল বা সমাজসেৱকৰ বেশত আত্মপ্ৰকাশ কৰা বিধায়ক বা সাংসদ কাৰোৰে নাই ; জনসাধাৰণৰ সেৱা কৰাৰ পৰিৱৰ্তে ব্যক্তি আৰু দলীয় স্বাৰ্থ পূৰণৰ বাবেই চলি থকা প্ৰশাসনীয় বিধি ব্যৱস্থাৰ বৰ্তমানৰ নিলৰ্জ সত্যখিনি "পাচ" আৰু "ৰাইজৰ সেৱক" গল্পত দাঙি ধৰিছে ।

গল্প হিচাপে দৰিদ্ৰতাপীড়িত মানুহৰ ছবি থকা কাহিনী কেইটা নিখুঁত । বাস্তৱতাক চালি-জাৰি চাই লিখা জীৱন অন্বেষণাত্মক গল্পকেইটাত গভীৰ জীৱনবোধ আৰু সূক্ষ্ম পৰ্যবেক্ষণ আছে ; কিন্তু তত্ত্ব উপলব্ধি আৱৰণেৰে শিল্পসম্মতভাৱে ফুটাই তুলিব পৰা নাই । পৰিস্থিতিৰ মাজতে প্ৰেম, সৌন্দৰ্য, জীৱন, মৃত্যু আদিৰ বিশ্লেষণ বক্তৃতাধৰ্মী বৰ্ণনাত নিজৰ অজ্ঞাতেই গল্পকাৰে দেখা দি গল্পৰ স্বাভাৱিকতা নষ্ট কৰিছে । "অক্টোপাছ" "নৰকত বসন্ত" "বীৰত্ব" আদি গল্পত ইয়াৰ উদাহৰণ আছে । এনে বহুতো কাহিনী সচ্ছান্দগামী নহয় ; কষ্ট চালিত ।

অভিপ্ৰেত গন্তব্যত উপৱিষ্ট হ'বলৈ স'ততে গুৰিব'ঠা সঞ্চালিত হোৱা দেখা যায় । "চিনাকী গাঁও" গল্পত ভ্ৰমণক্লান্ত মানুহজনক মাজনিশা বেশ্যালয়লৈ অনা হ'ল, "জন্ম"ত অস্বাভাৱিক নিৰ্লিপ্ততাৰে সাবিত্ৰীয়ে কমলৰ বিষয়ে মিছা ক'লে, "কৃতজ্ঞতা"ত তিনিদিনীয়া লঘোণেৰে গৌতমে কাব্যিকতা কৰিছে । বীৰত্ব"ত মিলিক গুণ্ডাই খাপচৰা তাত্ত্বিক বিশ্লেষণেৰে গল্পৰ অৱয়ৱ বঢ়াইছে – ইত্যাদি । বক্তব্য আৰু বিষয় বস্তুক চৰিত্ৰৰ কাৰ্যৰে ব্যঞ্জিত নকৰি বৰ্ণনাৰ জৰিয়তে প্ৰকাশ কৰিবলৈ গ'লে সি প্ৰবন্ধলৈ পৰ্যবসিত হয় । "জললিপি"ত যজ্ঞেশ্বৰ তেনে এটা চৰিত্ৰ । "এইবোৰ গল্পৰ ঘটনা এক নিৰ্ধাৰিত গতি পথেৰে শীৰ্ষবিন্দুলৈ আগবাঢ়ি গৈছে । চেকেগুৰ দৰে এইবোৰ গল্পৰ গতি সম্পূৰ্ণ স্বাভাৱিক ৰূপত প্ৰকাশিত নহৈ পূৰ্বপৰিকল্পিত বাটেৰে আগুৱাই যোৱাৰ কাৰণে চৰিত্ৰবোৰৰ ক্ৰিয়া প্ৰক্ৰিয়া বিচিত্ৰতাহীন হৈ পৰিছে ।"[১০] তথাপি কাহিনী হিচাপে গাঁৱৰ ছবি থকা আৰু দৰিদ্ৰতা প্ৰকাশক গল্পকেইটাৰ কাহিনী উপাদেয় । বৰগোহাঞিৰ কাহিনীত নতুনত্ব আৰু বৈচিত্ৰ আছে; কিন্তু এজন সমাজচেতন লেখক হিচাপে তেখেতৰ গল্পত দুৰ্নীতি, স্বজনপ্ৰীতি, অন্যায়, অবিচাৰ আদিৰ সচেতন প্ৰকাশ নাই ।চৰিত্ৰৰ বেলিকাও দুৰ্নীতিগ্ৰস্ত, ঠগ, প্ৰৱঞ্চক, কপট, লম্পট, মতলবী আদি চৰিত্ৰহীন চৰিত্ৰ সচেতনভাৱে বৰগোহাঞিয়ে ক'তো অংকণ কৰা নাই । "অক্টোপাছ"ত বৰৰ দৰে হত্যাকাৰীয়ে স্বাৰ্থৰ বাবে বা ধনলিপ্সাত তেনে কৰা নাই । "ৰাইজৰ সেৱক" ত বস্তু গোস্বামীয়ে চতুৰালিৰ আশ্ৰয় লৈছে; সেয়াও আনুষংগিক । "চোৰ" গল্পত "গঙ্গো" বৃত্তিধাৰী (Professional) চোৰ নহয় । বৰ (অক্টোপাছ), ৰঞ্জিত (প্ৰেম আৰু মৃত্যুৰ কাৰণে) ; পেৰাপ, মুনিন (পৰ্দা), গৌতম বৰুৱা (কৃতজ্ঞতা) অনিল বৰুৱা (ভয়) বহু পাঠকৰ বাবে আচহুৱা ।

১০। ত্ৰৈলোক্য নাথ গোস্বামী ; আধুনিক গল্প সাহিত্য ; ১৯৭২ চন ; ২২১ পৃ.

আনহাতে বুধিৰাম (গৰখীয়া) ; বলোৰাম বুঢ়া (হাতী) আদি আকৰ্ষণীয় চৰিত্ৰ । দুৰ্দশাগ্ৰস্ত নাৰীচৰিত্ৰবোৰে পাঠকৰ অন্তৰত সাঁচ বহুৱায় । এইবোৰ চৰিত্ৰ গল্পকাৰে গভীৰ সহানুভূতিৰে অংকণ কৰিছে । দুৰ্দশাগ্ৰস্ত চৰিত্ৰসকলৰ দুখ যন্ত্ৰণাই বৰগোহাঞিক উদ্বিগ্ন কৰি তোলে অসহনীয় আঘাত সানে । যেয়েহে অন্ধকাৰ ভৱিষ্যতত অৱশ্যম্ভাৱী দুখৰ পৰা নিষ্কৃতি দিবলৈ শিশুপুত্ৰক মাকে হত্যা কৰিছে (জননী) ডাৱাক "এপিটাফ"ত হত্যা কৰাইছে, বৰে পেঢ়া বেশ্যাক হত্যা কৰিছে । অৱশ্যে সমস্যা সমাধান ই পাথেয় নহয় । গাঁৱলীয়া চৰিত্ৰবোৰ মনোগ্ৰাহী হৈ উঠিছে বৰগোহাঞিৰ গল্পত । "সন্ধাৰ মইনা"ত বাসন্তী ; "হতাশা"ত পাঠেকনী বুঢ়ী, "চিনাকী গাঁও"ত মুহিৰাম, "দ্বন্দ্ব"ত কমল আদিয়ে পাঠকৰ হৃদয়ত ৰেখাপাত কৰি যায় ।

বৰগোহাঞিৰ বৰ্ণনা দক্ষতা অনস্বীকাৰ্য । ভাষাৰ ওপৰত থকা বিস্তাৰিত দখল আৰু সবল গদ্যভংগীয়ে প্ৰতিটো বৰ্ণনীয় বিষয়ক জীৱন্ত কৰি তোলে আৰু ভাৱক মূৰ্তিমানৰূপ দিয়ে । ইয়াক হৃদয়গ্ৰাহী কৰি তোলে তেখেতৰ আপোন অনুভূতিৰ সম্পত্তিয়ে । বৰগোহাঞি যিকোনো সৌন্দৰ্যমণ্ডিত প্ৰকাশে পাঠকক অভিভূত কৰে । গাঁৱৰ পৰিৱেশ পৰিস্থিতিৰ বেলিকা ই অধিক মনোগ্ৰাহী হৈ উঠে । কোনো কোনো বিৰল মুহূৰ্তত উথলি উঠা ৰহস্যময় হৃদয়াবেগো তেখেতৰ ভাষাত অনুভৱ গ্ৰাহ্য হৈ পৰে — 'দূৰণিৰ ৰিং শুনিলে, সকলো মানুহৰ মনত যেনেকৈ হঠাৎ এটা ব্যাকুলতা জাগে, ছোৱালী কিজনীয়েও নিশ্চয় তেনেমুহূৰ্তত ঠিক তেনেধৰণৰ এটা ব্যাকুলতাই অনুভৱ কৰিছিল । কেতিয়াবা ৰাতি হঠাৎ সাৰ পাই উঠি উজাগৰ চৰাইৰ কৰুণ মাত শুনিলে সিহঁতে সেই একেধৰণৰ ব্যাকুলতা অনুভৱ কৰে । সাঁজ লাগিবৰ সময়ত কুঁৱলীয়ে ঢাকি ধৰা পথাৰখনৰ সিমূৰৰ গাওঁখনৰ পৰা ভতুৰা কুকুৰৰ ভুক ভুকনি বতাহত ভাঁহি আহিলে সিহঁতে একধৰণৰ অস্থিৰতা অনুভৱ কৰে । পথাৰত অকলে কন নিয়াই থাকোঁতে বহুদূৰৰ পৰা ম'হগোৱালৰ পেঁপাৰ মাত আহি কাণত পৰিলে সিহঁতৰ মনবোৰে দেহৰ মজা ভাণ্ডি কৰবালৈ উৰা মাৰিবলৈ ছটফটাই ফুৰে" (সন্ধাৰ মইনা) ইত্যাদি ।

সমাপ্তিক বিচাৰত বৰগোহাঞিৰ আটাইবোৰ গল্প পৰিপূৰ্ণভাৱে নিখুঁত হোৱা নাই যদিও অন্য প্ৰসংগত ইতিপূৰ্বে উল্লেখ কৰাৰ দৰে ক'ব লাগিব যে, গাঁৱৰ আৰু প্ৰাকৃতিক পৰিৱেশৰ পটভূমিত লিখিত আটাইবোৰ গল্পতেই বৰগোহাঞিয়ে অধিক সফলতা লাভ কৰিছে । চহৰীয়া বাতাবৰণত উপস্থাপিত "নৱকত বসন্ত", "ইচমাইল শেখৰ সন্ধানত", "চোৰ", "শিশুৰ হাঁহি" আদিও ঘটনা, চৰিত্ৰ, লেখকৰ বক্তব্য কেউটাই হাতত ধৰা ধৰিকৈ আগবাঢ়িছে । জীৱনক ব্যাকৰণবদ্ধ কৰিবলৈ যোৱাৰ ফলত তেনেবোৰ গল্পৰ গাঁথনি শিথিল কৰি পেলাইছে আৰু সৌকুমাৰ্য অৱহেলিত হৈছে । "তথাপি পঞ্চাছৰ দশকত অসমীয়া কাহিনী সাহিত্যত প্ৰথমবাৰৰ কাৰণে মানুহৰ মনোজগতলৈ যি অন্তৰ্মুখী যাত্ৰা আৰম্ভ হৈছিল, হোমেন বৰগোহাঞি আছিল তাৰ অন্যতম পথিকৃৎ । সৰবতেন

অনুশীলন আৰু নিষ্ঠাৰ অভাৱত তেওঁৰ প্ৰতিশ্ৰুতিয়ে সাৰ্থক পৰিণতি লাভ কৰিব নোৱাৰিলে ।"[১১] নিজৰ গল্পৰ বিষয়ত কৰা এই মন্তব্য আংশিকভাৱেহে সত্য । বৰগোহাঞিৰ বহু গল্পত (পূৰ্ববৰ্তী আলোচনাত উল্লিখিত) তেওঁৰ প্ৰতিশ্ৰুতিৰ সফল পৰিণতি পৰিলক্ষিত নোহোৱাকৈ নাথাকে ।

বৰগোহাঞিৰ দুই এটা গল্প আত্মজীৱনীমূলক । দীৰ্ঘদিনীয়া প্ৰবাসৰ অন্তত মাজে মাজে গাঁৱৰ ঘৰলৈ আহি তেখেতে দেখা পৰিৱৰ্তন "চিনাকী গাঁও"ৰ মানুহজনৰ চকুৰে প্ৰত্যক্ষ কৰিছে । গল্পটোত বৰগোহাঞিক আঁতৰৰ পৰা চকামকাকৈ দেখা যেন লাগে । অন্যান্য গল্পবোৰৰ মাজেদিও বৰগোহাঞি মানুহজন প্ৰতিবিম্বিত হৈছে । "......... প্ৰকৃতিৰ আত্মা আলোড়নকাৰী সৌন্দৰ্য, প্ৰেমৰ আড্ডাই দীপ্ত কৰা নাৰী সৌন্দৰ্যৰ এক বিশেষ ৰূপ আৰু মানুহে শিল্প সৃষ্টিৰ মাজেদি বিচৰা এক অনিৰ্বাচনীয় অভিজ্ঞতা । এই তিনিটা বস্তুৱেই হ'ল মোৰ জীৱনৰ বেছিভাগ আনন্দ-বেদনাৰ উৎস ।"[১২] তেখেতৰ গল্পবোৰত তিনিওটা বস্তুৱেই প্ৰকাৰন্তৰে ফুটি উঠিছে । সুষুপ্ত আত্মাক জাগৃত কৰি বাস্তৱ বিস্তৃত প্ৰাকৃতিক অৱস্থা এটাত নিমগ্ন হোৱা নাৰায়ণ পণ্ডিত (ধুমুহা), প্ৰকৃতিৰ বিশেষ মুহূৰ্ত কিছুমানে ধাৰে দিয়া বাসন্তীৰ ৰহস্যময় অনুভৱ (সজাৰ মইনা) আদিকে ধৰি তেখেতৰ গল্পৰ বহু ঠাই প্ৰকৃতি বৈচিত্ৰময়তা বিবৃত হৈছে । "............ জুলেখা গাঁৱৰ ছোৱালী । পৃথিৱী মানে তাই জানে বিশাল নীলা আকাশৰ তলত ঠাইৰ সীমাহীন ব্যাপ্তি । অৰণ্যৰ সেউজীয়া বিস্তাৰ, দৃষ্টি আৰু কল্পনাৰ অনন্ত মুক্তি (নৱকৰ বসন্ত) । প্ৰেমোদ্দীপ্ত নাৰীসৌন্দৰ্য বহুলাংশে অন্বেষত হৈছে । বিস্তৃত অধ্যয়নপুষ্টতা প্ৰতি গল্পৰ পাতে পাতে আছে । তদুপৰি নিৰ্জনতা প্ৰেমী ভাবুক প্ৰকৃতি বৰগোহাঞিৰ ছবিখন জিলিকি উঠিছে বক্তাৰূপী চৰিত্ৰবোৰত । বিমল — (শূন্যতা) তেনে এটা চৰিত্ৰ । বক্তাৰূপী চৰিত্ৰবোৰ সদায় গুৰুগম্ভীৰ ব্যক্তিত্বৰ । ফলত তেখেতৰ গল্পত হাস্যৰসৰ বা লঘুপৰিস্থিতিৰ উপস্থিতি শূন্যপ্ৰায় ।

হোমেন বৰগোহাঞিৰ গল্পবোৰৰ বিস্তৃত অধ্যয়নৰ বহুল ক্ষেত্ৰ এখন পৰি আছে । এইবোৰৰ সূক্ষ্ম বিশ্লেষণ আৰু তেখেতৰ অন্যান্য লেখনিবোৰৰ সংশ্লেষণাত্মক আলোচনাই ব্যক্তিত্বধৰ্মী লেখকজনাক গোহৰলৈ আনিব । তদুপৰি প্ৰতিটো গল্পৰে পূৰ্ণাংগ পৰ্যালোচনাও প্ৰয়োজন । আলোচনাটিত এটি ভুল আৰু ওপৰৰা অন্বেষণহে আগবঢ়োৱা হ'ল । ☐☐

১১। অসমীয়া গল্প সংকলন : প্ৰকাশন পৰিষদ : পাতনি পৃ. (১৮)।

১২। [illegible] আৰু [illegible] (১ম খণ্ড) : ১৯৯৭ : পৃ. ১৭৮।

হোমেন বৰগোহাঞিৰ কবিতা

—ইছমাইল হোছেইন

(এক)

কুৰি শতিকাৰ অন্যতম শ্ৰেষ্ঠ কথা সাহিত্যিক হোমেন বৰগোহাঞিয়ে যে এসময়ত কবিতা লিখিছিল সেই কথা নতুন প্ৰজন্মৰ বহুতেই নাজানে । এগৰাকী প্ৰসিদ্ধ ঔপন্যাসিক,গল্পকাৰ, সাংবাদিক, নিবন্ধকাৰ আৰু সমালোচকৰূপে পৰিচিত হোমেন বৰগোহাঞিয়ে কবিতাৰে যে লেখক জীৱনৰ পাতনি মেলিছিল সেই কথা বহুতৰে বাবে অবিশ্বাস্য । বৰগোহাঞিৰ একমাত্ৰ কাব্য সংকলন 'হৈমন্তী' পঢ়াৰ পিচত এই লেখকে এবাৰ এক দীৰ্ঘ সাক্ষাৎকাৰত বৰগোহাঞিক সুধিছিল; "আপোনাৰ 'হৈমন্তী' নামৰ কাব্যগ্ৰন্থখন পঢ়াৰ পিচত আমি অনুভৱ কৰিছোঁ যে, আপোনাৰ কবিতাত মানুহৰ জীৱনৰ সংবেদনশীল দিশবোৰৰ জীৱন্ত প্ৰকাশ ঘটিছে । আপুনি কবিতা লিখা বাদ দিলে কিয় ? আমি ভাবোঁ, আপুনি কবিতাত লাগি থকা হ'লে নিশ্চয় এজন ভাল কবি হ'ব পাৰিলেহেঁতেন।" এই প্ৰশ্নৰ উত্তৰত বৰগোহাঞিয়ে কৈছিল: "মোৰ কবিতা সম্পৰ্কে এনে ধৰণৰ দুই-চাৰিটা প্ৰশ্ন হয় । অলপতে ৰেডিঅ'ৰ এটা ইণ্টাৰভিউতো মোক এই প্ৰশ্নটো কৰা হৈছিল ।তাৰ উত্তৰটো হ'ল—মই কবিতা লিখিবলৈ ভাল নোপোৱা হ'লোঁ। মানুহে যি কাম কৰি ভাল পায় সেয়াহে কৰে ।

মই কবি হিচাপেই সাহিত্যিক জীৱন আৰম্ভ কৰিছোঁ । তোমালোকে যে কৈছা মই কবিতাত লাগি থাকিলে ভাল কবি হ'ব পাৰিলোহেঁতেন বুলি, সেয়া মই কিন্তু বিশ্বাস নকৰোঁ । মই নিজকে ভাল কবি বুলি কেতিয়াও ভবা নাই । বহুতেই কাব্য আৰু গদ্য দুয়োটাতে সমানেই পাৰদৰ্শিতা দেখুৱায় । যৌৱনৰ আৰম্ভণিৰ লগে লগে মানুহে কবিতা লিখি বা কবিতা পঢ়ি তাৰ ৰসাস্বাদন কৰিবলৈ ভাল পায় । মই কিন্তু যৌৱনত ভৰি দিয়াৰ লগে লগে গদ্যৰ প্ৰতি বেছি আকৃষ্ট হ'লোঁ । তাৰ কাৰণ হিচাপে ক'ব পৰা মোৰ ব্যক্তিগত মনস্তত্ত্ব । কবিতাত চিন্তা থাকেই কিন্তু তাত অনুভূতি হ'ল প্ৰধান উপাদান। গদ্যতো অনুভূতি থাকিব পাৰে কিন্তু তাত চিন্তা প্ৰধান । মই অনুভূতিৰ জীৱনতকৈ চিন্তাৰ প্ৰতি বেছি আকৰ্ষণ অনুভৱ কৰোঁ । সেইবাবে কবিতাতকৈ গদ্যৰ

প্ৰতি বেছিকৈ আকৰ্ষণ অনুভৱ কৰিলোঁ ।তদুপৰি মই অনুভৱ কৰিলোঁ যে মই স্বাভাৱিক কবি-প্ৰতিভা লৈ জন্ম গ্ৰহণ কৰা নাই । গতিকে মই গোটেই জীৱনটোত কবিতাক লৈ লাগি থাকিলে মই আনন্দও নাপাম আৰু মোৰ দ্বাৰা ভাল কবিতা, লিখাও সম্ভৱপৰ নহ'ব, গতিকে ৰসতে নাম থৈ মই গদ্যৰ জগতখনলৈ অহাই ভাল হ'ব বুলি ভাৱিলোঁ । গদ্যৰ জগতখনলৈ মই আহিলোঁ দুটা কাৰণত । প্ৰথমটো হ'ল জীৱন সম্পৰ্কে মোৰ যি অভিজ্ঞতা মানুহৰ আগত ব্যক্ত কৰিবলগীয়া আছিল, মই কবিতাতকৈ গদ্যৰ যোগেদিহে সেইখিনি কৰি বেছি ভাল পাওঁ । দ্বিতীয়তে, এটা ভাল কবিতা ৰচনা কৰাতকৈ এটা ভাল গদ্যৰ বাক্য ৰচনা কৰিহে মই বেছি আনন্দ পাওঁ; যাক কোৱা হয় নান্দনিক তৃপ্তি বুলি । গতিকে মই কবিতাৰ পৃথিৱীখন এৰি গদ্যলৈ আহিলোঁ ।"

কবিতা-চৰ্চা সম্পৰ্কে হোমেন বৰগোহাঞিৰ এই স্বীকাৰোক্তিৰ পিচতো বহুতৰ মনত প্ৰশ্ন হ'ব পাৰে, তেওঁ সঁচাকৈয়ে কাব্য -চৰ্চাৰে লেখক জীৱনৰ পাতনি মেলিছিল নে ? এই প্ৰশ্নৰ নিৰ্ভৰযোগ্য উত্তৰ পাবলৈ হ'লে আমি বৰগোহাঞিৰ আত্মজীৱনী মূলক গ্ৰন্থ 'আত্মানুসন্ধান'ৰ মাজলৈ যাব লাগিব ।'আত্মানুসন্ধান'ৰ এঠাইত বৰগোহাঞিয়ে তেওঁৰ শৈশৱৰ সৃষ্টিৰ কথা সুঁৱৰি লিখিছে: "মই প্ৰথম পদ্য লিখিছিলোঁ সাত বছৰ বয়সত ; মই তেতিয়া প্ৰাইমেৰী খাপৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ । স্কুলৰ শনিবৰীয়া ছাত্ৰসভাত পাঠ কৰিবলৈ লেখা সেই পদ্যটোৰ দুটা শাৰী মোৰ এতিয়াও মনত আছে :

পঞ্চম চিভিলিয়ান আনন্দ বৰুৱা
আন্ধাৰত জ্বলে যেন জোনাকী পৰুৱা ।

সেইয়ে পদ্য লিখিবলৈ আৰম্ভ কৰিলোঁ, তাৰ পিচৰ পৰা নিছিগা ধাৰেৰে মোৰ কলমৰ পৰা পদ্য ওলাবলৈ ধৰিলে । তেৰ বছৰ বয়সত তেনেকুৱা এটা পদ্য বা কবিতা —'ৰাণী গাইদিলু'— মৰসাহ কৰি মাধৱ বেজবৰুৱা সম্পাদিত 'বাঁহী'লৈ পঠাই দিলোঁ । পিচৰ সংখ্যা বাঁহীতেই কবিতাটো প্ৰকাশ হৈ ওলাল । ছপাৰ আখৰত প্ৰথমবাৰৰ কাৰণে মোৰ কবিতা আৰু নাম দেখি প্ৰচণ্ড উত্তেজনাত মোৰ বুকু ফাটি যাবৰ উপক্ৰম হৈছিল। ডাকঘৰৰ পৰা আলোচনীখন লৈ বিশ্বাশবদে ঘৰলৈ ঢাপলি মেলিলোঁ কাৰণ দেউতাক কবিতাটো দেখুৱাবলৈ মই উত্ৰাৱল হৈ উঠিছিলোঁ । সেই সময়ত কিছুদিনৰ কাৰণে অধ্যাপক পদ্মেশ্বৰ গঁগৈ কিবা কামত আমাৰ ঘৰত আলহী হৈ আছিল । মোৰ হাতৰ পৰা তেৱেঁই আলোচনীখন প্ৰথমে লৈ কবিতাটো পঢ়িলে । তাৰ পিচত কবিতাটোৰ প্ৰশংসা কৰি মোক ক'লে—"মই কিন্তু তোমাক গদ্য লিখিবলৈ পৰামৰ্শ দিব খোজোঁ ।"

কবিতা আছিল মোৰ প্ৰথম প্ৰেম । আচলতে মই কবিয়েই হ'ব খুজিছিলোঁ । কিন্তু সেইদিনা অধ্যাপক পদ্মেশ্বৰ গঁগৈয়ে মোক গদ্য লিখিবলৈ উদ্বুদ্ধ কৰি যিকেইটা যুক্তি কৈ শুনাইছিল, সেই কথাখিনি মোৰ অৱচেতন মনত খুব দকৈ বহি গ'ল । মোৰ ধাৰণা যে অধ্যাপক গঁগৈয়ে মোক এজন বেয়া কবি হোৱাৰ পৰা ৰক্ষা কৰিলে । কিন্তু

মই এজন ভাল গদ্য-লেখক হ'ব পাৰিলোঁনে ?"

"ৰাণী গাইদিলু' (গুইদালু কবিতাটি প্ৰকাশ পাইছিল 'বাঁহী'ৰ ৩২শ বছৰ, শাৰদীয় সংখ্যা, ১৮৬৭ শক, ১৯৪৫ চনত । পদ্মেশ্বৰ গগৈয়ে কবিতাটো পঢ়ি কিশোৰ হোমেন বৰগোহাঞিঃ (হোমেন্দ্ৰ কুমাৰ বৰগোহাঞিৰ)ক পদাৰ সলনি গদ্য লিখিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ পিচতো বৰগোহাঞিয়ে ১৯৫০-১৯৭০ বৰ্ষতিতৰত কেবাটাও উল্লেখযোগ্য কবিতা লিখিছিল । ১৯৫০-১৯৬০ ৰ সময়ছোৱাত ৰচিত কবিতাসমূহ হ'ল —সাপৰাতি, ইতিহাস, আশ্রয়, ওফেলিয়া, বিকল্প, সঙ্গী, হৈমন্তী আদি । আনহাতে ১৯৬০-১৯৭০ৰ সময়ছোৱাত ৰচিত কবিতাৰ অন্যতম হ'ল 'স্বীকাৰোক্তি' আৰু 'বিষাদ' । এইবোৰ কবিতাৰ উপৰিও বৰগোহাঞিৰ একমাত্ৰ কাব্য-সংকলন 'হৈমন্তী'ত প্ৰকাশিত কবিতাসমূহ হ'ল—ৰবীন্দ্ৰনাথ, কোনো এক যুৱতীৰ প্ৰতি, ইউলিছিছ, ৰাধা , ন্যুড নিয়তি, পাপীৰ প্ৰাৰ্থনা, কেতিয়াবা, জোন, নিৰ্জন, তোমাৰ মুখ, ভয়, সাহচৰ্য, দুজন মানুহ, শৰত, লক্ষ্মীনাথ বেজবৰুৱাৰ কিতাপবোৰ আকৌ এবাৰ পঢ়ি আদি । আনহাতে 'হৈমন্তী' আৰু 'আত্মানুসন্ধান'ত সংকলিত নোহোৱা অথচ অসমীয়া সাহিত্যৰ উল্লেখযোগ্য গ্ৰন্থ, কাব্য-সংকলন আদিত সংযোজিত হোৱা বৰগোহাঞিৰ কেইটামান উল্লেখনীয় কবিতা হ'ল -ৰাতিৰ প্ৰাৰ্থনা, শাশ্বতী আদি । সপ্তম মান শ্ৰেণীত পঢ়ি থাকোঁতে 'বাঁহী'ত প্ৰকাশ পোৱা 'সুভাষচন্দ্ৰ' আৰু 'অধিকাৰ' কবিতা দুটি কোনো সংকলনত সংকলিত হোৱা চকুত পৰা নাই । 'বাঁহী'ৰ মৃত্যুৰ পিচত হেমবৰুৱা সম্পাদিত 'পছোৱা'ত হোমেন বৰগোহাঞিৰ 'কুশল কোঁৱৰ' নামৰ এটি কবিতা প্ৰকাশ পাইছিল । 'পছোৱা'ৰ অকাল মৃত্যুৰ পিচত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশ পোৱা 'ৰামধেনু' আলোচনীত বৰগোহাঞিৰ 'ভিনচেন্ট ভেন গঘ' নামৰ কবিতা এটি প্ৰকাশ পায় ।

ষষ্ঠমান শ্ৰেণীত পঢ়ি থাকোঁতেই লিখা 'ৰাণী গুইদালু' নামৰ কবিতাটি বিখ্যাত আলোচনী 'বাঁহী'ত প্ৰকাশ হোৱাৰ পিচত পছোৱা ,ৰামধেনু আদি আলোচনীতো যথাযোগ্য মৰ্যাদা সহকাৰে হোমেন বৰগোহাঞিৰ কবিতা প্ৰকাশ পাইছিল যদিও কবি গৰাকীয়ে পিছলৈ ৰহস্যজনক কাৰণত কবিতা লিখিবলৈ এৰিলে । হোমেন বৰগোহাঞিৰ কবিতা ৰচনাৰ পটভূমি আৰু কবিতাৰ জগতৰ পৰা মেলানি মগা সম্পৰ্কে তেওঁৰ আত্মজীৱনী মূলক গ্ৰন্থ 'ধুমুহা আৰু ৰামধেনু'তো কিছু কথা উল্লেখ কৰা হৈছে :

"আচলতে মোৰ স্বাভাৱিক কবি -প্ৰতিভা একেবাৰেই নাছিল । মই কবি হৈছিলোঁ বয়স সুলভ আবেগৰ তাড়ণাত । আত্ম প্ৰকাশৰ কাৰণে এটা বিকল্প মাধ্যম বিচাৰি মই স্বস্তিৰ নিশ্বাস পেলালোঁ । অৱশ্যে ইয়াৰ পিচতো আৰু কেবা বছৰলৈকে মই হেলো-চোৱোকাকৈ কবিতা লিখি আছিলোঁ ।(পৃষ্ঠা : ১৩৪-১৩৫)

"ৰামধেনু'ত মই প্ৰথমে কবি হিচাপেই আত্মপ্ৰকাশ কৰিছিলোঁ । কিন্তু 'ৰামধেনু'ত প্ৰকাশ হোৱা মোৰ তিনিটা 'চাঞ্চল্যকৰ' গল্পই (আবেলিৰ বাটৰ গল্প, এপিটাফ,

ছেনাটোৰিয়াম) মোৰ মনলৈ এনে আত্মবিশ্বাসৰ ভাব আনি দিলে যে মই লাহে লাহে কবিতাতকৈ গল্প লিখাৰ ওপৰত বেছি জোৰ দিবলৈ আৰম্ভ কৰিলোঁ । সেই সময়ত 'ৰামধেনু'ত প্ৰকাশ হোৱা দুটামান গল্পয়ো অলপ চাঞ্চল্যৰ সৃষ্টি কৰিছিল ।" (পৃষ্ঠা ঃ ১৩৬)

"ছপাৰ আখৰত প্ৰকাশিত মোৰ প্ৰথম কবিতাটোৰ নাম আছিল "ৰাণী গুইদালু' । 'বাঁহী'ত কবিতাটো প্ৰকাশ হ'বৰ সময়ত মই হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ; বয়স প্ৰায় তেৰ বছৰ । মই সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতে 'বাঁহী'ত আৰু দুটা কবিতা প্ৰকাশ হ'ল ঃ 'সুভাষ চন্দ্ৰ' আৰু 'অধিকাৰ' । 'বাঁহী' বন্ধ হৈ যোৱাত মই কবিতা পঠাবলৈ এখনো আলোচনী নোহোৱা হ'ল । মই নৱম শ্ৰেণীৰ ছাত্ৰ হৈ থাকোঁতে যেতিয়া হেম বৰুৱাৰ সম্পাদনাত 'পছোৱা' ওলাল, তেতিয়া তাত প্ৰকাশ হ'ল মোৰ 'কুশল কোঁৱৰ' নামৰ কবিতাটো । কবিতা কেইটাৰ নামেই প্ৰমাণ কৰে যে জীৱনৰ এই অধ্যায়টোত — অৰ্থাৎ মোৰ শৈশৱ আৰু কৈশোৰত মোৰ হৃদয় সম্পূৰ্ণভাৱে আচ্ছন্ন কৰি ৰাখিছিল আদৰ্শবাদ আৰু দেশপ্ৰেমৰ আৱেগে । আনহাতে 'ভিনচেণ্ট ভেন গঘ'শীৰ্ষক কবিতাটোৰ নাম আৰু বিষয় বস্তুৱে এই কথা প্ৰমাণ কৰে যে ঠিক সেই সময়ত মোৰ জীৱনৰ এটা অধ্যায়ৰ সামৰণি পৰিছিল ; মই প্ৰৱেশ কৰিছিলোঁ এখন অপূৰ্ব আৰু অভিনৱ অভিজ্ঞতাৰ জগতত । কিন্তু মোৰ 'ভিনচেণ্ট ভেন গঘ' নামৰ কবিতাটো 'পছোৱা'ত প্ৰকাশ নহ'ল , কাৰণ সেই সময়ত আলোচনীখনৰ অকাল মৃত্যু ঘটিল । মই কবিতাটোৰ প্ৰতিলিপি ৰখা নাছিলোঁ, সেই কাৰণে কবিতাটো চিৰকাললৈ হেৰাল বুলি ভাৱিছিলোঁ । কিন্তু মই কটন কলেজৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ হৈ থাকোঁতে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'ৰামধেনু'ত যেতিয়া মোৰ কবিতাবোৰ এটা এটাকৈ ওলাবলৈ ধৰিলে, তেতিয়া আলোচনীখনৰ কোনোবা এটা সংখ্যাত 'ভিনচেণ্ট ভেন গঘ' নামৰ কবিতাটো প্ৰকাশ হোৱা দেখি মই যুগপৎ বিস্মিত আৰু আনন্দিত হ'লোঁ । মই বুজিলোঁ যে 'পছোৱা'ৰ অকাল মৃত্যু হোৱাত হেম বৰুৱাই তেওঁৰ হাতত জমা হৈ থকা কিছু লেখা 'ৰামধেনু'ত প্ৰকাশৰ কাৰণে পঠাই দিছিল ।" (পৃষ্ঠা ঃ ১২৪)

হোমেন বৰগোহাঞিয়ে যদিও কৈছে যে তেওঁৰ স্বাভাৱিক কবি প্ৰতিভা একেবাৰেই নাছিল, তথাপিও অসমীয়া ভাষা সাহিত্যৰ অনেক আলোচনামূলক গ্ৰন্থ আৰু কেবাখনো গুৰুত্বপূৰ্ণ কাব্য সংকলনত বৰগোহাঞিৰ কবিতাই যথাযোগ্য স্থান পোৱালৈ চাই ক'ব পাৰি যে, তেওঁ যি সময়ত কাব্য চৰ্চা কৰিছিল সেই সময়ৰ বয়সৰ তুলনাত তেওঁৰ কবিতাবোৰ আছিল যথেষ্ট পৰিপক্ক । তদুপৰি কবিতাবোৰৰ অন্তৰ্নিহিত সত্য আৰু বিষয় বস্তুৰ গাঢ়তালৈ চাই ক'ব পাৰি যে, জীৱন আৰু জগতৰ যি বৰ্ণাঢ্য দিশবোৰে তেওঁৰ কবিতাত স্থান পাইছে তেনে স্থানৰ দাবীদাৰ অসমীয়া সাহিত্যত খুব কম সংখ্যক কবিহে আছে ।

(দুই)

সম্ভৱতঃ ষষ্ঠ দশকতে 'ৰামধেনু'ৰ পাতত কবিতা লিখি হোমেন বৰগোহাঞিয়ে আধুনিক কবিৰূপে পৰিচিত হৈ পৰিছিল। 'ৰামধেনু'ত প্ৰকাশিত বৰগোহাঞিৰ প্ৰথম কবিতাটিৰ ৰচনা আৰু পটভূমিৰ বিচাৰ কৰিলে আমি দেখিম যে, আধুনিক কবিতাৰ ওপৰত আৰম্ভ হোৱা এক বন্ধুসুলভ বিতৰ্কত জড়িত হৈহে তেওঁ 'সাপ' কবিতাটি লিখিছিল। বন্ধুসকলৰ 'জুৱাৰ আড্ডা'ৰ প্ৰসঙ্গ উত্থাপন কৰি হোমেন বৰগোহাঞিয়ে 'সাপ' কবিতাটিৰ অন্তৰালৰ কাহিনী সম্পৰ্কে 'আত্মানুসন্ধান'ত লিখিছে: "এদিন তৰ্ক আৰম্ভ হ'ল আধুনিক কবিতাক কেন্দ্ৰ কৰি। ঠিক সেই সময়ত 'ৰামধেনু'ত আধুনিক অসমীয়া কাব্য আন্দোলন আৰম্ভ হৈছে আৰু সেই আন্দোলনৰ পক্ষে বিপক্ষে নানা মতামত প্ৰকাশ পাইছে। আনকি চাহৰ আড্ডাতো কবিতাৰ আলোচনাই ঠাই পাইছে। সেইদিনা আমাৰ জুৱাৰ আড্ডাটো আধুনিক কবিতাৰ প্ৰসঙ্গ উঠিল। ভবেন ফুকনে আধুনিক কবিতাৰ পক্ষলৈ তৰ্ক আৰম্ভ কৰা মাত্ৰেই আমাৰ জুৱাৰী আড্ডাৰ কেইবাজনো সদস্যই তেওঁৰ বিৰোধিতা কৰি ব্যংগ বিদ্ৰূপ কৰিবলৈ আৰম্ভ কৰিলে। মই নিজে যদিও ইতিমধ্যে এজন 'আধুনিক কবি' ৰূপে পৰিচিত হৈ উঠিছোঁ কিন্তু আধুনিক কবিতাৰ নামত চলা নানাবিধ কিম্ভূত কিমাকাৰ বস্তু মোৰ পক্ষেও হজম কৰা কঠিন হৈ পৰিছিল। ময়ো তথাকথিত আধুনিক কবিতাৰ তীব্ৰ সমালোচনা কৰি ভবেনৰ লগত তৰ্ক কৰিবলৈ আৰম্ভ কৰিলোঁ। ডেকা ল'ৰাৰ তৰ্কই স্বাভাৱিকতে অতি সোনকালে উত্তপ্ত ৰূপ ধাৰণ কৰিলে। মই তেতিয়া ভবেনক প্ৰত্যাহ্বান জনাই ক'লোঁ — 'আধুনিক কবিতা' নামৰ এই আজব বস্তুটো লেখা ইমানেই সহজ যে মই জুৱা খেলি খেলিয়েই অৰ্থাৎ বাওঁহাতে তাচপাত লৈয়েই সোঁহাতেৰে মাত্ৰ পাঁচ মিনিটৰ ভিতৰতে এটা আধুনিক কবিতা লিখি দিব পাৰোঁ। 'ৰামধেনু'লৈ পঠাই দিয়াৰ লগে লগে সেই কবিতা প্ৰকাশো হ'ব। কথা মতে কাম। জুৱাৰ হুলস্থূলীয়া আড্ডা আৰু তৰ্ক কিতৰ্কৰ মাজত মই সঁচাকৈয়ে — পাঁচ মিনিট নহয় - দহ পোন্ধৰ মিনিটৰ ভিতৰতে একো নভবা - নিচিন্তাকৈ অৰ্থাৎ ঠাট্টাৰ ছলেৰে এটা কবিতা লিখি উলিয়ালোঁ আৰু সেই কবিতা সঁচাকৈ পিচৰ মাহতে 'ৰামধেনু'ত প্ৰকাশো হ'ল। ভাবিলে আচৰিত লাগে যে ঠাট্টাৰ ছলেৰে লিখা 'সাপ' নামৰ সেই কবিতাটোৱে আজিকালি প্ৰতিখন অসমীয়া কাব্য সংগ্ৰহতে ঠাই পায়। কিছুদিনৰ আগতে মোৰ বন্ধু বীৰেশ্বৰ বৰুৱাই এখন অসমীয়া আলোচনীত কবিতাটোৰ দাৰ্শনিক ব্যাখ্যা কৰি এটা প্ৰবন্ধও লিখিছে।"

উপৰি উক্ত উদ্ধৃতিৰ শেষৰ বাক্য দুটাত ব্যৱহাৰ কৰা ভাববোধক চিহ্ন (।) লৈ চাই ক'ব পৰা যায় যে বৰগোহাঞিয়ে 'সাপ' কবিতাটি সন্দৰ্ভত আলোচক, সমালোচক, পঢ়ুৱৈ আৰু সংকলকসকলৰ ধাৰণা তেওঁৰ মনঃপূত বুলি গ্ৰহণ কৰিব পৰা নাই অথবা সেয়া অতিৰঞ্জিত ব্যাখ্যা আৰু অনাকাঙ্খিত।

আলোচিত 'সাপ' কবিতাটি সম্পৰ্কে অধিক আলোচনাৰ অৱকাশ ৰাখি আজি যাব খুজিছোঁ বৰগোহাঞিৰ আন দুটা কবিতাৰ পটভূমিলৈ । ১৯৫৭ চনত ভবানন্দ দত্তৰ সভাপতিত্বত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত এক কবি সন্মিলনত বৰগোহাঞিয়ে দুটা কবিতা পাঠ কৰিছিল — তাৰে এটা হ'ল 'আশ্রয়' আৰু আনটো হ'ল 'কোনো এটি বসন্ত সন্ধ্যাৰ প্ৰাৰ্থনা' । 'আশ্রয়' কবিতাটি 'আত্মানুসন্ধান'ত আছে ; কিন্তু 'কোনো এটি বসন্ত সন্ধ্যাৰ প্ৰাৰ্থনা' শীৰ্ষক কবিতাটি অসমীয়া কবিতাৰ সংকলনবোৰত প্ৰকাশ হোৱা চকুত পৰা নাই । এই কবিতাটি সন্দৰ্ভত বৰগোহাঞিয়ে 'আত্মানুসন্ধান'ত লিখিছে ঃ "দ্বিতীয় কবিতাটো মই লিখিছিলোঁ মোৰ পূৰ্ণ যৌৱনৰ সমস্ত আৱেগ ঢালি দি — বোধহয় মোৰ জীৱনৰ একমাত্ৰ প্ৰেমৰ কবিতা আৰু সেই কাৰণেই কবিতাটোৱে শ্ৰোতাসকলৰ মন বিশেষভাৱে স্পৰ্শ কৰা যেন লাগিছিল । সেইদিনা তাত উপস্থিত থকা এজন কবি বন্ধুৱে কবিতাটো মোৰপৰা খুজি ল'লে আৰু আজিলৈকে কবিতাটো ঘূৰাই নাপালোঁ । সি যি কি নহওক, তাৰ কেইদিন মানৰ পিচত নৱকান্তই জালুকবাৰীৰ চাৰ্ভে ট্ৰেইনিং চেণ্টাৰৰ মোৰ তম্বুলৈ আহি এটা খাম দি গ'ল । খামটো খুলি চাই দেখোঁ এটা কবিতা — 'স্ব-নিমন্ত্ৰিত' । কবিতাটো পঢ়ি বুজিবলৈ বাকী নৰ'ল যে মোৰ 'বসন্ত সন্ধ্যাৰ প্ৰাৰ্থনা' শুনিয়েই নৱকান্তৰ 'স্ব-নিমন্ত্ৰিত' লিখিবলৈ মন গ'ল ।"

হোমেন বৰগোহাঞিয়ে তেওঁৰ কবিতা সম্পৰ্কে নিজৰ মাজত যি ধাৰণা পোষণ কৰিছে সেয়া তেওঁৰ ব্যক্তিগত বিচাৰ । আমাৰ আলোচনাৰ গভীৰতালৈ যোৱাৰ আগতে অসমীয়া সাহিত্যৰ সমালোচকসকলে বৰগোহাঞিৰ কবিতা সম্পৰ্কে কি কথা কৈছে তাৰ বিচাৰ কৰা হওক । কেইজনমান বিশিষ্ট সমালোচকে বৰগোহাঞিৰ কবিতা সম্পৰ্কে লিখিছে ঃ

(ক) "............ তেওঁ (হোমেন বৰগোহাঞি) মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰৰ ছবি আঁকে, স্মৃতিৰ সুগন্ধ লয়, কেতিয়াবা অস্তিত্বৰ সংকটত সকলোতে আস্থা হেৰুৱাই অন্তৰ্দাহত ভোগেঃ "শান্তিৰ আশ্বাস নাই, জীৱনৰ ধ্ৰুপদী বিশ্বাস/আত্মাৰ ঐতিহ্য, প্ৰেম বিষ যন্ত্ৰণাত জৰ্জৰ ।" সম্ভৱত এনে ধৰণৰ বিষাদগন্ধি সংশয়াকুল অন্তৰ্মুখিনতাই তেওঁৰ বৰ্তমানৰ নীৰৱতাৰ কাৰণ ।" (নলিনীধৰ ভট্টাচাৰ্য - কবিতাৰ কথা, পৃঃ১২৮-১২৯) ।

(খ) "নিৰ্জনতাৰ ওচৰত আত্ম-নিবেদনৰ আকৃতি নাই, অথচ জনতাৰ সমুদ্ৰৰ মাজত হেৰাই যোৱা নাই, সেই কবি দলৰ সংখ্যা অতি কম । সেই সকলৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম । বৰগোহাঞিয়ে প্ৰতীকবাদী কবিসকলৰ দৰে বৰ্ণবহুল শব্দ ব্যঞ্জনাৰে সৃষ্টি কৰে এক ৰহস্যময় জগত । আত্মাৰ গভীৰ কন্দৰত সেই জগত । সেইখন মিষ্টিক জগতত আছে মানুহৰ মনৰ গভীৰতম বেদনা — অন্ধকাৰ কামনা, অৱদমিত প্ৰীতি আৰু এক মৃত্যুৰ আকাংক্ষা । সপোনৰ জগতখনৰ দৰে আছে এটা মোহময়, আৱেগময়, মাদকতা সনা সুৰভি । কিন্তু তাত নাই যৌনিক বেদনা ; তাত নাই কাম

মনস্তত্ব । সেই পৃথিৱীৰ কাল্পনিক মূল্যবোধ আমাৰ পৃথিৱীৰ নৈতিকতাৰ তুলাচনীৰে জুখিব নোৱাৰি । সেই বাবে তেখেতৰ কাব্যত যৌনগন্ধি প্ৰতীক পুঞ্জত অযৌন নিৰ্যাস পোৱা যায় । তেখেতৰ সেই মোহ মুক্ত মনৰ হাতধৰি লিগিৰী তেখেতৰ কবিতাৰ অনায়াস ছন্দ ।" (মহেন্দ্ৰ বৰা - নতুন কবিতা, পৃষ্ঠাঃ ১৪) ।

(গ) "হোমেন বৰগোহাঞিৰ কবিতা সংখ্যাত সৰহ নহয় কিন্তু ঐতিহাসিক নান্দনিক বিচাৰত তাৎপৰ্যপূৰ্ণ । সত্তৰ তেওঁৰ কবিতাতে প্ৰথম কবিতাৰ প্ৰতীক মনৰ ছাঁ - পোহৰৰ ৰহস্যময় অভ্যন্তৰৰ বৰ্হিপ্ৰকাশ হৈছিল । এই বুলি ভাবিবৰ মন যায় যে বৰগোহাঞিয়ে সমাজৰ বাস্তৱ সত্যক কথা-সাহিত্যলৈ বুলি আছুতীয়াকৈ থৈ কবিতাক দেহ মনৰ ৰহস্য সন্ধানৰ মাধ্যম কৰি ল'লে ।" (কবীন ফুকন — আধুনিক অসমীয়া কবিতা ঃ প্ৰকৃতি আৰু পটভূমি, অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড, পৃষ্ঠাঃ ৩৬০) ।

(ঘ) "Homen Borgohain work some of the most interesting poems during this decade (1950-60). His individuality lies in his introspective gaze, his almost mythical probing into the mysteries of life and death and his ability in using symbols in a modern way..... Borgohain has shown his modern sensibilities in poems such as Smrity, Rati, Sap and Ratir Prarthana." (Imdad Ullag, উদ্ধৃতি ঃ হোমেন বৰগোহাঞিৰ সন্ধানত, সম্পাদনা ঃ ডঃ নমিতা ডেকা) ।

উপৰি উক্ত আলোচকসকলৰ আলোচনাৰ পৰা এটা ধাৰণা হয় যে, বৰগোহাঞিৰ কবিতাৰ অন্যতম বৈশিষ্ট্য হ'ল — জীৱন আৰু মৃত্যুৰ ৰহস্য সন্ধান, যৌনজ বাসনা, দেহ আৰু মনৰ নিগূঢ় সম্বন্ধ গঢ়ি তাৰ মাজত অস্তিত্বৰ বিচাৰ কৰা, ইত্যাদি ।

(তিনি)

আমাৰ হাতত থকা তথ্যমতে বৰগোহাঞিৰ মুঠ প্ৰকাশিত কবিতা ৩৪টা আৰু অপ্ৰকাশিত এটা । ('অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড'ত কবীন ফুকনে উল্লেখ কৰা, 'অৰণ্য', 'মহানগৰ' আৰু 'মোৰ আইতা' — এই কবিতা কেইটা আলোচনীত ধৰা হোৱা নাই । কাৰণ, হাতত থকা তথ্যমতে কবিতাকেইটা আমাৰ ওচৰত নাই) । তাৰে ২২টা কবিতা 'হৈমন্তী'ত সংকলিত হৈছে । বাকীবোৰ কবিতা 'বাঁহী', 'পছোৱা', 'সঞ্চয়ন', 'আত্মানুসন্ধান', 'ৰামধেনু' আদি আলোচনী আৰু গ্ৰন্থৰ পাতত আছে । এই কবিতাবোৰৰ ভিতৰত আটাইতকৈ আলোচিত কবিতা হ'ল সাপ, ৰাতি, হৈমন্তী, বিকল্প, ওফেলিয়া আদি । মহেশ্বৰ নেওগৰ সম্পাদনাত ১৯৫৯ চনতে প্ৰকাশ পোৱা কাব্য সংকলন 'সঞ্চয়ন', মহেন্দ্ৰ বৰাৰ সম্পাদনাত ১৯৫৬ চনতে প্ৰকাশ পোৱা কাব্য-সংকলন 'নতুন কবিতা' আদিত 'সাপ' কবিতাটি সন্নিবিষ্ট হৈছে । এই কবিতাটি যদিও 'জুবাৰ আজাত'

ৰহি ধেমালিতে লিখা, তথাপিও আলোচকসকলৰ দৃষ্টিত কবিতাটি উচ্চমানৰ। কুৰি শতিকাৰ অন্যতম শ্ৰেষ্ঠ সমালোচক নলিনীধৰ ভট্টাচাৰ্যই এই কবিতাটি সন্দৰ্ভত কৈছে ঃ "সাপৰ প্ৰতীকৰ সহায়ত প্ৰেমৰ পোহৰ আৰু মৃত্যুৰ অন্ধকাৰৰ ব্যঞ্জনা কৰা 'সাপ' নামৰ কবিতাটোৰ শব্দৰ চয়ন আৰু বয়নৰ ৰীতি সুন্দৰ।"

হোমেন বৰগোহাঞিয়ে 'সাপ' কবিতাটিত প্ৰেম আৰু মৃত্যুৰ অভিব্যঞ্জনা সৃষ্টি কৰিলেও তাৰ অন্তৰালত সত্য লুকাই আছে কবিতাটিৰ অন্তৰ্নিহিত যৌন চেতনাৰ ওপৰত। প্ৰেম, মৃত্যু, অন্ধকাৰ আৰু যৌন চেতনাৰ সমাহাৰ 'সাপ' কবিতাটিত এনেদৰে ঘটিছে ঃ

"উন্মাদৰ দৰে মই ভাল পাওঁ ৰাতিৰ এই ৰক্তস্নাত অন্ধকাৰ,
যেনেকৈ ভাল পাওঁ এটি মন, আলকাতৰাৰ দৰে গাৰ ৰং কোনো এক বেশ্যাৰ।"

বৰগোহাঞিয়ে প্ৰেমৰ সৈতে যৌনতাৰ সম্পৰ্কৰ কথা তেওঁৰ 'ৰাতি', 'বিকল্প', 'আশ্ৰয়', 'ইতিহাস', 'শাশ্বতী', 'ৰাতিৰ প্ৰাৰ্থনা', 'বিষাদ', 'কোনো এক যুৱতীৰ স্মৃতি', 'ইউলিছিছ', 'পাপীৰ প্ৰাৰ্থনা', 'কেতিয়াবা', 'জোন', 'সাহচৰ্য' আদি কবিতাতো কম-বেছি পৰিমাণে ব্যক্ত কৰিছে। যৌৱন কালৰে পৰাই ৰোমাণ্টিক মানসিকতাই হোমেন বৰগোহাঞিৰ জীৱন পৰিক্ৰমাত ক্ৰিয়া কৰাত তেওঁৰ কবিতাত মুখ্য স্থান দখল কৰিছে গাভৰুৰ ৰূপ-বন্দনা, যৌনজ তাড়না, নগ্নতা আৰু নিষিদ্ধ চেতনাই। হোমেন বৰগোহাঞিয়ে যৌন তাড়নাক যদিও এক সহজাত প্ৰবৃত্তি বুলি কৈছে, তথাপিও 'মিলনৰ আকাংক্ষা'ক তেওঁ 'অগম্য নিষিদ্ধ পথ'ৰ সৈতে তুলনা কৰিছে (পাপীৰ প্ৰাৰ্থনা)। এনেকি কেইবাটাও কবিতাত তেওঁ এই পথক 'নৰকৰ নিষিদ্ধ পথ' বুলি কৈছে। 'পাপীৰ প্ৰাৰ্থনা', 'ৰাধা' আদি কবিতাত 'নৰক' সম্পৰ্কে কবিৰ ধাৰণাৰ সংশয়াবিষ্ট ৰূপ প্ৰকাশ পাইছে। গাৰ্হস্থ্য চিন্তাৰ প্ৰতি বিৰাগভাজন অথবা অবচেতন কবি গৰাকীয়ে 'ইউলিছিছ' কবিতাত ঘোষণা কৰিছেঃ 'চেতনা নাছিল মোৰ গাৰ্হস্থ্য-চিন্তাৰ'। তথাপিও 'সঙ্গহীন ঠাণ্ডা বিছনাৰ একান্ত-বিলীন, ৰাতি'ৰ প্ৰতি কবিৰ ভীষণ আকৰ্ষণ 'কোনো এক যুৱতীৰ স্মৃতি' কবিতাত প্ৰকাশ পাইছে। 'ইউলিছিছ' কবিতাতো কবি 'সফেন মিথুন স্বপ্ন'ত মত্ত, 'সঙ্গীৰ অশ্লীল ঠাট্টা'ৰ প্ৰতি আকৰ্ষিত। 'ইতিহাস' কবিতাতো যৌন চেতনাই স্থান পালেও কবিৰ ইতিবাচক দৃষ্টিয়ে ধৰা দিছে কবিতাটিত। "মইতো নাজানো হায়! মই মাথোঁ দেখিছোঁ সপোন/কোনো এক প্ৰমত্তা প্ৰৌঢ়া গণিকাৰ আত্মাৰ গৰ্ভত/সাৰ পায় লাহে লাহে/ভ্ৰূণশিশু নতুন সৃষ্টিৰ" — কবিৰ এই বক্তব্যটিত সাম্প্ৰতিক সমাজৰ অবক্ষয়ী দিশ কিছুমান ধৰা পৰিলেও কবিয়ে তাৰ প্ৰতিবোধৰ কথা চিন্তা কৰিব নোৱাৰি আশ্ৰয়ৰ সন্ধানত পলায়ন কৰিব খুজিছে বাস্তৱৰ পৰা। কবিৰ চিন্তা একমুখী হোৱাৰ ফলত তেওঁ সমাজ বাস্তৱ বিশ্লেষণ কৰাত অপাৰগ হৈছে, ক্ৰমান্বয়ে তেওঁ নৈৰাশ্য হৈ পৰিছে নিজৰ মাজত। নিঃসঙ্গতা আৰু নৈৰাশ্যৰ ছলা হোমেন বৰগোহাঞিৰ 'ৰাতিৰ প্ৰাৰ্থনা' আৰু 'কোনো

এক যুৱতীৰ স্মৃতি' কবিতাত আছে । আচলতে এই দুয়োটা কবিতা মূলতঃ একেই ; শিৰোনামাহে বেলেগ বেলেগ ।'হৈমন্তী'ত কবিতাটি প্ৰকাশ পাইছে 'কোনো এক যুৱতীৰ স্মৃতি' নামত আৰু মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা'ত প্ৰকাশ পাইছে 'শান্তিৰ প্ৰাৰ্থনা' নামত । দুটা শিৰোনামাৰ একেটি কবিতাত কবিয়ে নিঃসঙ্গতাৰ ছবি আঁকিছে এনেদৰে ঃ

"সমুদ্ৰৰ মৌন এই হৃদয়ৰ নীল নিৰ্জনতা ঃ
প্ৰকৃতিত শান্তি নাই, মানুহ নিঃসঙ্গ চিৰকাল
ক্ষয়িত বিশ্বাস, শান্তি, — অস্তিত্বৰ সমুদ্ৰ বিশাল
কোনো এক যুৱতীৰ স্মৃতি মাথোঁ, জগায় মত্ততা ।"

হোমেন বৰগোহাঞিয়ে জীৱনৰ প্ৰথম কেইটামান কবিতা লিখিছিল দেশ প্ৰেমত উদ্বুদ্ধ হৈ ।'ৰাণী গুইদাল্যু', 'কুশল কোঁৱৰ', 'সুভাষ চন্দ্ৰ', 'অধিকাৰ', আদি কবিতাবোৰ তাৰে উৎকৃষ্ট প্ৰমাণ । দেশপ্ৰেমৰ পৰা ৰোমাণ্টিক ভাৱানুগতালৈ গতি কৰাৰ মূল কাৰণ হয়তো 'ৰামধেনু'ৰ মাজেৰে গঢ়ি উঠা নব্য ৰোমাণ্টিক কাব্য আন্দোলন । ৰামধেনু যুগত আধুনিকতাৰ যি তিনিটা ধাৰা (যথা-সমাজবাদী মাৰ্ক্সবাদী আৰু অন্তৰ্জগতমুখী) গঢ়ি উঠিছিল সেই ধাৰাবোৰৰ মাজৰ পৰা অন্তমুখী (নলিনীধৰ ভট্টাচাৰ্যৰ ভাষাত — 'অন্তৰ্জগত-নিৰ্ভৰ প্ৰকাশ') ধাৰাটোকেই হয়তো বৰগোহাঞিয়ে বাছি ল'লে । সেয়ে হয়তো 'ৰামধেনু'ৰ প্ৰথম সংখ্যাটোতেই স্থান পালে বৰগোহাঞিৰ অন্তৰ্মুখী 'সাপ' কবিতাটিয়েই। 'সাপ' কবিতাটিত কবি বৰগোহাঞিয়ে যিদৰে 'অন্ধকাৰৰ' বন্দনা কৰিছে তেনেদৰেই তেওঁ 'ভয়'কবিতাটিতো অন্ধকাৰক সঙ্গী কৰি লৈছে ।'সাপ'কবিতাটিৰ দৰে 'ভয়' কবিতাটিত কেৱল অন্ধকাৰৰ বন্দনা কৰিয়েই কবি ক্ষান্ত থকা নাই, বাস্তৱতাৰ পৰাও তেওঁ পলায়ন কৰিছে । কবি যিখন সমাজত বাস কৰে সেই সমাজৰ মানুহৰ দুঃখ যন্ত্ৰণা, দৰিদ্ৰতা, দুৰ্ভিক্ষ, আন্দোলন, প্ৰতিবাদ সভা আদি দেখি কবি ভয়াৰ্ত হৈ পৰিছে আৰু তাৰেই প্ৰকাশ ঘটাইছে 'ভয়' কবিতাটিত । যথা —

"হঠাতে উতলা হ'ল সুপ্ত প্ৰাণ জন- অৰণ্যৰ ।
মুক্তদ্বাৰ প্ৰভাতৰ, বিষণ্ণ বিক্ষিপ্ত সমাৰোহ
পলাতক কামনাৰ, পৰাজিত বন্ধ্যা বাসনাৰ ।
অপূৰ্ব উজ্জ্বল দিন, কঁপি উঠে ৰাজপথ, আপাৰ ছলনা,
মণিহাৰী দোকানত উপবাসী আকাংক্ষাৰ ভিৰ ;
দেৱালত ইস্তাহাৰ, ময়দানত জনসভা, লালবাতা উৰে,
ভয় - মোৰ লাগে ভয় - সঙ্গী মাথোঁ নিজৰ এজাৰ ।"

'বিচিত্ৰ নগৰ' গ্ৰন্থ লিখি চাকৰি এৰিব লগা হোৱা হোমেন বৰগোহাঞিয়ে কবিতাৰে [illegible] বাস্তৱতাৰ পৰা পলায়ন কৰিব লগা হ'ল সেই কথা বৰগোহাঞিৰ আত্মজীৱনীমূলক

গ্ৰন্থ 'আত্মানুসন্ধান', 'মোৰ সাংবাদিক জীৱন' বা 'ধুমুহা আৰু ৰামধেনু'ত উল্লেখ নাই। সাংবাদিক হিচাপে সাহসী হোমেন বৰগোহাঞিঃ কবি হিচাপে যথেষ্ট ভয়াতুৰ। সেয়ে বৰগোহাঞিৰ কবি জীৱন আৰু সাংবাদিক জীৱনৰ মাজত দ্বন্দ্ব বিদ্যমান। এনে দ্বন্দ্ব অসমীয়া সাহিত্যৰ অনেক প্ৰসিদ্ধ কবি, সাহিত্যিকৰ জীৱনত দেখা যায়। হোমেন বৰগোহাঞিৰ অন্যতম প্ৰিয় অসমীয়া কবি নৱকান্ত বৰুৱায়ো (যাৰ সঙ্গলাভ আৰু কবিতাৰ কথা বৰগোহাঞিৰ আত্মজীৱনীমূলক গ্ৰন্থবোৰৰ কেইবাঠাইতো উল্লেখ আছে) এই স্ব-বিৰোধিতা আৰু দ্বন্দ্বৰ কথা তেওঁৰ কবিতাৰে প্ৰকাশ কৰিছে। নৱকান্ত বৰুৱাই এটা কবিতাত লিখিছিল ঃ "ভয় নাই .... এতিয়াও/মৈথুন আৰু শস্যৰ প্ৰয়োজন থকালৈকে/থাকিব মানুহ আৰু/কবিতা থাকিব মানুহৰ ৰথীয়া হৈ।" নৱকান্ত বৰুৱাৰ কবিতা 'মানুহৰ ৰথীয়া' হোৱাৰ যি আৰ্তি সেই আৰ্তি তেওঁৰ ভাষ্যত অনুপস্থিত। কবি বৰুৱাই এক লেখাত উল্লেখ কৰিছিলঃ "মই কবিতা এবিধ কলা বুলিয়ে ভাবোঁ"। নৱকান্ত বৰুৱাৰ চিন্তা - চেতনাৰ সৈতে হোমেন বৰগোহাঞিৰ যথেষ্ট মানসিক সম্পৰ্ক আছে। হোমেন বৰগোহাঞিয়ে 'আত্মানুসন্ধান'ত লিখিছে যে নৱকান্ত বৰুৱাৰ 'স্ব-নিমন্ত্ৰিত' কবিতাটোৰ সৈতে বৰগোহাঞিৰ 'আশ্ৰয়' নামৰ কবিতাটোৰ 'আত্মাৰ সম্পৰ্ক আছে।"

(চাৰি)

ৰোমাণ্টিকতাক হোমেন বৰগোহাঞিৰ কবিতাৰ প্ৰথম চৰিত্ৰ বুলি ধৰিলে তেওঁৰ কবিতাৰ দ্বিতীয় চাৰিত্ৰিক গুণ ফুটি ওলায় প্ৰতীকবাদ আৰু চিত্ৰকল্পৰ ব্যৱহাৰৰ মাজেৰে। আইতাকে কোৱা 'প্ৰতীকবাদী কবিতা হৈছে ৰোমাণ্টিক কবিতাৰ দ্বিতীয় স্তৰ' — কথাষাৰিৰ সৈতে হোমেন বৰগোহাঞিৰ কবিতাৰ প্ৰতীকী ধৰ্মৰ যথেষ্ট মিল আছে। হোমেন বৰগোহাঞিৰ কবিতাবোৰত কেতিয়াবা প্ৰতীকবাদ (Symbolism) আৰু চিত্ৰকল্পবাদ (Imagism) ৰ ধাৰণা একাকাৰ হৈ পৰে। বৰগোহাঞিৰ কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্পৰ আলোচনা কৰাৰ আগতে আমি কবিতাৰ এই দুটা বৈশিষ্ট্যৰ বিচাৰ কৰা ভাল। সাধাৰণতে আমি কবি এজৰা পাউণ্ডক চিত্ৰকল্পবাদৰ সূত্ৰধাৰ বুলি ভাবোঁ। আনহাতে প্ৰতীকবাদৰ অন্যতম গুৰিয়াল হ'ল ফ্ৰান্সৰ কবি ষ্টিফেন মালাৰ্মে। এজৰা পাউণ্ডৰ মতে, প্ৰতীকবাদী কবিতা হ'ল গান বা সঙ্গীতৰ দৰে, যাক প্ৰয়োগ কৰা হয় বাক্‌শক্তি বা ভাষাৰ উচ্চাৰণক শক্তিশালী কৰিবলৈ (That sort of poetry which seems to be music just forcing itself into articulate speech) আৰু চিত্ৰকল্পবাদী কবিতা হ'ল ভাস্কৰ্য বা চিত্ৰৰ দৰে যাক শব্দত পৰিণত কৰা হয় (That sort of poetry which seems as if sculpture or painting were just forced or forcing itself into words".)। হোমেন বৰগোহাঞিৰ কবিতাৰ প্ৰতীকত গীতধৰ্মিতা বা সঙ্গীতময়তা কম পৰিমাণে

থাকিলেও তেওঁৰ কবিতাৰ বাক্‌শক্তি বৰ কঠিন । আনকি তেওঁৰ কবিতাৰ চিত্ৰকল্পও বহুপৰিমাণে বোদলেয়াৰৰ কবিতাৰ দ্বাৰা আচ্ছন্ন । বিশ্বৰ অন্যতম প্ৰতীকবাদী কবি বোদলেয়াৰে যৌনতা সৰ্বস্ব প্ৰতীকেৰে অনেক সময়ত তেওঁৰ ভাল কবিতা কিছুমানো ভাৰাক্ৰান্ত কৰি তুলিছিল । পেৰিছৰ কবি বোদলেয়াৰৰ কবিতাৰ আঁৰ-বেৰহীন প্ৰতীক বা চিত্ৰকল্পই এটা সময়ত পঢ়ুৱৈ-পৰা কবিক বহু আঁতৰলৈ লৈ গৈছিল । ফলত তেওঁৰ কবিতাৰ সামাজিক আবেদন যথেষ্ট পৰিমাণে ক্ষুণ্ণ হৈছিল । হোমেন বৰগোহাঞিৰ কবিতাৰ বৌদ্ধিক যাত্ৰা অক্ষুণ্ণ থাকিলেও তেওঁৰ কবিতাত পঢ়ুৱৈ সমাজে যি দুৰ্বোধ্যতাৰ উমান পায় তাৰ মূলতেই হ'ল জটিল প্ৰতীকৰ প্ৰয়োগ । 'ৰাতি' আৰু 'অন্ধকাৰ' - এই দুটা শব্দই বৰগোহাঞিৰ কেইবাটাও কবিতাত প্ৰতীক ব্যঞ্জনাৰ সৃষ্টি কৰিছে । 'ৰাতি' কবিতাটিত ব্যৱহাৰ কৰা 'ৰাতিৰ নিচান', 'স্মৃতি' কবিতাৰ 'সাপৰ এন্ধাৰ জঠৰ', 'আত্মাৰ নিসঙ্গ দ্বীপ' আদি প্ৰতীকী শব্দচয়নৰ প্ৰয়োগেৰে কবিয়ে সৃষ্টি কৰিছে ৰহস্যময়তাৰ এক জাল । এই ৰহস্যময়তাক অধিক গাঢ় কৰি তুলিছে বৰগোহাঞিৰ কবিতাৰ চিত্ৰকল্পই । কেতিয়াবা' কবিতাৰ 'মাংসৰ সোণালী ফুল' 'সাহচৰ্য', 'কবিতাৰ 'ছাঁয়াৰ শীতল খোজ বাৰ্ধক্যৰ পৰা শৈশবলৈ' 'বিকল্প' কবিতাৰ অজগৰ অন্ধকাৰ', 'হেমন্তী', 'কবিতাৰ 'সোণালী ৰ'দৰ ৰেখা' আদি চিত্ৰকল্পৰ প্ৰয়োগে বৰগোহাঞিৰ কবিতাত ভাব আৰু ব্যঞ্জনাৰ নতুন মাত্ৰা প্ৰদান কৰিছে । 'নদীৰ নিবিড় গন্ধ', 'সুৰ্যাস্তৰ সোণালী ৰ'দ', 'সন্ধ্যাৰ হাঁহিৰ দৰে মুখ যাৰ', 'আকাশৰ শেঁতা মুখ' আদি চিত্ৰকল্পয়ো হোমেন বৰগোহাঞিৰ কবিতাক ৰস আৰু ৰূপেৰে ভৰাই তুলিছে ।

পাশ্চাত্য সাহিত্যত ৰস আৰু সৌন্দৰ্যক কেন্দ্ৰ কৰি যথেষ্ট পৰীক্ষা নিৰীক্ষা হৈছে যদিও ভাৰতীয় সাহিত্যৰ আধুনিক আলোচনাত ৰস আৰু সৌন্দৰ্যৰ ব্যাপকতা কম । বেছিভাগ কবিৰেই নন্দনতাত্ত্বিক ধাৰণাবোৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত নোহোৱাৰ বাবে সৌন্দৰ্যৰ ধাৰণাবোৰো যথেষ্ট বিক্ষিপ্ত হৈছে । হোমেন বৰগোহাঞিৰ কেইবাটাও কবিতা সৌন্দৰ্যৰ বিকৃতকৰণৰ দোষে চুইছে । কবিতাত সৌন্দৰ্যৰ বিচাৰ এক নান্দনিক বিষয় যদিও সৌন্দৰ্য বা Beauty হ'ল মনৰ স্থিতি । কাণ্টে তেওঁৰ 'Critique of Judgement' গ্ৰন্থত সৌন্দৰ্যৰ বৰ্ণনা কৰি কৈছে "Beauty is a state of the mind, a satisfaction, which is purely subjective", অৰ্থাৎ সৌন্দৰ্য হ'ল মনৰ এক স্থিতাৱস্থা, এটা আত্মসন্তুটি ; যিটো সম্পূৰ্ণৰূপে বৈষয়িক ।" ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যত সৌন্দৰ্যৰ ধাৰণাত এক বিমূৰ্ত চিত্ৰ বুলি কৈছিল ; কিন্তু তাৰ মাজত বোধশক্তিৰ নিবিড়তাক তেওঁ অস্বীকাৰ কৰা নাছিল । কিন্তু সৌন্দৰ্য মানেই যে ৰম্যত্ব বা ৰমণীয়তা সেই কথা ৰবীন্দ্ৰনাথে মানি লোৱা নাছিল । কবি হোমেন বৰগোহাঞিৰ ৰোমান্টিকধৰ্মী কবিতাবোৰ বিশ্লেষণ কৰিলে ৰম্যত্বৰ মাজত বোধশক্তিৰ নিবিড়তাতকৈ যৌনতাৰ প্ৰতি অধিক আকৰ্ষণ লক্ষ্য কৰা যায় । অৱশ্যে বৰগোহাঞিৰ কবিতাৰ ৰম্যত্ব চৰিত্ৰৰ মাজত কল্পনা কৰাৰ সৃষ্টি

হোৱা দেখা যায় দুঃখ আৰু বেদনাবোধৰ উপলব্ধিৰ মাজেৰে । এই অৰ্থত তেওঁৰ কবিতাত আনন্দ উপলব্ধি আশা কৰা যায় । ৰবীন্দ্ৰনাথৰ ভাষাত এই বেদনাবোধ আৰু দুঃখৰ তীব্ৰ উপলব্ধিও আনন্দকৰ ; কিয়নো ই বহু পৰিমাণে আশঙ্কাদায়ক । ৰবীন্দ্ৰনাথৰ এই আশঙ্কা নেথাকিলে দুঃখৰ উপলব্ধিকো সুন্দৰ বুলি ক'লেহেঁতেন হয়তো।

(পাঁচ)

আগতেই উল্লেখ কৰা হৈছে যে হোমেন বৰগোহাঞিৰ কবিতাত ৰোমাণ্টিকতা আৰু যৌন - বাসনাৰ প্ৰতি আকৰ্ষণ গভীৰ । ৰোমাণ্টিকতাক বৰগোহাঞিয়ে এনেদৰে চিত্ৰায়ন কৰিছে যে, যেন এগৰাকী বৃদ্ধয়ো বৰগোহাঞিৰ কবিতাত তাৰুণ্যৰ নষ্টালজিয়া বিচাৰি পাব । সেয়ে নষ্টালজিয়া বা গৃহৰ প্ৰতি আকুলতা (যাক অতীতলৈ প্ৰত্যাবৰ্তন বুলি কোৱা হয়) বৰগোহাঞিৰ কবিতাৰ তৃতীয় বৈশিষ্ট্য বুলি চিহ্নিত কৰিব পাৰিব। 'হৈমন্তী', 'শাশ্বতী', 'লক্ষ্মীনাথ বেজবৰুৱাৰ কিতাপবোৰ আকৌ এবাৰ পঢ়ি' আদি কবিতাত অতীত ৰোমন্থন বা অতীতলৈ প্ৰত্যাবৰ্তনৰ আগ্ৰহ প্ৰকাশ পাইছে । এই কবিতাবোৰত কবিৰ দাৰ্শনিক তন্ময়তা মন কৰিবলগীয়া । দৰ্শনৰ শিক্ষক বা ছাত্ৰ নহ'লেও বৰগোহাঞিৰ ৰচনাবোৰৰ মাজত দাৰ্শনিক দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে । সেয়ে তেওঁৰ কেইটামান কবিতাত দাৰ্শনিক শিক্ষাৰ আভাস পোৱা যায় । গ্ৰীচ বা ইটালীত এটা সময়ত কবিৰ এই দৰ্শনপ্ৰিয়তাক প্ৰীতিজনক শিক্ষাদান (delightful teaching) বুলি কোৱা হৈছিল । প্লুটাৰ্কে (Plutarch) কবিতা আৰু দৰ্শনৰ এই মিলনতত্ত্বক অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে তেওঁৰ কেইবাখনো গ্ৰন্থই । প্লুটাৰ্কৰ মতে, কবিতা হ'ল দৰ্শনশিক্ষাৰ এক প্ৰাথমিক পাঠশালা মাত্ৰ (poetry is the preparatory School of philosophy) । হোমেন বৰগোহাঞিৰ কবিতাক ৰোমাণ্টিকতা, প্ৰতীক, চিত্ৰকল্প আৰু গৃহাভিমুখী চিন্তাই ভাৰাক্ৰান্ত কৰিলেও কবিতাৰ নতুন পাঠকৰ বাবে কেইবাটাও কবিতা "প্ৰাথমিক পাঠশালা" স্বৰূপ । বিশেষকৈ 'হৈমন্তী', 'সঙ্গী', 'স্মৃতি' আদি কবিতাত জীৱনৰ প্ৰতি কবিৰ যি মমতাৰ বাণী শুনা যায় সেয়া যেন অন্ধকাৰ ভাল পোৱা কবিজনৰ কবিতাৰ এক আলোকবৰ্তি দিশ । সম্ভৱত । এই দিশটোৰ বাবেই হোমেন বৰগোহাঞিৰ কেইবাটাও কবিতা পঢ়ুৱৈৰ মনাকাশত নক্ষত্ৰৰ দৰে জ্বলি থাকিব । বৰগোহাঞিৰ কবিতাৰ এই বৈশিষ্ট্যৰ বাবেই হয়তো আঘোণ আৰু পুহমহীয়া হৈমন্তীক সগোনে ভুমুকি মাৰিছে 'হৈমন্তী', 'সাহচৰ্য' আদি কবিতাত। 'স্বীকাৰোক্তি' আৰু 'বিষাদ' কবিতাৰ প্ৰেম বিষাদ এই হৈমন্তীক অনুভৱৰেই ফচল ।কান্তিমহীয়া আকাশৰ পিচৰ আশাভৰা আঘোণ আৰু পুহ মাহৰ কেইবাটাও খণ্ডচিত্ৰ হোমেন বৰগোহাঞিৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰূপে প্ৰকাশ

হোৱালৈ চাই ক'ব পাৰি যে, বিষাদ, বেদনা আৰু নৈৰাশ্যৰ মাজতো তেওঁৰ কবিতা প্ৰেম আৰু যৌৱনৰ অক্ষয় অনুভৱ।

হোমেন বৰগোহাঞিৰ কবিতাত স্ব-বিৰোধীৰ কথা ওপৰত উল্লেখ কৰা হৈছে। কবি কেতিয়াবা যে মানসিকভাৱেও অস্থিৰতাত ভোগে তাৰ প্ৰকাশ কেইবাটাও কবিতাত ঘটিছে। বৰগোহাঞিয়ে তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে যে, তেওঁ ঈশ্বৰ-বিশ্বাসী নহয়; কিন্তু কিছুমান কবিতা পঢ়িলে পঢ়ুৱৈ সমাজে ঈশ্বৰ বিশ্বাস আৰু বিশ্বাসৰ ধোঁৱাচ্ছন্ন গহ্বৰত সোমাবলগা হয়। 'ওফেলিয়া', 'নিয়তি', 'পাপৰী প্ৰাৰ্থনা', 'নিৰ্জন' আদি কবিতাত ঈশ্বৰ, নিয়তি, আত্মা, স্বৰ্গ, নৰক আদিৰ উল্লেখ আৰু তাৰ নিগূঢ়তত্ত্বৰ সন্ধানে মাজে মাজে কবিৰ অলৌকিক বিশ্বাসৰ সন্ধান দিয়ে; আকৌ কেতিয়াবা সেই অলৌকিকতাৰ মাজত সংশয়ৰ প্ৰকাশে কবিক ঈশ্বৰ বিশ্বাস সম্পৰ্কে সন্দিহান কৰি তোলে। 'স্মৃতি', 'সাপ', 'বিকল্প', 'ইতিহাস', 'স্বীকাৰোক্তি' আদি কবিতাত প্ৰকাশ পোৱা কবিৰ মৃত্যু চেতনাৰ মাজতো অলৌকিকতাৰ আঁচোৰ পৰিছে। ঈশ্বৰ অস্তিত্বত অবিশ্বাসী হোমেন বৰগোহাঞিৰ কবিতাত ঈশ্বৰ সম্পৰ্কীয় স্ব-বিৰোধী মনস্তত্ত্বৰ কথা সম্ভৱতঃ কোনো এজন কবিয়েই আজিলৈকে আঙুলিয়াই দিয়া চকুত পৰা নাই। আনকি হোমেন বৰগোহাঞিয়ে আশা নকৰা অনেক কথাও যেতিয়া কোনো বিশিষ্ট সমালোচকে তেওঁৰ কবিতা অস্ত্ৰোপচাৰ কৰি উলিয়াই আনি সেইবোৰত 'অতিমাত্ৰা মহত্ত্বৰ মহৌষধ ঢালি দিছে তেতিয়া হোমেন বৰগোহাঞিয়েও সচেতনভাৱেই চমকি নুঠাকৈ থকা নাই। বৰগোহাঞিৰ 'সাপ' কবিতাটি সম্পৰ্কে ওপৰত উনুকিয়াই অহা বৰগোহাঞিৰ নিজস্ব উক্তিৰ উদ্ধৃতি আৰু তেওঁৰ বক্তব্যৰ পিচত ব্যৱহৃত ভাববোধক চিনৰ পৰাই এই কথা ঠাৱৰ কৰিব পাৰি। চাটুবাদে লেখক এজনক যে যথেষ্ট ক্ষতিগ্ৰস্ত কৰে সেই কথা কবি হোমেন বৰগোহাঞিয়ে হয়তো তেওঁৰ কবিতাৰ সমালোচনাৰ ক্ষেত্ৰতো অনুভৱ কৰিছিল। বৰগোহাঞিৰ লেখক জীৱনৰ ব্যৰ্থতা'ৰ কথা উল্লেখ কৰি অসমীয়া সাহিত্যৰ সমালোচনাৰ কথা দিশটোলৈ আঙুলিয়াই তেওঁ 'আত্মানুসন্ধান'ত লিখিছে "......অসমীয়া ভাষাত সাহিত্য সমালোচনাৰ বলিষ্ঠ পৰম্পৰাৰ অভাৱো লেখকসকলৰ বিকাশৰ পথত এটা ডাঙৰ বাধা। অতি নিকৃষ্ট ৰচনাৰ দ্বাৰা অপৰিণত বয়সতে মই কিছু সস্তীয়া খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হৈছিলোঁ। মোৰ ৰচনাৰ বিশ্লেষণ বা সমালোচনাৰ নামত ক'তো এটাও শব্দ উচ্চাৰিত হোৱা নাছিল। মই অনুভৱ কৰোঁ যে এজন শক্তিশালী আৰু অন্তৰ্দৃষ্টি সম্পন্ন সমালোচকে যথা সময়ত মোৰ দুৰ্বলতা আৰু ত্ৰুটিবোৰলৈ মোৰ দৃষ্টি আকৰ্ষণ কৰা হ'লে মোৰ লেখক জীৱনৰ পৰিণতি হয়তো সামান্য বেলেগ হ'লহেঁতেন।"

হোমেন বৰগোহাঞিয়ে নিজৰ কবি প্ৰতিভাৰ সীমাবদ্ধতাৰ কথা স্বীকাৰ

কৰিলেও তেওঁৰ কবিতাৰ দোষ ক্ৰুটিৰ উপযুক্ত সমালোচনাৰ অভাৱৰ বাবেই যে তেওঁ কবিতাৰ জগতৰ পৰা আঁতৰি আহিবলগা হ'ল সেই কথা সত্য । আজি কুৰি শতিকাৰ অন্তিম ভাগত আমি অসমীয়া সমালোচনা সাহিত্যৰ যি গতি দেখিছোঁ সেয়াও তেনেই অনিৰ্ণায়ক অথবা সস্তীয়া প্ৰশস্তিৰ নামান্তৰ । কবি লেখকসকলৰ একাংশয়ো আজি সস্তীয়া প্ৰশস্তিবাদৰ টৌত উটি ভাঁহি গৈ আছে । দোষ ক্ৰুটি আঙুলিয়াই নিদিয়াৰ ফলত বা লেখকে আত্ম-সমালোচনা নকৰাৰ ফলত অনেক প্ৰতিভাবান তৰুণ লেখকে যোৱা দুটা দশকত মূৰ পোলোকা মাৰিছে । 'ৰামধেনু'ৰ পাতত কবি জীৱনৰ পাতনি মেলা হোমেন বৰগোহাঞিয়ে দোষ ক্ৰুটিৰ যথাযোগ্য সমালোচনাৰ অভাৱ যিদৰে অনুভৱ কৰিছে তেনে দৃষ্টিভঙ্গীৰেই 'ৰামধেনু'ৰ পাতত (সপ্তদশ বছৰ, ৮ম সংখ্যা, ডিচেম্বৰ, ১৯৬৪) 'আধুনিক সমালোচনা প্ৰসঙ্গত' শীৰ্ষক লেখাত ডঃ হীৰেন গোহাঁইয়ে গঠনমূলক সমালোচনাৰ পাতনি মেলিছিল । সেই লেখাত ডঃ গোহাঁইয়ে উল্লেখ কৰিছিলঃ "আজি বেছ কিছুদিন ধৰি অসমীয়া সাহিত্যত নতুন দৃষ্টিকোণ, বিচাৰধাৰণ তথা প্ৰমূল্য প্ৰবৰ্তনৰ বাবে মই চেষ্টা কৰি আহিছোঁ । কোনোৱে কয় নাম কিনিবৰ বাবে, কোনোৱে ভাৱে কাজিয়া কৰিবৰ বাবে । প্ৰথম উদ্দেশ্যই সজ্ঞানে নেথাকিলেও অৱচেতন মনত নিগনিৰ দৰে গাঁত খান্দিব পাৰে — গতিকে স্বীকাৰ কৰোঁ খ্যাতি নিৰ্বিচাৰ স্তাবক মই নহওঁ । দ্বিতীয় উদ্দেশ্য অৱশ্যে অস্বীকাৰ নকৰোঁ, কিন্তু কাজিয়া পেচাল নলগাকৈ নতুন ভাৱধাৰা প্ৰবৰ্তননো ক'ত হোৱা দেখিছে ? ....সমালোচকৰ দোষ ক্ৰুটি থাকিব পাৰে — আলোচনা আৰু বিবাদত সেইবোৰ লুকাই নেথাকে । কিন্তু মূল্য নিৰূপণৰ দায়িত্ব সমালোচকে কেতিয়াও বৰ্জ্জন কৰা উচিত নহয় । সাহিত্য আৰু শব্দপুঞ্জ, সৎ সাহিত্য আৰু তৰল সাহিত্যৰ বিভাজন সমালোচকে কৰিবলৈ আগবাঢ়ি আহিব লাগিব — যাতে পাঠক সমাজত, সমাজত মহৎ মানদণ্ড প্ৰচলিত থাকে, যাতে সমাজৰ জীৱন পঙ্গু বা দুৰ্বল হৈ নপৰে চেতনাৰ অভাৱত ।"

'ৰামধেনু'ৰ পাততেই অসমীয়া সমালোচনা সাহিত্যৰ ইতিবাচক আৰু নেতিবাচক দিশ সম্পৰ্কে ডঃ হীৰেন গোহাঁইয়ে আঙুলিয়াই দিয়া কথাবোৰ হোমেন বৰগোহাঞিৰ আত্মজীৱনীমূলক লেখাতো প্ৰতিধ্বনিত হৈছে । চাটুকাৰিতাৰ দোষে চুই যোৱা অসমীয়া সমালোচনা-সাহিত্যই বৰগোহাঞিৰ কবিতা শব্দৰ জটিলতা (যেনে - বধিৰ সন্ধ্যাৰ পাণ্ডুৰ মুখ, স্তনিত আবেগ, স্বপ্নৰ লিফ্টিং, সদেসমৃত কামনাৰ শৱবাহী সমদল আদি), স্ব-বিৰোধিতা আৰু আত্মমগন হৈ পলায়নবাদী হোৱাৰ প্ৰৱণতাৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ আঙুলিয়াই দিয়াহেঁতেন কবি গৰাকী অধিক উপকৃত হ'লহেঁতেন ।

(ছয়)

হোমেন বৰগোহাঞিৰ কবিতাৰ আলোচনা সন্দৰ্ভত আমাৰ ক্ষমতা সীমাবদ্ধ । সাহিত্যৰ আনুষ্ঠানিক ছাত্ৰ বা পণ্ডিত নোহোৱা বাবে আমাৰ আলোচনাও প্ৰণালীবদ্ধ নহয় । তৎসত্বেও হোমেন বৰগোহাঞিৰ কবিতাৰ যি তিনিটা বৈশিষ্ট্যৰ কথা আমি উনুকিয়াইছোঁ তাৰ মাজত আমি আমাৰ ব্যক্তিগত অভিমতহে দাঙি ধৰিছোঁ । হোমেন বৰগোহাঞিৰ কবিতাত বোদলেয়াৰ আৰু ফৰাচী প্ৰতীকবাদৰ প্ৰভাৱৰ উপৰিও তেওঁৰ কবিতাৰ যি অন্তৰ্নিহিত মনস্তত্ব, তাত ফ্ৰয়েডীয় মনস্তত্বৰ যথেষ্ট প্ৰভাৱ আছে । বেছিভাগ কবিয়েই যৌৱনকালত ৰোমাণ্টিকতাক ভাল পায় । সেয়ে তেওঁলোকৰ কবিতাবোৰো প্ৰেম, যৌন-চেতনা আৰু ফ্ৰয়েডীয় মনস্তত্বৰ দ্বাৰা আবৃত হৈ থাকে । বৰগোহাঞিয়ে কবিতা চৰ্চা কৰিছিল যৌৱনকালত । তেওঁৰ প্ৰৌঢ়ত্ব আৰু বৃদ্ধাৱস্থাৰ মাজৰ সময়ছোৱাত তেওঁ কবিতাৰ জগতৰ পৰা নিৰ্বাসিত । সেয়ে কবি হোমেন বৰগোহাঞিৰ কবিতাৰ সামগ্ৰিতাৰ (Totality) বিচাৰ বহু পৰিমাণে আধৰুৱা হ'বলৈ বাধ্য । হোমেন বৰগোহাঞিৰ কবিতা সম্পৰ্কে আমাৰ এই আলোচনাও অসম্পূৰ্ণ । কিন্তু হোমেন বৰগোহাঞিৰ প্ৰকাশিত কবিতাৰ মৰ্মকথাৰ পৰা আমি যি উপলব্ধি কৰিছোঁ তাৰে আধাৰত ক'ব পাৰি যে, তেওঁ এগৰাকী কবি । হোমেন বৰগোহাঞিৰ বন্ধু কবিসকলৰ ভিতৰত অন্যতম হ'ল নৱকান্ত বৰুৱা, ভবানন্দ দত্ত, বীৰেশ্বৰ বৰুৱা, পবীন্দ্ৰ বৰা আদি । নৱকান্ত বৰুৱা, বীৰেশ্বৰ বৰুৱা আদি কবিয়ে হোমেন বৰগোহাঞিৰ কবিতাৰ ওপৰত কিছু আলোচনা কৰিছে । ভবানন্দ দত্তই হোমেন বৰগোহাঞিৰ কবিতা সম্পৰ্কে আলোচনা কৰা চকুত পৰা নাই । কাৰণ ভবানন্দ দত্তৰ 'অসমীয়া কবিতাৰ কাহিনী' শীৰ্ষক গ্ৰন্থখন সামৰা হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা, অমূল্য বৰুৱা, নৱকান্ত বৰুৱা, দেৱকান্ত বৰুৱা, নলিনীবালা দেৱী, হৰি বৰকাকতি আদিৰ কবিতাৰ আলোচনাৰ মাজেৰে । এইসকল কবিৰ কবিতাৰ আলোচনা প্ৰসংগত ভবানন্দ দত্তই লিখিছে "যি প্ৰকৃত কবি তেওঁ ব্যক্তিগত ব্যৱহাৰিক সুবিধাৰ কাৰণে অন্তৰৰ সত্য গোপন নকৰে ।" হোমেন বৰগোহাঞিৰ কবিতাৰ বিচাৰ কৰি আমিও ক'ব পাৰো যে যৌৱন কালত কবিগৰাকীয়ে যি দেখিছিল, যি অনুভৱিছিল তাৰ কিছু সত্য ছবি তেওঁৰ কবিতাত আছে হয়তো এই দিশটোৰ বাবেই বৰগোহাঞিৰ কবিতাৰ আবেদন আজিও [illegible] কৰা নাই । অৱশ্যে [illegible] কবিতা চৰ্চা কৰি গ'লে তেওঁৰ কবিতাৰ আবেদন অধিক বৃদ্ধি পালেহেঁতেন । 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ ষষ্ঠ খণ্ডত [illegible] লিখিছে "বৰগোহাঞিৰ কাব্য কৌশল আধুনিক ; তেওঁৰ কবিতাৰ অনুভূতি আৰু পৰিবেশ [illegible] । ধাৰণা হয় যে [illegible] বৰগোহাঞিয়ে [illegible] কবিতাৰ [illegible] হ'লে তেওঁৰ কাব্য উজ্জ্বল হ'লহেঁতেন ।"

[illegible] হোমেন বৰগোহাঞিৰ কবিতাৰ [illegible]

সমালোচকসকলে প্ৰকৃত সমালোচনা কৰা হ'লে তেওঁৰ কবিতাৰ জঠৰতা ভাঙি কবিগৰাকী ওলাই আহিব পাৰিলেহেঁতেন আৰু তেতিয়া বৰগোহাঞিৰ কবিতাৰ আবেদনো তেওঁৰ গদ্যৰ দৰেই বাঢ়িলহেঁতেন ।

উৎস সূচী

(১) হৈমন্তী - হোমেন বৰগোহাঞি, ১৯৮৭ (২) আত্মানুসন্ধান - হোমেন বৰগোহাঞি, ১৯৮৮ (৩) কবিতাৰ কথা - নলিনীধৰ ভট্টাচাৰ্য, ১৯৯৩ (৪) সৃজন আৰু মনন - ইমদাদ উল্লাহ, ১৯৭৬ (৫) নতুন কবিতা -- মহেন্দ্ৰ বৰা, ১৯৫৬ (৬) অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড) - সম্পাদনা ঃ হোমেন বৰগোহাঞি, ১৯৯৩ (৭) অসমীয়া সাহিত্যৰ ৰূপৰেখা- মহেশ্বৰ নেওগ, ১৯৮৬ (ষষ্ঠ সংস্কৰণ) (৮) হোমেন বৰগোহঞিৰ সন্ধানত - সম্পাদনা- ডঃ নমিতা ডেকা, ১৯৯৮ (৯) অসমীয়া কাব্য সংগ্ৰহ - সম্পাদনাঃ নবকান্ত বৰুৱা, ১৯৭৩ (১০) সঞ্চয়ন - সম্পাদনা ঃ মহেশ্বৰ নেওগ, ১৯৮৪ (নৱম সংস্কৰণ) (১১) অসমীয়া কবিতাৰ ছন্দ - মহেন্দ্ৰ বৰা, ১৯৮৬ (দ্বিতীয় সংস্কৰণ) (১২) কুৰি শতিকাৰ অসমীয়া কবিতা - সম্পাদনা ঃ নীলমণি ফুকন, ১৯৭৭ (১৩) 'এৰাবাটৰ সুৰ' ৩৫তম সংখ্যা, ১৯৯৮ (১৪) ৰামধেনু - সম্পাদনঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য (১৫) অসমীয়া কবিতাৰ কাহিনী -- [illegible] দত্ত, ১৯৯৩ (তৃতীয় সংস্কৰণ) ।□□

হোমেন বৰগোহাঞিৰ প্ৰবন্ধ - এটি সমীক্ষা

ড° কেশৱ হাজৰিকা

পৃষ্ঠভূমিঃ

সাম্প্ৰতিক অসমৰ বৌদ্ধিক পৰিমণ্ডলত আটাইতকৈ বেছি চিনাকী নামটোৱেই হ'ল হোমেন বৰগোহাঞি । বৰগোহাঞি একেধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ আৰু সাংবাদিক । স্বীকাৰ কৰিব লাগিব ড° কাকতিৰ পাছতে বৰগোহাঞিয়েই প্ৰথম গদ্যশিল্পী যাৰ গদ্যত আছে ভাবাৰ স্পষ্টতা, প্ৰকাশভঙ্গীৰ স্পষ্টতা আৰু বিষয়বস্তুৰ স্পষ্টতা । এটা জাতিৰ জাতীয় চেতনা আৰু সাংস্কৃতিক প্ৰমূল্য সেই জাতিৰ উন্নত গদ্যৰ যোগেদি যে পোহৰলৈ আনিব পাৰি তাকো বৰগোহাঞিদেৱে দেখুৱাই থৈ গৈছে। গদ্য যে এক সাধানাৰ শিল্প তাকো প্ৰথম অনুভূত কৰালে এইজন গদ্যশিল্পীয়েই । সত্যনাথ বৰা, কৃষ্ণকান্ত সন্দিকৈ আৰু ড° বাণীকান্ত কাকতিৰ গদ্য চৰ্চাৰ পৰৱৰ্তী কালত অসমীয়া গদ্য সাহিত্যলৈ যি স্থবিৰতা আহিছিল তাক বৰগোহাঞিয়ে আঁতৰাই অসমীয়া গদ্যক এক পৰিশীলিত ৰূপ প্ৰদান কৰি থৈ গ'ল । কেইজনমান বিশিষ্ট গদ্যশিল্পীৰ বাহিৰে বৰগোহাঞিৰ পূৰ্ববৰ্তী গদ্যশিল্পী সকলৰ গদ্যলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ ভাষা আছিল জকমকীয়া । উৎকৃষ্ট গদ্যৰ লক্ষণ এইসকল গদ্যশিল্পীৰ গদ্যত অভাৱ ঘটিছিল । কিন্তু বৰগোহাঞিৰ গদ্যই অসমীয়া পৰম্পৰাগত গদ্যক এক নব্যৰূপ প্ৰদান কৰিলে আৰু নব্যগদ্যৰীতি একোটা জন্ম দিবলৈ সক্ষম হ'ল । অসমীয়া গদ্যৰ বিষয়ে তেখেতে কৈছে –

> অসমীয়া সকলৰ বহুতো সমস্যাৰ এটা মূল কাৰণ হ'ল এটা (Clear and concrete) স্পষ্ট আৰু মূৰ্ত অসমীয়া গদ্যৰ অনুপস্থিতি । চিন্তাৰ দৈন্য আৰু বিশৃংখলাই লেটুসেতু দুৰ্বল গদ্যৰ জন্ম দিয়ে । আনহাতে এটা স্পষ্ট আৰু সবল গদ্যৰীতিৰ অবিহনে চিন্তাশক্তিৰ বিকাশো সম্ভৱ নহয় ।.... মই ভাবোঁ যে এটা স্পষ্ট আৰু পৰিপাটি অসমীয়া গদ্য গঢ়ি তোলাটো হ'ল আমাৰ যুৱক অসমীয়া লেখকসকলৰ সন্মুখত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান ।[1]

১। পাঠকৰ চোৰাবহী, পৃঃ ১৬ ।

বৰগোহাঞিয়ে নিজেই অসমীয়া গদ্যৰ এই দৈন্যৰূপ আঁতৰ কৰি এক শক্তিশালী গদ্য জন্ম দিবলৈ সমৰ্থ হ'ল। এটা আঁৰ নথকা গদ্যৰীতি জন্ম দিয়াই তেখেতৰ সাহিত্যিক জীৱনৰ মূল লক্ষ্য বুলি কেইবা ঠাইতো বৰগোহাঞিয়ে উল্লেখ কৰি গৈছে। এই ক্ষেত্ৰত সফল হৈছিল বুলি নিঃসন্দেহেই ক'ব পাৰি। এই প্ৰসংগত ৰূপশ্ৰী গোস্বামীয়ে কৈছে-

> উত্তম গদ্যত থাকিবলগীয়া স্পষ্টতা, সংক্ষিপ্ততা, সৰলতা শিষ্টতা, বিচিত্ৰতা আদি সকলো গুণেই দুয়োগৰাকী (আনগৰাকী ড° হীৰেন গোহাঁই) প্ৰবন্ধকাৰৰ গদ্যত আছে।[২]

হোমেন বৰগোহাঞিৰ প্ৰবন্ধৰাজিয়ে অসমীয়া সাহিত্যত এখনি বিশিষ্ট স্থান অধিকাৰ কৰি আছে। কোৱা বাহুল্য যে গদ্যশিল্পী হিচাপে বৰগোহাঞিক এই প্ৰবন্ধ সমূহেই পাঠকৰ আটাইতকৈ কাষলৈ চপাই নিছে। এই প্ৰবন্ধাৱলীৰ মাজত লুকাই আছে বৰগোহাঞিৰ অধ্যয়ন পুষ্ট মানসিকতা আৰু গভীৰ জীৱন জিজ্ঞাসাৰ স্বাক্ষৰ। বিষয় বস্তুৰ বৈবিধ্য আৰু ৰচনাৰীতিৰ চাতুৰ্য বৰগোহাঞিৰ প্ৰবন্ধৰাজিৰ অন্যতম বৈশিষ্ট্য। তেখেতৰ জীৱনজোৰা অধ্যয়নৰ পৰিচয় ফুটি উঠিছে এই প্ৰবন্ধৰাজিত। বিশ্বৰ বিভিন্ন ভাষাৰ ভালৰো ভালখিনি বুটলি আনি তাতে আপোন মাধুৰ্য ঢালি তেখেতে যিখিনি প্ৰবন্ধ লেখি থৈ গ'ল সেইখিনি প্ৰবন্ধৰ অন্তৰালত তেখেতৰ পাণ্ডিত্য আৰু জ্ঞানৰ গভীৰতা অনুৰণিত হয়। অকল সেয়ে নহয়, যিসকল লোকৰ জীৱন জোৰা সাধনা আৰু কৰ্মই বিশ্বৰ জনগণক জীৱনৰ পথৰ সন্ধান দি থৈ গৈছে সেই সকল লোকৰ বহিঃ জীৱন আৰু অন্তৰ্জীৱনৰ খবৰো ৰসমোদী পাঠকক দিবলৈ বৰগোহাঞি সমৰ্থ হৈছে। একোটা সাধাৰণ বিষয় বস্তুৰ আলমতে অসাধাৰণ প্ৰবন্ধ একোটা লিখিব পৰা গুণ বৰগোহাঞিৰ ব্যতিৰেকে খুব কম সংখ্যক লেখকৰহে আছে। গো-খোজত নভোমণ্ডল লেখাৰ দৰে তেখেতৰ একো একাটা ক্ষুদ্ৰ প্ৰবন্ধতেই সীমাহীন জ্ঞানৰ ভাণ্ডাৰ বিচাৰি পোৱা যায়।

বৰগোহাঞিৰ প্ৰবন্ধৰাজিক বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি পাঁচটা প্ৰধান ভাগত ভগাব পাৰি —

১. আত্মজীৱনীমূলক প্ৰবন্ধ।
২. জীৱনীমূলক প্ৰবন্ধ।
৩. সাহিত্য আৰু জীৱন সম্পৰ্কীয় প্ৰবন্ধ।
৪. [illegible] আৰু ৰচনাৰীতি মূলক প্ৰবন্ধ আৰু
৫. অন্যান্য বিষয়ক প্ৰবন্ধ।

১. আত্মজীৱনীমূলক প্ৰবন্ধ ঃ

হোমেন বৰগোহাঞিৰ জীৱন আৰু সাহিত্যকৰ্ম পৰস্পৰ পৰিপূৰক। [illegible]

২। [illegible]

দি আনটোৰ কথা চিন্তাই কৰিব নোৱাৰি বা এটাৰ অবিহনে যেন আনটো পঙ্গু । উল্লেখ কৰা প্ৰয়োজন যে এই লানি প্ৰবন্ধ আত্মজীৱনী নহয়, কিন্তু বৰগোহাঞিৰ জীৱন জোৰা অভিজ্ঞতাৰ স্বাক্ষৰ লুকাই আছে এই লানি প্ৰবন্ধত । এই লানি প্ৰবন্ধৰ প্ৰতিটোৰে বিষয়বস্তু পৃথক অথচ সেই পৃথক বিষয়বস্তুৰ অন্তৰালতেই ভাস্বত হৈ উঠিছে লেখক বৰগোহাঞিৰ আত্মিক জীৱনৰ বৈচিত্ৰময় ৰোমন্থন । লেখকৰ সূক্ষ্মাতিসূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা ; শৈল্পিক অনুভূতিৰ প্ৰকাশ, মূল্যবোধৰ দ্বন্দ্ব আদি গভীৰ তত্ত্বসমৃদ্ধ ভাৱনা ৰাশি পৰিস্ফুট হৈ উঠিছে এই লানি প্ৰবন্ধত । সাধাৰণ অনুভূতিৰে চুকি নোপোৱা অথচ সৰ্বজনজ্ঞাত একোটা বিষয়বস্তুক কেন্দ্ৰ কৰি কেনেকৈ অসাধাৰণ প্ৰবন্ধ একোটা ৰচনা কৰি উলিয়াব পাৰি তাক বৰগোহাঞিৰ প্ৰবন্ধ লানি নপঢ়িলে বুজিব নোৱাৰি । এই শ্ৰেণীৰ অন্তৰ্গত প্ৰবন্ধসমূহৰ ভিতৰত — "বিশ্বাস আৰু সংশয়", "শূন্যতা" 'এখন গাঁৱৰ ছবি', 'মই গান্ধীজীক দেখিছিলোঁ', 'গধূলিৰ অতিথি', 'মোৰ শিক্ষক সকল', 'এখন নৈ আৰু এজন মানুহ', 'এখন অবিস্মৰণীয় ফুটবল মেচ', 'কৈফকাই', 'অপৰাধী বিবেক', 'নীৰৱতা', 'চৰাইবোৰ', 'ঢেঁকী', 'উত্তৰ পঞ্চাহ', 'জীৱনৰ মধুৰতম সময়' আদি বিশেষভাৱে উল্লেখযোগ্য ।

প্ৰত্যেক ব্যক্তিৰ অন্তৰতে এনে কিছুমান চিৰন্তন প্ৰশ্ন লুকাই থাকে যিবোৰ প্ৰশ্ন উত্তৰ কোনো কালে কোনেও দিব নোৱাৰে । কোনোবাই দিবলৈ যত্ন কৰিলেও নানা ধুঁৱলি-কুঁৱলী মতবোৰেৰে উত্তৰবোৰ আবৰা । "বিশ্বাস আৰু সংশয়" নামৰ প্ৰবন্ধত বৰগোহাঞিদেৱে মানৱৰ তিনিটা চিৰন্তন প্ৰশ্নৰ কথা উল্লেখ কৰিছে যদিও লেখকে এই তিনিটা প্ৰশ্ন একান্তভাৱে নিজৰহে বুলি উল্লেখ কৰিছে তথাপি ইয়াৰ সাৰ্বজনীনতা নুই কৰিব নোৱাৰি - । এই প্ৰশ্ন তিনিটা হ'ল —

১। জীৱনৰ অৰ্থ বা উদ্দেশ্য কি ?

২। ভাল কি আৰু বেয়া কি ?

৩। মৃত্যুতেই জীৱনৰ সকলো শেষ হয় নে তাৰ পিচতো আৰু কিবা বাকী থাকে।

ধৰ্ম আৰু নৈতিক দৰ্শনে এই তিনিটা প্ৰশ্নৰ বিপৰীতে দিয়া উত্তৰসমূহ বৰগোহাঞিয়ে প্ৰবন্ধটিত উল্লেখ কৰিছে — ১। এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ মূলতে আছে এজন সৰ্বশক্তিমান, সৰ্বব্যাপি, সৰ্বজ্ঞ ঈশ্বৰ । ২। মানুহৰ আত্মাৰ মৃত্যু নাই ৩। তথাকথিত ভাল কাম কৰিলে বা ভাল পথেৰে চলিলে মানুহে ঈশ্বৰত্ব, অনন্ত স্বৰ্গবাস বা নিৰ্বাণ লাভ কৰে ; বেয়া কাম কৰিলে বা বেয়াপথেৰে চলিলে অনন্ত নৰকবাস বা অন্তহীন জন্ম-মৃত্যুৰ চক্ৰৰ যন্ত্ৰণা ভোগ কৰিব লাগে ।

ধৰ্ম আৰু নৈতিক দৰ্শনে দিয়া এই নিশ্চিত উত্তৰ সমূহৰ লগত তেওঁ একমত হ'ব পৰা নাই । কিয়নো এই উত্তৰসমূহে এজন সৰ্বশক্তিমান সৃষ্টিকৰ্তা স্বীকাৰ কৰিছে আৰু মানৱৰ জন্মত কৰ্মফলৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰে । আনহাতে এই সৰ্বশক্তিমান

ভগবানেই একশ্ৰেণী মানৱক সীমাহীন যন্ত্ৰণাৰে জীৱনটো জৰ্জৰিত কৰে । অথচ সেই মানৱৰ জন্মত তেওঁৰ কোনো হাত নাই । যদিও ধৰ্ম আৰু নৈতিকতাই ক'ব যে সি পূৰ্ব জন্মৰ কৰ্মৰ ফলত এই যন্ত্ৰণা ভূগিছে । তাৰ উত্তৰ দিবলৈ গৈ বৰগোহাঞিয়ে কৈছেঃ

> "ঈশ্বৰৰ দৰেই মানুহৰ আত্মাতো অনাদি নহয় । এটা নিৰ্দিষ্ট সময়ত ঈশ্বৰে মানুহৰ আত্মাবোৰ সৃষ্টি কৰে । তেন্তে মানবাত্মাৰ জন্ম চক্ৰৰ এটা নিৰ্দিষ্ট আৰম্ভণি থাকে । যাৰ সিপাৰে পূৰ্বজন্ম বুলি কোনো এটা বস্তু থাকিব নোৱাৰে । পৃথিৱীৰ সকলোবোৰ মানুহৰেই অৰ্থাৎ সকলোবোৰ আত্মাৰেই এনে এটা অৱস্থা আছিল, যাৰ সিপাৰে কোনো পূৰ্বজন্ম নাছিল ।"[৩]

আনহাতে ঈশ্বৰৰ সৰ্বশক্তিমানতাৰ সম্পৰ্কে তেওঁ কৈছে — "এই ঈশ্বৰ যদি সৰ্বশক্তিমান হয়, তেন্তে তেওঁ প্ৰেমময় নহয় ; যদি তেওঁ প্ৰেমময় হয় তেন্তে সৰ্বশক্তিমান নহয় ।"[৪] এইদৰে অনেক অকাট্য যুক্তিৰে বৰগোহাঞিদেৱে বিষয়টিৰ প্ৰকৃত তাৎপৰ্য পাঠকৰ আগত দাঙি ধৰাৰ লগতে নিজৰ বৈপ্লৱীক চিন্তাধাৰাৰ প্ৰকাশ কৰিছে ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তা-ধাৰাও পৰিৱৰ্তন হয় । এই পৰিৱৰ্তন যোগাত্মক আৰু বিয়োগাত্মক উভয় দিশতে হয় । আধুনিকতাৰ সোঁতত উটি ভাঁহি গৈ অনেকে মানৱীয়তাক বিসৰ্জন দিবলৈ নাপাহৰে । নগৰীয়া জীৱনৰ সোৱাদ ল'বলৈ গৈ বহুতে নিজৰ আদৰ্শকেই বিসৰ্জন দিয়ে । ফলত গ্ৰাম্য সৰলতা আৰু নগৰীয়া যান্ত্ৰিকতাৰ মাজত সংঘাত ঘটে । নগৰীয়া জীৱনত এই অধিক স্পষ্টতৰ হৈ নুঠে যদিও গ্ৰাম্য জীৱনত ই অতিশয় বিষময় হয় । এনে এখনি সংঘাত মুখৰ ছবি অংকণ কৰিছে "এখন গাঁৱৰ ছবি" শীৰ্ষক প্ৰবন্ধটিত । গাঁৱৰ ঘৰলৈ আহি প্ৰত্যক্ষ কৰা এটি ঘটনাক কেন্দ্ৰ কৰি এই প্ৰবন্ধটি ৰচনা কৰা হৈছে । প্ৰবন্ধটিৰ মূলসম্বন্ধটো প্ৰবন্ধকাৰৰ ভাষাৰে এনেদৰে চিনাকী দিব পাৰি —

> "খুব পুৱাতে প্ৰায় ৭৫ বছৰ বয়সীয়া এজন কগ্ন বুঢ়া মানুহে নাঙল গৰু লৈ পথাৰত হাল বাবলৈ ওলাইছে । অথচ তেওঁৰ দুজন পুতেক আছে, দুয়ো বাহিৰত ডাঙৰ চাকৰি কৰে । বুঢ়াক প্ৰশ্ন কৰি জানিব পাৰিলোঁ, পুতেকহঁতে তেওঁলৈ টকা পইচাটো নপঠায়েই আজি কেইবা বছৰধৰি কোনো এজনে তেওঁক চাবলৈকো অহা নাই । পুতেকহঁতে বুঢ়াক লগত নি ৰাখিবও নোখোজে, কাৰণ আধুনিকা শিক্ষিতা বোৱাৰীয়েকহঁতে বৃদ্ধক এটা অবাঞ্ছিত বোজা বুলি ভাবে ।"[৫]

প্ৰবন্ধটিত আধুনিক জীৱনৰ সংঘাত সুন্দৰকৈ ফুটাই তুলিছে । আধুনিকতাৰ ধতাহ চাটিয়ে পিতা-পুত্ৰৰ মাজৰ সম্পৰ্ক কেনেকৈ ৰহিত কৰিছে, নগৰীয়া যান্ত্ৰিকতাৰ আগত

৩। চাৰিটা দশকৰ ফচল : গল্প আৰু প্ৰবন্ধ সম্ভাৰ : পৃঃ ৭ ।
৪। তদেৱ, পৃঃ ৮ ।
৫। তদেৱ, পৃঃ ১৭-১৮ ।

গ্ৰাম্য সৰলতা কেনেকৈ মূল্যহীন হৈ পৰিছে সেই কথা প্ৰবন্ধটিত আলোচনা কৰা হৈছে। এক কথাত কবলৈ হ'লে এই প্ৰবন্ধটি যুগ পৰিবৰ্তনৰ ইতিহাস । প্ৰবন্ধকাৰে কৈছে --

> "যুগ পৰিবৰ্তনে গাঁৱৰ সমাজক উন্নত বাট পদূলি, স্কুল, ডাক্তৰখানা দিছে হয়, কিন্তু কাঢ়ি লৈ গৈছে জীৱনৰ পবিত্ৰতাৰ অনুভূতি, নৈতিক মূল্যবোধ, আনন্দৰ সমস্ত উপকৰণ।"[১]

"পথুলিৰ অতিথি" নামৰ প্ৰবন্ধটিত লেখকে নিজেই মুখামুখি হোৱা কিছুমান সামান্য অথচ হৃদয় বিদাৰক সমস্যা উপস্থাপন কৰিছে। বিজ্ঞানৰ চৰম শিখৰত উপনীত হোৱা মানৱ সমাজে আজিও কেনেকৈ সম্প্ৰদায়গত উচ্চ-নীচ মনোভাৱ পুহি ৰাখিছে, মানৱীয়তাক বিসৰ্জন দি সম্প্ৰদায়গত উচ্চাভিলাষ [illegible] আঁকোৱালি লৈছে আদি কথাবোৰ প্ৰবন্ধটিত আলোচনা কৰা হৈছে। "[illegible] শীৰ্ষক প্ৰবন্ধটিত [illegible] প্ৰয়োগিক দিশটো উদঙাই [illegible] আদৰ্শ [illegible] কৰ্মমুখী হৈ সেই কথা [illegible]।

আগতেই [illegible] বিচিত্ৰ অভিজ্ঞতাৰ [illegible] আচোৰে, অতীতৰ [illegible] ক্ৰমান্বয়ে [illegible] গ্ৰাম্য মূল্যবোধ [illegible] আধুনিক মূল্যবোধ [illegible] বিপৰীতে [illegible] যত্ন কৰিছে। প্ৰবন্ধটিত সমকালীন [illegible] ৷ '[illegible] ছবি', 'চৰাইবোৰ' [illegible] আদি প্ৰবন্ধ এই প্ৰসংগত উল্লেখযোগ্য।

২. জীৱনীমূলক প্ৰবন্ধ ঃ

হোকেন ৰহমোহাঞ্জিৰ জীৱনীমূলক প্ৰবন্ধৰাজিয়ে তেওঁৰ [illegible] চিন্তাৰ স্বাক্ষৰ বহন কৰি আছিছে । প্ৰকৃততে ৰহমোহাঞ্জিৰ প্ৰতিটো প্ৰবন্ধই [illegible] পাঠশালা । এটা বিষয়ৰ লগত সংগতি ৰাখি অনেক বিষয়ৰ তথ্য পাঠকৰ আগত [illegible] পৰাটো তেওঁৰ মহান কৃতিত্ব । এই শ্ৰেণী প্ৰবন্ধৰ প্ৰতিটোতে [illegible] আছে কিবা একোজন মহান মনীষাৰ জীৱন তথা সাহিত্য কৰ্মৰ একোখনি [illegible]। 'জীৱনী মূলক প্ৰবন্ধ'ৰ শিৰোনামাৰে এই শ্ৰেণী প্ৰবন্ধ সামৰি লোৱা [illegible] ব্যক্তিজীৱনৰ সময় চিত্ৰ এই শ্ৰেণী প্ৰবন্ধত [illegible] নাই অথচ [illegible] যি সকল মহান ব্যক্তিৰ মহান অৱদানৰ বিষয়ে [illegible] আছে সেই সকল ব্যক্তিৰ লগত চিনাকি কৰি দিয়াই এই শ্ৰেণী [illegible]।

ৰহমোহাঞ্জিৰ এই শ্ৰেণী প্ৰবন্ধৰ [illegible]— [illegible]

এঞ্জেলো', 'লিওনার্ডো ডা ভিঞ্চি', 'কল ৰিজ', 'আনাটোলা ফ্রাঁ', 'টমাছ মান', 'আঁদ্রে মালৰো', 'আর্ণল্ড টয়নবি', 'জ্যঁ পল ছাৰ্ত্রেৰ বিষয়ে কেইটমান কথা, 'নিকছ্ কাজানৎ জাকিক', 'হেনৰী লুই মেনকেন', 'ৰবার্টলীও', 'চেমুৱেল বেকেট', 'জে, বি, এ ক হলেন্ডন', 'মাও চে তুংৰ দৰে', 'হো চি মিন' 'এডগাৰ লী মাষ্টাৰক', ইত্যাদি ।

নৱজাগৰণ যুগৰ আটাইতকৈ ভালৰো ভালখিনি যিজন ব্যক্তিৰ সৃষ্টিশীল মনৰ পৰা জন্ম হৈছিল সেইজন ব্যক্তিযেই আছিল লিওনার্ডো ডা ভিঞ্চি । ভাবিবলৈ মন যায় ভিঞ্চি কি নাছিল । তেওঁ আছিল সর্বযুগৰ সর্বশ্রেষ্ঠ চিত্র-শিল্পী, সর্বশ্রেষ্ঠ ইঞ্জিনীয়াৰ, বিজ্ঞানী, নৃত্য বিশাৰদ আৰু গৱেষক । তেওঁৰ অন্তৰতেই প্ৰথম জাগিছিল মানুহ আকাশত উৰিব পাৰে । কিন্তু এইজন মহান ব্যক্তিৰ লৰালি কাল আছিল অতিশয় বৈচিত্ৰহীন । পঢ়া-শুনাত অত্যন্ত অমনোযোগী এইজন ল'ৰাই সময়ত তেওঁৰে শিক্ষাগুৰু ভেৰচিচয়েৰক পাছ্ পেলাই বিশ্বৰ শ্রেষ্ঠ চিত্র শিল্পী হিচাপে পৰিগণিত হৈছিল । 'মনালিছা' লিওনার্ডোৰ অপূর্ব সৃষ্টি । প্রকৃততে মনালিছা আছিল ফ্লোৰেন্সৰ এজন ৰাজবিষয়া ফ্রান্সেস্কো ডেল গিয়কণ্ডোৰ তৃতীয়া পত্নীৰ প্ৰতিকৃতি । ভিঞ্চিৰ এই চিত্ৰখনতেই যেন মানৱৰ চিত্ৰাংকণ প্ৰতিভাৰ চৰমতম প্ৰকাশ ঘটিছে ।

এইশ্ৰেণী প্ৰৱন্ধৰ আন এটি উল্লেখযোগ্য প্ৰবন্ধ হ'ল "এডগাৰ লী মাষ্টাৰক' । "স্পুন ৰিভাৰ এন্থলজী" নামৰ পুথিখনৰ যোগেদি বিশ্বৰ সাহিত্য জগতত পৰিচিত হোৱা মাষ্টাৰক এজন ব্যতিক্ৰম ধৰ্মী কৱি । এইখন পুথি লিখাৰ আগতে মাষ্টাৰকে এঘাৰখন পুথি প্ৰকাশ কৰিছিল যদিও মৌলিকত্বৰ অভাৱত পুথিকেইখনে সাহিত্য সমাজত সমাদৰ নাপালে । কিন্তু 'স্পুন ৰিভাৰ এন্থলজী' প্ৰকাশ হোৱাৰ লগে লগে তেওঁ প্ৰায় ৰাতিটোৰ ভিতৰতে সমগ্ৰ আমেৰিকাত বিখ্যাত হৈ পৰিল ।

'স্পুন ৰিভাৰ এন্থলজী' কাব্যত মৃত মানুহৰ মুখেদি কথা কোৱাই জীৱনৰ সত্য প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে । পুথিখনিত আছে মুঠ ২৪৪টা কবিতা । ইয়াৰ প্ৰতিটো কবিতাৰ বক্তা পৃথক পৃথক ব্যক্তি আৰু উন্মোচিত কৰিছে জীৱনৰ চৰম সত্যৰাজি । স্পুন নদীৰ পাৰত কবৰ দিয়া প্ৰতিজন লোকেই যেন তেওঁৰ জীৱনৰ তুচ্ছ অতুচ্ছ সমস্ত ঘটনাৱলী বিশ্বৰ জনগণৰ আগত ব্যক্ত কৰিবলৈ ওলাই আহিছে । পুথিখনিৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হৈছে ইয়াত পাপী আৰু পুণ্যাত্মা সকলোৰেই সমান ঠাই পাইছে । বৰগোহাঞিৰ ভাষাত –

"তেওঁলোকৰ মাজত আছে জীৱনযুদ্ধত পৰাজিত কত বিকৃত মানুহ আৰু সহস্ৰ আঘাত সত্বেও চিৰ অপৰাজেয় অকুতু ভয় আত্মা, প্ৰাত্যহিক জীৱনৰ নকল মুখা খুলি তেওঁলোকে নিজৰ নগ্ন আত্মাক আমাৰ চকুৰ আগত উদঙাই দেখুৱাইছে

৬। তথিৱ, পৃঃ ১৯ ।

আৰু আমি তাৰ মাজত দেখিবলৈ পাইছোঁ জীৱন কি কৰুণ, কি দুঃসহ, কি ৰক্তাক্ত, কি ভীষণ সুন্দৰ।"[১]

আধুনিক সাহিত্য জগতৰ আটাইতকৈ চৰ্চিত সাহিত্যতত্ত্ব অস্তিত্ববাদৰ প্ৰধান প্ৰবক্তা জাঁ পল ছাৰ্ত্ৰৰ জীৱনৰ কেইটিমান উল্লেখযোগ্য কথা [illegible] আঙুলিয়াই দিছে — "জাঁ পল ছাৰ্ত্ৰৰ বিষয়ে কেইটিমান কথা" শীৰ্ষক প্ৰবন্ধত। অসাধাৰণ প্ৰতিভা সম্পন্ন ব্যক্তি হিচাপে পৰিচিত ছাৰ্ত্ৰৰ সৰলতাও আছিল অসাধাৰণ। [illegible] কৈছে—

"তেওঁ ধৰাবন্ধা গতত কেতিয়াও নচলে। সদায় নিজৰ বাট তেওঁ নিজেই কাটি লয়। সমস্ত জীৱনৰ চিন্তা-চৰ্চা আৰু অভিজ্ঞতাৰ বাবা তেওঁ নিজৰ কাৰণে যি জীৱন দৰ্শন গঢ়ি লৈছে তাৰ এটা মূল নীতি হ'ল এয়ে যে প্ৰত্যেকজন মানুহেই একক আৰু অদ্বিতীয়, সেই অদ্বিতীয় স্বকীয় ব্যক্তিত্বৰ বিকাশ সাধন কৰাটোৱেই হ'ল মানুহৰ কৰ্তব্য।"[২]

পৰম্পৰাগত ৰীতি-নীতিৰ ঘোৰ বিৰোধী আছিল ছাৰ্ত্ৰ। বৈবাহিক জীৱনৰ সম্পৰ্কে পৰম্পৰাগত যি ধাৰণা প্ৰচলিত আছিল, তাক উপেক্ষা কৰি ছাৰ্ত্ৰে তেওঁৰ সহপাঠী চাইমন দ' বভোৱাৰ লগত সুদীৰ্ঘ ৫৫ বছৰ একেলগে বাস কৰে। ছাৰ্ত্ৰে আৰু বভোৱাই হয়তো পৃথিৱীৰ আটাইতকৈ বিখ্যাত "অবিবাহিত সুখী দম্পতি"।

১৯৬৪ চনত ছাৰ্ত্ৰক নোবেল বঁটা প্ৰদান কৰা হয়। কিন্তু মুহূৰ্ততে তেওঁ সেই বঁটা প্ৰত্যাখান কৰে। কাৰণ —

"মই সদায় আনুষ্ঠানিক বিতৰণ আৰু পুৰস্কাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি আহিছোঁ। যি লেখকে এনেকুৱা ৰাজনৈতিক সন্মান গ্ৰহণ কৰে তেওঁ এজন ব্যক্তিৰ পৰিবৰ্তে এটা অনুষ্ঠানত পৰিণত হয় আৰু তাৰ ফলত তেওঁৰ পাঠকসকলৰ ওপৰত এটা অন্যায় হেঁচা দিয়া হয়। মই কেৱল 'জাঁ পল ছাৰ্ত্ৰ' [illegible] এই দুয়োটা কথা কেতিয়াও একে নহয়।"[৩]

[illegible]

[illegible]

১। ঐ, পৃ. ১২৬।

[illegible]

[illegible]

কোৱা হৈ গ'ল । নতুনকৈ কবলৈ একো বাকী নাই । মোৰ লেখক জীৱনৰ ইমানতেই যতি পৰিল ।"[১০]

৩. সাহিত্য আৰু জীৱন সম্পৰ্কীয় প্ৰবন্ধ :

সাহিত্য আৰু জীৱন সম্পৰ্কীয় প্ৰবন্ধৰাজিত বৰগোহাঞিৰ প্ৰথম সমাজচেতনা প্ৰকাশ পাইছে । লেখকৰ সামাজিক দায়িত্ববোধ, মানৱৰ চৰম উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত ভাষা চৰ্চাই ল'বপৰা ভূমিকা, ভাষা শিকনৰ শুদ্ধ পদ্ধতি, মানৱৰ চিন্তা জগতলৈ কিতাপৰ অৱদান আদি অনেক বিষয়ৰ তাত্ত্বিক বিশ্লেষণ পোৱা যায় এই শ্ৰেণী প্ৰবন্ধত । এই শ্ৰেণী প্ৰবন্ধৰ অন্তৰ্গত প্ৰধান প্ৰবন্ধ কেইটি হ'ল 'ক'ল গাৰ্ল', 'পুৰস্কাৰ', 'আৰৰ দিনৰ সপোন', 'সাহিত্যত অশ্লীলতা', 'লেখকৰ সামাজিক দায়িত্ব', 'লেখক আৰু সমালোচক', 'অসমীয়া ভাষাত জীৱনী সাহিত্যৰ অভাৱ কিয় ।' 'জীৱনী সাহিত্যৰ প্ৰসংগত', 'বিশ্ব সাহিত্যত অসমীয়া চুটিগল্পৰ স্থান', 'বেজবৰুৱাৰ চুটিগল্প' আৰু অসমীয়া মানুহক অসমীয়া ভাষা কেনেকৈ শিকোৱা যায়' ।

এই প্ৰবন্ধলানিৰ ভিতৰৰে এটি শ্ৰেষ্ঠ প্ৰবন্ধ হ'ল 'ক'ল গাৰ্ল' । প্ৰবন্ধটিত বৰগোহাঞিয়ে সমকালীন বুদ্ধিজীৱী সকলৰ বৌদ্ধিক দিন্যতাক ক্ষুৰধাৰ সমালোচনা কৰিছে । বৰ্তমান সমাজত এনে এবশ্ৰেণী লোক আছে যিসকলে দেশ-বিদেশৰ চেমিনাৰত যোগদান কৰি নিজকে এজন মুখা-ফুটা ব্যক্তি বুলি আনক দেখুৱাব বিচাৰে । কিন্তু প্ৰকৃত বাস্তৱ সত্যটো যদি চোৱা যায় তেন্তে দেখা যাব যে এনে লোকসকলে চেমিনাৰ বোৰৰ পৰা একো নিশিকেও বা আনকো একো দিব নোৱাৰে । চেমিনাৰত যোগ দিবলৈ যোৱা প্ৰত্যেকজনেই জানে আনজনে কি কব ; তেওঁলোকৰ বাবে চেমিনাৰত যোগ দিয়াটোৱেই মূল কথা- তাৰপৰা পাব পৰা বা আনক দিব পৰাটো গৌণ কথা । 'পুৰস্কাৰ' নামৰ প্ৰবন্ধটিত কেইবাজনো মহান সাহিত্যিকৰ মহানুভৱতা পাঠকৰ আগত দাঙিধৰা হৈছে । এই মহান সাহিত্যিকসকলে সন্মানৰ উচ্চতম শিখৰত উপনীত হোৱাৰ পাছতো মুক্তকণ্ঠে স্বীকাৰ কৰিছিল তেনে সন্মানৰ অধিকাৰী তেওঁলোক প্ৰকৃততে নহয় । উদাহৰণ স্বৰূপে ১৯৭৬ চনত সাহিত্যৰ নোবেল বঁটা যেতিয়া আমেৰিকান ঔপন্যাসিক ছল্ বেলোক প্ৰদান কৰা হৈছিল, তেতিয়া তেওঁৰ মনতে বোলে এই কথাহে আহিছিল যে আঁদ্ৰে মালৰো আৰু হেন্‌ৰী মিলাৰেও এই পুৰস্কাৰ পোৱা উচিত । আনহাতে পৰম অনিচ্ছা সত্বেও ১৯৩০ চনত নবেল বঁটা গ্ৰহণ কৰিবলগীয়া ছিনক্লেয়াৰ লুইয়ে অনুভৱ কৰিছিল যে আচলতে ইউজিনি অ'নিলেই এই পুৰস্কাৰ পোৱা উচিত আছিল । কিন্তু এনে মহান অন্তৰৰ লোক পৃথিৱীতনো আছে কেইজন ? এনে অনেক লোক আছে যি সকলে পুৰস্কাৰ লাভকেই সাহিত্যিক জীৱনৰ প্ৰধান লক্ষ্য বুলিভাবে ।

১০। তদেৱ, পৃঃ ২৩২ ।

সাহিত্যৰ প্ৰধান উদ্দেশ্যৰ সম্পৰ্কে সৰ্বকাল ধৰি তৰ্ক-বিতৰ্ক চলি আহিছে। এক শ্ৰেণীৰ মতে "কলাৰ কাৰণে কলা' আৰু আন এক শ্ৰেণীৰ মতে "জীৱনৰ কাৰণে কলা" অৰ্থাৎ একশ্ৰেণী সমালোচকে ভাবে কলা হিচাপে সাহিত্যৰ মূল লক্ষ্য বা উদ্দেশ্য আনন্দ প্ৰদান। সেইদৰে দ্বিতীয় শ্ৰেণীয়ে ভাবে ইয়াৰ মূল লক্ষ্য বা উদ্দেশ্য মানুহক জীৱনৰ প্ৰকৃত পথ প্ৰদৰ্শন কৰা। সাধাৰণতে সাহিত্যৰ দ্বিতীয় উদ্দেশ্যটোক হেয় চকুৰে চোৱা হয়। তেওঁ লোকৰ যুক্তি সাহিত্য প্ৰেম গান' হ'ব নেলাগে। ই মানৱৰ চিৰন্তন আবেগ অনুভূতিৰ সম্ভেদহে দিব লাগে — সেইহে মহৎ। এনে এটি বিতৰ্কিত বিষয়ক-সম্পৰ্কে আলোচনা আগবঢ়াইছে "লেখকৰ সামাজিক দায়িত্ব" নামৰ প্ৰবন্ধটিত। বৰুৱাদেৱে যুক্তি সহকাৰে দেখুৱাব বিচাৰিছে যে মহত্তম সাহিত্যৰ লক্ষ্য যদিও মানৱৰ চিৰন্তন ভাৱধাৰাৰ সম্ভেদ দিয়া তথাপি, সাময়িক প্ৰয়োজনৰ বিচাৰত সাময়িক প্ৰয়োজনৰ দাবীত ৰচনা কৰা সাহিত্যৰ মূল্যও অপৰিসীম। অৰ্থাৎ সাহিত্যই সমাজৰ দেহ আৰু মন উভয়ৰেই পৰিপুষ্টি সাধন কৰিব লাগে। যি সাহিত্যই সমাজৰ মনৰ দাবী অৰ্থাৎ আধ্যাত্মিক প্ৰয়োজন পূৰণ কৰে সেই সাহিত্যই মানৱ জাতিৰ চিৰন্তন সম্পদ ৰূপে সমাদৃত হয়। সমাজৰ দেহৰ প্ৰয়োজন সাধন কৰা সাহিত্যই সেই মৰ্যাদা লাভ কৰিব নোৱাৰিলেও তাৰ প্ৰয়োজন নাই বুলি কব নোৱাৰি। উদাহৰণ দিবলৈ গৈ প্ৰবন্ধকাৰে কৈছে — বায় চৌধুৰীৰ 'তুমি' কাব্যই অনাগত যুগৰ মানুহৰ মানৱাত্মাৰ আধ্যাত্মিক বিষাদ, আনন্দ আৰু সৌন্দৰ্য তৃষ্ণাৰ সম্ভেদ দিব। কিন্তু তেওঁৰ দেশপ্ৰেমমূলক কবিতাবোৰে হয়তো চিৰন্তন অনুভূতি জগাই নুতুলিব। কিন্তু এই দেশপ্ৰেমমূলক কবিতাবোৰক বাদ দিলে আমাৰ সাহিত্য একান্তভাৱেই দুখীয়া হৈ পৰিব।

বহুতো লেখক আছে যি সকলে সমসাময়িক সামাজিক সংঘাতৰ মাজত নিজক বিলাই দিও মানৱৰ চিৰন্তন সমস্যাৰ কথা লিখি থৈ যাবলৈ সক্ষম হৈছে। আৰ্নেষ্ট হেমিংৱে ইয়াৰ সুন্দৰ উদাহৰণ। স্পেইনৰ গৃহযুদ্ধত গণতন্ত্ৰৰ হৈ প্ৰত্যক্ষ সংগ্ৰামত ভাগ লৈও তেওঁ 'The old man and the sea', 'For whom the bell tolls' আদি মহত্তম সাহিত্য সৃষ্টি কৰি থৈ গ'ল। আনহাতে বহুতো লেখক আছে যিসকলে সমসাময়িক সংঘাতৰ পৰা আঁতৰি থাকিও সামাজিক দায়িত্ব পূৰ্ণৰূপে পালন কৰি যায়। অল্ডছ হাক্সলি, এমাৰছন আদি লেখকসকল এই শ্ৰেণীৰ লেখক। দ্বিতীয় মহাযুদ্ধই যেতিয়া এফালৰ পৰা পৃথিৱীখন খুন্দি আনিছিল তেতিয়া হাক্সলিয়ে কেলিফৰ্নিয়াত আৰাম পাতি এনেকৈ বাস কৰিছিল যেন পৃথিৱীত একো ঘটা নাই। সেইদৰে এমাৰছনে গোটেই খন সময়ত গৃহযুদ্ধই আমেৰিকাক কঁপাই তোলাইছিল। কিন্তু আমি বিচৰাতো লিখিত এমাৰছনৰ লিপিবদ্ধত আমেৰিকাৰ গৃহযুদ্ধৰ কোনো উল্লেখ নাই। অথচ মানৱতা আৰু আধ্যাত্মিকতাৰ ঐতিহ্য সৃষ্টি কৰাত বা ৰক্ষা কৰাত হাক্সলি আৰু এমাৰছনে যি অৱদান

আগবঢ়াই থৈ গ'ল সেয়া অতুলনীয় আৰু অবিস্মৰণীয় ।

ভাৰতীয় আন প্ৰাদেশিক ভাষাৰ সাহিত্যতকৈ অসমীয়া সাহিত্য 'জীৱনী সাহিত্য'ৰ ক্ষেত্ৰত অনেকগুণে পিচপৰা । ইয়াৰ প্ৰকৃত কাৰণবোৰ বিচাৰি উলিওৱা টান যদিও বৰগোহাঞিয়ে তেখেতৰ "অসমীয়া ভাষাত জীৱনী সাহিত্যৰ অভাৱ কিয় ?" প্ৰবন্ধত ইয়াৰ কেইটামান মূল কাৰণ বিচাৰি উলিয়াইছে । তেখেতৰ মতে অসমীয়া ভাষাত আকৰ্ষণীয় বা সুখপাঠ্য জীৱন চৰিত ৰচিত নোহোৱাৰ এটা প্ৰধান কাৰণ হ'ল উপযুক্ত চৰিত্ৰৰ অভাৱ । জীৱন চৰিত আকৰ্ষণীয় হ'বলৈ তাৰ উপজীব্য চৰিত্ৰটোও আকৰ্ষণীয় হ'ব লাগিব । দ্বিতীয়তে, অসমীয়া মানুহ সাধাৰণতে মানুহৰ ব্যক্তিত্ব বা 'চৰিত্ৰৰ' প্ৰতি উদাসীন । তৃতীয়তে লেখক সকলৰ আদৰ্শবাদিতা । আদৰ্শবাদিতা নিশ্চয় এটা ভাল গুণ, কিন্তু সফল জীৱনীকাৰ হ'বলৈ এনে আদৰ্শবাদিতা বস্তুনিষ্ঠতাৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা দৰকাৰ ।[১১] বৰগোহাঞিৰ মতে এজন জীৱনীকাৰৰ তিনিটা প্ৰধান গুণ থকা দৰকাৰ ।, সেই কেইটা হ'ল — সহানুভূতি, আত্মনিৰ্লিপ্ততা আৰু মনস্তাত্ত্বিক অন্তৰ্দৃষ্টি । উল্লেখ কৰা প্ৰয়োজন যে বুৰঞ্জী সাহিত্য আৰু চৰিত সাহিত্যই বহু পৰিমাণে অসমীয়া জীৱনী সাহিত্যৰ আহি কপটোলৈ মনত পেলায় দিয়ে যদিও এখোন জীৱনীত থাকিব লগা উপাদানবোৰ এই দুই শ্ৰেণী সাহিত্যতে অভাৱ ।

৪. সমাজ আৰু ৰাজনীতিমূলক প্ৰবন্ধ ঃ

সমাজ আৰু ৰাজনীতি বিষয়ক প্ৰবন্ধকানিত বৰগোহাঞিৰ গভীৰ অন্তৰ্দৃষ্টি ফুটি উঠিছে । সমকালীন ৰাজনৈতিক অৱস্থাৰ বাস্তৱ চিত্ৰ অংকণ এক শ্ৰেণী প্ৰবন্ধৰ মূল বৈশিষ্ট্য । এইবিলাক প্ৰবন্ধ অসমৰ ৰাজনৈতিক বিৱৰ্তনৰ বিচিত্ৰ দলিল । এই শ্ৰেণী প্ৰবন্ধৰ ভিতৰত "শব্দৰ ব্যৱহাৰ আৰু ৰাজনীতি", "মানুহ আৰু ৰাজনীতি", "আনৱিক পৰিস্থিতি", "মুক্ত তিবোতা", "দিল্লীত এৰাতি", "ৰাজনীতিক আৰু সাংবাদিক", "ৰাজনীতি আৰু নৈতিকতা", "জীয়াই থকাৰ অধিকাৰ", "শিক্ষা আৰু প্ৰগতি", "গণতন্ত্ৰৰ সংখ্যালঘু", "শান্তিত থকা কোনজন", "চোৰ আৰু কুকুৰ", "হংবেশী বিচিত্ৰতা বাদ" আদি প্ৰবন্ধ বিশেষভাৱে উল্লেখযোগ্য ।

এই শ্ৰেণী প্ৰবন্ধৰ অন্তৰ্গত এটি উল্লেখযোগ্য প্ৰবন্ধ হ'ল 'মুক্ত তিবোতা' । [illegible]

[illegible]

---

১১ [illegible]

প্ৰেম, মাতৃত্ব, সম্যতা আদি মানবীয় অনুভূতিবোৰ ত্যাগ কৰে তেন্তে জাতোতকৈ ভয়ংকৰ আন একোৱেই হ'ব নোৱাৰে । বৰগোহাঞিৰ মতে "তিৰোতাই চৰম আৰ্থিক আৰু সামাজিক মুক্তি লাভ কৰক কিন্তু তথাপি 'তিৰোতা' হৈ থাকক ।" পুৰুষৰ সমান হোৱাৰ আগ্ৰহত নাৰীয়ে যদি তেওঁৰ নাৰীত্ব হেৰুৱাই তেন্তে আটাইতকৈ ডাঙৰ ক্ষতি হ'ব নাৰী সকলৰেই । কিয়নো প্ৰেম আৰু মাতৃত্বৰ বাহিৰে নাৰীৰ জীৱনৰ আন কোনো সাৰ্থকতা নাই । স্বাধীনতাৰ বাবে হাবাথুৰি খোৱা নাৰীয়ে স্বাধীনতা পোৱাৰ পাছত উপলব্ধি কৰিবলৈ বাধ্য হ'ব স্বাধীনতা তেওঁলোকৰ বাবে অভিশাপহে আশীৰ্বাদ নহয় । এই প্ৰসঙ্গত বৰগোহাঞিয়ে মুলুকৰাজ আনন্দৰ "হেৰুৱা ল'ৰা" নামৰ গল্পটিৰ কাহিনী উত্থাপন কৰিছে যিটো গল্পত বাপেকৰ লগত মেলালৈ যোৱা ল'ৰাটোৱে মেলাৰ সকলো বস্তু বিচাৰি বাপেকক ব্যতিব্যস্ত কৰিছিল —অথচ মানুহৰ হেঁচা-খেলাত সি যেতিয়া দেউতাকক হেৰুৱাই পেলালে, তেতিয়া তাক মেলাৰ কোনো বস্তু নালাগে — লাগে মাত্ৰ দেউতাকক। নাৰী স্বাধীনতাই যাতে হেৰুৱা ল'ৰাটোৰ আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজত হোৱা দ্বন্দ্বৰ দৰে ৰূপ ধাৰণ নকৰে তাৰ প্ৰতি সতৰ্ক হ'বলৈ বৰগোহাঞিদেৱে সকীয়াই দিছে ।

'দিল্লীত এৰাতি' নামৰ প্ৰবন্ধটিত ৰাজনীতিক সকলৰ ফোপোলা স্বৰূপটো উদঙাই দেখুৱাইছে । সাধাৰণতে ৰাজনীতিক সকলৰ কথা আৰু কামৰ মাজত সম্পৰ্ক নাথাকে । তেওঁলোকে কথাৰে যিমান কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে বাস্তৱত তাৰ বিপৰীত হয় । ইন্দিৰা গান্ধী প্ৰধান মন্ত্ৰী হৈ থকা কালৰ কেইটামান উদাহৰণ দাঙি ধৰি প্ৰবন্ধকাৰে আলোচ্য বিষয়টি মনোগ্ৰাহী কৰি তুলিছে । বিদেশ-ভ্ৰমণ কৰিবলৈ গৈ দেখি অহা নতুন আৰ্হিৰ ঘৰৰ সদৃশ অট্টালিকা চৰকাৰী ধনেৰে অনাৰশ্যকভাৱে নিৰ্মাণ কৰা, দেশৰ দৰিদ্ৰতা আঁতৰাই সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ খুসি পোষ্টাৰ মৰা অথচ দেশৰ জনসাধাৰণৰ বাবে বাসগৃহ নিৰ্মাণ কৰিবলৈ অৰ্থৰ অভাৱ হোৱা আদি বিসংগতিপূৰ্ণ কথাবোৰ প্ৰবন্ধটিত উল্লেখ কৰা হৈছে । অৱশ্যে মোৰাৰ্জী দেশাইৰ দৰে সৎ আৰু নিষ্ঠাবান লোকৰ নিস্কলঙ্ক চৰিত্ৰৰ জয়গানো প্ৰবন্ধকাৰে মুক্ত কণ্ঠে গাইছে ।

অসমীয়া জাতিটো ক্ৰমান্বয়ে ধ্বংসৰ পথলৈ গৈ থকাৰ মূল কাৰণ হ'ল — এজন সৎ নেতাৰ অভাৱ । আজি কিছুদিনৰ পৰা এই কথাষাৰ মৰ্মে মৰ্মে উপলব্ধি কৰিবলগা হৈছে । এজন সৎ-সুস্থ নেতাৰ অবিহনে এটা জাতি উন্নতিৰ পথত আগুৱাই যাব নোৱাৰে । এই নেতাজন হ'ব লাগে দূৰদৰ্শী, সৰ্বজন সমাদৃত আৰু সফলতা বিফলতাৰ সকলো দায়িত্ব মূৰ পাতি লব পৰা সৎ সাহস । অসমীয়া জাতিৰ ডাঙৰ দুৰ্ভাগ্য যে লাচিত বৰফুকনৰ পাছত এনে এজন দ্বিতীয় নেতা জন্ম নহ'ল । "লাচিত বৰফুকন কোন জন" শীৰ্ষক প্ৰবন্ধটিত প্ৰকৃত নেতাৰ মহৎ গুণাৱলীৰ বিষয়ে আলোচনা কৰা হৈছে । প্ৰবন্ধটিত লিখকে চাৰ্চিলৰ দৰে মহান নেতাসকলৰ গাত থকা মহান গুণবোৰ আঙুলিয়াই দিছে । সেইজনেই চাৰ্চিল যিজনে দ্বিতীয় মহাযুদ্ধৰ ভয়াৱহতাৰ মাজতো আহু দেতিৰ বিষয়ে

আলোচনা কৰিবলৈ সময় উলিয়াব পাৰে । কাৰণ তেওঁ জানিছিল – "এদিন নহয় এদিন যুদ্ধ শেষ হ'ব, কিন্তু ভৱিষ্যতৰ কথা এতিয়াই চিন্তা নকৰিলে যুদ্ধৰ পিচত সমগ্ৰ দেশজুৰি দুৰ্ভীক্ষই দেখা দিব ।" কিন্তু দুখৰ কথা যে চাৰ্চিলৰ দৰে দূৰদৰ্শিনেতা লাহে লাহে অভাব হৈ আহিছে । প্ৰবন্ধটিত নেতাসকলক দুটা ভাগত ভাগ কৰা হৈছে – প্ৰথম বিধে নিজৰ ভৱিষ্যতৰ চিন্তাত সমগ্ৰ দেশ বা জাতিৰ স্বাৰ্থ বিপন্ন কৰিবলৈ বিন্দুমাত্ৰও সংকোচ নকৰে ; আন বিধে মানৱৰ মঙ্গলৰ চিন্তাত উদ্বুদ্ধ হৈ জাতিৰ বা সমাজৰ ভৱিষ্যতৰ কাৰণে নিজৰ ভৱিষ্যৎ সমূলঞ্চে বিসৰ্জন দিয়ে ।

৫. অন্যান্য বিষয়ক প্ৰবন্ধ :

বৰগোহাঞিয়ে এই শ্ৰেণী প্ৰবন্ধত সমাজ জীৱনৰ বিভিন্ন দিশ অকপটভাৱে বিশ্লেষণ কৰিছে । এইখিনিতে এবাৰ কথা কৈ থলে ভাল হ'ব যে বৰগোহাঞিৰ এই শ্ৰেণীৰ অন্তৰ্গত প্ৰবন্ধসমূহৰ ওপৰত আলোচনা কৰা বিষয়সমূহৰ পৰা একেবাৰে পৃথকাই থব নোৱাৰি । অনেক দিশত প্ৰবন্ধলানি ওপৰৰ কোনো এটা নহয় এটা বিষয়ৰ লগত সংপৃক্ত, কিন্তু প্ৰবন্ধলানিৰ কেইটিমান নিজস্ব বৈশিষ্ট্য আছে কাৰণেই অন্যান্য বিষয়ত ঠাই দিয়া হৈছে । এই শ্ৰেণী প্ৰবন্ধৰ অন্তৰ্গত প্ৰধান প্ৰবন্ধ কেইটি হ'ল – "ধৃতি-নীতি", "বৈজ্ঞানীক দৃষ্টিভংগী", "ধৰ্মৰ ব্যৱসায়", "পেট্ৰ'লিয়াম সভ্যতা", "ভুমিকম্প", "খেলপথাৰ", "ঘোঁৰা আৰু মাখি", "জীৱনৰ জয়োৎসৱ", "কিতাপৰ দোকানী আৰু সম্পাদক", "মৃত্যু ভয়", "বন্দুক আৰু কলম", "জীৱন সদায় জয়ী হয়", "নাদৰ ভেকুলী", "চেঁচা মাত এটা দিন", "প্ৰকৃতিৰ দান", "অভিধান ব্যাকৰণ-মনুষ্যত্ব ইত্যাদি ।

'ঘোঁৰা আৰু মাখি' নামৰ প্ৰবন্ধটিত বৰগোহাঞিয়ে লিখক আৰু সমালোচকৰ মাজত হোৱা দ্বন্দ্বৰ ছবিখন আঁকি উলিয়াইছে । এজন সু-সমালোচকৰ সমালোচনাই লেখকৰ সৃষ্টিক কেনেকৈ মহত্বৰ শীৰ্ষস্থানত উপনীত কৰাব পাৰে তাক প্ৰবন্ধটিত দেখুৱাইছে । আনহাতে এনে অনেক সমালোচক আছে যিসকলে সৃষ্টিকৰ্তাৰ সৃষ্টি কৰ্মলৈ পিঠি দি সৃষ্টিকৰ্তাজনৰ ব্যক্তিগত জীৱনৰ শেষ ত্ৰুটিবোৰ আঙুলিয়াই দিয়াতেই কৰ্তব্য সামৰণি মাৰে । প্ৰকৃততে এইশ্ৰেণী সমালোচকে জীৱনৰ কেৱল আন্ধাৰ দিশটোহে দেখে । জীৱনৰ পোহৰ আৰু আন্ধাৰ দুয়োটা দিশৰ লগত যাৰ চিনাকী নাই তেওঁ সমালোচক হ'বলৈ আশা নকৰাই ভাল । আনহাতে বহুতো লেখকে সমালোচকৰ কটূক্তিত বিৰক্ত হৈ কলম সামৰা কথাকে ভাৱে বা সীমাহীন মানসিক যন্ত্ৰণাত ভোগে। এই শ্ৰেণী লিখকৰ উদ্দেশ্যে প্ৰবন্ধকাৰে কৈছে "যি সকল লেখকে সদায় প্ৰশংসাহে শুনিবলৈ বিচাৰে, সামান্যতম নিন্দা আৰু কটূক্তিও যাৰ সহ্য নহয়, তেওঁ সাহিত্যিক জীৱনৰ চিৰকাল পৰাজিত হৈ থাকিবলৈ বাধ্য ।" 'ধৰ্মৰ ব্যৱসায়' নামৰ

প্ৰবন্ধটিত ধৰ্মৰ নামত ব্যৱসায় কৰা একশ্ৰেণী লোকৰ অসৎ চৰিত্ৰ উদঙাই দিবলৈ যত্ন কৰিছে । এযাৰ কথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে যোৱা কিছুবছৰ ধৰি ভাৰতবৰ্ষত একশ্ৰেণী ধৰ্মগুৰুৰ 'আবিৰ্ভাৱ' হৈছে । এই ধৰ্ম গুৰুসকলে নিজকে ভগৱান বুলি দাবী কৰে আৰু ভক্তসকলেও তাকেই বিশ্বাস কৰে । কিন্তু এই সকলোকে নিজকে ভগৱান বুলি দাবী কৰাৰ অন্তৰালত যে অন্য এক ব্যৱসায়ী মনোভাৱ লুকাই থাকে তাক সহজ সৰল ভক্তসকলে অনুধাৱন কৰিব নোৱাৰে । ধৰ্মৰ নামত যে এই সকলে অধৰ্মহে বেহা পাতে তাক প্ৰবন্ধটিত দেখুৱাইছে । সাম্প্ৰতিক খেলজগতখনত গঢ় লৈ উঠা অমংগলীয়া ঘটনাবাজিয়ে ইয়াৰ ঐতিহ্যক কেনেকৈ কলুষিত কৰিছে তাক "খেল পথাৰ" নামৰ প্ৰবন্ধটিত দেখুৱাবলৈ যত্ন কৰিছে । খেলুৱৈ সকলৰ মাজলৈ দৰ্শকৰ মনৰ পৰা বিজ গলিওৱা, পৰিচালকৰ পক্ষপাতিত্ব, পৃষ্ঠপোষকসকলে দুৰ্নীতিৰ আশ্ৰয় লোৱা আদি কাৰণেই যে খেলৰ প্ৰকৃত উদ্দেশ্যত বিঘিনি ঘটাইছে তাক প্ৰবন্ধকাৰে সুন্দৰকৈ দেখুৱাইছে ।

বৰগোহাঞিৰ জীৱন দৰ্শন ঃ

১. গতিশীল ৰাজনৈতিক দৃষ্টিভংগী ঃ

হোমেন বৰগোহাঞি আমাৰ ৰাজনৈতিক বিবৰ্তনৰ প্ৰায় ৬টা দশকৰ জীৱন্ত ইতিহাস । ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছৰে পৰা অসমৰ ৰাজনৈতিক ইতিহাসত যি উত্থান পতন হৈছে তাৰ জীৱন্ত সাক্ষীস্বৰূপ হোমেন বৰগোহাঞি । এইখিনিতে এটা প্ৰশ্ন হয় সাংবাদিক হিচাপে অসমৰ ৰাজনৈতিক জগতখনৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকা হোমেন বৰগোহাঞিৰ ৰাজনৈতিক আদৰ্শ কি ? "আত্মানুসন্ধান"ত তেখেতে কৈছে—

> "গোটেই জীৱনত মই কোনো ৰাজনৈতিক দলৰ সদস্য পদ লোৱা নাই । তাৰ এটা প্ৰধান কাৰণ হ'ল এই যে কোনো ৰাজনৈতিক আদৰ্শ বা মতবাদেই মোক সম্পূৰ্ণভাৱে সন্তুষ্ট কৰিব পৰা নাই ।(পৃ. ২১)

বৰগোহাঞিদেৱে নিজেই কৈ যোৱা এইষাৰ কথা মানি লৈও কব পাৰি যে জীৱনৰ বিভিন্ন স্তৰত তেখেত বিভিন্ন ৰাজনৈতিক আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল । বিদ্যালয়ত পঢ়ি থকা কালতে মাৰ্ক্সবাদৰ প্ৰতি তেখেতৰ এক ৰোমাণ্টিক আকৰ্ষণ আছিল । কিন্তু কলেজীয়া জীৱনত এই আকৰ্ষণ বিকৰ্ষণত পৰিবৰ্তিত হৈছিল ।(আত্মাঃ পৃ. ২৮) এই বিকৰ্ষণৰ মূল কাৰণ কি তেখেতে কোৱা নাই যদিও মাৰ্ক্সবাদক যে তেওঁ পূৰ্ণৰূপে গ্ৰহণ কৰিব পৰা নাছিল তাৰ প্ৰমাণ দাঙি ধৰে তেখেতৰ কথাবাজিয়ে । [illegible] চাকৰিত যোগদান কৰাৰ পাছৰে পৰা বাৰ্ডশাহী চিন্তাধাৰাৰ প্ৰতি [illegible] আকৃষ্ট হোৱাৰ কথা তেখেতে কৈছে ।(আত্মাঃ পৃ. ৩০) [illegible] নাৰায়ণ, অশোক মেহেতা, [illegible] আদি সমাজবাদী নেতাসকলৰ

কাৰ্যাৱলীত আকৃষ্ট হৈ নিতান্ত মনঃস্তাত্ত্বিক কাৰণত সমাজবাদী আদৰ্শৰ প্ৰতিও দুৰ্বলতা অনুভৱ কৰাৰ কথাও তেখেতে নিজেই কৈ গৈছে। (সাংঃ পৃ. ১৬)

চৰকাৰী চাকৰি ত্যাগ কৰি প্ৰত্যক্ষভাৱে সাংবাদিকতাৰ লগত জড়িত হৈ পৰাৰ পাছত বৰগোহাঞিৰ ৰাজনৈতিক আদৰ্শলৈ অধিক গতিশীলতা আহি পৰে । এখন নিকা দুৰ্নীতিমুক্ত চৰকাৰ গঠনৰ স্বাৰ্থত তেখেতে বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক দলক সমৰ্থন কৰি আহিছে। অৱশ্যে এইটো নহয় যে তেখেতে এটা দলৰ পৰা আনটো দললৈ বাগৰি ফুৰিছে । তাৰ বিপৰীতে তেখেতে মনোমত দলটো বা দলৰ সদস্য একোজনৰ আদৰ্শৰ সপক্ষে কাকতত মতামত দাঙি ধৰিছে । উদাহৰণ স্বৰূপে বিমলা প্ৰসাদ চলিহা মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত এচাম লোকে নেতৃত্বৰ পৰিৱৰ্তন বিচাৰোঁতে যেতিয়া শৰৎ সিংহৰ নামটো ওলাইছিল তেতিয়া সিংহৰ ব্যক্তিত্বত আকৃষ্ট হৈ বৰগোহাঞিয়ে তেওঁৰ ভাবমূৰ্তি গঢ়ি তোলাৰ আৰু জনসাধাৰণৰ গ্ৰহণযোগ্য কৰি তোলাৰ যত্ন কৰিছিল। (সাং ২৮) অথচ সেইজন শৰৎ সিংহই মুখ্যমন্ত্ৰী হৈ দুৰ্নীতিৰ নীৰৱ দৰ্শক হোৱাৰ বাবে তেওঁৰ বিপক্ষে লিখিবলৈকো বৰগোহাঞিয়ে পাহৰা নাছিল । (সাং: পৃ. ৫৩) ১৯৭৪ চনৰ আগ ভাগৰে পৰা কংগ্ৰেছ দলৰ প্ৰতি বৰগোহাঞি বিতুষ্ট হৈ পৰে। বিশেষকৈ ১৯৭৫ চনত যেতিয়া ইন্দিৰা গান্ধী সমগ্ৰ দেশতে জৰুৰী অৱস্থা ঘোষণা কৰিলে তেতিয়াৰে পৰা দলটোৰ প্ৰতি থকা সামান্যতম আস্থাকণো তেওঁ হেৰুৱাই পেলালে । সেয়ে ১৯৭৭ চনৰ নিৰ্বাচনত তেওঁ জনতা দলৰ সপক্ষে মত পোষণ কৰিছিল। (সাং: পৃ. ৫৯)

২. সমকাল সহৃদয় উপলব্ধি ঃ

বৰগোহাঞিৰ প্ৰবন্ধৰাজিৰ মাজত সমকালীন সমাজৰ বিভিন্ন দিশ ফুটি উঠিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজ জীৱনলৈ যিবোৰ পৰিৱৰ্তন আহে তাৰ সূক্ষ্ম বিশ্লেষণ কৰা হৈছে । বৰগোহাঞিৰ প্ৰবন্ধৰাজিত । "এখন গাঁৱৰ ছবি", 'চৰাইবোৰ', 'ঢেঁকী', 'কল গাৰ্ল', 'পুৰস্কাৰ', 'লেখক সমালোচক', 'গণতন্ত্ৰত সংখ্যালঘু', 'চোৰ আৰু কুকুৰ', আদি প্ৰবন্ধত সমকালীন সমাজৰ বাস্তৱ ৰূপটো ফুটি উঠিছে। নগৰীয়া সভ্যতাৰ পত্তনে মানুহক দিনে দিনে কৰ্মবিমুখ কৰি তুলিছে — এই কথাষাৰ "এখন গাঁৱৰ ছবি" শীৰ্ষক প্ৰবন্ধটিত দেখুৱা হৈছে । দুটাকৈ চাকৰি কৰা পুতেক থকাৰ পাছতো ৭৫ বছৰীয়া পিতৃয়ে ৰাতিপুৱা হালখাবলৈ যোৱা, গধূলি নাম ঘৰৰ পৰা 'কীৰ্তন'ৰ সুৰ ভাঁহি অহাৰ পৰিৱৰ্তে দোকানৰ লাউড স্পীকাৰৰ পৰা হিন্দী গীতৰ সুৰ ভাঁহি অহা, বহুৰেকীয়া ভাওনা পাতিবলৈ ডেকাচামে আগ্ৰহ প্ৰকাশ নকৰা আদি সাম্প্ৰতিক গ্ৰাম্যজীৱনৰ ছবিখন প্ৰবন্ধটিত ফুটি উঠিছে । 'ঢেঁকী' নামৰ প্ৰবন্ধটিত যান্ত্ৰিক সভ্যতাই কেনেকৈ মানুহৰ কৰ্মময় জীৱনলৈ আমূল পৰিৱৰ্তন আনিলে তাক দেখুৱাইছে । গাঁৱে গাঁৱে ধান কল বহাৰে পৰা গৃহস্থী জীৱনৰ চিৰলগৰী স্বৰূপ ঢেঁকীবোৰে বিদায় মাগিছে । একালৰ পৰা

চাবলৈ হ'লে যন্ত্ৰই মানুহক শ্ৰমৰ দাসত্বৰ পৰা মুক্তি দি আজৰিব সময় বৃদ্ধি কৰিছে। কিন্তু এই আজৰি সময়খিনি জানো মানুহে সৎ আৰু গঠনমূলক কামত ব্যৱহাৰ কৰিছে? সেই সময়খিনি পাৰ কৰিছে নিৰ্লজ্জভাৱে T.V. চাই বা জুৱাৰ আড্ডাত বহি। ফলত আজৰিৰ সময়খিনি মানুহৰ বাবে অভিশাপ হৈ পৰিছে।

৩. মনোসমীক্ষাত্মক অন্তৰ্দৃষ্টি :

মানুহৰ অন্তৰ জগতখন বিচিত্ৰ আৰু জটিল। সেয়ে গভীৰ অন্তৰ্দৃষ্টিৰ অবিহনে মানুহৰ অন্তৰ জগতৰ ছবি অংকন কৰাটো সম্ভৱ নহয়। বৰগোহাঞিৰ প্ৰবন্ধ বিচিত্ৰ ভাবনাৰে সমৃদ্ধ। তেখেতৰ ব্যক্তিগত জীৱনৰ ভিন ভিন সময়ৰ ভাবাবেগবোৰ বিভিন্ন প্ৰবন্ধত প্ৰকাশ পোৱা দেখা যায়। এনেধৰণৰ ভাবনাৰে পৰিপুষ্ট দুটি প্ৰবন্ধ হ'ল "অপৰাধী বিবেক" আৰু "দেহোপজীৱিনী"; এই দুয়োটি প্ৰবন্ধতে মানুহৰ অন্তৰ্জীৱনৰ বিক্ষিপ্ত অনুভূতি ফুটি উঠিছে। "অপৰাধী বিবেক" প্ৰবন্ধটিত যোচেফ কনৰাডৰ "লৰ্ড জিম" নামৰ উপন্যাসখনৰ নায়ক জিমৰ জীৱনৰ সংঘাতময় দিশটোৰ কথা উল্লেখ কৰিছে। এই জিমে আঠশজন যাত্ৰীক মাজ সাগৰত জাহাজখনকে মৰিবলৈ এৰি দি নিজেই প্ৰাণ লৈ পলাই আহিছিল। কিন্তু সুখৰ কথা যে জাহাজত থকা এজনো লোকৰ মৃত্যু নহ'ল। এই ঘটনাই জিমৰ অন্তৰ কোবাই গ'ল। বিবেক দংশনত তেওঁ ক্ষত বিক্ষত হ'ল। এনে এক বিবেক দংশনৰ মাজেদিয়েই তেওঁ পাৰ কৰিবলগা হ'ল সমগ্ৰ জীৱন। প্ৰবন্ধকাৰৰ গভীৰ অন্তৰ্দৃষ্টি প্ৰবন্ধটিত ফুটি উঠিছে।

৪. অধ্যয়ন পুষ্ট মননশীলতা :

হোমেন বৰগোহাঞিৰ প্ৰবন্ধৰ পঢ়ুৱৈ মাত্ৰেই স্বীকাৰ কৰিবলৈ বাধ্য হ'ব যে তেখেতৰ প্ৰতিটো প্ৰবন্ধ অমূল্য জ্ঞানৰ ভাণ্ডাৰ। ভাবি আচৰিত লাগে কি অভূতপূৰ্ব অধ্যয়নশীলতাৰ বিচিত্ৰ ফলশ্ৰুতি তেখেতৰ ৰচনাৰাজি আচলতে তেখেতৰ প্ৰবন্ধ প্ৰাচ্য আৰু পাশ্চাত্য মনীষী সকলৰ অক্ষয় জ্ঞানৰ বিচিত্ৰ পান্থশালা। যোচেফ কনৰাড বাট্ৰাণ্ড ৰাছেল, আনাতোল ফ্ৰাঁ, দেনিক দিদেৰো, এলবাৰ্ট আইনষ্টাইন আদি মনীষী সকলৰ মহত্তম ভাবনাৰাশি তেখেতৰ প্ৰবন্ধৰ ছত্ৰে ছত্ৰে বিদ্যমান।

৫. আত্ম সমালোচনা :

সাধাৰণতে লিখকসকলে নিজৰ জীৱনৰ দুৰ্বল দিশটো পাঠকৰ আগত দাঙি ধৰিবলৈ ইচ্ছা নকৰে। নিজকে সফলতাৰ উচ্চ শিখৰত উপনীত কৰোৱাৰ প্ৰচেষ্টাত এইসকল লিখকে আত্ম প্ৰবঞ্চনা কৰিবলৈ নাপাহৰে। কিন্তু বৰগোহাঞি তাৰ সম্পূৰ্ণ বিপৰীত। বৰগোহাঞিয়ে তেওঁৰ লিখনিৰ সবল দুৰ্বল দুয়োটা দিশ পাঠকক নিজেই আঙুলিয়াই দেখুৱাইছে। বৰগোহাঞিৰ বাহিৰে হয়তো কোনো লেখকেই নিজকে ইমান সমালোচনা কৰা নাই। তেওঁ কৈছে "নিজৰ বিৰুদ্ধে অবিৰাম যুদ্ধ কৰাটোৱেই হ'ল মানুহৰ আটাইতকৈ ডাঙৰ নৈতিক কৰ্তব্য। মানৱ জীৱনৰ সাৰ্থকতা নিৰ্ভৰ

কৰে এই যুদ্ধৰ জয় পৰাজয়ৰ ওপৰত ।" (প্ৰজ্ঞাঃ পৃ, ১৩) সাহিত্যিক সফলতাৰ উচ্চ শিখৰত উপনীত হোৱাৰ পাছতো তেখেতে নিজকে এজন প্ৰতিভাহীন লিখক হিচাপেহে চিনাকী দিবলৈ ভাল পায় । ১৯৫০-৬০ৰ দশকৰ ভিতৰত লিখা লিখনিৰ বিষয়ে তেখেতে কৈছে – "তেতিয়া মই এনে এটা অদ্ভুত কৃত্ৰিম ভাষা লিখিছিলোঁ – যি ভাষাৰ মাজেদি ফুটি উঠিছিল মোৰ চৰিত্ৰ তথা ব্যক্তিত্বৰ দুৰ্বলতম দিশবোৰ । মই যদি জীৱনটো আৰম্ভণিৰে পৰা পুনৰ যাপন কৰিবলৈ সুযোগ পাওঁ, তেন্তে মই ১৯৫০-৬০ৰ দশকত কৰা আটাইবোৰ কাম আকৌ কৰিম, একমাত্ৰ এটা কামৰ বাহিৰে ।" (আত্মাঃ পৃ. ৪৩)

সামৰণি ঃ

ওপৰত বৰগোহাঞিৰ প্ৰবন্ধবাজিৰ বিষয়ে যি চমু আলোচনা আগবঢ়োৱা হ'ল - - সি একান্তভাবেই চিনাকী পৰ্বহে মাত্ৰ । সুধীজনে বিষয় বস্তুটি পুংখানুপুংখ বিশ্লেষণ কৰি এটি প্ৰবন্ধ অসমীয়া সাহিত্যলৈ আগবঢ়াই থৈ যোৱাৰ কামনাৰে আলোচনা সামৰা হ'ল । □□

হোমেন বৰগোহাঞিৰ সাংবাদিক জীৱন

উমেশ চেতিয়া

অসমৰ খ্যাতনামা সাংবাদিক, সাহিত্যিক হোমেন বৰগোহাঞিদেৱে সাহিত্য চৰ্চা কৰাৰ উপৰিও সাংবাদিকতাৰ সেৱাতো ব্ৰতী হৈ আহিছে। যোৱা প্ৰায় ডেৰ কুৰি বছৰ জুৰি অসমৰ সাহিত্য জগত আৰু সাংবাদিকতাৰ জগতত তেখেত এগৰাকী বিতৰ্কিত পুৰুষ বুলি জনাজাত। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত বৰগোহাঞিদেৱে "বিভিন্ন নৰক" নামৰ গল্প পুথি আৰু "সুবালা" নামৰ উপন্যাস লিখি দি এগৰাকী বিতৰ্কিত লেখক হিচাপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে, ঠিক সেই একেদৰেই সাংবাদিকতাৰ ক্ষেত্ৰতো তেওঁ এগৰাকী নিৰ্ভীক আৰু স্পষ্টবাদী সাংবাদিক হিচাপে অসমৰ সংবাদ জগতত্বো এগৰাকী প্ৰধান পুৰুষ হিচাপে প্ৰতিষ্ঠিত হৈছে।

এইখিনিতে বৰগোহাঞিদেৱৰ লগত মোৰ যোগ ব্যক্তিগত সান্নিধ্যৰ সম্পৰ্কে অলপ কৈ থব খুজিছোঁ। আমাৰ গাঁৱত এটা বাজহুৱা পুথিভঁৰাল আছিল। পুথিভঁৰালটোৰ নাম আছিল "প্ৰগতি পুথিভঁৰাল।" আমাৰ গাঁৱৰ এই পুথিভঁৰালটোত কেইবা হাজাৰো পুথি আছিল। তাৰ ভিতৰত ইংৰাজী আৰু অসমীয়া কিতাপৰ সংখ্যা আছিল সৰহ। মই হাইস্কুলীয়া জীৱনতেই এই পুথিভঁৰালটোৰ কিতাপবোৰ পঢ়িছিলোঁ। তেতিয়াই প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ "বিভিন্ন কোৰাচ" নামৰ গল্প পুথিখন পঢ়িবলৈ পাইছিলোঁ। তেখেতৰ গল্পকেইটিয়ে মোৰ কিশোৰ মনত বাৰুকৈয়ে বেখাপাত কৰিছিল। তাৰপাছত কলেজত পঢ়ি থকা কালছোৱাত তেখেতৰ বহু বিতৰ্কিত গল্পপুথি "বিভিন্ন নৰক" আৰু বিতৰ্কিত উপন্যাস "সুবালা" খন পঢ়িছিলোঁ। অৱশ্যে 'বিভিন্ন নৰক'ৰ গল্পবোৰ সেই সময়ৰ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ সম্পাদনাত প্ৰকাশ পোৱা 'সাপ্তাহিক নৱযুগ' আলোচনীত দুই এটি প্ৰকাশ পাইছিল। সেই গল্পবোৰ 'সাপ্তাহিক নৱযুগ' আলোচনী পাতত পঢ়িবলৈ পাইছিলোঁ। 'সুবালা' উপন্যাসখন একে উশাহতেই পঢ়ি শেষ কৰিছিলোঁ। এইবোৰ লিখনিৰ যোগেদিয়েই পোন প্ৰথম মোৰ বৰগোহাঞিদেৱৰ লগত পৰিচয় হৈছিল। তাৰ পাছত হোমেন বৰগোহাঞিদেৱৰ সুযোগ্য পিতৃ স্বৰ্গীয় ইন্দ্ৰ বৰগোহাঞিদেৱক

তেখেতৰ ঢকুৱাখনাৰ ঘৰতে ১৯৬৭ চনৰ কোনোবা এটা আবেলিত লগ ধৰিছিলোঁ। তেখেত অতি অধ্যয়নশীল লোক আছিল । ইন্দ্ৰধৰ বৰগোহাঞি দেউতাই তেতিয়া ঘৰৰ বাৰান্দাতে বহি ভট্টদেৱৰ 'কথা-গীতা'খন হাতত লৈ পঢ়ি আছিল । আমাৰ দুয়োৰে মাজৰ কথাৰ সূত্ৰপাত হৈছিল 'কথা-গীতা'খনক লৈয়েই । তাৰপাছত আমাৰ দুয়োৰে মাজত হোৱা আলোচনাই পাৰ ভাঙি বাগৰি গৈ অসমৰ সাহিত্য সংস্কৃতি, অসমৰ ৰাজনীতি, অৰ্থনীতি, উদ্যোগ আদি সকলো বিষয় সামৰি লৈছিলগৈ । সেই সময়ৰ অসম চৰকাৰৰ ভিতৰ চ'ৰাত চলি থকা দুৰ্নীতিৰ সম্পৰ্কেও আলোচনা চলিল; শেষত বৰগোহাঞি দেউতাই অসম প্ৰশাসনিক সেৱাৰ চাকৰি কৰি থকা তেখেতৰ পুত্ৰ হোমেন বৰগোহাঞিদেৱে চৰকাৰী চাকৰি ত্যাগ কৰি এখন বাতৰি কাকত (অৰ্থাৎ সাপ্তাহিক নীলাচল) উলিয়াবলৈ লোৱা সিদ্ধান্তৰ কথাও মোক অৱগত কৰিছিল । এনেদৰে হোমেন বৰগোহাঞিদেৱৰ সৈতে মোৰ সম্বন্ধই আৰু এখোপ আগুৱাই গৈছিল । দেউতাকৰ মুখেদিয়েই বৰগোহাঞিদেৱৰ সম্পৰ্কে বহুকথাই জানিব পাৰিছিলোঁ ।

১৯৬৮ চনৰ দুই অক্টোবৰত হোমেন বৰগোহাঞিদেৱে গুৱাহাটীৰ 'দত্ত বৰুৱা এণ্ড কোম্পানী' নামৰ প্ৰতিষ্ঠানটোৰ জৰিয়তে 'সাপ্তাহিক নীলাচল' কাকত সম্পাদনা কৰি পোন প্ৰথম প্ৰকাশ কৰি উলিয়ালে । 'নীলাচল' কাকতৰ ধেমাজীৰ প্ৰতিনিধি বা স্থানীয় সংবাদদাতা হিচাপে এই লেখককো সম্পাদক বৰগোহাঞিদেৱে নিযুক্তি দিয়ে। লগতে তেখেতৰ খোৰাক (কেইবাখনো গ্ৰন্থৰ লেখক) স্বৰ্গীয় ফণীধৰ বৰগোহাঞিদেৱেও 'নীলাচল' কাকতত ঢকুৱাখনাৰ পৰা সংবাদৰ যোগান ধৰিছিল। 'নীলাচল'ৰ যোগেদি ঢকুৱাখনা ধেমাজীৰ কেইবাজনো নতুন লেখকে আত্ম প্ৰকাশ কৰিবলৈ সুবিধা পাইছিল ; তেখেতসকলৰ ভিতৰত ঘিলামৰাৰ প্ৰগতিশীল লেখক শ্ৰীতোষেশ্বৰ চেতিয়া আৰু গোগামুখৰ শ্ৰীগণেশ পেগু অন্যতম আছিল । এই লেখকে 'সাপ্তাহিক নীলাচল'ৰ সংবাদদাতা হৈ থকা কালতেই বৰগোহাঞিদেৱৰ নিচেই ওচৰ চাপি যাবলৈ সুযোগ পাইছিলোঁ । চিঠি পত্ৰৰ আদান প্ৰদানৰ উপৰিও ব্যক্তিগতভাৱে গুৱাহাটীলৈ গৈ তেখেতৰ সৈতে ধেমাজী ঢকুৱাখনাৰ বিভিন্ন ৰাজনৈতিক আৰু সামাজিক সমস্যাৰাজি সম্পৰ্কেও আলোচনা কৰিছিলোঁ । তাৰপাছতো তেখেতে কিবা কাৰণত ধেমাজীলৈ আহিলে তেখেতক লগ ধৰি নানান বিষয়ৰ আলোচনা কৰিছিলোঁ । এনেদৰেই বৰগোহাঞিদেৱৰ সান্নিধ্য লাভ কৰি আনন্দ লাভ কৰিছিলোঁ। আৰু তেখেতৰ চিন্তা আৰু আদৰ্শই আমাক মোহিত কৰি পেলাইছিল । তেখেতে মোক ভাতৃপ্ৰতীম ব্যৱহাৰেৰে অনুগৃহীত কৰিছিল।

১৯৩২ চনত লখীমপুৰ জিলাৰ ঢকুৱাখনাত জন্মগ্ৰহণ কৰা হোমেন বৰগোহাঞিদেৱে ১৯৬৮ চনৰ ২ অক্টোবৰৰ পৰাহে সংবাদ জগতত প্ৰৱেশ কৰে ।

তাৰ আগতে বৰগোহাঞিদেৱে ১৯৫৫ চনৰ পৰা ১৯৬৮ চনলৈ অসম প্ৰশাসনিক সেৱাৰ চাকৰি ত্যাগ কৰাৰ পাছত ১৯৬৮ চনৰ ২ অক্টোবৰত গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা 'সাপ্তাহিক নীলাচল' কাকতৰ সম্পাদক হিচাপে যোগদান কৰে। অৱশ্যে তাৰ ভালেমান বছৰৰ আগতে কিছুদিন গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা আন এখন দৈনিক কাকতত ষ্টাফৰ এজন হিচাপে কাম কৰিছিল। তেখেতে কটন কলেজৰ পৰা বি. এ. পাছ কৰিছিল। তাৰপাছত তেখেতে কলিকতা বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত এম. এ. পঢ়িবলৈ যাবলৈ ওলাইছিল। কিন্তু তেখেতে কিবা অসুবিধাবশতঃ কলিকতাত পঢ়িবলৈ যাব নোৱাৰি কিছুদিন গুৱাহাটীতে থাকিব লগা হৈছিল। সেই সময়ছোৱাতে স্বৰ্গীয় দেবেন্দ্ৰ নাথ শৰ্মাই 'দৈনিক শান্তিদূত' নামৰ এখন নতুন কাকত উলিয়াইছিল। বৰগোহাঞিদেৱে এজন বন্ধুৰ সহায়ত এই কাকতত ষ্টাফৰ এজন সাংবাদিক হিচাপে কাম কৰিছিল। তেখেতে এই সম্পৰ্কে নিজেই কৈছে—'যথা সময়ত মই দৈনিক শান্তি-দূত'ত সাংবাদিক হিচাপে মই কৰ্মজীৱনৰ পাতনি মেলিলোঁ। মোক কোনো নিযুক্তি পত্ৰ দিয়া হোৱা নাছিল। মোৰ পদৱী কি আছিল সেই বিষয়েও মোৰ একো স্পষ্ট ধাৰণা নাছিল। গোহাঞিদেৱে সাতৰি কাকতত কাম কৰাৰ প্ৰথম অভিজ্ঞতা লাভ কৰে এই কাকতৰ জৰিয়তেই। অৱশ্যে তেখেতে এই কাকতত অতি কম সময়ৰ বাবেহে কাম কৰিবলৈ পালে।

হোমেন বৰগোহাঞিদেৱৰ সম্পাদনাত প্ৰকাশ পোৱা 'সাপ্তাহিক নীলাচল' কাকতে অসমত সাংবাদিকতাৰ ক্ষেত্ৰত এক যুগান্তৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। 'সাপ্তাহিক নীলাচলে' অসমত সুস্থ আৰু বলিষ্ঠ জনমত গঢ়াৰ ক্ষেত্ৰত এক শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল। সেই সময়ত এই কাকত হৈ পৰিছিল অসমৰ সৰ্ব সাময়িক ৰাজনৈতিক নেতা বুদ্ধিজীৱী, সচেতন নাগৰিক আৰু লেখক লেখিকাৰ এক উমৈহতীয়া মঞ্চ। শাসন খিল্পিত নেতাৰ পৰা আৰম্ভ কৰি বিৰোধীদলৰ নেতাসকলে সকলোৱে মুকলি মূৰীয়াকৈ এই কাকতৰ জৰিয়তে নিজ মতামত ব্যক্ত কৰিবলৈ সুবিধা পাইছিল। এনেবোৰ কাৰণতে সেই সময়ত 'সাপ্তাহিক নীলাচল' অসমত সৰ্বজন সমাদৃত হৈ পৰিছিল। আৰু এই কাকতে সৰ্বাধিক জনপ্ৰিয়তা লাভ কৰিছিল।

হোমেন বৰগোহাঞিদেৱে কাকতত কাম কৰাৰ আগতে অসম প্ৰশাসনিক সেৱাৰ চাকৰি কৰিছিল। এই কথা আমি আগতেই উল্লেখ কৰি আহিছোঁ। কিন্তু তেওঁ চৰকাৰী প্ৰশাসন যন্ত্ৰত চলি থকা দুৰ্নীতি সহ্য কৰিব নোৱাৰি তাৰ প্ৰতিবাদ কৰয়েই চৰকাৰী চাকৰি ত্যাগ কৰিছিল। সেয়েহে সংবাদ সেৱাৰ জৰিয়তে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াই তেওঁৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈ পৰিছিল। 'নীলাচল' কাকতৰ মুখ্য আৰু অন্যতম উদ্দেশ্য আছিল সম-সাময়িক অসম চৰকাৰৰ ভিতৰত বাত চলি থকা দুৰ্নীতিবোৰ উদঙাই দিয়া, অৰ্থাৎ দুৰ্নীতিৰ বিৰুদ্ধে বিৰামহীন যুঁজ দিয়াই 'নীলাচল'ৰ অন্যতম লক্ষ্য হৈ

পৰিছিল । প্ৰথম বছৰৰ প্ৰথম সংখ্যা সাপ্তাহিক 'নীলাচল'ৰ সম্পাদকীয় স্তম্ভ 'আমাৰ কথা'ত তেখেতে লিখিছিল — "সামাজিক অন্যায়ৰ বিৰুদ্ধে চলা বিৰামহীন যুদ্ধত দুখ স্বীকাৰৰ প্ৰতিযোগিতাৰ' কথা । 'সৰ্বপ্ৰকাৰৰ অসত্য আৰু অন্যায়ৰ, নৈতিক ভীৰুতাৰ আৰু ভণ্ডামিৰ স্বাৰ্থপৰতাৰ আৰু সমাজদ্ৰোহিতাৰ' স্বৰূপ উদঙাই দিয়াত কাকতখনৰ লক্ষ্য আৰু উদ্দেশ্য হৈ পৰিছিল । 'নীলাচল' কাকতে গণতন্ত্ৰ আৰু সমাজবাদৰ সৎপথ অনুসৰণ কৰিছিল । তেখেতে কৈছিল: 'আমি মনে প্ৰাণে গণতান্ত্ৰিক আদৰ্শ আৰু সমাজ ব্যৱস্থাত বিশ্বাস কৰোঁ ।'

তেখেতৰ সম্পাদনাত 'সাপ্তাহিক নীলাচলে' অসমত সৰ্বাধিক জনপ্ৰিয়তা লাভ কৰিছিল আৰু এই কাকত এখন প্ৰতিষ্ঠিত কাকত হিচাপে পৰিগণিত হৈ পৰিছিল । কাকতখন অসম তথা ভাৰতৰ চিন্তাশীল ব্যক্তি আৰু বুদ্ধিজীৱীসকলৰ মতামত আৰু বিতৰ্ক প্ৰকাশৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল । তেখেতে উল্লেখ কৰা "আমি আমাৰ কাকতক অসমৰ তথা ভাৰতৰ চিন্তাশীল বুদ্ধিজীৱীসকলৰ কুৰুক্ষেত্ৰৰ ৰণাঙ্গনত পৰিণত কৰিবলৈকো কুণ্ঠাবোধ নকৰোঁ" বোলা কথাষাৰ 'নীলাচল' কাকতত আখৰে আখৰে প্ৰতিফলিত হৈ পৰিছিল । সেই সময়ৰ অসমৰ চৰকাৰী আৰু জনগণৰ 'নীলাচল'খন যেন বাৰ্তাবাহকহে হৈ পৰিছিল ।

অসমৰ সম-সাময়িক ৰাজনীতিৰ পট পৰিৱৰ্তনত আৰু ৰাজনৈতিক নেতৃত্বৰ পৰিৱৰ্তনত 'সাপ্তাহিক নীলাচলে' বিশেষ ভূমিকা গ্ৰহণ কৰিছিল । সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ পৰা আৰম্ভ কৰি ক্ৰমে শৰৎ চন্দ্ৰ সিংহ আৰু আনকি হিতেশ্বৰ শইকীয়ালৈকে নেতৃত্বৰ পৰিৱৰ্তনত 'নীলাচল'ৰ বৰঙণি কম নাছিল ।

'নীলাচল'ৰ পাতত অসমৰ লেখক বুদ্ধিজীৱীসকল একেখন মঞ্চতে সমবেত হৈ পৰিছিল । তদুপৰি বৰগোহাঞি ডাঙৰীয়াৰ 'সাপ্তাহিক নীলাচলে' অসমত এচাম নতুন লেখক আৰু সাংবাদিকৰো জন্ম দিছিল । উদাহৰণস্বৰূপে উল্লেখ নকৰি নোৱাৰি যে এই লেখকো তাৰ ব্যতিক্ৰম নহয় । 'নীলাচল'ৰ পাতত সেই সময়ৰ অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু বৌদ্ধিক সমস্যা আদি আটাইবোৰ সমস্যাই ঠাই পাইছিল । চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষৰ মতামতবোৰ দম মত নিৰপেক্ষভাৱে প্ৰকাশ কৰা হৈছিল ।

'সাপ্তাহিক নীলাচল'ৰ সম্পাদক হিচাপে হোমেন বৰগোহাঞিদেৱে ভাৰতৰ সেই সময়ৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ তিনিবাৰকৈ সাক্ষাৎকাৰ লৈ 'নীলাচল'ৰ পাতত প্ৰকাশ কৰিছিল । ভাৰত গণৰাষ্ট্ৰৰ দৰে এখন বিশাল দেশৰ প্ৰধান মন্ত্ৰীৰ আচুতীয়া সাক্ষাৎকাৰ লোৱা তেঁৱেই বোধকৰোঁ অসমৰ কাকত সমূহৰ প্ৰথমজন সম্পাদক বুলি কব পাৰি ।

ভাৰতৰ চুকে-কোণে থকা কাকতবোৰত প্ৰকাশ পোৱা প্ৰতিটো সমস্যা আৰু

বিষয়ৰ ওপৰত চৰকাৰে মনোযোগ দিয়ে আৰু তাৰ মূল্যায়ন কৰে । বিশেষকৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰ প্ৰচাৰ বিভাগৰ মন্ত্ৰণালয়ত সেইবোৰৰ কাৰ্যকাৰিতা সম্পৰ্কে বিবেচনা কৰি চোৱা হয় । তাৰ ভিতৰত সম্পাদকীয় টোকাবোৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয় । 'সাপ্তাহিক নীলাচল'ৰ সম্পাদকীয় স্তম্ভবোৰৰ কথা মন কৰিবলগীয়া । তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য সম্পাদকীয় টোকা আছিল -- "ৰাজহুৱা কম্যযোগ", 'চোৰ আৰু কুকুৰ', 'লোভৰজন মানুহ', 'ভূগোল আৰু যুৱতী', আদি । এইবোৰ সম্পাদকীয় প্ৰবন্ধত বৰগোহাঞিদেৱে তাৎপৰ্যমান গুৰুত্বপূৰ্ণ বিষয়ৰ অৱতাৰণা কৰিছে ।

এইদৰেই বৰগোহাঞিদেৱে দত্ত বৰুৱা পৰিয়ালে প্ৰকাশ কৰা 'সাপ্তাহিক নীলাচল' কাকতত ১৯৬৮ চনৰ ২ অক্টোবৰৰ পৰা ১৯৭৭ চনৰ জুন মাহলৈকে সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল । অৱশ্যেহে তেখেতে এই কাকতৰ সম্পাদক পদৰ পৰা স্ব-ইচ্ছাই অব্যাহতি লয় ।

সাংবাদিকতা কৰা আৰু দূৰৰ পৰা কওঁতা একে কথা । সাংবাদিকতা কৰাটো অতি জটিল কৰ্ম । ইয়াৰ দ্বাৰাই তিতা, মিঠা আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতা লাভ কৰিব পাৰি ।

হোমেন বৰগোহাঞিদেৱে 'সাপ্তাহিক নীলাচল' কাকত সম্পাদনা কৰি থকা অৱস্থাতে কাকতখনত কিছুমান চৰকাৰী দুৰ্নীতিৰ কথা উলিওৱাই দাবি থকাৰ বাবে কাকতখনক কিছুদিনৰ বাবে চৰকাৰী বিজ্ঞাপনৰ পৰা বঞ্চিত কৰি ৰখা হৈছিল ; তেতিয়া 'সাপ্তাহিক নীলাচল'ৰ অংশীদাৰ আৰ, এন, দত্ত বৰুৱাই প্ৰেছ কাউন্সিলৰ ওচৰত অসম চৰকাৰৰ এনে মহিমতীয়া কাৰ্যৰ বাবে অভিযোগ দিয়ে । তেতিয়া প্ৰেছ কাউন্সিলে এই অভিযোগ তদন্ত কৰি অসম চৰকাৰক এনে ভুল বুজাবুজিবোৰ আঁতৰ কৰিবলৈ পৰামৰ্শ দিয়ে ; তেতিয়া চৰকাৰী পক্ষ আৰু 'নীলাচল' কাকতৰ কৰ্তৃপক্ষৰ মাজত আলোচনা চলে আৰু দুয়োপক্ষ বুজাপৰালৈ আহে । তাৰ পৰিপ্ৰেক্ষিতত এই সমস্যাটোৰ অন্ত পৰে । বাতৰি কাকতসমূহ এনেদৰেই বিভিন্ন সময়ত চৰকাৰৰ ৰোষত পৰিব লগা হয় । 'সাপ্তাহিক নীলাচলো' তাৰ ব্যতিক্ৰম নহয় ।

বৰগোহাঞিদেৱৰ সাংবাদিকতাৰ দ্বিতীয়টো ভাগ হ'ল 'সাপ্তাহিক নাগৰিক' বাতৰি কাকত । দত্ত বৰুৱা পৰিয়ালৰ লগত সামান্য মনোমালিন্য ঘটাত তেখেতে 'সাপ্তাহিক নীলাচল'ৰ সম্পাদকৰ পদ ইস্তফা দিয়ে । এই সময়খিনিত বৰগোহাঞিদেৱে কিছু বিষোৰত পৰিব লগা হৈছিল । কিন্তু ইতি সময়তে ভৱাহতিৰে এটা প্ৰেছৰ স্বত্বাধিকাৰী তেওঁৰ কাষ চাপিছিল এখন কাকত প্ৰকাশ কৰিবৰ বাবে আগবাঢ়ি আহিল ; আৰু এই কাকতখনৰ সম্পাদনাৰ দায়িত্ব বৰগোহাঞিদেৱে তাত্তাৰৰ ওপৰতেই ন্যস্ত কৰে । এই কাকতখনেই হ'ল 'সাপ্তাহিক নাগৰিক ।' ১৯৭৭ চনৰ ফেব্ৰুৱাৰীত হোমেন

বৰগোহাঞিদেৱৰ সম্পাদনাত প্ৰকাশ পালে 'সাপ্তাহিক নাগৰিক' কাকত ।

এই সময়তে ১৯৭৮ চনৰ পৰা অসমত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী খেদা আন্দোলনে গা কৰি উঠে । এই আন্দোলনত অসমবাসী অসমীয়া ৰাইজে অকুণ্ঠভাবে সমৰ্থন জনাইছিল । পৃথিৱীৰ ৰাজনীতিৰ এজন পুৰোধাব্যক্তি মেকিয়াভেলীয়ে কৈছিল যে জনসাধাৰণ আচলতে অজ্ঞলোক । জনসাধাৰণৰ দূৰদৰ্শিতা আৰু বিচাৰ বিশ্লেষণী ক্ষমতা নেথাকে । সেয়েহে জনসাধাৰণ ক্ষণিক উত্তেজনাত উটি ভাঁহি যায় । বিদেশী খেদা আন্দোলনত অসমীয়া ৰাইজে অনুসমৰ্থন আগবঢ়াইছিল । কিন্তু বুদ্ধিজীৱীৰ দাযিত্ব আৰু কৰ্ত্তব্য হৈছে তেওঁলোকে জনসাধাৰণৰ মাজতে থাকিলেও পানীতে থাকিলেও কচুপাতত পানী নলগাৰ দৰে সাময়িক বতাহত অন্ধভাৱে উটি ভাঁহি নাযায় । সমসাময়িক সমাজক সমালোচনা কৰি তাৰ দোষ ত্ৰুটিবোৰ আঙুলিযাই দি সুস্থ দিকনিৰ্দেশনা দিয়াটোৱেই প্ৰকৃত বুদ্ধিজীৱীৰ দায়িত্ব আৰু কৰ্ত্তব্য । সেই সময়ত ছাত্ৰ সন্থাৰ নেতৃত্বত অসম আন্দোলনে চূড়ান্ত ৰূপ ধাৰণ কৰিছিল । তেতিয়া বৰগোহাঞি ডাঙৰীয়াৰ 'নাগৰিকে' বৈজ্ঞানিক চিন্তা চৰ্চাৰে আন্দোলনৰ ফলশ্ৰুতি সম্পৰ্কে বিচাৰ বিশ্লেষণ কৰি এই আন্দোলনৰ দ্বাৰা যে অসমবাসী ৰাইজ লাভবান হ'ব নোৱাৰে তাৰ প্ৰতি সতৰ্কবাণী শুনাইছিল । এই আন্দোলনৰ বিপক্ষে 'নাগৰিকে' আৰম্ভণিৰে পৰাই মাত মাতি আহিছিল আৰু বাধাপ্ৰদানৰ বাবে চেষ্টা কৰিছিল । এই আন্দোলনৰ নেতিবাচক দিশটোৰ কথা 'নাগৰিকে' ৰাইজৰ আগত দাঙি ধৰিছিল ।

আন্দোলনৰ সময়ছোৱাত অসমৰ সমূহ প্ৰগতিশীল ব্যক্তি আৰু বাওঁপন্থী প্ৰগতিশীল ৰাজনৈতিক দলসমূহ এই আন্দোলনৰ ভৱিষ্যৎ সম্পৰ্কে সন্দিহান হৈ পৰিছিল আৰু তেওঁলোকে এই আন্দোলনৰ বিৰুদ্ধে মাত মাতি গৈছিল । সেই সময়ত অসমৰ আন আন বাতৰি কাকতসমূহে আৰু অসমৰে প্ৰায়বোৰ সোঁপন্থী বুদ্ধিজীৱীয়ে অসমৰ এই আন্দোলনত অন্ধভাৱে সমৰ্থন জনাইছিল । তেতিয়া এই আন্দোলনৰ বিৰোধিতা কৰা প্ৰগতিশীল বুদ্ধিজীৱী আৰু বাওঁপন্থী ৰাজনৈতিক দলসমূহৰ একমাত্ৰ মুখপত্ৰ স্বৰূপ হৈ পৰিছিল 'নাগৰিক' কাকত । আন্দোলনৰ দুৰ্ঘোৰ সমৰ্থকসকলে বাওঁৰ দাইৰ [illegible] সিচিনাকৈ 'নাগৰিক' কাকতৰ পেকেটবোৰ অসমৰ বিভিন্ন প্ৰান্তত জুই জ্বলাই ভস্মীভূত কৰিছিল । এই সম্পৰ্কত বৰগোহাঞিদেৱক আন্দোলনকাৰীসকলে নানান কৰ্কথনা কৰিছিল আৰু গঞ্জনা কৰিছিল । আনকি বৰগোহাঞিদেৱৰ প্ৰাণনাশৰো ভাবুকি দিছিল । তথাপি নিৰ্ভীক সাহসী আৰু স্পষ্টবাদী সাংবাদিক বৰগোহাঞিদেৱে তাৰ প্ৰতি ভ্ৰূক্ষেপ কৰা নাছিল । তেতিয়া এই কাকতৰ চাৰ্কোলেছন অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বৰ কম হৈছিল কিন্তু তাৰ বিপৰীতে বৰাক উপত্যকাত 'নাগৰিক'ৰ পঢ়ুৱৈৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল । অসমত সেই সময়ত 'নাগৰিক' কাকতে এমুঠি প্ৰগতিশীল ভাবধাৰাৰ লোকৰ মাজত সমাদৰ লাভ কৰিছিল ।

'নাগৰিক'ৰ সম্পাদক হিচাপে সাংবাদিক বৰগোহাঞি ডাঙৰীয়াই এই কালছোৱাত নানান বিপদৰ সন্মুখীন হ'ব লগা হৈছিল । তথাপি তেখেতে নিজৰ স্থিতিৰ পৰা অলপো বিচলিত হৈ পৰা নাছিল । ইয়েই সাংবাদিক হিচাপে বৰগোহাঞি ডাঙৰীয়াৰ সাহসিকতা আৰু নিৰ্ভীকতাৰ পৰিচয় দাঙি ধৰে । এখন বাতৰি কাকত উলিওৱা আৰু ক্ষুৰধাৰত বগোৱা একে কথা । বতাহতে হালি পৰা সহস্ৰজনৰ বিপৰীতে এখন কাকতৰ নিজস্ব সংপথত অবিচলিত হৈ নিজৰ স্থিতি ৰক্ষা কৰি ৰখাটো অতি কঠিন কাম । বৰগোহাঞিদেৱে এই কঠিন সময়ছোৱাৰ সম্পৰ্কে কৈছে— "এই আন্দোলনে আমাক দিছিল যেন সংকটৰ কষ্টি-শিলত নিজৰ মনুষ্যত্ব পৰীক্ষা কৰি চোৱাৰ সুযোগ । নিজৰ আদৰ্শৰ কাৰণে সমাজৰ সংখ্যাগৰিষ্ঠ মানুহৰ দ্বাৰা ঘৃণিত আৰু লাঞ্ছিত হোৱাৰ সুযোগ; ইবছেনৰ 'An enemy of the people' হোৱাৰ সুযোগ । সেই কাৰণে 'নাগৰিক' আমাৰ কাৰণে এখন বাতৰি কাকত নাছিল । ই আছিল মানৱিক মৰ্যাদা সম্পৰ্কে আমাৰ নিজস্ব আদৰ্শ আৰু ধাৰণাৰ এখন ঘোষণাপত্ৰ ; আমাৰ অহংকাৰ আৰু আত্মসন্মানবোধৰ প্ৰতীক ।

'নাগৰিকে' অসম আন্দোলনৰ জন্ম লগ্নৰ সময়তে জন্ম গ্ৰহণ কৰি ১৯৮১ চনৰ ১ জুন পৰ্যন্ত প্ৰায় চাৰিবছৰ কাল ধৰি অসম আন্দোলনৰ বিৰুদ্ধে মাত মাতি অবিৰতভাৱে সংগ্ৰাম কৰি গৈছিল । এই সময়ছোৱা আছিল অসম আন্দোলনৰ ভৰপক ।

তদুপৰি ১৯৭৫ চনৰ ২৬ জুনৰ পৰা তেতিয়াৰ ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে দেশত জৰুৰীকালীন অৱস্থাৰ সূচনা কৰিছিল ; গণতন্ত্ৰৰ মাত বন্ধ হৈ পৰিছিল। আনকি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি আখ্যা দিয়া সুস্থ জনমত গঠনৰ একমাত্ৰ আহিলা স্বৰূপ বাতৰি কাকতৰ মাত বন্ধ কৰা হৈছিল । বাতৰি কাকতৰ ওপৰত চেন্সৰশ্বিপ প্ৰয়োগ কৰা হৈছিল । বাতৰি কাকতবোৰৰ সম্পাদকীয় স্তম্ভ আৰু অন্যান্য স্তম্ভবোৰ কাটি কুটি নাইকিয়া কৰি পেলোৱা হৈছিল । সেই সময়ত শাসনাধিষ্ঠিত কংগ্ৰেছ দলে দেশত একছত্ৰী শাসন চলাইছিল আৰু ভাৰত গণতন্ত্ৰত একদলীয়তন্ত্ৰৰ শাসন চলাৰ দৰে হৈ পৰিছিল । অন্যান্য বিৰোধীদল সমূহৰে মাত বন্ধ কৰি দিয়া হৈছিল ।

তাৰপাছতেই সেই সময়ৰ শাসনাধিষ্ঠিত কংগ্ৰেছ চৰকাৰে এই জৰুৰী অৱস্থা প্ৰত্যাহাৰ কৰি ১৯৭৮ চনত দেশত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিলে । কিন্তু দেশখনৰ এচাম বুদ্ধিজীৱীক ধৰি সৰ্ব সাধাৰণ ৰাইজেও জৰুৰী অৱস্থাৰ দৰে এক গণতন্ত্ৰ বিৰোধী কাৰ্যক সমূলি ভাল নাপাইছিল । গণতন্ত্ৰ বিধ্বংসী এনে কাৰ্যৰ প্ৰতি জনসাধাৰণ সজাগ হৈ পৰিছিল । গতিকে কংগ্ৰেছ দলে কৰা এনে জঘন্যতম বেয়া কামৰ বাবে এই দলক যথোচিত প্ৰত্যুত্তৰ দিয়াৰ মানসেৰেই ১৯৭৮ চনৰ সাধাৰণ নিৰ্বাচনত ৰাইজে কংগ্ৰেছ দলক শাসনৰ গাদীৰ পৰা বিতাৰিত কৰি নৱগঠিত জনতাদলক ভাৰতৰ শাসনৰ গাদীত বহুৱালে । কংগ্ৰেছে নিজে কৰা বেয়া কামৰ বাবে প্ৰায়শ্চিত্ত খুব পাতি লবলগা হ'ল ।

কংগ্ৰেছ দলৰ বিপৰ্যয় ঘটিল ।

এই নিৰ্বাচনৰ আগে আগে 'নাগৰিক' কাকতৰ সম্পাদক হিচাপে বৰগোহাঞি ডাঙৰীয়াই কেইটামান অতি উল্লেখযোগ্য সম্পাদকীয় প্ৰবন্ধ লিখিছিল । ত্যাৰ ভিতৰত উল্লেখযোগ্য আছিল — 'গণতন্ত্ৰ দিৱসৰ চিন্তা', 'ৰাজনীতি আৰু নৈতিকতা' (২ ফে. ১৯৭৮) ; পাপৰ প্ৰায়চিত্ত (৯ ফে. ১৯৭৮) ; 'আগন্তুক নিৰ্বাচনত ৰাইজৰ কৰ্তব্য'; (২৩ ফে. ১৯৭৮) ইত্যাদি । বৰগোহাঞিদেৱৰ উল্লেখিত সম্পাদকীয় স্তম্ভবোৰে ১৯৭৮ চনৰ সাধাৰণ নিৰ্বাচনত ভোটদাতা ৰাইজৰ মনত বাৰুকৈয়ে ৰেখাপাত কৰিছিল আৰু সেইবোৰে ১৯৭৮ চনৰ নিৰ্বাচনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল । বৰগোহাঞি ডাঙৰীয়াই ইংলণ্ডৰ বিখ্যাত এগৰাকী পণ্ডিত জন ৰেলছুলীয়ে ১৭৪৮ চনত কোৱা এফাকি কথাৰ উল্লেখ কৰিছিল এইদৰে — "ভোট দিবৰ সময়ত এনেভাৱে চিন্তা কৰি ভোট দিবা যেন গোটেই নিৰ্বাচনটো তোমাৰ সেই এটা মাত্ৰ ভোটৰ ওপৰতে নিৰ্ভৰ কৰিছে আৰু গোটেই পাৰ্লিয়ামেণ্টৰ (আৰু লগতে জাতিটোৰো) ভাগ্য নিৰ্ভৰ কৰিছে। তুমি সমৰ্থন কৰিবলৈ ঠিক কৰা সেই একেজন মানুহৰ ওপৰত ।" ("— আগন্তুক নিৰ্বাচনত ৰাইজৰ কৰ্তব্য")

তদুপৰি বৰগোহাঞিদেৱে ১৯৭১ চনৰ অসমৰ লোকপিয়লৰ ওপৰত 'নাগৰিক'ত ২৭ নৱেম্বৰ ১১ ডিচেম্বৰ (১৯৮০)ত লিখা 'যুক্তি, তথ্য আৰু সংখ্যা' নামৰ দীঘলীয়া সম্পাদকীয় টোকাটোত অসমত ঘটা বিদেশী প্ৰব্ৰজন আৰু খিলঞ্জীয়া অসমীয়া লোকৰ ভৱিষ্যৎ সম্পৰ্কে এক সুন্দৰ বিশ্লেষণ দাঙি ধৰিছিল ।

বৰগোহাঞিদেৱে 'সাপ্তাহিক নাগৰিক' কাকতত সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকোঁতে এই কাকতৰ বিৰুদ্ধেও প্ৰেছ কাউন্সিলৰ ওচৰত এক অভিযোগ দিয়া হৈছিল । এই অভিযোগ দিছিল সেই সময়ৰ তেজপুৰৰ সাংসদ পূৰ্ণনাৰায়ণ সিংহদেৱে। 'নাগৰিক' কাকতত ১৯৭৯ চনৰ ৪ অক্টোবৰ তাৰিখে তেজপুৰৰ নগাঁই আৰু ইছবিল চাহবাগিচা সম্পৰ্কে এটি প্ৰবন্ধ প্ৰকাশ পাইছিল । এই প্ৰবন্ধটোত সাংসদ পূৰ্ণ নাৰায়ণ সিংহকো জড়িত কৰি কিছু কথা প্ৰকাশ পাইছিল । তেতিয়া সিংহদেৱে টাইপ কৰা ৭ পৃষ্ঠাজুৰা এটি প্ৰতিবাদ টোকা কাকতখনত স্পষ্টীকৰণ হিচাপে প্ৰকাশ কৰিবলৈ পঠাইছিল। সম্পাদক বৰগোহাঞিদেৱে ঠাইৰ অভাৱত উক্ত প্ৰতিবাদ টোকাটো অলপ চমুকৈ ২৫ অক্টোবৰৰ (১৯৭৯ চন) সংখ্যাত প্ৰকাশ কৰে । তেতিয়া সিংহই টোকাটোৰ কিছু অংশ বাদ দিয়াত কাকতখনৰ ওপৰত প্ৰেছ কাউন্সিলৰ ওচৰত অভিযোগ দিছিল । প্ৰেছ কাউন্সিলে অভিযোগৰ তদন্ত কৰি চাই দেখে যে টোকাটোত কোনো গুৰুত্বপূৰ্ণ কথা বাদ দিয়া হোৱা নাই ; আৰু ইমান দীঘলীয়া টোকা এখন সৰু কাকতত প্ৰকাশ কৰাটো সম্ভৱ নহয় বুলি মত প্ৰকাশ কৰে ; আৰু সম্পাদকে দীঘলীয়া চিঠিখন চমুৱাব অধিকাৰ আছে বুলি ৰায় দিয়ে ।

এনেদৰেই বৰগোহাঞিদেৱে 'নাগৰিক' কাকতৰ সম্পাদক হিচাপে ১৯৭৮ চনৰ চেপ্তেম্বৰৰ পৰা ১৯৮১ চনৰ ১ জুন পৰ্যন্ত থাকি 'নাগৰিক'ৰ যোগেদি এগৰাকী স্পষ্টবাদী নিৰ্ভীক আৰু সাহসী সাংবাদিক হিচাপে পৰিচয় দি গ'ল।

পশ্চিমবংগৰ এগৰাকী সাংবাদিক সাহিত্যিক বুদ্ধিজীৱী হ'ল গৌৰকিশোৰ ঘোষ। তেখেতে ১৯৮১ চনৰ ৫ মাৰ্চত কলিকতাৰ পৰা 'আজকাল' নামৰ এখন বাঙালী পৰ্যায়ৰ বাতৰি কাকত সম্পাদনা কৰি প্ৰকাশ কৰে। এই কাকতত কাম কৰিবৰ বাবে হোমেন বৰগোহাঞিদেৱক গৌৰকিশোৰ ঘোষে ৰবকৈ ধৰি আছিল। 'আজকাল'ৰ প্ৰকাশক আছিল প্ৰতাপ কুমাৰ ৰয়। গৌৰকিশোৰ ঘোষৰ নেৰানেপেৰা অনুৰোধ এৰাব নোৱাৰি ১৯৮১ চনৰ ২ জুন তাৰিখে তেখেতে 'আজকাল' কাকতৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিনিধি হিচাপে যোগদান কৰে। এই কাকতত তেখেতে ভালেকেইবছৰলৈকে সাংবাদিকতা কৰিছিল। তেখেতে বঙালী ভাষাতে এই কাকতত লিখা সমীক্ষা আৰু নিবন্ধবোৰ পঢ়ি বঙালী সাহিত্যিক সমাজ আচৰিত হৈছিল। বৰগোহাঞিদেৱৰ বাংলা গদ্যশৈলীত মুগ্ধ হৈ বিখ্যাত বঙালী সাহিত্যিক ড° কেয়া গুপ্তাই কৈছিল "আপোনাৰ বাংলা গদ্যই আমাক বিশেষভাৱে মুগ্ধ কৰিছে। আপোনাৰ বাংলা গদ্য খুব পৰিপাটি নিৰ্মেদ আৰু মিতবাক। আপোনাৰ বাংলো গদ্যত আমি এটা নতুন সোৱাদ পাইছো।" বৰগোহাঞিদেৱে প্ৰায় দহবছৰ (১৯৮১-১৯৯১) 'আজকাল' কাকতত সংবাদসেৱা কৰিছিল।

বৰগোহাঞিদেৱে মাজতে 'সমকাল' নামৰ সাহিত্য সংস্কৃতিমূলক আলোচনীখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। এইখন আলোচনীত গল্প, উপন্যাস, প্ৰবন্ধ, কবিতা, সাময়িক সমীক্ষা আদি প্ৰকাশ পাইছিল। আলোচনীখন কিছু বছৰ জীয়াই আছিল। এইখন আলোচনীয়েও অসমত এচাম নতুন লেখক লেখিকাৰ সৃষ্টি কৰিছিল।

তদুপৰি তেখেতে 'সাপ্তাহিক নীলাচল' কাকতত সম্পাদকৰ দায়িত্ব বহন কৰি থকাৰ সময়তে শেষৰফালে 'কিশোৰ' নামৰ এখন শিশু আলোচনী সম্পাদনা কৰি প্ৰকাশ কৰিছিল। এইখন আলোচনীয়ে অসমত এচাম কিশোৰ লেখক-লেখিকাক সাহিত্য চৰ্চাৰ প্ৰতি উৎসাহ যোগাইছিল। বৰগোহাঞিদেৱৰ এক অন্যতম বৈশিষ্ট্য হৈছে তেখেতে অসমৰ নতুন পুৰুষ অৰ্থাৎ ছাত্ৰ ছাত্ৰীসকলৰ সদায় উৎসাহ উদ্দীপনা আৰু পৰামৰ্শ দি আহিছিল। বহুতো ছাত্ৰ-ছাত্ৰীয়ে তেখেতলৈ নানান চিঠি পত্ৰ লিখি ব্যক্তিগতভাৱে বৰগোহাঞিদেৱৰ পৰা পৰামৰ্শ বিচাৰিছিল। তেখেতৰ পৰামৰ্শ লাভ কৰি বহুতো যুৱক-যুৱতী জীৱনত উপকৃত হৈছিল। এইখিনি তেখেতে তেখেতৰ আত্মজীৱনী "মুহূৰ্ত আৰু মহাকাল"ত উল্লেখ কৰিছে। এইবোৰ চিঠি পত্ৰই বৰগোহাঞিদেৱৰ নতুন প্ৰজন্মৰ প্ৰতি থকা স্নেহৰ নিদৰ্শন দাঙি ধৰে।

প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ বৰপুত্ৰ দেবব্ৰত শইকীয়াই গুৱাহাটীৰ সৰুমটৰীয়াত এটা প্ৰেছ প্ৰতিষ্ঠা কৰিছিল । সেই প্ৰেছৰ পৰা ৰাজশ্ৰী পাব্লিকেছনে 'সূত্ৰধাৰ' নামৰ এখন সাহিত্য সংস্কৃতিমূলক আলোচনী মাহেকীয়া আলোচনী প্ৰকাশ কৰিছিল । এই সাহিত্য সংস্কৃতিমূলক আলোচনীখনৰ সম্পাদনাৰ দায়িত্বও আছিল হোমেন বৰগোহাঞিৰ ১৯৮৯ চনৰ পৰা ১৯৯২ চনলৈ । প্ৰায় চাৰিবছৰ কাল তেখেতে এই আলোচনীখনৰ সম্পাদনা কৰিছিল । "অসমীয়া বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস" নামৰ গ্ৰন্থত মুনীন বায়নে উল্লেখ কৰিছে – "হোমেন বৰগোহাঞিৰ সম্পাদনাত 'সূত্ৰধাৰ' নামৰ অধুনালুপ্ত আলোচনীতো সাহিত্য চৰ্চাৰ এক ধাৰা পৰিলক্ষিত হৈছিল ।" আলোচনীখনত গল্প, উপন্যাস, চিন্তা গধুৰ প্ৰবন্ধ কবিতা, সাময়িক সমীক্ষা আদি প্ৰকাশ পাইছিল । অসমৰ এচাম লেখক - বুদ্ধিজীৱীও এই আলোচনীখনৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল ।

১৯৫৫ চনতে প্ৰকাশিত ট্ৰিবিউন গোষ্ঠীৰ দ্বাৰা অসমৰ উল্লেখযোগ্য 'সাপ্তাহিত কাকত' 'অসম বাণী'ৰ সম্পাদক হিচাপে বৰগোহাঞিদেৱে ১৯৯২ চনত যোগদান কৰি কেইবা বছৰো এই কাকতখন চলায় । হোমেন বৰগোহাঞিদেৱে এই কাকতখনক এক ব্যতিক্ৰম ধৰ্মী কাকত হিচাপে গঢ় দিবলৈ চেষ্টা কৰিছিল । 'অসম বাণী'য়ে সেই সময়ছোৱাত সেই সময়ৰ চৰকাৰখনৰ ত্ৰুটি বিচ্যুতিসমূহ নিৰ্ভীকভাৱে উদঙাই ধৰিছিল ।

অলপতে যোৱা কেইবছৰমানৰ পৰা জি. এল. পাব্লিকেছনে প্ৰকাশ কৰি উলিওৱা 'আমাৰ অসম' নামৰ দৈনিক অসমীয়া কাকতখনৰ প্ৰথম সম্পাদক হিচাপে যোগদান কৰি বৰ্তমানেও এই কাকত সম্পাদনাৰ দায়িত্ব বহন কৰি আছে । তেখেতৰ সম্পাদনাত "আমাৰ অসমে" এখন বহুল প্ৰচাৰিত দৈনিক অসমীয়া কাকত হিচাপে পঢ়ুৱৈৰ মাজত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰা দেখা গৈছিল ।

এগৰাকী বিতৰ্কিত লেখক আৰু নিৰ্ভীক স্পষ্টবাদী সাংবাদিক হিচাপে হোমেন বৰগোহাঞিদেৱে যিখন বাতৰি কাকত বা আলোচনীতে সম্পাদক হিচাপে যোগদান কৰিছে সেই আটাইবোৰ কাকত আলোচনীয়েই অসমৰ পঢ়ুৱৈৰ সমাজত অধিক জনপ্ৰিয় হৈ পৰা পৰিলক্ষিত হৈছে । ইয়েই বৰগোহাঞিদেৱৰ বৌদ্ধিক জ্ঞান আৰু প্ৰতিভাৰ পৰিচয় দাঙি ধৰে ।

বাতৰি কাকতৰ মহত্ত্ব সম্পৰ্কে আকবৰ এলাহাবাদীয়ে এষাৰ গুৰুত্বপূৰ্ণ কথা কৈছিল । তেওঁ কৈছিল "কামান নুফুটাবা, তৰোৱাল নুলিয়াবা । যেতিয়া কিহবাৰ সন্মুখীন হ'ব লাগে, তেতিয়া বাতৰি কাকত উলিওৱা ।" আৰু এগৰাকী বুদ্ধিজীৱীয়ে কৈছিল - –"বায়ু বিক্ৰী কৰি দিব, আকাশ বিক্ৰী কৰি দিব, মাটি বিক্ৰী কৰি দিব, বতাহ বিক্ৰী কৰি দিব । কলমৰ সৈনিক যদি নিদ্ৰা যায়, তেন্তে কোনোবাই আমাৰ এই দেশখনকে বিক্ৰী

কৰি দিব ।”

এনেবোৰ বাণীৰ কথা বৰগোহাঁইদেৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল বাবেই অসম প্ৰশাসনিক সেৱাৰ গুৰুত্বপূৰ্ণ চাকৰি বিসৰ্জন দি সমাজ তথা জাতিৰ সেৱাত উৎসৰ্গীকৃত হৈ ওৰেটো জীৱন কাকত আলোচনীৰ লগত জড়িত হৈ সাংবাদিকতাৰ সেৱা আগবঢ়াই আছিল । এজন 'কলমৰ সৈনিক' হৈ নিজৰ দেশ আৰু দেশৰ মাটিক সুৰক্ষা দিবৰ বাবে নিজৰ কলম অব্যাহত ৰাখিছে । সাংবাদিকতাক এক মিচন হিচাপে গ্ৰহণ কৰিছে । তেখেতৰ কলম অব্যাহত হৈ ৰওক । তেখেতৰ অনাগত ভৱিষ্যতৰ দিনবোৰত আৰু সুন্দৰ সুন্দৰ ফচল ফুলি উঠক । বৰগোহাঁইদেৱলৈ শ্ৰদ্ধা আৰু শুভেচ্ছা জনাই এই চমু প্ৰবন্ধৰ সামৰণি মাৰিলোঁ । ❑❑

শিশু-সাহিত্য আৰু হোমেন বৰগোহাঞি

— আখ্‌তাৰুল ইছলাম

(এক)

শিশুৰ বুদ্ধিবৃত্তি আৰু ৰুচিৰ বিকাশত উপযোগী সাহিত্যই বিশেষ সহায় কৰে আৰু সাহিত্য-স্পৃহা জগাই তুলি উচ্চ-সাহিত্য সৃষ্টিৰ বীজ ৰোপণ কৰে। শিশুৰ বয়সৰ লগে লগে বিকশিত হোৱা বুদ্ধি-বৃত্তি আৰু ভাব-চিন্তাৰ লগত খাপ খোৱা সাহিত্যৰ যোগান ধৰিব পাৰিলে শিশুৰ মানসিক উন্নতি সহজ ভাবে আৰু দ্রুতগতিত সম্পন্ন হয়। কাৰণ শৈশৱকাল ডোখৰতে বিশ্বৰ জটিলতাৰ পৰা সাত যোজন দূৰত্বৰ অৱস্থান কৰা শিশুসকল মূলতঃ নিষ্পাপ আৰু নির্মল হৈ থাকে। শিশুৰ মানসিক বিকাশত সহায় কৰা দয়া, মৰম, সহানুভূতি, কল্পনা আদি সুকুমাৰ বৃত্তিবোৰৰ উৎকর্ষ সাধন কৰা, অনুসন্ধিৎসা বৃদ্ধি কৰা, আত্মকেন্দ্রিক স্তৰৰ পৰা সামাজিক ভাব-চিন্তাৰ অৱস্থালৈ উন্নীত কৰা, শৃঙ্খলাবোধ গঢ়ি তোলাত সহায় কৰা, পৰনির্ভৰশীল অৱস্থাৰ পৰা আত্মনির্ভৰশীল হোৱাত সহায় কৰা, সৌন্দর্যবোধৰ উন্মেষ কৰা, সুনাগৰিকত্বৰ বীজ ৰোপণ কৰা, বয়স অনুসৰি প্রকৃতিতত্ত্বৰ ধাৰণাৰ আভাস দিয়া শিশু সাহিত্যৰ প্রধান উদ্দেশ্য আৰু আদর্শ হোৱা উচিত বুলি সত্যেন্দ্রনাথ শর্মাদেৱে উল্লেখ কৰিছে।

অসমীয়া শিশু সাহিত্যৰ উৎসৰ পম খেদি মৌখিক যুগৰ সাহিত্যলৈ উভতি চাব পাৰি। বিভিন্ন ধৰণৰ সাধুকথা, লোককথা আৰু গীত-মাতৰ মাজেৰে শিশুৰ মনোৰঞ্জনৰ উপৰিও চিন্তাৰ বিকাশত এনে সাহিত্যই কমকৈ হ'লেও খোৰাক যোগাইছে। লিখিত সাহিত্যৰ ধাৰাবাহিক ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে অসমীয়া বৈষ্ণৱ সাহিত্যই পোন প্রথমে শিশুপযোগী সাহিত্য ৰচনাৰ প্রৱণতা গা কৰি উঠে। শিশুৰ মনোজগতত নির্দোষ ধেমালীৰ ছলেৰে মহানতাৰ স্বাক্ষৰ প্রদান কৰাত পৌৰাণিক কবি সকলে কৃতিত্বৰ পৰিচয় দিছে। আধুনিক যুগত অসমীয়া সাহিত্যৰ অন্যান্য দিশৰ লগত সংগতি ৰাখি শিশু সাহিত্যও বিকশিত হ'বলৈ লয়। অৰুণোদয় কাকত খোলাটোৱে এই দিশত ধলাতত্ত্বৰ বাট কাটি দিলেও সেই বাটেদি 'জোনাকী'ৰ শিশু সাহিত্যই পত্রে পুষ্পে বিকশিত হৈ উঠে। এই সময়ছোৱালৈকে অসমীয়া শিশু-সাহিত্যত বিবোৰ বিষয়বস্তুৱে আটাইতকৈ

বেছি ক্ষেত্ৰজুৰি বিস্তৃত আছিল সেয়া হ'ল সাধুকথা । সাধুকথাৰ মাজেদি নৈতিক শিক্ষা দিয়াৰ প্ৰৱণতা যিমানেই নাথাকক কিয়, শিশু মন সদায় কল্পনাপ্ৰিয় । বিশ্বৰ এক প্ৰান্তৰ পৰা অন্য প্ৰান্তলৈ শিশু-চৰিত্ৰৰ বৰ বেছি পাৰ্থক্য বিচাৰি পোৱা নাযায় । সেয়ে এই সময়ছোৱাত অসমীয়া শিশু-সাহিত্যিকে অকল পৌৰাণিক আখ্যানৰ পৰাই নহয়, দেশ-বিদেশৰ নানা সাধু নিজৰ ভাষাত প্ৰকাশ কৰি শিশু সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে ।

অসমীয়া শিশু-সাহিত্যৰ অন্যতম এটি ঠাল হৈছে কবিতা বা পদ্য । অৰুণোদয় যুগৰ পৰা বিভিন্ন কাকত-পত্ৰ বা ব্যক্তিগত উদ্যোগতো অনেক শিশুপাঠ্য কবিতা ৰচনা হৈয়ে আছে । ছন্দোবদ্ধ এনে ৰচনাবে শিশুৰ মনোজগতত এক যাদুকৰী প্ৰক্ৰিয়াৰ সূচনাৰ মাজেৰে শিশুৰ কৌতূহল নিবৃত্তিৰ প্ৰয়াস কৰা হৈছে । এনে কিছু কবি আৰু কবিতাৰ ভিতৰত উল্লেখযোগ্য নাম হ'ল জোনাকীৰ অন্যতম প্ৰতিষ্ঠাতা চন্দ্ৰকুমাৰ আগৰৱালা (আদিপাঠ, কোমল পাঠ), [illegible] হাজৰিকা ([illegible] মালিনী), যতীন্দ্ৰনাথ দুৱৰা (কেকা আৰু নাতি [illegible]), [illegible], অতুল চন্দ্ৰ হাজৰিকা (আবেলুৰ নাতি, মানিকী মধুৰী, [illegible]), [illegible] আগৰৱালা (তুম্বুৰ সপোন, [illegible] পোহালী, [illegible]), [illegible] (জোনাকৰ মাত, কুঁহিপাতৰ বাঁহী), নৱকান্ত বৰুৱা ([illegible]), [illegible] প্ৰভা বৰদলৈ (অসমীয়া ওমলা গীত), [illegible] চন্দ্ৰ [illegible] ([illegible]), [illegible] অৰুণ দে) হীৰেণ ভট্টাচাৰ্য (লৰা খেমালি), এদি আহমেদ ([illegible]) ইত্যাদি ।

নাটকৰ ক্ষেত্ৰতো আধুনিক অসমীয়া শিশু সাহিত্যৰ ভঁৰাল টনকিয়াল হৈ আছে । বিশেষকৈ গীতি-নাট্য সমূহে শিশুৰ মনোজগতত খলকনি তুলি সাংস্কৃতিক চেতনা সম্পন্ন কৰি গঢ় দিয়াত বিশেষ সফলতা দাবী কৰিব পাৰে । আধুনিক কালত কীৰ্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈৰ 'লুইত কোঁৱৰ', 'বাসন্তিৰ অভিষেক' আৰু 'সূৰ্য বিজয়' উল্লেখযোগ্য কীৰ্তি । তাৰোপৰি পদ্মধৰ চলিহা (কেনে মজা), আনন্দ চন্দ্ৰ বৰুৱা (কপৌ কুঁৱৰী), কমলাধৰ বৰুৱা (প্ৰজাপতি), পাৰ্বতীপ্ৰসাদ বৰুৱা (সোণৰ সোলেং), জ্যোতিপ্ৰসাদ আগৰৱালা (নিমাতী কইনা), নৱকান্ত বৰুৱা (মই টুনীয়ে টুন টুনাওঁ), নিৰ্মল প্ৰভা বৰদলৈ (ৰজা, বন্ধু), প্ৰসন্নলাল চৌধুৰী (অপেশ্বৰী), অতুল চন্দ্ৰ হাজৰিকা (ছেৱহাহ), লক্ষ্যধৰ চৌধুৰী (একলব্য), অৰুণ শৰ্মা (পোহৰ) ভবেন্দ্ৰ নাথ শইকীয়া (শোভ-শিং কট্ট-পুট্ট মহা দুষ্ট), পৰমানন্দ ৰাজবংশী (আমি ব'দালি জিলিমিলি), [illegible] চন্দ্ৰ দাস (ভাৱলগ) উল্লেখযোগ্য সৃষ্টি ।

আধুনিক অসমীয়া শিশু সাহিত্যৰ এটা উল্লেখযোগ্য দিশ জুৰি বিয়পি আছে জীৱনী সাহিত্য । জীৱনী সাহিত্যই প্ৰকৃতাৰ্থত শিশুৰ ভৱিষ্যত জীৱন গঢ়

দিয়াৰ বাবে যোগ্য মাধ্যম । অসমীয়া সাহিত্যৰ এই দিশটোৰ প্ৰতি বহুকেইজন সাহিত্যিকে তীক্ষ্ণ নজৰ ৰাখিছে । অসমীয়া সাহিত্যত মহাদেৱ শৰ্মাৰ পৰা ক্ৰমে নলিনীবালা দেৱী, সূৰ্য্যকুমাৰ ভূঞা, অতুল চন্দ্ৰ হাজৰিকা, গোপীনাথ বৰদলৈ, কমলেশ্বৰ চলিহা, হৰেন্দ্ৰ নাথ শৰ্মা, জীৱন চন্দ্ৰ বৰুৱা, সতীশ চন্দ্ৰ কাকতি, বীৰেণ বৰকটকী, বেণুধৰ শৰ্মা, নীলিমা দত্ত, মফিদা আহমেদ, লীলা গগৈ, ড° প্ৰফুল্ল কটকী, যোগেন্দ্ৰ নাৰায়ণ ভূঞা, এম. আব্দুল মজিদ খান, কুমুদ কুমাৰ দত্ত, ইছমাইল হোছেইন, হৃষীকেশ গোস্বামীকে ধৰি বহু কেইজন সাহিত্যিকে অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াই থৈছে । শিশু উপন্যাসৰ ভিতৰত হৰগোবিন্দ শৰ্মা (পাতালপুৰী), যোগেন শৰ্মা (সুৰুজ উঠা দেশৰ পিনে), শুক্ৰেশ্বৰ বৰা (মায়ামতী), প্ৰেমনাৰায়ণ দত্তৰ (পাহৰৰ বাটত), লক্ষ্মীনাথ ফুকন (বাপুকণ), নীলিমা দত্ত (মই আৰু আমি), শুচিব্ৰতা ৰায়চৌধুৰী (সুন্দৰৰ দেশ), ৰাধিকা মোহন ভাগৱতী (এজন ৰজা আছিল) বন্দিতা ফুকন (জুলি-ৰীমা সিহঁত, বন্ধৰ দিনত, অকণিহঁত, সিঁহতে খেলিছিল, সোণটিৰ দিনবোৰ, সুন্দৰপুৰত সোণটি) ইত্যাদি উল্লেখযোগ্য পুথি । শিশু উপযোগী বিজ্ঞানপুথি আৰু বিজ্ঞানভিত্তিক উপন্যাসো কম ৰচনা হোৱা নাই । সুৰেন্দ্ৰ নাথ মেধিৰ 'তৰঙ্গ জগত', ড' ভূবন মোহন দাসৰ 'মানুহ', শ্যামা প্ৰসাদ শৰ্মা 'প্ৰাথমিক বিজ্ঞান', প্ৰফুল্ল ডেকাৰ 'কি কিয় কেনেকৈ' চাকিল্ল জামানৰ 'দহগৰাকী বিজ্ঞানী' অসমীয়া শিশু সাহিত্যলৈ বাছকবনীয়া অৱদান ।

অসমীয়া শিশু সাহিত্যক গতিশীল কৰি তোলাত আলোচনী, সাময়িকী আৰু বাতৰি কাকতৰ শিশু শিতানসমূহেও যথেষ্ট বৰঙণি যোগাইছে । কৰুণাভিৰাম বৰুৱাৰ 'লৰা বন্ধু' (১৯৮৮), হেমচন্দ্ৰ গোস্বামীৰ 'অৰুণ' (১৯১৬); মহাদেৱ শৰ্মাৰ 'অৰুণ' (১৯২৬), তুলসী নাৰায়ণ শৰ্মাৰ 'আমাৰ দেশ' (১৯৩১), হীৰেন্দ্ৰনাথ শৰ্মাৰ 'পখিলা' (১৯৩৩), বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'ৰংঘৰ' (১৯৪৮), দীননাথ শৰ্মাৰ 'পাৰিজাত' (১৯৪০), এম ইব্ৰাহীম আলিৰ 'কাচিজোন' (১৯৫১), গৌৰীকান্ত তালুকদাৰৰ 'দীপক' (১৯৫৪), নৱকান্ত বৰুৱাৰ 'জোনবাই' (১৯৬১-৬৬), হোমেন বৰগোহাঞিৰ 'কাকলি' (১৯৭২), আৰু কিশোৰ (১৯৯২), সূৰ্যকুমাৰ ভূঞাৰ 'মইনা' (১৯৭৯), প্ৰীতি বৰুৱাৰ 'আকাশ' (১৯৭৯), ভবেন্দ্ৰনাথ শইকীয়াৰ 'সঁফুৰা' (১৯৮৩), কুমুদ গোস্বামীৰ 'মুকুতা' (১৯৮৭-৯৫), ৰমেন শইকীয়াৰ 'অকণিৰ অগ্ৰদূত' আদি আলোচনীৰ লগতে প্ৰায় প্ৰতিটো বাতৰি কাকতৰ শিশু শিতানসমূহ শিশু সাহিত্যৰ অক্ষয় ভঁৰালৰূপে চিহ্নিত ।

(দুই)

অসমীয়া শিশু-সাহিত্যৰ এনে এক গতিময়তাত যিজন সাহিত্যিকে এক ব্যতিক্ৰমী

চিন্তা আৰু প্ৰতিভাৰে শিশুৰ মনোজগতত নিভৃতে সোমাই শিশুৰ বৌদ্ধিক উত্তৰণ সচেষ্ট প্ৰয়াস কৰিছে সেইজন হ'ল হোমেন বৰগোহাঞি । প্ৰায় ৪০ খনৰো অধিক উপন্যাস, গল্প, কবিতা, প্ৰবন্ধ পুথিৰ ৰচনা হোমেন বৰগোহাঞি সাম্প্ৰতিক কালৰ এজন বহুচৰ্চিত সাহিত্যিক । প্ৰশাসনীয় সেৱাৰ লোভনীয় চাকৰি ইস্তফা দি কলম সাৰথি এক অনিশ্চিত জীৱন যুদ্ধত অৱতীৰ্ণ [illegible] অৰ্থাৎ গৱাকী বৰগোহাঞি পৰৱৰ্তী জীৱনত সাংবাদিকতাৰ জগতত যিমানেই বিতৰ্কৰ সৃষ্টি নকৰক অসমীয়া সৃষ্টিশীল সাহিত্য কিন্তু সমালোচনাৰ জগতত পাশ্চাত্য ভাবাদৰ্শ তথা [illegible] পুষ্ট আত্মপ্ৰকাশৰ পথিকৃত বুলিয়েই সৰ্বজন স্বীকৃত ।

অসমীয়া শিশু-সাহিত্যলৈ হোমেন বৰগোহাঞিৰ অৱদান যথেষ্ট নহ'লেও তেওঁৰ প্ৰকাশিত শিশু-সাহিত্য সমগ্ৰ ব্যতিক্ৰম ধৰ্মী । বৰগোহাঞিৰ সম্পাদনাত প্ৰকাশ পোৱা 'কাকলি' (১৯৭২) আৰু 'কিশোৰ' (১৯৯২) শিশু আলোচনী জগতত বিশিষ্ট মাইলৰ খুঁটি । 'অ আ ক খ' (১৯৯২) 'কিতাপ পঢ়াৰ আনন্দ' (১৯৯১), 'মানুহ হোৱাৰ গৌৰৱ' (১৯৯৪), বেঞ্জামিন ফ্ৰেংকলিন' (১৯৯৬) আৰু উঁকামাৰো (১৯৯৯) বৰগোহাঞিৰ কেইখনমান বিৰল পুথিৰ তালিকা ।

অসমীয়া আখৰ-জ্ঞান শিকোৱা [illegible] কিতাপতে হোমেন বৰগোহাঞিৰ 'অ আ ক খ' সাৱলীল শব্দ বিন্যাসেৰে সমৃদ্ধ । আখৰ জনা শিকনিৰ লগে লগে শিশু মনত দৃঢ়কৈ সাঁচ বহুৱাব পৰা কথাবোৰো [illegible] কৈ থোৱা আছে ।

> "সৌজন্য সভাপতি ।
> সভাপতিৰ সৌজন্যতাৰে আদৰি আনিছে ।
> লগত মানুহবোৰে জোন-বেলি বাই আহিছে ।
> এজনে ভোজভাত খুৱাইছে ।
> সভাত বহুত মানুহ গোট খাইছে ।
> সভাপতিয়ে কৈছে কৃষকসকল দেশৰ গৌৰৱ" (পৃ. ১৭)

সভাপতিৰ আমন্ত্ৰণ উপলক্ষে অসমীয়া [illegible] পৰিচিতিৰ লগতে [illegible] দেশৰ আমোদ আৰু কৃষক-পৰিচিতি দিয়া হৈছে যে [illegible] [illegible]

[illegible]

> এদিন গৈ গছবোৰ ডাঙৰ হ'ব ।
> দেখিবলৈ শুৱনি হ'ব । সকলোৰে
> উপকাৰত আহিব" (পৃ. ১৭)

এয়া যেন শিশুৰ দৃষ্টিৰে, শিশুক কেন্দ্ৰ কৰি পৰিৱেশ সংৰক্ষণৰ মহৌষধ । এনেবোৰ পৰিকল্পনাৰে সমূহীয়া জীৱন 'আমিত্ববোধ'ৰ প্ৰতি সাৰ্থকভাৱেই শিশুক আকৃষ্ট কৰিব পাৰি ।

শিশু-সাহিত্যৰ ভিতৰত সৰ্বকালৰ এখন উল্লেখযোগ্য পুথি হোমেন বৰগোহাঞিৰ 'কিতাপ পঢ়াৰ আনন্দ' । হৃষীকেশ গোস্বামীৰ মতে, "অধ্যয়নৰ প্ৰতি স্পৃহা জগাই আৰু বঢ়াই তোলাত এনে পুথিয়ে নিশ্চিতভাৱে সহায় কৰিব । সৰুৰে পৰাই শিশুসকলক অধ্যয়নমুখী কৰি তোলাত পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক, চৰকাৰ, প্ৰকাশক সকলোৰে এক মহৎ দায়িত্ব আছে । এই দায়িত্বৰ পৰা গা এৰা দিব খুজিলেই বিপদ হ'ব । কিয়নো শিশু একো একোটা জাতিৰ আটাইতকৈ মূল্যবান সম্পদ" । এই সম্পৰ্কত বৰগোহাঞিৰ নিজৰ মন্তব্য — "ছাত্ৰ অৱস্থাতেই যদি মানুহৰ মনত কিতাপৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা নহয় তেন্তে পিচলৈ সেই আগ্ৰহ সৃষ্টি কৰা সম্ভৱ নহয় । পৃথিৱীৰ উন্নত দেশবোৰত মানুহৰ মাজত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ অবিৰাম চেষ্টা কৰা হয় ।........... আমাৰ দেশত তেনে চেষ্টা খুব কমেই চকুত পৰে ।" হয়তো সেয়েই বৰগোহাঞিৰ 'কিতাপ পঢ়াৰ আনন্দ' এক অবিস্মৰণীয় সৃষ্টি । প্ৰথম অধ্যায় নাতি দীৰ্ঘ দহোটা নিবন্ধৰ সমষ্টি । অত্যন্ত যুক্তিবাদী চিন্তাৰে প্ৰতিটো নিবন্ধতে এমাৰছন, ইবছেন, ভলটেয়াৰ আদি পাশ্চাত্য চিন্তানায়কৰ সহজ উল্লেখ আৰু বিশ্লেষণেৰে আলোচনা সমূহক সহজপাঠ্য আৰু গ্ৰহণযোগ্য কৰি তোলা হৈছে । দ্বিতীয় অধ্যায়ত নটা বিষয়ৰ আলোচনা কৰা হৈছে । 'দুজন বুঢ়া মানুহৰ কথা' প্ৰসঙ্গত শিশু কিম্বা কিশোৰৰ মন চুই যাব পৰাকৈ বৰগোহাঞিয়ে কৈছে —

"যি মানুহে গোটেই জীৱন ধৰি কিতাপ পঢ়াৰ অভ্যাস কৰিছে আৰু কিতাপৰ মাজত জীয়াই থকাৰ আনন্দ বিচাৰি পাইছে । তেওঁ বুঢ়া বয়সত উপনীত হৈ আৱিষ্কাৰ কৰে যে কিতাপ হ'ল জীৱনৰ সঞ্জীৱনী সুধা" (পৃ. ৪৫)

'কিতাপে আমাক সদায় সংপথত ৰাখে' শীৰ্ষক আলোচনাত লিখকৰ অভিমত ঃ

> "অতীতৰ সকলো যুগতকৈ এতিয়া মানুহৰ আজৰি সময় বাঢ়িছে । তাৰ লগে লগে অৱশ্যে বৃদ্ধি পাইছে চিনেমা, টেলিভিছন, ভি,ডি,অ কিম্বা আদি অৱসৰ বিনোদনৰ বিভিন্ন পন্থা আৰু উপায় । কিন্তু আধুনিক কালৰ অৱসৰ বিনোদন বা আমোদ প্ৰমোদত বেছিভাগ সহজলভ্য উপায়ৰ প্ৰধান ত্ৰুটি হ'ল এয়ে যে ই মানুহক কেৱল নিষ্ক্ৰিয় দৰ্শক বা শ্ৰোতা কৰিয়েই ৰাখে । কেতিয়াও সক্ৰিয় অংশীদাৰ হ'বলৈ নিদিয়ে । এনেবোৰ সস্তীয়া আৰু তৰল আমোদ প্ৰমোদৰ

মাজেদি মানুহে পৰিপূৰ্ণ আনন্দও পাব নোৱাৰে আৰু তেওঁৰ বুদ্ধি বৃত্তিৰো বিকাশ হ'ব নোৱাৰে । বৰং টেলিভিছন আৰু ভি,ডি,অ চিনেমাৰ সন্মুখত ঘণ্টাৰ পিচত ঘণ্টা ধৰি বহি থকা ল'ৰা-ছোৱালীৰ শৰীৰ আৰু মন দুয়োটাই অৱশ হৈ পৰে । শৰীৰ অৱশ হয় ব্যায়ামৰ অভাৱত, মন অৱশ হয় চিন্তাৰ খোৰাকৰ অভাৱত" (পৃষ্ঠা -৫৯) ।

অতিৰিক্ত কিতাপ পঢ়াৰ নিচাও যে ক্ষতিকাৰক হ'ব পাৰে সেই বিষয়েও লেখকে সকিয়াই দিছে—

"মানুহে আহাৰ নোখোৱাকৈ জীয়াই থাকিব নোৱাৰে । কিন্তু প্ৰয়োজনতকৈ বা হজম কৰিব পৰাতকৈ বেছিকৈ খালে আহাৰেই আমাৰ দেহত নানাবিধ মাৰাত্মক ৰোগ ব্যাধিৰ সৃষ্টি কৰি অকাল মৃত্যু মাতি আনিব পাৰে । ঠিক তেনেকৈয়ে কিতাপ পঢ়াৰ ক্ষেত্ৰতো মাত্ৰাজ্ঞান ৰক্ষা কৰি চলা দৰকাৰ" (পৃ. ৫৯)

বৈজ্ঞানিক শিক্ষাৰ প্ৰতি শিশুক আগ্ৰহান্বিত কৰিবলৈ শ্ৰীবৰগোহাঞিৰ তৎপৰ—

"এজন মানুহ প্ৰকৃত অৰ্থত শিক্ষিত হ'বলৈ হ'লে যেনেকৈ বুৰঞ্জী, দৰ্শন, সাহিত্য আদি বিষয়বোৰ অধ্যয়ন কৰি ভাল পাব লাগিব, ঠিক তেনেকৈ বিজ্ঞানৰ ইতিহাস আৰু বাই বাই বৈজ্ঞানিক তত্ত্ববোৰৰ লগতো তেওঁৰ এটা থুলমূল পৰিচয় থাকিব লাগিব ।" (পৃ. ৫৯)

শিশু উপযোগী 'মানুহ হোৱাৰ গৌৰৱ' হোমেন বৰগোহাঞিৰ অন্য এখন উল্লেখযোগ্য গ্ৰন্থ । মুঠ এঘাৰটা প্ৰবন্ধৰে সুসজ্জিত মানুহ হোৱাৰ গৌৰৱ শিশু-কিশোৰৰ বাবে অৱশ্য পাঠ্য হোৱা যুক্তত । গতানুগতিক কাহিনী কোৱাৰ বিপৰীতে ঐতিহাসিক আৰু সঁচা কাহিনীৰে পাঠকৰ মন-মগজুত সাঁচ বহুৱাই পাঠকৰ চিন্তাৰ ৰাজ্যত খোৰাকি পূৰণ কৰাকৈ আৰু পাঠকক সুদৃঢ় অৱস্থানত থিৰ কৰাবলৈ 'মানুহ হোৱাৰ গৌৰৱ' সাৰ্থক । ৰবিনচন ক্ৰুছোৰ কাহিনীৰ মৰ্মাৰ্থ বৰগোহাঞিয়ে সৰলভাৱে শিশুপযোগীকৈ উপস্থাপন কৰিছে ঃ

"ৰবিনচন ক্ৰুছোৰ কাহিনীয়ে আমাক এই শিকাই দিয়ে যে মানুহ সাহস, ধৈৰ্য আৰু বুদ্ধিৰ সহায়েৰে সকলো বিপদ বিঘিনি জয় কৰিব পাৰে । যি মানুহে হাৰ মানিব নোখোজে তেওঁৰ জয় হ'বই । প্ৰত্যেক মানুহৰে জীৱনত এনেকুৱা সাহস, ধৈৰ্য আৰু মনোবলৰ খুব দৰকাৰ ।" (পৃ. ২৩) ।

আকৌ কাহিনীৰ সামৰণিৰ এষাৰ সাৰকথা বৰ্ণন হ'ল ঃ

"তোমালোকে যদি ষ্টাৰ আৰ্হি অনুসৰণ কৰি জোৰকৈ নিজৰ এলাহ জয় কৰিব পাৰা আৰু জোৰকৈ নিজকে পৰিশ্ৰমী কৰি ৰাখিব পাৰা, তেন্তে তোমালোকৰ এই কাহিনী পঢ়া সাৰ্থক হ'ব । প্ৰত্যেক মানুহেই গৌৰীশংকৰ বা দক্ষিণ মেৰু জয় নকৰিব পাৰে ; কিন্তু প্ৰত্যেক মানুহেই এলাহ জয় কৰি নিজৰ জীৱনত

উন্নতি কৰিব পাৰে ।" (পৃ ৪৪)

অসমীয়া শিশু-সাহিত্যৰ ইতিহাসত জীৱনী সাহিত্যৰ সংখ্যা কম নহয় । কিন্তু হোমেন বৰগোহাঞিৰ "বেঞ্জামিন ফ্রেঙ্কলিন' যেন কিছু ব্যতিক্ৰমৰ দাবীদাৰ, হয়তো উপস্থাপনৰ অনন্যতাই সেই ব্যতিক্ৰমৰ অংশীদাৰ । স'ততে নিজৰ জীৱনৰ বিষয়ে আৰম্ভ কৰি বিষয়ান্তৰলৈ সন্তৰ্পণে সোমাই যোৱা বৰগোহাঞিৰ ৰচনাৰ অনন্য কৌশল। সেয়ে মুখবন্ধতেই বহুদিনলৈ মনত ৰৈ যাব্‌ পৰাকৈ তেওঁ কৈ দিলে ঃ

"ব্যক্তি আৰু সমাজৰ উন্নতিৰ কাৰণে দুটা বস্তু সমানেই প্ৰয়োজনীয় । সেয়া হ'ল প্ৰতিযোগিতা আৰু সহযোগিতা । প্ৰতিযোগিতাই মানুহক নিজৰ প্ৰতিভা আৰু বুদ্ধিবৃত্তিৰ বিকাশৰ কাৰণে প্ৰেৰণা দিয়ে, তেনেদৰে বিকশিত প্ৰতিভাক সমাজৰ উমৈহতীয়া কল্যাণৰ প্ৰয়োজনত নিয়োগ কৰাটো সম্ভৱ হয় সহযোগিতাৰ জৰিয়তে ।" (পৃ: ২)

বেঞ্জামিন ফ্রেঙ্কলিন' সাফল্যৰ গুৰিত থকা কথাবাৰৰ মৰ্মাৰ্থ তেওঁ উল্লেখ কৰিছে ঃ

"নিজৰ স্বভাৱ চৰিত্ৰ আৰু বুদ্ধি বৃত্তিৰ ক্ৰমে ক্ৰমে বিকাশ সাধন কৰি নিজকে এজন আদৰ্শ আৰু সফল মানুহ হিচাপে গঢ়ি তোলাটোৱেই আছিল বেঞ্জামিন ফ্রেঙ্কলিনৰ জীৱনৰ এটা প্ৰধান সাধনা । ইয়াৰ কাৰণে তেওঁ আন কাৰো সহায় বিচৰা নাছিল । তেওঁ সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছিল কেৱল নিজৰ ওপৰত । অৰ্থাৎ নিজৰ সৎ উদ্দেশ্য আৰু দৃঢ় সংকল্পৰ ওপৰত" (পৃ. ৬)

অত্যন্ত তাৎপৰ্যপূৰ্ণভাৱে বেঞ্জামিনে আত্মোৎকৰ্ষৰ সাধনা কৰা সময়ত যি গুণ আয়ত্ব কৰিবলৈ লৈছিল, সৰ্বকালৰ মানুহৰ বাবেই ই প্ৰযোজ্য । মিতাচাৰ, নীৰৱতা, পাৰি-পাৰ্শ্বিকতা, সংকল্প, মিতব্যয়িতা, অধ্যৱসায়, আন্তৰিকতা ন্যায়পৰায়ণতা, আত্মসংযম, পৰিষ্কাৰ-পৰিচ্ছন্নতা, মানসিক প্ৰশান্তি, নম্ৰতা আদি গুণৰ অনুশীলন যিকোনো মানুহৰ বাবেই অৱশ্যে— কৰ্তব্যৰ ভিতৰত পৰে । বৰগোহাঞিয়ে কৌশলপূৰ্ণভাৱে এয়া শিশু পাঠ্য কৰি তুলিছে ।

[illegible]

[illegible]

নপঢ়া মানুহে নিজৰ উচ্চাকাংক্ষা চৰিতাৰ্থ কৰিবলৈ চেষ্টা কৰা আৰু ইঞ্জিন নোহোৱাকৈ মটৰগাড়ী চলাবলৈ চেষ্টা কৰা একেই কথা ।" পৃ. ৫১) প্ৰাকৃতিক ভাৰসাম্যহীনতাৰ প্ৰতি সদা-সচেতন কৰি তুলিবলৈ বৰগোহাঞিয়ে শিশু উপযোগীকৈ কথাবোৰ জুকিয়াই ক'ব পাৰিছে –

"মানুহৰ জীৱন ধাৰণৰ কাৰণে হাবি বননিৰ প্ৰয়োজনীয়তাৰ কথা কৈ শেষ কৰিব নোৱাৰি । প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি মানুহকো জীয়াই থকাত সহায় কৰিবলৈ পশু-পক্ষী আৰু কীট-পতঙ্গৰ অস্তিত্ব অপৰিহাৰ্য হাবি বননি নোহোৱা হৈ গ'লে পশু-পক্ষী আৰু কীট-পতঙ্গ ক্ৰমে ক্ৰমে বিলুপ্তি হ'ব আৰু তাৰ লগে লগে সি মানুহৰ ধ্বংসও মাতি আনিব ।" (পৃ ৮০)

তাৎপৰ্যপূৰ্ণ কথা যে বিজ্ঞানীসকলৰ মতে জন্মৰে পৰা বাৰ বছৰলৈ এই কালছোৱাক শৈশৱ আৰু তেৰৰ পৰা যোল্ল বছৰ মানলৈ এই কালছোৱাক কিশোৰত্ব ধৰা হয় । অসমীয়া শিশু-সাহিত্যৰ ক্ষেত্ৰত এটা বিশেষ দুৰ্বলতা এই যে শিশুৰ অনাথৰী অৱস্থাক লৈ ৰচনা অত্যন্ত সীমিত । স্কুললৈ অহা-যোৱা কৰি থকা শিশুৰ জগত খেল-ধেমালি আচাৰ আচৰণৰ মাজেদি সমূহীয়া জীৱনবোধৰ প্ৰতি আকৃষ্ট কৰা এক'ণ্ড বাঞ্চনীয় । সমবয়স্ক শিশুৰ মাজত পাৰস্পৰিক মৰম চেনেহ আৰু সহানুভূতিৰ আবেগ গঢ়ি তোলাৰ অৰ্থে এই স্তৰত ওমলা বা খেলৰ গীতবোৰেই আৱশ্যক । তদুপৰি শিশুৰ চৰিত্ৰ গঠনত, বিশেষকৈ শ্ৰেণী-চৰিত্ৰ সম্বন্ধে স্পষ্ট ধাৰণা দিব পৰা সাহিত্য এতিয়াও শূন্য, বাৰু । তথাপি হোমেন বৰগোহাঞিৰ শিশু সাহিত্যৰ সবল দিশ এয়ে যে তেওঁ কল্পনাৰ জগতৰ পৰা অত্যন্ত কৌশলগতভাৱে শিশুক উলিয়াই আনি বাস্তৱিক জগতত বিচৰণ কৰাব পাৰিছে । শিশুক পঢ়াৰ প্ৰতি আগ্ৰহী কৰোৱাৰ লগতে পৰৱৰ্তী দিনবোৰত এজন আগ্ৰহী মননশীল পাঠক কৰি গঢ় দিয়াত হোমেন বৰগোহাঞিয়ে যথাৰ্থতে কৃতী সাহিত্যিকৰ পৰিচয় দিছে । শিশুক প্ৰগতিশীল কৰি তোলাৰ মোক্ষম অস্ত্ৰ প্ৰয়োগত বৰগোহাঞিক সফল বুলিয়েই ক'ব লাগিব ।

শশী শৰ্মাদেৱৰ ভাষাত — "যথাৰ্থ প্ৰগতিকামী মাত্ৰেই কিন্তু শিশুক কুসংস্কাৰ আৰু মতান্ধতাৰ পৰা মুক্ত, বিবেকী আৰু বিজ্ঞান সন্মত আদৰ্শৰ অনুগামী মৰমীয়াল ৰূপে গঢ়ি তুলিবত বিচাৰে আৰু শিশুৰ বিজ্ঞানসন্মত অবাধ বিকাশ সাধনৰ দায়িত্ব ৰাষ্ট্ৰৰ বুলিও অভিহিত কৰে । প্ৰগতিবাদী অংশৰ সুস্পষ্ট উপলব্ধি যে শিশুৰ বিজ্ঞান সন্মত অবাধ বিকাশৰ অৰ্থে কৰা ব্যয় ব্যয় নহয়, বিনিয়োগহে । প্ৰগতিবাদী মাত্ৰেই অনুভৱ কৰে যে শিশুক জনগণতন্ত্ৰৰ উপযোগীকৈ গঢ়ি তুলিব পাৰিলে শিশু কেৱল সমগ্ৰ ৰাষ্ট্ৰৰেই নহয়, বিশ্ব মানৱতাৰো কল্যাণৰ কাৰকতেহে প্ৰতিপন্ন হ'ব পাৰে ।" হয়তো হোমেন বৰগোহাঞিৰ শিশু সাহিত্য ৰচনাৰ কাৰকো ইয়েই ।

<u>সহায়ক পঞ্জী ঃ</u>

১। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ সত্যেন্দ্ৰনাথ শৰ্মা ।
২। শিশু নীতি নাট্য সংকলন ঃ সম্পাদনা - নিৰ্মল প্ৰভা বৰদলৈ ।
৩। ওমলা ঘৰৰ পুথি ঃ নৱকান্ত বৰুৱা ।
৪। অ আ ক খ ।
৫। বেঞ্জামিন ফ্ৰেঙ্কলিন ঃ
৬। মানুহ হোৱাৰ আনন্দ ঃ } হোমেন বৰগোহাঞি
৭। কিতাপ পঢ়াৰ আনন্দ ঃ
৮। উচ্চাকাংক্ষা ঃ
৯। শিশু সাহিত্য ৰচনাৰ সমস্যা ঃ শশী শৰ্মা ।
১০। ক্ৰমবিকাশৰ পথত অসমীয়া শিশু সাহিত্য ঃ হৃষীকেশ গোস্বামী ।
১১। অসমীয়া শিশু সাহিত্য ঃ উপেন বৰকটকী (গৰীয়সী মাৰ্চ, মে,২০০০)
১২। সূত্ৰধাৰ জুন ১৯৯৯। □□

হোমেন বৰগোহাঞিৰ অনাতাঁৰ নাট ঃ 'এদিন হঠাৎ গধূলি'

ড° জিতৰাম কলিতা

প্ৰখ্যাত কথাশিল্পী হোমেন বৰগোহাঞিক পাঠকে গল্পকাৰ, ঔপন্যাসিক আৰু প্ৰবন্ধকাৰ বুলিয়ে জানে। কিন্তু তেখেতে নাটকো লিখিছিল। তেখেতে দুখন একাংকিকা 'ৰতনপুৰত গধূলি' আৰু 'নট বাই ব্ৰেড এলোন' ৰচনা কৰিছিল আৰু 'এদিন হঠাৎ গধূলি' নামৰ অনাতাঁৰ নাট প্ৰণয়ন কৰিছিল।

যিবোৰ নাটক অনাতাঁৰ মাধ্যমৰ সুকীয়া কৌশলেৰে ৰচনা কৰি প্ৰচাৰ কৰা হয় তাকে অনাতাঁৰ নাটক বোলে। এইবিধ নাটকত শব্দ প্ৰক্ষেপণেৰে অভিনয় কৰা হয়। মাত্ৰ সংলাপ আৰু শব্দ সংকেতে কাহিনীৰ বিস্তাৰ আৰু গতি নিৰ্ধাৰণ, চৰিত্ৰ সংলাপ আৰু চিনাকী— দৃশ্য আৰু পটভূমিৰ অৱতাৰণা, চৰিত্ৰ প্ৰৱেশ আৰু প্ৰস্থান কাৰ্য, চৰিত্ৰৰ বিভিন্ন ভাব প্ৰকাশ কৰা হয়। অনাতাঁৰ নাটক মঞ্চ নাটকৰ পৰা সম্পূৰ্ণ পৃথক। অনাতাঁৰ মাধ্যমৰ বাবে অভিনয়-কৌশলত স্বকীয়তা আছে। অনাতাঁৰ নাট পৰিচালনা আৰু প্ৰযোজনাৰ কৌশল মঞ্চনাটকৰ কৌশলসমূহতকৈ সুকীয়া। সীমিত সুবিধাৰ মাজত শব্দ আৰু সংগীত সংযোজন কৰি বিভিন্ন দৃশ্য আৰু ঘটনাৱলীৰ পটভূমি আৰু পৰিৱেশ সৃষ্টিৰ সহায়েৰে আৰু শিল্পীৰ কথন অভিনয়ৰ মাজেৰে কাহিনী আগবঢ়াই নিয়াৰ কৌশল আয়ত্ত কৰা কাম সহজ নহয়।'

অনাতাঁৰ নাটক সাহিত্যৰ এটা অংগ আৰু ই অসমীয়া সাহিত্যৰ শেহতীয়া শাখা। ১৯৪৮ খ্ৰীষ্টাব্দত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ স্থাপিত হোৱাৰ পৰাই অসমীয়া ভাষাত এই নাটৰ আৰম্ভণি হয়। অনাতাঁৰ নাটকৰ বিষয়বস্তু বেছিভাগেই সামাজিক। এইবিধ নাটকৰ আৰম্ভণিত অত্যাধিক ভাব ব্যঞ্জনা আৰু কল্পনাপ্ৰৱণতাৰ প্ৰভাৱ আছিল কিন্তু ষাঠি দশকৰ পৰা নাটসমূহত বাস্তৱবাদৰ প্ৰভাৱ পৰিল। আধুনিক নাটকত এই ৰচনা, চৰিত্ৰ সৃষ্টিৰ অভিনৱত্ব আৰু দৃষ্টিভংগীৰ গভীৰতা লক্ষ্য কৰিব পাৰি। নাটকীয় কলা-কৌশলত নতুনত্বৰ প্ৰয়োগ, বিষয়বস্তু নিৰ্বাচনত উদ্ভাৱনী শক্তি আৰু চৰিত্ৰ সৃষ্টিত মানৱ

মনৰ বৈচিত্ৰ্যময় প্ৰকাশ লক্ষ্য কৰা যায় । স্বাধীনতাৰ পিচত নাটকৰ বিষয়বস্তু অধিক সমাজ আৰু জীৱনমুখী হৈ পৰে, সংলাপসমূহ স্বাভাৱিক আৰু গাম্ভীৰ্যপূৰ্ণ হয় । ব্যক্তিৰ নাগৰিক অধিকাৰ বৃদ্ধি পালে আৰু নাট্যকাৰে শ্ৰেণীসংগ্ৰাম, পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধ, আদৰ্শ, নিবনুৱা সমস্যা, প্ৰেমৰ মুক্ত পৰিস্ফুৰণৰ পথত সামাজিক অন্তৰায় আৰু মনস্তাত্বিক বিচিত্ৰ অভিব্যক্তি আদি বিবিধ সমস্যাই নাট্যকাৰক আকৰ্ষিত কৰিলে।[২] নাৰী পুৰুষৰ প্ৰেম আৰু মিলনৰ বিষয়টোও সস্তীয়া প্ৰেমৰ উৰ্ধলৈ গৈ মনস্তত্ব আৰু জীৱনবোধৰ বিভিন্ন গভীৰ দৃষ্টি আৰু স্তৰৰ পৰা গ্ৰহণ কৰা হ'ল । নাটসমূহত নাৰী পুৰুষৰ সম্পৰ্কৰ ওপৰত নাট্যকাৰৰ গভীৰ চিন্তা আৰু নিজস্ব দৃষ্টিভংগীৰে বৈচিত্ৰ্যপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণভাৱে আলোকপাত কৰা হৈছে । আধুনিকতাৰ বতাহে সৃষ্টি কৰা পাৰিবাৰিক আৰু সামাজিক সমস্যা, ব্যক্তিৰ মনস্তাত্বিক দুৰ্জ্জেয় অভিব্যক্তি আদিও নাটকৰ বিষয়বস্তু হৈছে । জীৱন জিজ্ঞাসা আৰু ব্যক্তিমানসৰ ৰহস্য আৰু জটিল সমস্যাসমূহ অংকণ কৰা হৈছে । লাহে লাহে নাটকসমূহত সমাজ সচেতনতাই ঠাই ল'বলৈ ধৰিলে । সমাজৰ বিভিন্ন দিশৰ ছবি নাটকত দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ল আৰু সমাজৰ বিভিন্ন স্তৰৰ চৰিত্ৰাৱলী অংকিত হ'ল । কিছুমান নাটকত চিনেমাৰ ফ্লাচবেক পদ্ধতি প্ৰয়োগ হোৱা দেখা যায় । নাটকত জীৱনৰ সম্যক উপলব্ধী, দৃষ্টিৰ গভীৰতা, প্ৰয়োগ ৰীতিৰ নতুনত্ব, প্লটৰ অভিনৱত্ব আৰু সমস্যাৰ মনস্তত্বৰ শুদ্ধ বিশ্লেষণ কৰা দেখিবলৈ পোৱা যায় । আংগিকৰ নতুন প্ৰয়োগ, বিষয়বস্তুত জীৱনৰ নতুন দিশ উদ্‌ঘাটনৰ প্ৰচেষ্টা কৰিব পাৰি ।

কুৰি শতিকাৰ পঞ্চাছ দশকৰ পৰা অসমীয়া নাট্যকাৰসকলে আধুনিক নাট্যকলাৰ লগতে সমাজে সৃষ্টি কৰা মানৱ মনৰ ন ন জটিল সমস্যা নাটকত প্ৰতিফলিত কৰিছে আৰু অসমীয়া শ্ৰোতাক বিশ্ব নাট্যাৱলীৰ সৈতে সম্যক পৰিচয় কৰাই দিছে ।

'এদিন হঠাৎ গধূলি' এখন স্বাভিব্যক্তিবাদী নাটক । এইবিধ নাটকৰ নাট্যকাৰে যান্ত্ৰিক সভ্যতাৰ অস্তিত্ব মানি লয় । বাস্তৱ জীৱনৰ হুবহু প্ৰতিচ্ছবি ফুটাই তোলাৰ ওপৰত গুৰুত্ব নিদি বাস্তৱৰ অন্তৰালত থকা নিগূঢ় সত্য উদ্‌ঘাটন কৰাত গুৰুত্ব দিয়ে । এই শ্ৰেণীৰ নাটকত প্ৰতীকৰো ব্যৱহাৰ হয় আৰু ৰূপকো সৃষ্টি কৰে । স্বাভিব্যক্তি বাদীসকলে অন্তৰ ৰহস্যৰ বৰ্হিপ্ৰকাশ বিচাৰে । এই শ্ৰেণীৰ নাটকৰ গতিত স্নিগ্ধতা আৰু সাবলীলতা বিদ্যমান । স্বাভিব্যক্তিবাদীৰ বাবে বাস্তৱ জগতখন অন্তৰ ৰহস্যৰ শাশ্বত আবেদনৰ তুলনাত অনুষ্টুপীয়া যেন প্ৰতীয়মান হ'লেও তেওঁলোক বাস্তৱৰ পৰা আঁতৰি যাব নোখোজে । যান্ত্ৰিক সভ্যতাই সৃষ্টি কৰা সমস্যাবোৰ যিমানেই ব্যাপক আৰু বিৰাট নহওক কিয় আঁতৰি নগৈ তেওঁলোক সেইবোৰৰ মুখামুখি হৈ থিয় হয় সাহসিকতাৰে আৰু মনৰ প্ৰতিক্ৰিয়াবোৰক স্পষ্টভাৱে চকুত লগাকৈ প্ৰকাশ কৰে । এইদৰে প্ৰকাশ কৰোঁতে কলাসুলভ মাৰ্জ্জিত ৰুচিৰ পৰিচয় তেওঁলোকে দিব নোখোজে । অন্তৰৰ

প্ৰতিক্ৰিয়া সাধাৰণতে অসংলগ্ন হয় যাবে ইয়াৰ ৰূপায়নো হৈ পৰে আপাত দৃষ্টিত অসংলগ্ন। বাস্তৱৰ অতিৰঞ্জনৰ যোগেদি তীব্ৰ প্ৰতিক্ৰিয়াৰ প্ৰভাৱ তীব্ৰতৰ হৈ পৰে।[৫]

নাটকৰ কাহিনীত দেখা যায় ডাঃ প্ৰদীপ চলিহা আৰু তৰুণ বৰুৱা কলেজত পঢ়াৰ দিনৰে পৰা অন্তৰংগ বন্ধু। বি, এচ, চি পাচ কৰি প্ৰদীপে ডাক্তৰী পঢ়ি শেষত বিলাতলৈ গৈ চাইক্ৰিয়াট্ৰিত উচ্চ ডিগ্ৰী লাভ কৰি মেডিকেল কলেজৰ অধ্যাপক হয়। তৰুণে আইন পঢ়া শেষ কৰি গুৱাহাটীত ওকালতি কৰে। দুয়োৰে বয়স চল্লিছ বছৰৰ তলত। এটা মোকৰ্দমাৰ সংক্ৰান্তত অৰ্থাৎ তৰুণে প্ৰদীপৰ ঘৰত আলহী হৈছে। প্ৰায় দহ বছৰৰ মূৰত দুয়ো বন্ধুৰ পুনৰ দেখাদেখি হৈছে। প্ৰদীপে তেতিয়াও বিয়া পতা নাই। তৰুণে বিয়া পাতিছে আৰু তেওঁৰ ল'ৰা-ছোৱালী তিনিটা। প্ৰদীপে তৰুণক লগ পোৱাত প্ৰথম যৌৱনৰ দিনবোৰলৈ ঘূৰি যোৱা যেন পালে। প্ৰদীপ ডাক্তৰ তেতিয়া সেই বয়সতো ধুনীয়া ডেকাটো হৈ আছে। আনহাতে তৰুণৰ চুলিবোৰ সৰি কপালখন অলপ বহল হৈছে। তৰুণৰ বিয়াৰ দহ বছৰৰ পিচত দুয়োৰে পুনৰ দেখাদেখি। ডাঃ প্ৰদীপে চল্লিছ বছৰ হ'বলৈ বেছি দিন নাই বুলি তৰুণত ৰাজহাড়ৰ মাজেদি যেন এটা ঠাণ্ডা শিহৰণ বৈ গ'ল। বহুদিন আগতে তেওঁ পঢ়িবলৈ পাইছিল যে গ্ৰীক অভিনেত্ৰী মেগিনা মাৰ্কুৰিয়ে ৩৫ বছৰমান বয়সৰ পৰাই দিনে ৰাতিয়ে কেৱল এটা চিন্তাত আতংকিত হৈ আছিল যে চল্লিছ বছৰীয়া হ'বলৈ আৰু বেছি দিন নাই, চল্লিছ মানেইতো যৌৱন শেষ, অৰ্থাৎ যৌৱনৰ শিখৰৰ পৰা প্ৰৌঢ়ত্বৰ আন্ধাৰ গহ্বৰত পিছলি পৰা।[৬] ডাঃ প্ৰদীপৰো অৱস্থা প্ৰায় তেনেকুৱাই হৈছে। চাইক্ৰিয়াট্ৰিৰ ডাক্তৰৰ মুখত এনে ভীতি' কথা শুনি তৰুণ বিস্ময়ত অভিভূত হয় আৰু ক'লে যে এনেকুৱা ডাক্তৰে ৰোগীক কি চিকিৎসা কৰিব ? এই প্ৰশ্নৰ উত্তৰত প্ৰদীপে ডাঃ ফ্ৰয়েডৰ কথা কলে। ডাঃ ফ্ৰয়েডে গোটেই জীৱনতে এনে শিক্ষাই প্ৰচাৰ কৰিছিল যে মানুহে জীৱনত সুখী হ'বলৈ হ'লে আটাইতকৈ বেছি প্ৰয়োজন নিজৰ মনত বিবেকৰ দংশন হ'ব পৰাকৈ কোনো কামেই লুকাই চুৰিকৈ কৰিব নেপায় কিন্তু সেইজন ফ্ৰয়েডে ঘৈণীয়েক জীয়াই থাকোঁতে খুলশালপলীয়েক মীনা বাৰ্ণেইজৰ লগত বহু বছৰ ধৰি গোপনে প্ৰেম কৰিছিল। যিজন মানুহে মানৱ জাতিৰ মানসিক ৰোগৰ চিকিৎসা কৰিবলৈ আগবাঢ়িছিল, সেই মানুহজনেই স্নায়ৱিক আৰু মানসিক বেমাৰত ভূগিছিল।[৭] বন্ধুৱে প্ৰদীপক বিয়া কৰাবলৈ পৰামৰ্শ দিলে কাৰণ তেওঁৰ নিচিনা বিলাত যেৰং ডাক্তৰ এজন অবিবাহিত হৈ থকাৰ কোনো কাৰণ থাকিব নোৱাৰে। প্ৰদীপৰ কথা কলে তেওঁ বিয়া কৰাবলৈ ভয় কৰে। বিয়া কৰাই অসুখী হোৱা দম্পতী দেখিও মানুহে বিয়া পাতে। তৰুণৰ মতে সংসাৰত অসুখী দম্পতীৰ তুলনাত সুখী দম্পতী সৰহ। তৰুণৰ কথা শুনি প্ৰদীপে সুধিলে বন্ধুৰ পত্নী খুব ধুনীয়া হয় নে নহয়। তৰুণৰ কথা হ'ল তেওঁৰ স্ত্ৰী ধুনীয়া বাবেই তেওঁক বিয়া কৰাইছিল। তেওঁ প্ৰেমত পৰিয়ে বিয়া কৰাইছিল। বিয়াৰ পিচত ঘৰ আৰু কাছাৰী, খুন

আৰু নাৰী ধৰ্ষণ, ইণ্ডিয়ান পেনাল কোড আৰু মক্কেল এইবোৰৰ মাজতে জীৱনটো অতিবাহিত কৰিলে । আজি তেওঁৰ যৌৱনৰ সেই উন্মাদ দিনবোৰলৈ মনত পৰিল ।

প্ৰেমিকা ৰাণীয়ে চাৰিটা বজাত লগ ধৰিম বুলি কথা দি পাঁচটাৰ পিচত অহাত তৰুণৰ ধৈৰ্যৰ সীমা হেৰাই গৈছে । সেই এঘণ্টা সময় যেন তেওঁৰ বাবে বহু যুগ, বহু শতাব্দী । ৰাণীয়ে ফাঁচী বজাৰৰ দোকান এখনলৈ যাওঁ বুলি মাকক কৈ আহিছে । গতিকে বেছি দেৰি কৰিলে মাকইঁতে পুলিচক খবৰ দিব পাৰে । দুয়ো খাৰঘুলি পাৰ হৈ পাহাৰৰ ফালে খোজ ল'লে । গৈ থাকোঁতে তৰুণে কলে যে তেওঁ ৰাণীক যিমান ভাল পায় পৃথিৱীৰ কোনো পুৰুষে কোনো নাৰীক কোনো দিনে সিমান ভালপোৱা নাছিল । বিয়াৰ আগতে ৰাণীৰ শৰীৰ স্পৰ্শ নকৰাৰ প্ৰতিজ্ঞা ভংগ কৰিবলৈ আগবাঢ়িব খো[illegible]ত ৰাণীয়ে বাধা দি সোনকালে দেউতাকক ছোৱালী খুজিবলৈ যাবলৈ পৰামৰ্শ দিয়ে । তৰুণৰ মনত এটা ডাঙৰ অৰ্ন্তদ্বন্দ্ব আছে । তেওঁ এহাতে অতি সোনকালে ৰাণীক বিবাহিতা পত্নী হিচাপে পাব খোজে আনহাতে আকৌ প্ৰেমৰ সময়খিনি প্ৰতীক্ষাৰ আৰু স্বপ্নৰ সময়খিনি যিমান পাৰে দীঘলীয়া কৰিব খোজে । জনমে জনমে তেওঁ ৰাণীক পত্নী হিচাপে পাব বিচৰাত ৰাণীয়ে কলে যে তিৰোতাৰ দেহত যিমানদিন ৰূপ-যৌৱন থাকিব সিমান দিনলৈকে প্ৰেম থাকিব । মানুহে যিটো বাস্তৱ জীৱনত আটাইতকৈ বেছি মূল্য দিয়ে সেই বস্তুটো কেনেবাকৈ হেৰাই বুলিয়েই মানুহৰ আটাইতকৈ বেছি ভয় ।

তৰুণৰ কথাখিনি শুনি প্ৰদীপে বাৰ্ট্ৰণ্ড ৰাছেলৰ এষাৰ কথা কলে — "ৰোমাণ্টিক প্ৰেমেই হ'ল জীৱনৰ আটাইতকৈ ডাঙৰ আৰু মূল্যবান অভিজ্ঞতা, যি মানুহে জীৱনত এবাৰো এই ৰোমাণ্টিক প্ৰেমৰ আস্বাদ পোৱা নাই তেওঁ জীৱনৰ মাধুৰ্যৰ পৰা বঞ্চিত হৈছে ।"[৬] এইবাবে প্ৰদীপৰ জীৱনটো এখন মৰুভূমি সদৃশ । তেওঁ তৰুণৰ বৈবাহিক জীৱনৰ কথা সুধিলে ।

তৰুণৰ মতে সঁচা প্ৰেম হ'ল মদৰ নিচিনা । যিমানেই পুৰণি হয় সিমানেই তাৰ নিচা বাঢ়ে । প্ৰদীপে সন্ধিয়া প্ৰায়ে মদ খায় । তৰুণে পালেহে মাজে সময়ে মদ খায় । সেইদিনা গধূলি দুয়ো মদ্যপান কৰিবলৈ ল'লে । মদ খাই থাকোঁতে প্ৰদীপে কিয় বিয়া নকৰালে তৰুণে প্ৰশ্ন কৰিলে । তেতিয়া প্ৰদীপে উত্তৰত ক'লে যে সি ভয় কৰিহে বিয়া নেপাতিলে । এই ভয়ৰ ব্যাখ্যা কৰিবলৈ হ'লে তেওঁ নিজৰ গোটেই ভিতৰখন, সমগ্ৰ জীৱনটো সম্পূৰ্ণৰূপে খুলি দেখুৱাব লাগিব । মানুহৰ দৈহিক নগ্নতা মাত্ৰ লজ্জাকৰ নাইবা অস্বস্তিকৰ, কিন্তু মানসিক নগ্নতা হ'ল অতি ভয়ঙ্কৰ । কোনো মানুহে স্বেচ্ছাই, স্বজ্ঞানে সেইটো কৰিব নোৱাৰে । কোনো মানুহেই স্বেচ্ছাই, স্বজ্ঞানে নিজৰ হৃদয়খন আনক উদঙাই দেখুৱাব নোৱাৰে । প্ৰদীপৰ মতে কোনো মানুহকে মানসিকভাৱে সম্পূৰ্ণৰূপে নগ্ন কৰিব নোৱাৰি । প্ৰাচীন পুথি এখনত এটা কাহিনী আছে । এজন

মানুহে বৰ লাভৰ বাবে শিৱক প্ৰাৰ্থনা কৰিছিল । তপস্যাত সন্তুষ্ট হৈ শিৱই কি বৰ লাগে সোধাত মানুহজনে এনে বৰ মাগিলে যে তেওঁ যেন সকলো মানুহৰ মনৰ অব্যক্ত কথাবোৰ জানিব পাৰে । শিৱই তথাস্তু বুলি বৰ দিয়াত পিচত মানুহজনে সকলো মানুহৰে মনৰ কথা জানিব পৰা হ'ল । সেই অভিজ্ঞতাৰে খৰটো ঘূৰাই লবলৈ শিৱক পুনৰ প্ৰাৰ্থনা জনালে । ইয়াৰ কাৰণ হ'ল সেই বৰ লাভ কৰি তেওঁ মানুহৰ অন্তৰৰ সকলো পৰিচয় পাইছে । যাক ইমান দিনে সাধু বুলি জানি আছিল তেওঁৰ অন্তৰত আছে নৰ-হত্যাৰ বাসনা । যাক সতী বুলি ইমান দিনে পূজা কৰি আহিছে তেওঁ মনে মনে ব্যভিচাৰিণী । মানুহে যদি প্ৰত্যেকৰ অন্তৰৰ আচল ৰূপটো জানিবলৈ হয়, তেতিয়া কোনো মানুহেই সংসাৰত সুখে শান্তিৰে বাস কৰিব নোৱাৰে ।" অজ্ঞতাই হ'ল ইয়াৰ একমাত্ৰ আশীৰ্বাদ ।

মদৰ নিচা বেছিকৈ ধৰাত তৰুণে প্ৰকাশ কৰিলে যে এটা যন্ত্ৰণাই তেওঁক খুলি খুলি খাইছে । সেই যন্ত্ৰণাটো হ'ল তেওঁ উপলব্ধি কৰিছে যে তেওঁ বুঢ়া হ'বলৈ আগবাঢ়িছে। যৌৱনটো ভালকৈ ভোগ কৰিবলৈ নৌ পাওঁতেই তেওঁ বুঢ়া হৈছে । সকলোৰে অলক্ষিতে তেওঁ হেৰোৱা যৌৱনক বিচাৰি ফুৰিছে । তেওঁৰ মূৰৰ দুই এডাল পকা চুলি, মুখৰ বলি ৰেখাবোৰে তেওঁৰ বাৰ্ধক্যৰ আগমণৰ বাতৰি দিয়ে । এইদৰে তেওঁ নিজৰ ভাগ্যক ধিক্কাৰ দিয়ে । পৃথিৱীত ইমান ভোগৰ বস্তু আছে অথচ এইবোৰৰ তিলমাত্ৰ ভোগ কৰিবলৈ নৌপাওঁতেই বাৰ্ধক্যই গ্ৰাস কৰি পেলালে ।

প্ৰদীপে আশ্বাসৰ সুৰত কলে— মানুহৰ জীৱন চল্লিছ বছৰৰ পৰা আৰম্ভ হয় : গতিকে চল্লিছ নৌপাওঁতেই এনেকৈ বাৰ্ধক্যৰ ভয়ত তৰুণ আতংকিত হোৱাৰ কাৰণ নাই । যৌৱনৰ সময়খিনিয়েই হ'ল জীৱনৰ সোণালী সময় । মানুহৰ চল্লিছতহে জীৱনটো আৰম্ভ হয় বুলি কোৱাৰ অৰ্থ এনে যে মানুহে বাৰ্ধক্যৰ ভয় গোপন কৰিবলৈ আৰু নিজকে ফাঁকি দিবৰ বাবে তেনেকৈ কয় — তৰুণৰ মত । যৌৱনক বিদায় দিবলৈ ওলাই তৰুণৰ প্ৰাণে যেন হাহাকাৰ কৰি উঠিছে । এটা অদ্ভুত বিষণ্ণতাই তেওঁৰ দেহ মন গ্ৰাস কৰিব ধৰিছে । আজিকালি তেওঁ চুৰকৈ গাভৰু ছোৱালীলৈ চায় । তেওঁলোকৰ চকুত তেওঁৰ কি ৰূপ ধৰা পৰে সেইটো জানিবলৈ তেওঁ চেষ্টা কৰে । তেওঁলোকৰ চকুৰে নিজকে চাই তেওঁ দেখে যেন একালৰ এটা সুন্দৰ প্ৰাসাদৰ বিবৰ্ণ ধ্বংসাৱশেষ । প্ৰদীপৰ মতে আন তিৰোতাই তৰুণক দেখি কি ভাবে সেইবাবে ইমান মূৰ কামোৰণি হোৱাৰ একো কাৰণ নাই, ঘৈণীয়েকৰ চকুত তেওঁ নিশ্চয় চিৰ তৰুণ । এজন পুৰুষৰ কাৰণে এজনী তিৰোতাৰ পৰিপূৰ্ণ প্ৰেম আৰু আনুগত্যই যথেষ্ট । অৱশ্যে চল্লিছে দুৱাৰত টোকৰ মৰা শুনি ভয় আৰু বিষাদ অনুভৱ নকৰা মানুহ নাই নিশ্চয় । প্ৰকৃত জ্ঞানীলোকে সকলো কথা ধীৰভাৱে মানি ল'বলৈ শিকে ।

কথা প্ৰসংগত তৰুণে স্বীকাৰ কৰিলে যে তেওঁ আকৌ প্ৰেমত পৰিছে । প্ৰেমত পৰা মানে তেওঁ এইটো বিচাৰে যে কোনো এজনী তিৰোতাই তেওঁৰ প্ৰেমত পৰক,

তেওঁক জানিবলৈ দিয়ক যে তেওঁ তেতিয়াও বুঢ়া হৈ যোৱা নাই। অতি গোপনে তেওঁ এনে তিৰোতাৰ সন্ধান কৰি শেষত এজনী বিচাৰি পালে। প্ৰেমৰ প্ৰতিদান নেপালে তেনে বয়সত কোনো তিৰোতাই ভালপাব নিবিচাৰে। তাইক প্ৰেমত পেলাবলৈ তৰুণে তাইৰ সৈতে প্ৰেমৰ অভিনয় কৰিছে। এগৰাকী অভিজাত পৰিয়ালৰ বিধৱা প্ৰমিলা চৌধুৰী সম্পত্তিৰ মোকৰ্দমা এটাত তৰুণৰ মক্কেল আছিল। মোকৰ্দমা সংক্ৰান্তত আলোচনা কৰি থাকোঁতে তিনিমা'হ সান্নিধ্যৰ ফলত তৰুণে অনুভৱ কৰিলে যে প্ৰমিলা চৌধুৰীয়ে মনে মনে হৃদয়ৰ এজন সংগীৰ প্ৰয়োজন অনুভৱ কৰি আছে। শ্ৰীমতী চৌধুৰীৰ হৃদয়ত এটা শূন্যতা আছে আৰু এইবাবে তেওঁৰ জীৱনত কাৰোবাৰ প্ৰেমৰ প্ৰয়োজন আছে। এই উপলক্ষে তৰুণে তেওঁৰ প্ৰেমত পৰিছে বুলি ব্যক্ত কৰিলে। শ্ৰীমতী চৌধুৰীৰ মতে মানুহৰ জীৱনটো আশ্চৰ্যময়, কাৰণ তেওঁৰ প্ৰেমিক তৰুণ বিবাহিত জীৱনত অতিশয় সুখী। তেওঁৰ ঘৰত সুন্দৰী গাভৰু পত্নী আছে আৰু তেওঁৰ পত্নীক হিয়াভৰি ভাল পায়। তেনেস্থলত তেওঁ কিয় এনে জটিলতাত সোমাব খুজিছে শ্ৰীমতী চৌধুৰীয়ে বুজি পোৱা নাই। সঁচাকৈয়ে মানুহৰ জীৱনটো খুব আচৰিত। জীৱনৰ কিছুমান প্ৰশ্নৰ কোনো যুক্তিসংগত উত্তৰ নাই। কিছুমান মানুহে জীৱনটো বা হৃদয়খন বেলেগ বেলেগ পানী নোসোমোৱা ভবাত ভাগ কৰিব পাৰে। ইতিহাসত তাৰ বেহু উদাহৰণ আছে। এক্সেল ফাৰ্চেনে গোটেই দিনটো কটাইছিল ডাৰ্চাইৰ ৰাজপ্ৰাসাদত। তেওঁ ৰাণী মেৰী আঁটনিয়েটৰ প্ৰেমত উন্মাদ হৈছিল। কিন্তু ৰাতি পেৰিচলৈ ঘূৰি গৈ নিজকে সম্পূৰ্ণৰূপে সমৰ্পণ কৰিছিল তেওঁৰে প্ৰণয়িনী এগৰাকী ৰক্ষিতাৰ বাহু বন্ধনত, ৰাতিৰ সেই জগতত তেওঁৰ মেৰী আঁটনিয়েটৰ কোনো অস্তিত্ব নাছিল।"

তৰুণৰ বিশ্বাস প্ৰদীপ যিহেতু এজন বিখ্যাত চাইক্ৰিয়াট্ৰিক তেওঁ নিশ্চয় তৰুণক নিজৰ বিপদৰ পৰা ৰক্ষা কৰিব পাৰিব। তেওঁৰ নিজৰ হৃদয়ৰ অন্ধকাৰৰ পৰা। এই অন্ধকাৰক তৰুণে বৰ ভয় কৰে। অনেক ভূত-প্ৰেতে এই অন্ধকাৰত পিয়াপি দি ফুৰিছে। তৰুণে প্ৰমিলাক মনে প্ৰাণে ভাল নেপায়; অথচ তাইৰ সান্নিধ্য লাভৰ বাবে তাইৰ ওচৰলৈ সদায় দৌৰি যায়। তেওঁ এনে কাম কৰি ৰাণীক বিশ্বাসঘাটকতা কৰিছে। নিজৰ বিবেকৰ দংশনে তেওঁৰ অন্তৰখন শেলৰ দৰে বিন্ধি থাকে। নিজৰ হাতত থকা জীৱনৰ পূৰ্ণপাত্ৰ নিজ হাতে ভাঙি এতিয়া পিয়াহত হাহাকাৰ কৰি মৰিছে। প্ৰদীপৰ পৰামৰ্শ হ'ল তৰুণে প্ৰমিলাৰ ওচৰলৈ যোৱাতো বন্ধকৰি দিলেই লেঠা মৰে। তেওঁ আগতে ব্যক্ত কৰিছিল যে কোনো মানুহেই নিজকে সম্পূৰ্ণ নগ্ন কৰি আনৰ আগত দেখুৱাব নোৱাৰে। কিন্তু তৰুণে হৃদয়ৰ সকলো আৱৰণ এতৰপ এতৰপকৈ খুলি দিব পাৰে, অৰ্থাৎ মন গহ্বৰৰ অন্ধকাৰ তল দেশ আৱিষ্কাৰ কৰিবলৈ তেওঁ আৰম্ভ কৰিলে। তেনেকৈ তললৈ আগবাঢ়ি গৈ থাকোঁতে কি কি দেখিলে তাৰে স্বীকাৰোক্তি কৰিলে। এইটো হ'ল তেওঁৰ নিজস্ব হৃদয়ৰ গভীৰ গহ্বৰলৈ কৰা অকলশৰীয়া দুৰ্গম যাত্ৰা।

তৰুণে ডেকাকালত বাণীৰ লগত প্ৰেমালাপ, কিছুদিনৰ পৰা বুঢ়া হ'বলৈ আগবাঢ়ি যোৱা যন্ত্ৰণাৰ কথা, যৌৱনটো ভালকৈ উপভোগ কৰিবলৈ নৌপাওঁতেই শেষ হোৱা ইত্যাদি কথাই মনত ভুমুকি মাৰিলে । মনৰ আৰু তলৰ লৈ নামবিলৈ তেওঁৰ ভয় কৰিলে। তৰুণে অন্তৰতলিত দেখা বস্তুবোৰ যেন কিছুমান ভৌতিক কণ্ঠস্বৰ । তেওঁৰ মনটোৱে কৈছে যে তেওঁৰ কামনাৰ ভোট হোৱা অস্ত্ৰপাত প্ৰমিলা চৌধুৰীৰ প্ৰেমত সোমাই আকৌ চোকা কৰি ল'ব খুজিছে । সেইদৰে ঈৰ্ষাৰ বিচনীৰ বাব দাবাই বৈণীয়েকৰ মনত যৌৱন সুলভ আবেগ পুনৰ জ্বলাই তুলিবলৈ প্ৰমিলাক ইন্ধন হিচাপে ব্যৱহাৰ কৰিব খুজিছে । পুনৰবাৰ তেওঁৰ মনটোৱে কৈছে যে যৌৱনৰ উত্তপ্ত শৰীৰৰ পৰা প্ৰৌঢ়ত্বৰ চেঁচা হিম-শীতল মাটিলৈ খহি পৰাৰ ভয়ত তেওঁ পাগল হৈ পৰিছে আৰু ছলে বলে কৌশলে যৌৱনক আঁকোৱালি ধৰি ৰাখিবলৈ চেষ্টা কৰিছে । এই আটাইবোৰেই হ'ল চলিছৰ আতংক, পুৰুষৰ মেন'পজ । সেই অন্ধকাৰ গহ্বৰত এজন মানুহে প্ৰাণৰ আতংকত পাগলৰ দৰে ইফালে দৌৰি ফুৰিছে আৰু এটা দৈত্যাকায় কংকালে তাক খেদি ফুৰিছে । মানুহটোৱে ভয়ত মাজে মাজে চিঞৰি উঠিছে, মাজে মাজে পাগলৰ দৰে বিৰবিৰকৈ কিবা বকিছে, মাজে মাজে সি আশ্ৰয় বিচাৰিছে পৰ্বত জোংপোহাৰ আঁৰত, মন্দিৰৰ মাজত, ৰমণীৰ দেহৰ অন্ধকাৰত, মানুহৰ জুমৰ মাজত, নিজৰ মাজত, উন্মাদনাৰ মাজত, মাজে মাজে সি কংকালটোলৈ ঘূৰি চাই ভয়ত চিঞৰি উঠে, সময়ে সময়ে সি নিজে চিঞৰি কংকালটোক ভয় খুৱাব খোজে, মাজে মাজে নিজৰ মুখখন ঢাকি ধৰে, সি দৌৰিছে সি খুব ক্লান্ত হৈ পৰিছে । এনে পৰিস্থিতিত ডাঃ প্ৰদীপে তৰুণক ওপৰলৈ উঠি আহিবলৈ পৰামৰ্শ দিলে, ন'হলে তৰুণ পাগল হৈ যাব ।

"এদিন হঠাৎ গধূলি" এখন অভিব্যক্তিবাদী নাটক । ইয়াত মানৱ জীৱনৰ অন্তৰ ৰহস্য বৰ্হি প্ৰকাশ ঘটিছে । তৰুণ বৰুৱা নামৰ চৰিত্ৰটিৰ মাজেদি নাৰী-পুৰুষৰ যৌন অভিলাষ বৰ্ণনা কৰা হৈছে আৰু মানুহৰ অন্তৰত থকা চিৰন্তন সত্য প্ৰকাশ কৰা হৈছে । নাটখনত ফ্ৰয়েড আৰু জৰ্জ কেইজাৰৰ প্ৰভাৱ লক্ষ্য কৰিবলগীয়া ।

নাট্যকাৰ হিচাপে হোমেন বৰগোহাঞিয়ে নতুন কলা-কৌশলৰ পৰিচয় দিছে । তেখেতৰ সংবেদনশীল মনে চৰিত্ৰবোৰৰ জীৱনলৈ আহি পৰা ঘাত-প্ৰতিঘাত সহানুভূতিৰে চিত্ৰিত কৰিবলৈ যত্ন কৰিছে । নাটকৰ আংগিক আৰু অন্যান্য প্ৰয়োজনীয় কলাকৌশলৰ দিশত বৰগোহাঞিৰ নাটক নিখুঁত । ইয়াৰ সংবেদনশীলতাই পাঠকৰ অন্তৰ স্পৰ্শ কৰে । মানুহৰ যৌন আকাংক্ষাৰ ছবি চিত্ৰণে বৰগোহাঞিৰ নাটকক যিদৰে বাস্তৱধৰ্মী কৰি তুলিছে সেইদৰে সংবেদনশীলতাকো উদ্ৰেক কৰিছে । সংখ্যাত তাকৰ যদিও বৰগোহাঞিৰ নাটকৰ পৰা ধাৰণা কৰিব পাৰি যে তেখেতে আনবোৰ সাহিত্য কৰ্মৰ সমানে যদি নাটকো ৰচনা কৰিলেহেঁতেন, তেনেহলে নাটকৰ দিশতো এখন ওখ আসন অধিকাৰ কৰিলেহেঁতেন ।

গ্ৰন্থপঞ্জী ঃ

১। অনাতাঁৰ নাট্যাৱলী ঃ ২য় খণ্ড অসম প্ৰকাশন পৰিষদ, সম্পাদনা অৰুণ শৰ্মা, পাতনি, পৃঃ ০৮-০৯
২। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, সৌমাৰ প্ৰকাশ, গুৱাহাটী, ৬ষ্ঠ প্ৰকাশ ১৯৯১ পৃঃ ৩৩৮
৩। সত্য প্ৰসাদ বৰুৱা ঃ নাটক আৰু অভিনয় প্ৰসঙ্গ ; গ্ৰন্থপীঠ, গুৱাহাটী, ৩য় প্ৰকাশ ১৯৮৩ পৃঃ ১৮২
৪। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫৪
৫। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫৪
৬। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫৮
৭। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৬০
৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৬৫ ☐☐